● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

## দিগ্‌দৰ্শন

আমি যিবোৰ বস্তু ভাল পাওঁ, সেইবোৰেই আমাৰ পৰিচয় দাঙি ধৰে।

থমাছ একুইনাছ
*ইটালীৰ ধৰ্মগুৰু-দাৰ্শনিক*



www.dainikagradoot.in

৭ দেশত মহিলাৰ কৰ্মসংস্থাপনৰ শীৰ্ষত পশ্চিমবংগ
১৫ দ্বিতীয় ৰাউণ্ডতে বিদায় ল'লে ৰাডুকানুই
৪ অসম চৰকাৰৰ প্ৰথম বছৰৰ খতিয়ান আৰু চাৰি বছৰৰ বাবে কৰণীয়

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ২২৫তম সংখ্যা ● গুৱাহাটী ● বৃহস্পতিবাৰ ১১ জেঠ ১৪২৯ ভাস্কৰাব্দ ২৬ মে' ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Thursday 26 May 2022 মূল্য ঃ ৯.০০ টকা

■ বৰষুণৰ পানীত বুৰ গ'ল অধিকাংশ পথ ■ তীব্ৰ যান-জঁট, যানবাহনৰ চলাচলত ব্যাঘাত
হোৱাত ৰাজপথত চৰিল হাঁহ ■ পানীত ডুবিল গীতানগৰ থানা ঃ পানী সিঁচাত ব্যস্ত আৰক্ষী

# কৃত্ৰিম বানত গৃহবন্দী মহানাগৰিক



**কৃত্ৰিম বানপানী থাকিবই, আবদ্ধ পানী মুকলিৰ দীৰ্ঘম্যাদী আঁচনি লোৱা হৈছে ঃ মেয়ৰ**

শিলসাঁকো উচ্ছেদিত স্থানত স্থাপন হ'ব ৰিজাৰ্ভাৰ ■ দ' অঞ্চলৰ পথ-নলা ওখ কৰা হ'ব

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৫ মে'** ঃ ভূতৰ ওপৰত দানহ পৰাদি এজাক বৰষুণ দিলেই কৃত্ৰিম বানৰ কৱলত পৰা গুৱাহাটী মহানগৰবাসীয়ে এই দীৰ্ঘদিনীয়া সমস্যাৰ পৰা পৰিত্ৰাণ পোৱাটো এক অলীক কল্পনাত পৰিণত হৈছে। কৃত্ৰিম বান মুক্ত কৰাৰ চৰকাৰী শ্ল'গানক ধোঁৱাচাঙত তুলি আজি পুৱাৰে পৰা অহা মুষলধাৰ বৰষুণৰ ফলত পুনৰ বুৰ গ'ল মহানগৰী। দীৰ্ঘদিনীয়া এই কৃত্ৰিম বানৰ সমস্যা সমাধানৰ ক্ষেত্ৰত প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণত ব্যৰ্থ গুৱাহাটী উন্নয়ন নিগম আৰু পৌৰনিগমে গ্ৰহণ কৰা অভিলাষী আঁচনিসমূহ ফ্লপশ্ব'ত পৰিণত কৰি মহানগৰীৰ ন ন অঞ্চল কৃত্ৰিম বানৰ কৱলত পৰা ঘটনাই সম্প্ৰতি চৌদিশে এক হাহাকাৰ পৰিৱেশৰ সৃষ্টি কৰিছে। আজি পুৱা প্ৰায় ১০ বজাৰ পৰা অহা বৰষুণৰ ফলত সৃষ্টি হোৱা কৃত্ৰিম বানত মহানগৰীৰ অধিকাংশ মূল বাটপথ, উপ-পথ তথা পদপথ পানীত ডুব যোৱাৰ পৰিপ্ৰেক্ষিতত কে'বা ঘণ্টাজুৰি তীব্ৰ যান-জঁটৰ সৃষ্টি হয়। চান্দমাৰি, নুনমাটি, চিৰিয়াখানা পথ, হাতীগাঁও, বশিষ্ঠ, ৰুক্মিণী গাঁও আদি অঞ্চলৰ মূল পথ, উপ-পথত একাঁঠু পৰ্যন্ত পানীত আবদ্ধ হৈ পৰাৰ ফলত বিভিন্ন স্থানলৈ ওলাই অহা যাত্ৰীসকল গভীৰ সমস্যাৰ সন্মুখীন হ'বলগীয়া হয়। কোনো কোনো স্থানত কৃত্ৰিম *১০ পৃষ্ঠাত চাওক*

■ মুখ্যমন্ত্ৰীয়ে উদ্বোধন কৰিলে চাহ বাগিচাৰ আদৰ্শ বিদ্যালয় ■ ১৪,৫৯৪ ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তি ■ চাহ বাগিচাৰে সম্পৰ্ক থকা বিশিষ্ট ব্যক্তিৰ নামত বিদ্যালয় নামকৰণ কৰা হ'ব

# পূৰ্বপুৰুষৰ পাপৰ প্ৰায়শ্চিত্ত কৰিছো ঃ শৰ্মা

■ সোণাজুলি আদৰ্শ মাধ্যমিক বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰে একেলগে আহাৰ গ্ৰহণ কৰিলে



**ষ্টাফ ৰিপ'ৰ্টাৰ/বিশেষ সংবাদদাতা**

**তেজপুৰ/ৰঙাপৰা, ২৫ মে'** ঃ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি ৰাজ্যৰ চাহ বাগিচা অঞ্চলত প্ৰথমবাৰলৈ স্থাপিত আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় উদ্বোধনপৰ্ব মুকলি কৰে। আজিৰে পৰা অহা ৩০ মে'ৰ ভিতৰত ৯৬ খন চাহ বাগিচা অঞ্চলত নৱনিৰ্মিত এনে আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়সমূহ মন্ত্ৰী, সাংসদ আৰু স্থানীয় বিধায়কসকলে নিজ নিজ অঞ্চলত উদ্বোধন কৰিব। মুখ্যমন্ত্ৰীয়ে শোণিতপুৰ জিলাত নৱনিৰ্মিত এনে ছখন বিদ্যালয় মুকলি কৰে। ৰঙাপৰাত আজি আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ উদ্বোধনী অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, 'ৰাজ্যত যদিহে ৭৫বছৰ পূৰ্বেই এনেদৰে চাহ বাগিচাত বিদ্যালয় স্থাপন হ'লহেঁতেন, চিকিৎসা *১০ পৃষ্ঠাত চাওক*

প্ৰমোদৰ বিৰুদ্ধে সৰৱ হাগ্ৰামাই ক'লে বাগ্‌সাত

## বিটিচিৰ পৰা বিজেপিক আউট কৰিব লাগে বুলি আলোচনা

**অগ্ৰদূত বাৰ্তা**

**শালবাৰী, ২৫ মে'** ঃ বাগ্‌সাৰ শিমলাত নিৰ্বাচনী প্ৰচাৰলৈ আহি বিপিএফৰ মুৰব্বী হাগ্ৰামা মহিলাৰীয়ে আজি কে'বাটাও গুৰুত্বপূৰ্ণ মন্তব্য আগবঢ়ায়। তেওঁ সংবাদ মাধ্যমৰ *১০ পৃষ্ঠাত চাওক*

হাতীগাঁৱৰ ঘটনাস্থলীত সামগ্ৰী চুৰি হোৱা নাই

## সুৰাসক্ত লোকে পৰিকল্পিকভাৱে ইমামক হত্যা কৰাৰ সন্দেহ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৫ মে'** ঃ মহানগৰীৰ হাতীগাঁও আৰক্ষী থানা অন্তৰ্গত শংকৰ-আজান আৰু ফ্ৰেইণ্ডছ পথ দুটাৰ এটা সংযোগী উপ-পথত কালি সংঘটিত হত্যাকাণ্ডৰ ঘটনা চুৰি বা ডকাইতিৰ উদ্দেশ্যে হোৱা নাছিল বুলি *১০ পৃষ্ঠাত চাওক*

## ছিপাঝাৰত দুৰ্ঘটনা সংঘটিত কৰা ট্ৰাকচালকক গ্ৰেপ্তাৰ

**অগ্ৰদূত বাৰ্তা**

**ছিপাঝাৰ, ২৫মে'** ঃ কালি পুৱা ছিপাঝাৰত ১৫ নম্বৰ ঘাইপথত সংঘটিত পথ দুৰ্ঘটনাত জড়িত ট্ৰাক চালকজনক আৰক্ষীয়ে আজি গ্ৰেপ্তাৰ কৰে। দুৰ্ঘটনা সংঘটিত কৰা ট্ৰাকখনৰ *১০ পৃষ্ঠাত চাওক*

■ টেক্সাছৰ প্ৰাথমিক বিদ্যালয়ত আক্ৰমণ ■ প্ৰথমে আইতাকক গুলীয়াই সংঘটিত কৰে গণহত্যা ■ আৰক্ষীৰ গুলিত নিজেও ধৰাশায়ী

# আমেৰিকাত ১৮ শিক্ষাৰ্থীসহ ২১ জনক গুলীয়াই হত্যা কৰিলে কিশোৰে

**■ নিউজ ব্যুৰ'**

**টেক্সাছ, ২৫ মে'** ঃ আমেৰিকা যুক্তৰাষ্ট্ৰৰ টেক্সাছৰ এখন প্ৰাথমিক বিদ্যালয়ত এজন বন্দুকধাৰীৰ নিৰ্বিচাৰ গুলিচালনাত ১৮ জন শিক্ষাৰ্থীসহ কমেও ২১ জন নিহত হয়। তদুপৰি আহত হয় বহুজন। টেক্সাছৰ স্থানীয় সময় অনুসৰি কালি এই ঘটনা সংঘটিত হয়। আৰক্ষীৰ স'তে সংঘৰ্ষত ঘটনাস্থলীতে মৃত্যু হয় অভিযুক্ত কিশোৰ *১০ পৃষ্ঠাত চাওক*




**■ সৰ্বশিক্ষাৰ পুঁজিৰে বিদ্যালয় গৃহ নিৰ্মাণৰ পুঁজিৰ যোগান ধৰাত আইনগত বাধা আছে ■ ৭৫ বছৰে নাছিল চাহ বাগিচাত বিদ্যালয়**

# ভুল তথ্য দাখিল কৰি বহু বিদ্যালয়ে প্ৰাদেশিকীকৰণ কৰিছে ঃ শিক্ষামন্ত্ৰী

**তিতাবৰ, ২৫ মে'** ঃ 'বিদ্যালয় প্ৰাদেশিকীকৰণৰ সময়ত বহু বিদ্যালয়ে ভুল তথ্য দাখিল কৰি প্ৰাদেশিকীকৰণৰ তালিকাত নাম অন্তৰ্ভুক্ত কৰিলে। যিহেতু বিদ্যালয়গৃহৰ আন্তঃগাঁথনি নাথাকিলে সেই অপ্ৰাদেশিকীকৃত বিদ্যালয়সমূহ প্ৰাদেশিকীকৰণৰ তালিকাত অন্তৰ্ভুক্ত হ'ব নোৱাৰে, সেয়েহে তেওঁলোকে শিক্ষা বিভাগৰ পৰা পোৱা ডাইচক'ডত ভুৱা তথ্য দাখিল কৰি প্ৰাদেশিকীকৰণৰ আওতাত সুবিধা লাভ কৰিলে। নিৰ্দেশনা অনুসৰি সৰ্বশিক্ষাৰ অধীনত সৰ্বশিক্ষাৰ পুঁজিৰে বিদ্যালয়গৃহ নিৰ্মাণৰ বাবে পুঁজিৰ যোগান ধৰাত আইনগত বাধা আছে। সেইবাবে বহুতো বিদ্যালয়গৃহৰ আন্তঃগাঁথনি বৰ্তমানেও নিৰ্মাণ কৰিব পৰা নাই।' এই মন্তব্য শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ। আজি তিতাবৰৰ চৰাইপানী চাহ বাগিচাত ৰাজ্য চৰকাৰে ৪০ লাখ টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা চৰাইপানী আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়খন উদ্বোধন কৰি *১০ পৃষ্ঠাত চাওক*

আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিলে সৰবৰাহকাৰীক

## বাহনত লুকুৱাই অনা চাৰি কোটিৰ ড্ৰাগছ জব্দ মৰিয়নিত



**অগ্ৰদূত বাৰ্তা**

**মৰিয়নি, ২৫ মে'** ঃ যোৱা নিশা আৰক্ষীয়ে মৰিয়নিৰ শিলিখা চাহ বাগিচাৰ পৰা এজন ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰাৰ লগতে তেওঁৰ পৰা এখন বাহন আৰু বৃহৎ পৰিমাণৰ ড্ৰাগছ জব্দ কৰে। যোৱা নিশা আৰক্ষীয়ে চাহ বাগিচাখনৰ ১১ নম্বৰ লাইনৰ পৰা অজিত উৰাং নামৰ এজন ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। তেওঁৰ জিম্মাৰ পৰা আৰক্ষীয়ে দুটা ব্ৰাউন চুগাৰ পেকেট উদ্ধাৰ কৰে। ধৃত অজিতৰ ঘৰ গোলাঘাট জিলাৰ সৰুপথাৰ উৰিয়ামঘাটত। আনহাতে, আৰক্ষীয়ে সৰবৰাহকাৰীজনৰ পৰা এএছ- ০৪ কে-০৬১০ নম্বৰৰ এখন বগা ৰঙৰ মাৰুতি আৰ্টিগা গাড়ীও জব্দ কৰে। ইফালে, বাহনখনত দুজন ড্ৰাগছ সৰবৰাহকাৰী *১০ পৃষ্ঠাত চাওক*

## ধেমাজি অভিযান্ত্ৰিক মহাবিদ্যালয়ত খাদ্যত মাখি-জোক-কেৰেলুৱা

প্ৰধানমন্ত্ৰী-মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ ঃ তদন্তৰ দাবী

**ধেমাজি, ২৫ মে'** ঃ ধেমাজি অভিযান্ত্ৰিক মহাবিদ্যায়লত খাদ্যৰ নামত ছাত্ৰ-ছাত্ৰীক খুৱাইছে অপৰিষ্কাৰ পানী। খাদ্যৰ স'তে মাখি, জোক, কেৰেলুৱা আদি খুওৱাৰ অভিযোগ উত্থাপন কৰিছে মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীয়ে। উল্লেখ্য যে *১০ পৃষ্ঠাত চাওক*

সন্ত্ৰাসবাদীলৈ পুঁজি

## বিচ্ছিন্নতাবাদী নেতা য়াছিন মালিকক যাৱজ্জীৱন কাৰাদণ্ডৰ ৰায়

**■ নিউজ ব্যুৰ'**

**নতুন দিল্লী, ২৫ মে'** ঃ কাশ্মীৰৰ বিচ্ছিন্নতাবাদী নেতা য়াছিন মালিকক যাৱজ্জীৱন কাৰাদণ্ড বিহিলে দিল্লীৰ এক বিশেষ আদালতে। *১০ পৃষ্ঠাত চাওক*

**জুৰীয়াৰ গৃহত উদ্ধাৰ অস্ত্ৰ-বন্যপ্ৰাণীৰ অংগ**

## নগাঁৱৰ আৰক্ষী অধীক্ষকৰ কাৰ্যালয়ত অবৈধ অস্ত্ৰসহ প্ৰাক্তন আমছু নেতাক গ্ৰেপ্তাৰ



**বিশেষ সংবাদদাতা**

**নগাঁও, ২৫ মে'** ঃ নগাঁৱৰ আৰক্ষী অধীক্ষকৰ কাৰ্যালয়লৈ অবৈধ মাৰণাস্ত্ৰসহ আহি গ্ৰেপ্তাৰ হ'ল সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন (আমছু)ৰ প্ৰাক্তন নেতা কামৰুজ জামান সৰকাৰ। যোৱা নিশা নগাঁও জিলাৰ আৰক্ষী অধীক্ষকৰ কাৰ্যালয়লৈ আহোতে কাৰ্যালয়ৰ প্ৰৱেশদ্বাৰত তালাচীৰ সময়ত প্ৰাক্তন আমছু নেতাজনৰ লগত এটা *১০ পৃষ্ঠাত চাওক*

**মুগাৰ সাজত কাঁ চলচ্চিত্ৰ মহোৎসৱত অভিনেত্ৰী আইমী বৰুৱা**



**■ নিউজ ব্যুৰ'**

**কাঁ, ২৫ মে'** ঃ কাঁ চলচ্চিত্ৰ মহোৎসৱৰ ৰেড কাৰ্পেটত মুগাৰ সাজ পৰিধান কৰি উপস্থিত হ'ল অভিনেত্ৰী-পৰিচালক আইমী বৰুৱাক। উল্লেখ্য যে আইমীয়ে পৰিচালনা কৰা 'চেমখৰ' কাঁ চলচ্চিত্ৰ মহোৎসৱত প্ৰদৰ্শন কৰা হয়। এই ছবিখনে বিভিন্ন বঁটা আঁজুৰি আনিবলৈ সক্ষম হৈছে। ৰেড কাৰ্পেটত খোজ দিয়াৰ পূৰ্বে সামাজিক মাধ্যমযোগে অভিনেত্ৰীগৰাকীয়ে এই বিষয়ে সদৰী কৰে। আইমীয়ে কয়, 'কাঁ মহোৎসৱৰ ফালৰ পৰা আগতীয়াকৈ নিৰ্ধাৰিত কৰি থোৱা হয় ৰেড কাৰ্পেটত কোন যাব। আজি মোক তেওঁলোকে সুযোগ দিছে ভাৰতৰ ফালৰ পৰা। মোৰ জীৱনৰ এটা উল্লেখযোগ্য দিন হ'ব আজিৰ দিনটো।' 'চেমখৰ'ৰ বাবেই আজি এইখন মঞ্চ লাভ কৰিছে বুলি উল্লেখ কৰি আইমীয়ে কয়, 'ডিমাচাসকলক ধন্যবাদ জনাইছো যে তেওঁলোকৰ ভাষা-সংস্কৃতি, ৰীতি-নীতিৰ বাবেই আজি ইয়াত থিয় হৈ আছো। এই গৌৰৱৰ অধিকাৰী সমগ্ৰ অসমবাসী, সমগ্ৰ উত্তৰ-পূববাসী।' অসমৰ চলচ্চিত্ৰক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়লৈ নিয়াৰ প্ৰয়াস অব্যাহত ৰাখিছে অভিনেত্ৰীগৰাকীয়ে।

■ ঘটনাস্থলীৰ বুজ ল'লে কংগ্ৰেছ বিধায়িনী দলে ■ বটদ্ৰৱা থানলৈ তীৰ্থযাত্ৰীৰ আগমন হ্ৰাস ■ ভয়-শংকা পৰিহাৰ কৰিবলৈ আহ্বান

## বটদ্ৰৱা আৰক্ষী থানা আক্ৰমণকাৰী আৰু তিনিজনক গ্ৰেপ্তাৰ



**বিশেষ সংবাদদাতা**

**নগাঁও, ২৫ মে'** ঃ বটদ্ৰৱা আৰক্ষী থানাত অগ্নিসংযোগৰ ঘটনাৰ স'তে জড়িত আৰু তিনিজন অভিযুক্তক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। ধৃত তিনিজনক বটদ্ৰৱা হাইডুবিৰ মুজিবুৰ ৰহমান আৰু জেহিৰুল ইছলাম তথা আমলক্ষীৰ আৰশ্বাৰ আলী বুলি চিনাক্ত কৰা হৈছে। উল্লেখ্য যে উক্ত ঘটনা সংক্ৰান্তত এই পৰ্যন্ত দুগৰাকী মহিলাসহ মুঠ নজনক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। অৱশ্যে এতিয়াও পলাতক অৱস্থাত আছে বহু অভিযুক্ত। উল্লেখ্য যে যোৱা ২১ মে'ত বটদ্ৰৱা আৰক্ষী থানাত আক্ৰমণৰ ঘটনাৰ স'তে প্ৰায় দুশ লোক জড়িত থকাৰ কথা অসম আৰক্ষীৰ শীৰ্ষ সূত্ৰই প্ৰকাশ কৰিছিল। ইপিনে, বটদ্ৰৱা কাণ্ডক লৈ ৰাজনৈতিক মুনাফা আদায় কৰিবলৈ তৎপৰ হৈছে বিভিন্ন ৰাজনৈতিক দল-সংগঠন। বটদ্ৰৱা আৰক্ষীৰ জিম্মাত মৃত্যু হোৱা *১০ পৃষ্ঠাত চাওক*

**■ কোকৰাঝাৰত বৃদ্ধি পাইছে ধৰ্ষণৰ ঘটনা ■ শেহতীয়াভাৱে ১৩গৰাকী নাবালিকা ধৰ্ষণৰ বলি ঃ শিশু কল্যাণ সমিতিৰ অধ্যক্ষা**

## অবৈধ প্ৰব্ৰজনকাৰী-বেদখলকাৰীক শীঘ্ৰে উচ্ছেদৰ দাবী সাত ছাত্ৰ সংগঠনৰ

**অগ্ৰদূত বাৰ্তা**

**কোকৰাঝাৰ, ২৫ মে'** ঃ কোকৰাঝাৰ জিলাৰ অভয়খুঁটিৰ ঘটনাকে ধৰি যোৱা বছৰৰ পৰা ধাৰাবাহিকভাৱে নাবালিকাৰ ওপৰত এচাম দুৰ্বৃত্তই যৌন নিৰ্যাতন চলাই অহা ঘটনাক লৈ স্থানীয় ৰাইজ আৰু বিভিন্ন দল-সংগঠনৰ মাজত তীব্ৰ ক্ষোভৰ সৃষ্টি হৈছে। বিশেষকৈ জিলা প্ৰশাসনৰ নিষ্ক্ৰিয় ভূমিকাৰ বাবে বিভিন্ন প্ৰান্তত একাংশ সন্দেহজনক লোকে বেদখল কৰি জনসংখ্যা বৃদ্ধি কৰাৰ পৰিপ্ৰেক্ষিততে এনে ধৰণৰ অসামাজিক কাম-কাজ বৃদ্ধি পাইছে বুলি অভিযোগ উত্থাপন কৰা হৈছে। উল্লেখ্য যে এনেবোৰ জ্বলন্ত সমস্যাৰ বিৰুদ্ধে ক্ষিপ্ৰ ব্যৱস্থা গ্ৰহণ কৰি এনে বেদখলকাৰীসকলক উচ্ছেদ কৰাৰ লগতে অভয়খুঁটিকে ধৰি মটুপাৰা, ঢোলমাৰা, লালকুৱা আদি অঞ্চলত অব্যাহত থকা এনে লজ্জাজনক অপৰাধ কাণ্ডৰ স'তে জড়িত অপৰাধী চক্ৰক উৎখাত *১০ পৃষ্ঠাত চাওক*

**ভেটাপাৰাৰ শিৱ-গণেশ মন্দিৰত বিগ্ৰহ-শিৱ লিংগ দলিয়াই পেলালে ■ দুটাকৈ গোচৰ ৰুজু**

# মহানগৰীত দুটাকৈ মন্দিৰত দুৰ্বৃত্তৰ উপদ্ৰৱ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৫ মে'** ঃ মহানগৰীৰ বশিষ্ঠ আৰু হাতীগাঁও আৰক্ষী থানাৰ অন্তৰ্গত পৃথক পৃথক স্থানত থকা দুটাকৈ শিৱ আৰু গণেশ মন্দিৰত নিশা দুৰ্বৃত্তই উপদ্ৰৱ চলাই মন্দিৰৰ মূল বিগ্ৰহ, শিৱ লিংগ উভালি দলিয়াই পেলোৱা ঘটনাই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। ঘটনাৰ সংক্ৰান্তত বশিষ্ঠ আৰক্ষী থানাত ভাৰতীয় দণ্ড বিধিৰ ৬৬১/৩৮০/২৯৫ ধাৰাত ৪৫৯/২০২২ আৰু হাতীগাঁও আৰক্ষী থানাত ভাৰতীয় দণ্ড বিধিৰ ৩৮০/২৯৫/১৫৩ ধাৰাত ২৪৯/২০২২ নম্বৰত দুটাকৈ গোচৰ ৰুজু কৰি আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে। উল্লেখ্য যে ভেটাপাৰাৰ বাহিনী নদীৰ দুয়োটা পাৰে থকা অৰ্থাৎ সুধাকণ্ঠ আৰু বিষ্ণুজ্যোতি পথত *১০ পৃষ্ঠাত চাওক*



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩০° | ২৪° |
| ডিব্ৰুগড় | ৩২° | ২৫° |
| দিল্লী | ৩২° | ২৩° |
| কলকাতা | ৩৩° | ২৮° |
| মুম্বাই | ৩৩° | ২৯° |
| চেন্নাই | ৩৬° | ২৯° |
| বাংগালুৰু | ৩১° | ২১° |
| শ্বিলং | ২৩° | ১৭° |

*২৫ মে', ২০২২*

## চেঙা তেল



*আগতকৈ ৰেটটো বঢ়াই দিয়ক, আপোনাৰ কাম ঠিকে-ঠাকে হৈ থাকিব!*

# দৈনিক অগ্ৰদূত

গুৱাহাটী, ২৬ মে', ২০২২ বৃহস্পতিবাৰ পৃষ্ঠা তিনি


**কাৰবি আংলং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচন**

## বোকাজান বিধানসভা সমষ্টিৰ ছটা পৰিষদীয় সমষ্টিত চলিছে নিৰ্বাচনী গৰম বতাহ

অগ্ৰদূত বাৰ্তা

**বোকাজান, ২৫ মে' ঃ** সমাগত আঠ জুনত অনুষ্ঠিত হ'বলগীয়া কাৰবি আংলং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে সমগ্ৰ জিলাখনত নিৰ্বাচনী তৎপৰতা বৃদ্ধি পোৱাৰ সমান্তৰালভাৱে বোকাজান বিধানসভা সমষ্টিৰ ছটা পৰিষদীয় সমষ্টিতো চলিছে ব্যাপক প্ৰস্তুতি। পৰিষদত শাসনাধিষ্ঠিত বিজেপিৰ লগতে অন্যান্য দল আৰু প্ৰাৰ্থীসকলেও নিৰ্বাচনী যুঁজৰ বাবে কঁকালত টঙালি বন্ধা পৰিলক্ষিত হৈছে। অৱশ্যে এইক্ষেত্ৰত তুলনামূলকভাৱে বিজেপিয়ে অধিক তৎপৰতা প্ৰদৰ্শন কৰা দৃষ্টিগোচৰ হৈছে। অসম বিধানসভাৰ উপাধ্যক্ষ ডাঃ নোমল মমিনে প্ৰতিনিধিত্ব কৰা ১৭ নম্বৰ বোকাজান বিধানসভা সমষ্টিৰ অন্তৰ্গত ছটা পৰিষদীয় সমষ্টিতেই বিজেপিয়ে প্ৰাৰ্থী প্ৰক্ষেপ কৰাৰ ছয় পৃষ্ঠাত চাওক

## লক্ষীপুৰত বিভাগীয় ভূমি বেদখলকাৰীৰ বিৰুদ্ধে উচ্ছেদ অভিযান প্ৰশাসনৰ

অগ্ৰদূত বাৰ্তা

**লক্ষীপুৰ, ২৫ মে' ঃ** গোৱালপাৰাৰ লক্ষীপুৰ নগৰত আজি চৰকাৰী ভূমিত অবৈধ বেদখলকাৰীৰ বিৰুদ্ধে উচ্ছেদ অভিযান চলায় স্থানীয় প্ৰশাসনে। উল্লেখ্য যে এচাম ভূ-মাফিয়াই নগৰখনৰ বিশেষকৈ ছয় পৃষ্ঠাত চাওক

**মাজুলীৰ প্ৰথমখন চিকিৎসালয়ত চিকিৎসা আগবঢ়াইছে মহকুমা চিকিৎসা বিষয়াই**

# চিকিৎসক শূন্য কমলাবাৰী চিকিৎসালয়

অগ্ৰদূত বাৰ্তা

**কমলাবাৰী, ২৫ মে' ঃ** মাজুলীৰ কমলাবাৰীস্থিত মাজুলীৰ প্ৰথমখন ৩০ খন বিছনাযুক্ত চিকিৎসালয় চিকিৎসকশূন্য হৈ পৰিছে। মাজুলীৰ কমলাবাৰীস্থিত সামূহিক চিকিৎসালয়খনিত অৱশিষ্ট শিশু চিকিৎসকগৰাকীয়ে দীৰ্ঘদিন ধৰি বিভিন্ন বিভাগৰ চিকিৎসা সেৱা আগবঢ়াই আহিছিল যদিও এসপ্তাহৰ পূৰ্বে অইলত নিযুক্তি লাভ কৰি গুচি যোৱাৰ পাছত চিকিৎসালয়খনত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হয়। দৈনিক দুই-তিনি শতাধিক ৰোগীৰ বিভিন্ন বিভাগত চিকিৎসা সেৱা আগবঢ়াই থকা চিকিৎসালয়খনত উপায়ন্তৰ হৈ মহকুমা চিকিৎসা বিষয়া ডাঃ বিমল পেগুৱে আগবঢ়াইছে চিকিৎসা। ইয়াৰ ছয় পৃষ্ঠাত চাওক



ধেলাখাত চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় মুকলি অভিভাৱক মন্ত্ৰী অতুল বৰাৰ, বুধবাৰে।

## গোপালকৃষ্ণ চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় উদ্বোধন মন্ত্ৰী পীযুষ হাজৰিকাৰ



অগ্ৰদূত বাৰ্তা

**জাগীৰোড, ২৫ মে' ঃ** ৰাজ্যৰ চাহ বাগিচাসমূহৰ ছাত্ৰ-ছাত্ৰীসকল বছৰ বছৰ ধৰি বঞ্চিত হৈ আহিছে উপযুক্ত শিক্ষাৰ পৰা। সেয়ে চাহ বাগিচাসমূহৰ ছাত্ৰ-ছাত্ৰীসকলক উপযুক্ত শিক্ষা দিয়াৰ উদ্দেশ্যে অসম চৰকাৰে গ্ৰহণ কৰিছে বিশেষ পদক্ষেপ। তাৰেই অংশ হিচাপে ২০২০ত ৰাজ্যৰ চাহ বাগিচাসমূহত ১১৯ খন আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ আধাৰশিলা স্থাপন কৰিছিল ৰাজ্য চৰকাৰে। ইয়াৰে আজি ৰাজ্যখনৰ বিভিন্ন চাহ বাগিচাত স্থাপন কৰা ৯৬ খন বিদ্যালয় আৰম্ভ কৰে ৰাজ্য চৰকাৰে। জাগীৰোডৰ গোপালকৃষ্ণ চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়খন আৰম্ভ কৰে ৰাজ্য চৰকাৰৰ জলসম্পদ, তথ্য জনসংযোগ, লেখন আৰু মুদ্ৰণ বিভাগৰ সংসদীয় পৰিক্ৰমা মন্ত্ৰী পীযুষ হাজৰিকাই। মুঠ ১৪৪ গৰাকী ছাত্ৰ-ছাত্ৰী আৰু আঠজন শিক্ষক-শিক্ষয়িত্ৰী থকা বিদ্যালয়খন মুকলি কৰি সুখ অনুভৱ ব্যক্ত কৰে ছয় পৃষ্ঠাত চাওক

## নগাঁৱত চাৰিখন চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় উদ্বোধন মন্ত্ৰী কেশৱ মহন্তৰ

অগ্ৰদূত বাৰ্তা

**চামগুৰি/কলিয়াবৰ, ২৫ মে' ঃ** ৰাজ্যৰ আন প্ৰান্তৰ লগতে নগাঁও জিলাৰ চামগুৰি বিধানসভা সমষ্টিৰ পুৰণা শালনাত আজি স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী কেশৱ মহন্তই পুৰণা শালনা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়খন আজি মাংগলিক কাৰ্যসূচীৰে উদ্বোধন কৰে। উদ্বোধনী অনুষ্ঠান উপলক্ষে অনুষ্ঠিত সভাত মন্ত্ৰী মহন্তই কয়, 'দেশ স্বাধীন হোৱাৰ পাছত চাহ বাগিচা অঞ্চলত আজি শিক্ষাৰ ক্ষেত্ৰত প্ৰথম ঐতিহাসিক দিন। ইয়াৰ পূৰ্বে চাহ বাগিচা অঞ্চলত প্ৰাথমিক শিক্ষাতে সীমাবদ্ধ আছিল; কিন্তু এই আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়সমূহৰ দ্বাৰা অঞ্চলটোৰ ছাত্ৰ-ছাত্ৰীসকল উপকৃত ছয় পৃষ্ঠাত চাওক

## শিৱসাগৰত শিক্ষকৰ ৰূপত আৰক্ষী সঞ্চালকপ্ৰধান

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ২৫ মে' ঃ** গুণোৎসৱৰ তৃতীয়টো দিনত আজি শিৱসাগৰৰ অন্যতম পুৰণি বিদ্যালয় গৱৰ্ণমেণ্ট স্কুলত শিক্ষকৰ ৰূপত অসম আৰক্ষীৰ সঞ্চালকপ্ৰধান ভাস্কৰজ্যোতি মহন্তই অংশগ্ৰহণ কৰে। বিদ্যালয়ৰ এসময়ৰ ছাত্ৰ আৰক্ষী সঞ্চালকপ্ৰধানজন বিদ্যালয়ত উপস্থিত হোৱাৰ লগে লগেই এক উখল-মাখল পৰিৱেশৰ সৃষ্টি হয়। উল্লেখ্য যে ১৮৪১ত প্ৰতিষ্ঠা লাভ কৰা উজনিৰ দ্বিতীয়খন ল'ৰাৰ বিদ্যালয় হিচাপে পৰিচিত এই ছয় পৃষ্ঠাত চাওক

## মন্দিয়াত ছাত্ৰ-ছাত্ৰীক মধ্যাহ্ন ভোজন খুওৱাৰ পৰিৱৰ্তে পুতি থলে চাউল

**কলগাছিয়া, ২৫ মে' ঃ** ৰাজ্যত দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱ চলি থকাৰ সময়তে বৰপেটা জিলাৰ মন্দিয়া শিক্ষাখণ্ডৰ অন্তৰ্গত ২০০৩ নম্বৰ উত্তৰ মইনবৰী চৰ ছোৱালী প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ এক কাৰ্যই ৰাইজৰ মাজত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীক মধ্যাহ্ন ভোজনৰ পৰা বঞ্চিত কৰি শিক্ষকজনে মাটিত পুতি ৰখা অৱস্থাৰ পৰা ছয় পৃষ্ঠাত চাওক

**শোণিতপুৰত কে'বাখনো বাহন জব্দ আৰক্ষীৰ**

## ভাৰতীয় তেল নিগমৰ তেল পৰিবহণৰ নিবিদাত বৃহৎ কেলেংকাৰিৰ অভিযোগ

ষ্টাফ ৰিপ'ৰ্টাৰ

**তেজপুৰ, ২৫ মে' ঃ** শোণিতপুৰৰ মিছামাৰী আৰু চাৰিদুৱাৰত তেল পৰিবহণৰ নিবিদাকলৈ কেলেংকাৰি সংঘটিত হোৱাৰ গুৰুতৰ অভিযোগ উত্থাপন হোৱাৰ লগতে চাৰিদুৱাৰত ছয়খন বডিবিহীন ট্ৰাক জব্দ কৰা হৈছে। উল্লেখ্য যে মিছামাৰী ভাৰতীয় তেল নিগমৰ তেল পৰিবহণৰ নিবিদাত ভুৱা নথিপত্ৰ দাখিল কৰি অবৈধভাৱে এই নিবিদাৰ বিপৰীতে আবণ্টন লাভ কৰাৰ অভিযোগ উত্থাপন হৈছে। ৰাজেশ কুমাৰ জৈন, ৰাহুল কুমাৰ জৈন আৰু অনিতা দেৱী জৈনে ভাৰতীয় তেল নিগমৰ নিবিদা অবৈধভাৱে লাভ কৰা বুলি অভিযোগ উঠাৰ লগতে ইয়াৰ বাবে কৰ্তৃত্বশীল পক্ষৰে বিশেষ বুজাবুজি হোৱাৰো অভিযোগ উঠিছে। উল্লেখ্য যে বডি নথকাকৈয়ে টেংকাৰ হিচাপে গাড়ী দেখুৱাই এই নিবিদা মঞ্জুৰ হোৱাৰ অভিযোগ সন্দৰ্ভত সূত্ৰটোৱে কয় যে মুঠ ২৪ খন টেংকাৰৰ বিপৰীতে আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছে। ৰঙাপৰাৰ ৰাইন' ইঞ্জিনিয়াৰিং নামৰ এটা গাড়ীৰ বডি নিৰ্মাতা কাৰখানাৰ ভুৱা প্ৰমাণপত্ৰ সংগ্ৰহ কৰি নিবিদা লাভ কৰিবলৈ সক্ষম হোৱাৰ অভিযোগৰ উপৰি প্ৰক্ৰিয়াটোৰ আঁৰত ছয় পৃষ্ঠাত চাওক

## কলিয়াবৰত পথ দুৰ্ঘটনাত এজনৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**কলিয়াবৰ, ২৫ মে' ঃ** কলিয়াবৰৰ কুঢ়িমাৰীত আজি পুৱাৰ ভাগত সংঘটিত এক পথ দুৰ্ঘটনাত এজন চাইকেল আৰোহী নিহত হয়। নিহতজনক কুঢ়িমাৰীৰ ইন্দেশ্বৰ ভূঞা (৭৬) বুলি চিনাক্ত কৰা হৈছে। তথ্য মতে, নিজ ঘৰৰ সন্মুখতে চাইকেল লৈ ওলাই আহোতেই অচিনাক্ত এখন দ্ৰুতবেগী বাহনে খুন্দিয়াই থৈ যায় বৃদ্ধ লোকজনক। নলতলী-আমবাগান সংযোগী ঘাইপথত সংঘটিত হয় এই দুৰ্ঘটনা।

**কম্পিউটাৰ প্ৰশিক্ষকক গুৰুলা-গুৰুলকৈ প্ৰহাৰ ঃ লাঠিৰে কোবাই কোবাই পিঠি ফালিলে কম্পিউটাৰ শিক্ষকৰ**

## বাগ্‌সাৰ শালবাৰীত এবছু সদস্যৰ গুণ্ডাৰাজ



অগ্ৰদূত বাৰ্তা

**শালবাৰী, ২৫ মে' ঃ** বাগ্‌সাৰ শালবাৰীত এবছু কৰ্মীৰ কাণ্ডক লৈ তীব্ৰ জোকাৰণিৰ সৃষ্টি হৈছে। কম্পিউটাৰ শিক্ষকক কম্পিউটাৰ প্ৰশিক্ষণ কেন্দ্ৰৰ পৰা উঠাই নি গুৰুলা-গুৰুলকৈ প্ৰহাৰ কৰে এবছু কৰ্মীয়ে। শালবাৰী এবছু কাৰ্যালয়ত সংঘটিত হয় এই ঘটনা। এবছু কৰ্মীৰ প্ৰহাৰত গুৰুতৰভাৱে আহত হৈ চিকিৎসাধীন হ'বলগীয়া হয় কম্পিউটাৰ শিক্ষক জ্যোতিষ দাস। এগৰাকী বড়ো যুৱতী (বান্ধৱী)ৰ লগত ফটো উঠাক কেন্দ্ৰ কৰিয়েই সংঘটিত হয় ঘটনাটো। দুদিনমান পূৰ্বে শালবাৰীৰৰ শান্তি বজাৰৰ কম্পিউটাৰ ছয় পৃষ্ঠাত চাওক

## তামুলপুৰৰ খন্দিকৰত হেৰ'ইনসহ ড্ৰাগছ সৰবৰাহকাৰী আটক

অগ্ৰদূত বাৰ্তা

**তামুলপুৰ, ২৫ মে' ঃ** তামুলপুৰ জিলাৰ অন্তৰ্গত কাউৰবাহা আৰক্ষী চকীৰ অধীনৰ ধুলাবাৰী গাঁওৰ পৰা আজি তামুলপুৰ আৰক্ষীয়ে এজন ড্ৰাগছ সৰবৰাহকাৰীক আটক কৰে। ধৃত ড্ৰাগছ সৰবৰাহকাৰীজনৰ নাম ৰিয়াজুল আলী (৩৫)। তামুলপুৰ জিলা আৰক্ষী অধীক্ষক পংকজ যাদৱে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা মতে, আজি পুৱতি নিশা তামুলপুৰ জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক ছয় পৃষ্ঠাত চাওক




দৈনিক অগ্রদূত
গুৱাহাটী বৃহস্পতিবাৰ ১১ জেঠ ১৪২৯ ভাস্কৰাব্দ ২৬ মে’ ২০২২

# বাগিচাত বিদ্যালয়

অসম চৰকাৰে ৰাজ্যৰ চাহ বাগিচা অঞ্চলত ১১৯ খন চৰকাৰী আদৰ্শ হাইস্কুল স্থাপনৰ বাবে লোৱা সিদ্ধান্ত অনুসৰি ইতিমধ্যে ৯৭খন এনে বিদ্যালয় নিৰ্মাণ সম্পূৰ্ণ কৰা হৈছে আৰু এই বিদ্যালয়সমূহৰ উদ্বোধন আৰম্ভ কৰা হৈছে। মুখ্য উদ্বোধক মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাকে প্ৰমুখ্য কৰি অন্যান্য মন্ত্ৰী, সাংসদ তথা বিধায়কসকলে চাহ বাগিচাসমূহত চৰকাৰী হাইস্কুলসমূহ উদ্বোধন কৰিছে আৰু কৰিব বুলি প্ৰকাশ পাইছে। উল্লেখ্য যে অসমৰ চাহ বাগিচাসমূহত চৰকাৰী হাইস্কুল স্থাপন স্বাধীনতাৰ যোৱা ৭৫ বছৰে হোৱা নাছিল। বাগিচাৰ শ্ৰমিকৰ ল’ৰা-ছোৱালীয়ে চৰকাৰী হাইস্কুলত পঢ়িবলৈ আঁতৰলৈ যাবলৈ বাধ্য হৈছিল। বহুতে এইখিনি কষ্ট কৰি শিক্ষানুষ্ঠানলৈ যোৱাৰ পৰা বিৰত আছিল। বাগিচাৰ বেছিভাগ ল’ৰা-ছোৱালীয়েই সেয়ে আধুনিক শিক্ষাৰ পৰা বঞ্চিত হৈ আছিল। ৰাজ্যত আঠশৰো অধিক ডাঙৰ চাহ বাগিচা আছে, যিবিলাকত কে’বা লাখ শ্ৰমিক কৰ্মৰত হৈ আছে; কিন্তু কষ্টকৰ কামৰ বিনিময়ত শ্ৰমিকসকলে দিনটোৰ বেতন মাত্ৰ ১৬৭ টকা পাই আহিছে। শেহতীয়াকৈ চৰকাৰে দৈনিক বেতন ২০৫ টকালৈ বঢ়াইছে যদিও ইয়াক ৰূপায়ণ কৰা নাই। অতি কম বেতনত কাম কৰা চাহ শ্ৰমিকসকলে তেওঁলোকৰ সন্তানসকলক সুশিক্ষিত কৰিব নোৱৰাৰ ইও এটা অন্যতম কাৰণ। শতাধিক বছৰ ধৰি চাহ বাগিচাৰ শ্ৰমিকসকলৰ জীৱন অপৰিৱৰ্তিত হৈ আছে। চাহ শ্ৰমিকৰ সন্তান সদায় চাহ শ্ৰমিক হৈয়ে আছে। চাহ শ্ৰমিক হোৱাটো সন্মানজনক নহয় বুলি ক’ব নোৱাৰি; কিন্তু চাহ শ্ৰমিক হৈও যদি সন্মানজনক বেতন লাভ কৰে, তেতিয়াহে শ্ৰমিকসকলে সন্মানজনক জীৱন নিৰ্বাহ কৰাটো সম্ভৱ হ’ব। বৰ্তমান লাভ কৰা বেতনেৰে তেওঁলোকে উন্নত চিকিৎসা সেৱা, উচ্চ শিক্ষা আদিৰ বাবে ব্যয় কৰা সম্ভৱ নহয়। অসমৰ তিনি কোটি ৩০ লাখৰো অধিক জনসংখ্যাৰ ২০ শতাংশই চাহ শ্ৰমিক। এই বৃহৎ জনগোষ্ঠীটো অসমীয়া জাতিৰ অবিচ্ছেদ্য অংগ; কিন্তু জাতিটোৰ এনে এক বৃহৎ অংশক আধুনিক শিক্ষাৰ পোহৰৰ পৰা বঞ্চিত কৰি অহা হৈছে। বাগিচাসমূহৰ স্বত্বাধিকাৰী তথা চৰকাৰৰ চৰম অৱহেলাৰ বাবেই শ্ৰমিকসকলৰ সমাজ জীৱন স্থৱিৰ হৈ আছে, আৰ্থিকভাৱে অনগ্ৰসৰ অৱস্থাত আছে। আধুনিক শিক্ষাৰ অবিহনে চাহ বাগিচাৰ শ্ৰমিক আৰু তেওঁলোকৰ সন্তান, নতুন প্ৰজন্ম আৰ্থিক, শৈক্ষিক, সামাজিক, সাংস্কৃতিক আদি বিভিন্ন ক্ষেত্ৰত আগুৱাই যোৱাত সফল হ’ব নোৱাৰিব। ৰাজ্য চৰকাৰে বহু পলমকৈ হ’লেও চাহ বাগিচা অঞ্চলত বাগিচাৰ ল’ৰা-ছোৱালীৰ শিক্ষাৰ বাবে চৰকাৰী হাইস্কুল বা উচ্চ মাধ্যমিক বিদ্যালয়সমূহ স্থাপন কৰাটো প্ৰশংসনীয় পদক্ষেপ। উল্লেখ্য যে চৰকাৰে ১১৯ খন হাইস্কুল স্থাপনৰ সিদ্ধান্ত লৈছিল যদিও বৰ্তমান ৯৬ খন এনে বিদ্যালয় মুকলি কৰা সম্ভৱ হৈছে। দশম শ্ৰেণীলৈকে এই হাইস্কুলসমূহত ছাত্ৰ-ছাত্ৰীয়ে পঢ়াৰ সুবিধা আছে বুলি সদৰী কৰা হৈছে। বাগিচাৰ ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰে তাৰে কিছুসংখ্যক বিদ্যালয়ক উচ্চতৰ মাধ্যমিক পৰ্যায়লৈ উন্নত কৰাৰ প্ৰয়োজন আছে। নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতি অনুসৰি দ্বাদশ শ্ৰেণীলৈকে মাধ্যমিক শিক্ষাত অন্তৰ্ভুক্ত কৰা হৈছে। সেয়ে ছাত্ৰ-ছাত্ৰীসকলে দ্বাদশ শ্ৰেণীলৈকে শিক্ষা আহৰণ কৰাটো জৰুৰী বিবেচিত হৈছে। নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি (২০২১)য়ে মেট্ৰিক বা দশম শ্ৰেণীৰ ওপৰত সেয়ে জোৰ দিয়া নাই আৰু সেয়ে নৱম আৰু দশম শ্ৰেণীক একাদশ আৰু দ্বাদশৰ স’তে সাঙুৰি একেটা পৰ্যায়লৈ দিয়া হৈছে।

উল্লেখ্য যে ৰাজ্যৰ কে’বাশ চাহ বাগিচাৰ মাজত ৯৬ খন হাইস্কুল নিৰ্মাণ কৰা হৈছে। সেই অনুসৰি কে’বাখনো বাগিচাৰ মাজত এখনকৈ হাইস্কুল স্থাপন কৰা হৈছে। অসমৰ বাগিচাসমূহৰ ছাত্ৰ-ছাত্ৰীসকল পূৰ্বৰ দৰে কে’বা কিলোমিটাৰ দূৰৰ বিদ্যালয়লৈ অহা-যোৱা কৰিবলগীয়া নহ’ব। চাহ বাগিচা অঞ্চলতে স্থাপন হোৱা চৰকাৰী হাইস্কুলত পঢ়াৰ সুযোগ পাব বাগিচাৰ ছাত্ৰ-ছাত্ৰীসকলেও। যিহেতু এই হাইস্কুলবিলাকত বিনামূলীয়া মধ্যাহ্ন ভোজন পোৱা যাব, সেয়ে একাংশ ছাত্ৰ-ছাত্ৰীক এই ব্যৱস্থাই আকৰ্ষণ কৰিব বুলি আশা কৰা হৈছে। পাঠ্যপুথিসমূহো বিনামূলীয়াকৈ ছাত্ৰ-ছাত্ৰীয়ে লাভৰ ব্যৱস্থা কৰা হেতুকে শ্ৰমিক পিতৃ-মাতৃ-অভিভাৱকসকলে আৰ্থিকভাৱে সকাহ পাব। অৱশ্যে বিদ্যালয় স্থাপন কৰিলেই নহয় নাইবা চৰকাৰৰ দায়িত্ব শেষ হ’ব বুলি ক’ব নোৱাৰি। গুণগত মানসম্পন্ন শিক্ষা আহৰণ কৰিব লাগিব বাগিচাৰ ছাত্ৰ-ছাত্ৰীসকলে। সেয়ে নতুনকৈ স্থাপন কৰা এই বিদ্যালয়সমূহত মেধাৱী তথা সুপ্ৰশিক্ষণপ্ৰাপ্ত যোগ্যতাসম্পন্ন শিক্ষক-শিক্ষয়িত্ৰী নিয়োগ কৰিব লাগিব। চৰকাৰে একাংশ নতুন টে’ট উত্তীৰ্ণ যুৱক-যুৱতীক আৰু একাংশ পুৰণি অভিজ্ঞতাসম্পন্ন শিক্ষকক আন বিদ্যালয়ৰ পৰা অনা হ’ব বুলি কৈছে; কিন্তু অসমৰ চৰকাৰী বিদ্যালয়সমূহৰ শিক্ষা সন্দৰ্ভত অনেক সমালোচনা তথা অভিযোগ শুনিবলৈ পোৱা যায়। অনুন্নত আন্তঃগাঁথনি, শিক্ষকৰ অভাৱ, শ্ৰেণী কোঠাৰ অভাৱ, বিদ্যুৎ সংযোগৰ অভাৱ, বিশুদ্ধ খোৱা পানী, ছোৱালীৰ বাবে পৃথক শৌচালয় আদিৰ অভাৱৰ অভিযোগ পোৱা যায়। বাগিচা অঞ্চলত স্থাপন কৰা নতুন বিদ্যালয়বিলাকত যাতে এই ধৰণৰ অভিযোগ শুনিবলৈ পোৱা নাযায়, সেই ব্যৱস্থা চৰকাৰে কৰিব লাগিব। নতুন হাইস্কুল বিলাকৰ পৰিচালনা সমিতিবোৰত বাগিচাৰ মেনেজাৰ আদিও থাকিব বুলি প্ৰকাশ পাইছে। ইয়াকে লৈ ইতিমধ্যে বাগিচাৰ শ্ৰমিক ৰাইজৰ মনত সন্দেহ আৰু প্ৰশ্নৰ উদয় হৈছে। স্থানীয় বিধায়কসকলে যাতে সমস্যাসমূহৰ বিষয়ত চোৱাচিতা কৰিব পাৰে, তেনেধৰণৰ ব্যৱস্থাৰ প্ৰয়োজন আছে। বিশেষকৈ উচ্চ শিক্ষিত, অৰাজনৈতিক ব্যক্তিসকলক পৰিচালনা সমিতিৰ সদস্যভুক্ত কৰা উচিত হ’ব।

## খোলা মঞ্চ

# এইবেলি বিহু মঞ্চৰ ঐতিহ্য ৰক্ষা কৰা হৈছেনে?



প্ৰদীপ পৰাশৰ, *লেখক*

**বিহুৰ** নামত হোৱা কিছুমান অবাঞ্চিত কথা কাণ্ডৰ বাবেই স্বাভাৱিকতে এই প্ৰশ্নটো উদয় হৈছে। আহাৰ মাহ পৰ্যন্ত বিহুৰ নামত চলিথকা উৎপাত উপদ্ৰৱৰ পৰা এইবাৰ অসমৰ ৰাইজে কিছু সকাহ পাইছে। মানুহে বিহু অনুষ্ঠান বেছিদিনলৈকে পাতি তাত ব্যস্ত থাকিলে মানুহৰ কামখতি হয় আৰু সমাজখন অৰ্থনৈতীক ভাবেও জুৰুলা হয়। বিহুত লাগি মানুহৰ আন কাম খতি হয় বুলি আগৰ কালত সাতদিন বিহু পতাৰ পাছত মানুহে ঢোলৰ মাৰিৰে ঢোল ফুটাই পেলাইছিল। কালক্ৰমত বিহু মঞ্চত উঠাৰ পাছত বিহু পতাৰ দিন তাৰিখৰ কোনো হিচাব নোহোৱা হৈ আহাৰ মাহ পৰ্যন্ত বিহু অনুষ্ঠান চলা হ’ল। বিহু অনুষ্ঠানৰ সংখ্যা বাঢ়িল। বিহুমঞ্চ জাক জমক কৰাৰ নামত টকা পইছা বেছি লগা হ’ল। দামী নামী শিল্পী অনাৰ প্ৰতিযোগিতা আৰম্ভ হোৱাত মঞ্চ বিহুৰ খৰচ বাঢ়িল। চহা মানুহৰ বিহু চহকী মানুহৰ বিহুলৈ ৰূপান্তৰ হ’ল। গাঁওৰ আঁহত তলৰ বিহুৰ গ্ৰাম্যতা, সৰলতা, চহা জীৱনৰ মাদকতাৰ ঠাইত নগৰীয়া কৃত্ৰিমতাৰ গ্ৰাসত পৰি বিহুৱে তাৰ ঐতিহ্য হেৰুৱাই পেলালে। বিহুৰ মঞ্চত অনুষ্ঠিত হোৱা সঙ্গীত সন্ধিয়াবোৰৰ বহুততে হোৱা আহুকলিয়া পৰিস্থিতিবোৰেও বিহুৰ ঐতিহ্য ৰক্ষাত ভাবুকিৰ সৃষ্টি কৰিছে। দাবী ধমকি দি চান্দা তোলাৰ পৰা আৰম্ভ কৰি বুজন পৰিমানৰ চান্দা দিয়া মানুহকহে বিহু মঞ্চৰ বিভিন্ন কাৰ্যসূচীৰ দায়িত্ব দিয়া আৰু মদ, ড্ৰাগছ আদি সেৱন কৰি বিহুৰ অনুষ্ঠানত কৰ্মকৰ্তা আৰু শিল্পী সকলে অংশ গ্ৰহণ কৰা আদি ব্যৱস্থাবোৰ বিহুৰ প্ৰকৃত মাদকতা নষ্ট কৰিছে।

চৰকাৰৰ বিহু পতাৰ সময় বান্ধি দিয়া কাৰণে বিহু অনুষ্ঠানবোৰ ৰাইজে সোনকালে পাতি আজৰি হৈছে যদিও বিহুমঞ্চবোৰে এইবাৰো ঐতিহ্য ৰক্ষা কৰি বিহু পতাত সম্পূৰ্ণ সফল হোৱা নাই। এইবাৰ বিহু মঞ্চত শিল্পীয়ে গীত পৰিৱেশন কৰাৰ সময়ত একাংশ দৰ্শকে সুৰাপান কৰি চাৰিওফালে জুই লগাই তাৰ মাজত নৃত্য কৰা, বোকাত পৰি নৃত্যকৰা, বিহু অনুষ্ঠানৰ আচবাব ভঙা, ৰভাৰ খুটাত বগাই নৃত্য কৰা, মাৰপিট কৰা আদি কাণ্ডবোৰে এইবাৰো বিহুমঞ্চৰ ঐতিহ্য লুট কৰিলে। বিহু পতা কাৰ্যকৰ্ত্তা, শিল্পী, দৰ্শক সকলোৱে মিলি বিহু মঞ্চৰ ঐতিহ্য ৰক্ষা কৰাৰ ক্ষেত্ৰত সহাৱস্থান নললে আমাৰ জাতিৰ ‘আয়ুস ৰেখা’ বোলা বিহু বিজতৰীয়া সংস্কৃতিৰ গৰাহত পৰি ধ্বংস হৈ যাব। *ফোন: ৯৩৬৫৪৯০৯৬৮*

# অসম চৰকাৰৰ প্ৰথম বছৰৰ খতিয়ান আৰু চাৰি বছৰৰ বাবে কৰণীয়

## সোঁতৰ বিপৰীতে চিন্তা



প্ৰবীণ চৌধুৰী

যোৱা ১০ মে’ৰ দিনা অসমত প্ৰকাশিত দৈনিক বাতৰি কাকতসমূহৰ কে’বাখনৰো প্ৰথম পৃষ্ঠা অধিকাৰ কৰিছিল পূৰ্ণ পৃষ্ঠাজোৰা একোখন ৰঙীন চৰকাৰী বিজ্ঞাপনে। ওপৰত সোঁফালে ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু তলত বাওঁফালে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ৰঙীন ছবিসহ প্ৰকাশ কৰা বিজ্ঞাপনটোৰ অসমীয়া শিৰোনাম আছিল ‘পৰিৱৰ্তনমুখী অসম ঃ পাৰ হৈ যোৱা বছৰটো’ আৰু ইংৰাজী শিৰোনাম আছিল ‘Transforming Assam The year that was’. উল্লেখ্য যে যোৱা বছৰৰ সেই দিনটোতে অসমৰ পঞ্চদশ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰি ড° হিমন্ত বিশ্ব শৰ্মাই অসমৰ দ্বিতীয়খন বিজেপি নেতৃত্বাধীন মিত্ৰজোঁট চৰকাৰৰ কাৰ্যভাৰ গ্ৰহণ কৰিছিল। এবছৰৰ কাৰ্যকাল সম্পূৰ্ণ কৰি সিদিনা চৰকাৰখনে উদ্‌যাপন কৰা বৰ্ষপূৰ্তি উৎসৱৰ লগত সংগতি ৰাখি প্ৰকাশ কৰা বিজ্ঞাপনটোৰ জৰিয়তে চৰকাৰখনে পাঁচ বছৰীয়া কাৰ্যকালৰ প্ৰথম বছৰটোত কৰা কাম-কাজৰ খতিয়ান ৰাইজৰ আগত দাঙি ধৰিবলৈ প্ৰয়াস কৰিছিল।

মুখ্যমন্ত্ৰী হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰিয়েই ড° শৰ্মাই যে অতি তৎপৰতাৰে প্ৰগতিমুখী তথা জনকল্যাণমূলক অনেক ইনিচিটিয়েটিভ আৰু পদক্ষেপ গ্ৰহণ কৰিছিল তাত কোনো সন্দেহ নাই। তাৰ ভিতৰত অতি চমৎকাৰী পদক্ষেপ আছিল ড্ৰাগছ বিৰোধী অভিযান, মহিলা ঋণীৰ ঋণ মাফ আৰু এক লাখ যুৱক-যুৱতীৰ সংস্থাপনৰ ব্যৱস্থাৰ বাবে দেখুওৱা তৎপৰতা। ১৩টা শিতানেৰে বিজ্ঞাপনটোত চৰকাৰে গ্ৰহণ কৰা পদক্ষেপ আৰু সফলতাৰ খতিয়ান দাঙি ধৰিছে। ‘এক লাখ যুৱক-যুৱতীৰ সৱলীকৰণ’ শিতানত সময় নিৰ্ধাৰিত প্ৰতিশ্ৰুতি পূৰণ কৰা বুলি দাবী কৰি তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ পদত নিযুক্তিৰ বাবে দুখন আয়োগ গঠন, ১৪ মে’ত নিযুক্তিৰ বাবে ২৩ হেজাৰতকৈ অধিক নিযুক্তি-পত্ৰ সাজু কৰা হৈছে আৰু বাকী থকা নিযুক্তি সোনকালে সম্পূৰ্ণ কৰা হ’ব বুলি উল্লেখ কৰিছে। ‘মহিলা মাইক্ৰ’ফাইনেন্স ঋণীসকললৈ সকাহ’ শিতানত ২৫ লাখৰো অধিক মহিলাক সকাহ দিয়াৰ বাবে ‘মাইক্ৰফাইনেন্স উদগনি আৰু সকাহ আঁচনি, ২০২১’ গ্ৰহণ, প্ৰথম শ্ৰেণীত ন লাখ মহিলা ঋণীলৈ ১,৬০০ কোটি টকাৰ উদগনি প্ৰদান, দ্বিতীয় আৰু তৃতীয় শ্ৰেণীত ১৬ লাখ ঋণীক দীৰ্ঘ অনাদায় ঋণ পৰিশোধ আৰু অনাৰ্জিত সম্পদৰ স’তে পূৰ্ণ বা আংশিকৰূপে সকাহ প্ৰদানৰ জৰিয়তে তেওঁলোকক পুনৰ ঋণ লাভৰ যোগ্য কৰি তোলা হৈছে বুলি উল্লেখ কৰিছে। নিৰ্বাচনৰ পূৰ্বে মহিলা ঋণীৰ ঋণ মাফৰ বাবে বিজেপিয়ে যিমান সহজে প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল, সিমান সহজে চৰকাৰে ঋণ মাফৰ ব্যৱস্থা কৰিব পৰাটো সম্ভৱ নাছিল। এতিয়া চৰকাৰে গ্ৰহণ কৰা আঁচনিখন অতি জটিল, ইয়াৰ সুদূৰ-প্ৰসাৰী সু-প্ৰভাৱ বা কু-প্ৰভাৱ অনুমান কৰাটো কঠিন আৰু ই সাধাৰণ লোকৰ বোধগম্যতাৰ বাহিৰৰ কথা। আঁচনিখনৰ বাবে ৰাজকোষৰ পৰা কিমান ধন ওলাই গৈছে, সেই ব্যয়ে সমানুপাতে সঁচাকৈয়ে ৰাইজলৈ কল্যাণ আনিবনে, সেই ব্যয় অপব্যয় নেকি আদি অনেক প্ৰশ্ন সচেতন নাগৰিকৰ মনত খেলি আছে। ‘অপৰাধৰ বিৰুদ্ধে শূন্য সহনশীলতা’ শিতানত চৰকাৰখনে অপৰাধৰ সংখ্যাৰ হ্ৰাস, নিষ্পত্তি নোহোৱা গোচৰৰ সংখ্যাৰ হ্ৰাস, ড্ৰাগছৰ বিৰুদ্ধে চলোৱা অভিযানত গ্ৰেপ্তাৰ হোৱা লোক আৰু গোচৰৰ সংখ্যা, কিমান টকা মূল্যৰ ড্ৰাগছ জব্দ কৰা হৈছে আদি তথ্য দাঙি ধৰিছে।

‘বিদ্ৰোহৰ যৱনিকা’ শিতানত মূলসুঁতিলৈ প্ৰত্যাৱৰ্তন কৰা উগ্ৰপন্থীৰ সংখ্যা, অস্ত্ৰ সমৰ্পণ কৰা নটা উগ্ৰপন্থী সংগঠনৰ নাম, যুদ্ধবিৰতি চুক্তি স্বাক্ষৰ কৰা নটা উগ্ৰপন্থী সংগঠনৰ নাম আৰু আইন-শৃংখলা পৰিস্থিতি উন্নত হোৱাৰ বাবে ২৩ খন জিলাৰ পৰা অসম সশস্ত্ৰ বাহিনী বিশেষ ক্ষমতা প্ৰত্যাহাৰ কৰাৰ কথা উল্লেখ কৰিছে। এই সফলতাৰ বাবে চৰকাৰ নিশ্চয় প্ৰশংসাৰ পাত্ৰ; কিন্তু এই সফলতা কেৱল নতুন চৰকাৰখনৰ এবছৰীয়া কাৰ্যকালৰ সফলতা নহয়। উল্লেখ্য যে ২০১৬ত অসমত সৰ্বানন্দ সোণোৱালৰ মুখ্যমন্ত্ৰিত্বত বিজেপি নেতৃত্বাধীন প্ৰথমখন মিত্ৰজোঁটৰ চৰকাৰে শপত গ্ৰহণ কৰাৰ দিনা মুখ্যমন্ত্ৰীয়ে উদাত্ত কণ্ঠেৰে অসমবাসীক এখন বিদেশীমুক্ত, সন্ত্ৰাসমুক্ত আৰু দুৰ্নীতিমুক্ত অসম উপহাৰ দিয়াৰ প্ৰতিশ্ৰুতি দিছিল। অসমখনক সন্ত্ৰাসমুক্ত কৰাৰ বাবে সোণোৱালৰ উদ্যোগত অনেক পদক্ষেপ গ্ৰহণ কৰা হৈছিল আৰু তেওঁৰ আমোলতে সেই দিশে চৰকাৰখনে যথেষ্ট অগ্ৰগতিও লাভ কৰিছিল। বৰ্তমান ‘বিদ্ৰোহৰ যৱনিকা’ শিতানত নতুন চৰকাৰখনে যি সফলতাৰ তথ্য দাঙি ধৰিছে সি সম্ভৱ হৈছে প্ৰধানকৈ সোণোৱালে আৰম্ভ কৰা পদক্ষেপসমূহৰ ফলশ্ৰুতিতহে। অৱশ্যে তাৰ ধাৰাবাহিকতা ৰক্ষা কৰি ড° শৰ্মাৰ কাৰ্যকালৰ প্ৰথম বছৰটোত এই ক্ষেত্ৰত যথেষ্ট গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰা হৈছিল। ড° শৰ্মাই মুখ্যমন্ত্ৰীৰ আসনত বহিয়েই লোৱা ইনিচিয়েটিভৰ বাবে ৰাইজৰ মনত আলফাৰ লগতো শান্তি-আলোচনা অনুষ্ঠিত হোৱাৰ আৰু আলফাৰ সন্ত্ৰাসৰ ওৰ পৰাৰ আশাৰ সঞ্চাৰ হৈছিল।

দীঘলীয়া আৰু বিৰক্তিকৰ হ’ব বুলি বিজ্ঞাপনত উল্লিখিত প্ৰতিটো শিতানৰ উল্লেখ আৰু তাৰ ওপৰত আলোচনা কৰাৰ পৰা বিৰত থাকিলো। অৱশ্যে বেছিভাগ শিতানতে উল্লেখ কৰা খতিয়ানৰ প্ৰতি সাধাৰণ জনগণ আকৰ্ষিত হোৱাৰ আশা কম। চৰকাৰখনে গ্ৰহণ কৰা প্ৰশাসনিক সংস্কাৰমূলক পদক্ষেপ, চৰকাৰী হিচাপ-পত্ৰ ৰখাৰ পদ্ধতিৰ সংস্কাৰ তথা বিত্তীয় শৃংখলা প্ৰদান, ৰাইজৰ সুবিধাৰ বাবে চৰকাৰে ডিজিটাইজেছনৰ ওপৰত প্ৰদান কৰা গুৰুত্ব, জিএছডিপি বৃদ্ধিৰ পৰিসংখ্যা আদিৰ প্ৰতি সাধাৰণ জনগণ আকৰ্ষিত নোহোৱাটোৱেই স্বাভাৱিক। উদাহৰণ স্বৰূপে এতিয়াও বাঁহৰ সাঁকোৰে নৈ পাৰ হৈ থাকিবলগীয়া জনতাৰ বাবে চৰকাৰী কাম-কাজৰ ডিজিটাইজেছন কোনো আকৰ্ষণৰ বিষয় হ’ব নোৱাৰে। তেনেদৰে চাকৰি নিয়মীয়াকৰণৰ বাবে আশাত বন্দী হৈ আৰু অফিচে অফিচে তাঁত-বাটি কৰি হাবাথুৰি খাই থকা কোনোবা শিক্ষকৰ বাবে সন্ত্ৰাসবাদী সংগঠনে অস্ত্ৰ সম্বৰণ কৰাৰ কথা কোনো আকৰ্ষণৰ বিষয় হ’ব নোৱাৰে। ৰাজ্যৰ প্ৰগতি আৰু ৰাজ্যবাসীৰ উত্তৰণ তথা কল্যাণৰ বাবে সুদূৰপ্ৰসাৰী প্ৰভাৱ পেলাব পৰা চৰকাৰে গ্ৰহণ কৰা অনেক পদক্ষেপৰ মূল্য সাধাৰণ জনগণে বুজিব বা হৃদয়ংগম কৰিব নোৱাৰে।

যি হওক, ড° শৰ্মাই মুখ্যমন্ত্ৰীৰ দায়িত্ব গ্ৰহণ কৰাৰ দিনাৰ পৰাই যোৱা এবছৰে নতুন নতুন ‘ইনোভেটিভ’ পদক্ষেপ গ্ৰহণ কৰি ৰাজ্যখনৰ প্ৰশাসনত এক গতিশীলতা আনিছে। সৰ্বানন্দ সোণোৱালৰ দৰে তেওঁ বিদেশীমুক্ত, সন্ত্ৰাসমুক্ত আৰু দুৰ্নীতিমুক্ত অসমৰ কথা প্ৰকাশ্যে কোৱা নাই যদিও তেওঁৰ কাম-কাজ আৰু কথা-বতৰাৰ পৰা অনুমান কৰিব পাৰি যে তেওঁৰ কাৰ্যক্ৰমণিকাত ৰাজ্যখনক সন্ত্ৰাসমুক্ত আৰু দুৰ্নীতিমুক্ত কৰাৰ প্ৰয়াস সংপৃক্ত হৈ আছে। অৱশ্যে ড° শৰ্মাৰ কাৰ্যক্ৰমণিকাত অসমখনক বিদেশীমুক্ত কৰাৰ বিষয়টো অগ্ৰাধিকাৰৰ বিষয় হৈ আছে নে নাই সেই কথা বুজা নাযায়। অসম চুক্তি ৰূপায়ণ তথা বিদেশী সমস্যাৰ সমাধানৰ বাবে পৰামৰ্শ দিবলৈ ন্যায়াধীশ বিপ্লৱ শৰ্মাৰ অধ্যক্ষতাৰে কেন্দ্ৰীয় চৰকাৰে গঠন কৰা সমিতিৰ প্ৰতিবেদন এখন থকা সত্বেও তাৰ বাবে নতুন এখন সমিতি গঠন কৰাৰ বাহিৰে চৰকাৰখনে সেই দিশে আন কিবা পদক্ষেপ লোৱাটো ৰাইজৰ দৃষ্টিগোচৰ হোৱা নাই। মাজে মাজে এনআৰচিৰ বিষয়টোৱে উক দিয়ে যদিও সি কোনো দিশে আগনাবাঢ়ে। বিদেশী বহিষ্কাৰ কৰি অসমখন বিদেশীমুক্ত কৰাটো অসম্ভৱ আৰু স্বাভাৱিক প্ৰক্ৰিয়াৰে এটা সময়ত সকলো বিদেশী স্বদেশী হৈ যাব বুলি সদৌ অসম ছাত্ৰ সংস্থা আদিয়ে জানে বাবে তেওঁলোকেও মাজে মাজে ‘দফাই দফাই অসম চুক্তি ৰূপায়ণ হ’বই লাগিব’ বুলি ‘আৱাজ’ দিয়াৰ বাহিৰে সেই বিষয়ে চৰকাৰৰ ওপৰত কোনো হেঁচা প্ৰয়োগ কৰা দেখা নাযায়। সেই হিচাপে ড° শৰ্মা চৰকাৰে বিষয়টোৰ ওপৰত গুৰুত্ব প্ৰদান নকৰাটো ঠিকেই হৈছে।

> বিদেশী বহিষ্কাৰ কৰি অসমখন বিদেশীমুক্ত কৰাটো অসম্ভৱ আৰু স্বাভাৱিক প্ৰক্ৰিয়াৰে এটা সময়ত সকলো বিদেশী স্বদেশী হৈ যাব বুলি সদৌ অসম ছাত্ৰ সংস্থা আদিয়ে জানে বাবে তেওঁলোকেও মাজে মাজে ‘দফাই দফাই অসম চুক্তি ৰূপায়ণ হ’বই লাগিব’ বুলি ‘আৱাজ’ দিয়াৰ বাহিৰে সেই বিষয়ে চৰকাৰৰ ওপৰত কোনো হেঁচা প্ৰয়োগ কৰা দেখা নাযায়



মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ ঘোষিত সপোন আৰু লক্ষ্য হৈছে অসমখনক ভাৰতৰ প্ৰথম পাঁচখন ৰাজ্যৰ ভিতৰত অন্যতম শ্ৰেষ্ঠ ৰাজ্য হিচাপে প্ৰতিষ্ঠা কৰা। মুখ্যমন্ত্ৰীৰ এই সপোন বাস্তৱলৈ ৰূপান্তৰিত কৰিবলৈ হ’লে চৰকাৰখনে অহোৰাত্ৰ অহোপুৰুষাৰ্থ কৰিব লাগিব। প্ৰথম কথা, দেশখনত ৰাজ্য এখনৰ স্থিতি (পজিছন) নিৰ্ণয় কৰাৰ বাবে বিশেষ কোনো ক্ৰাইটেৰিয়া নিৰ্ধাৰিত হৈ থকা নাই। গতিকে কি কি ক্ৰাইটেৰিয়াৰ ভিত্তিত চৰকাৰখনে আমাৰ ৰাজ্যখনক দেশৰ প্ৰথম পাঁচখন ৰাজ্যৰ ভিতৰত প্ৰতিষ্ঠা কৰিব খুজিছে সেই ক্ৰাইটেৰিয়াসমূহ নিৰ্ধাৰণ কৰি ল’ব লাগিব। চৰকাৰে যদি ইতিমধ্যে সেইবোৰ নিৰ্ধাৰণ কৰি থৈছে, তেন্তে তাক ৰাজহুৱা কৰিব লাগে। সাধাৰণ মস্তিষ্কৰে বুজি পোৱা কথা হৈছে দেশ বা ৰাজ্য এখনে সামগ্ৰিকভাৱে উন্নতি কৰিবলৈ হ’লে উদ্যোগ, কৃষি আৰু সেৱা— অৰ্থনৈতিক প্ৰগতিত অবিহণা যোগোৱা এই তিনিওটা খণ্ডতেই সমানেই আগবাঢ়ি যাব লাগিব। আগবঢ়োৱা সেৱা আৰু উৎপাদিত সামগ্ৰীৰ মুঠ মূল্যৰ ভিত্তিত দেশ বা ৰাজ্য এখনৰ ঘৰুৱা উৎপাদন বা জিডিপি-ৰ মূল্য নিৰ্ণয় কৰা হয়। অসমখনক দেশৰ প্ৰথম পাঁচখন শ্ৰেষ্ঠ ৰাজ্যৰ মাজৰ অন্যতম হিচাপে প্ৰতিষ্ঠা কৰাৰ বাবে চৰকাৰখনে হয়তো জিএছডিপিক ক্ৰাইটেৰিয়া হিচাপে গ্ৰহণ কৰিছে। ওপৰোক্ত বিজ্ঞাপনটোত ‘জিএছডিপি বৃদ্ধি’ শিতানত চৰকাৰে দাবী কৰিছে যে ক’ভিড সত্বেও ২০২১-২২ বছৰত ৰাজ্যখনত জিএছডিপি ১৩.৮৯ শতাংশ বৃদ্ধি হৈছে আৰু ২০২২-২৩ বছৰত জিএছডিপি-ৰ মূল্যই পাঁচ লাখ কোটি টকাৰ সংখ্যা স্পৰ্শ কৰিব বুলি আশা কৰা হৈছে। নিঃসন্দেহে জিএছডিপি বৃদ্ধি মানেই ৰাজ্যখনৰ প্ৰগতিত সকলো দিশতে উন্নতি সাধন। গতিকে ৰাজ্য চৰকাৰে তিনিওটা ক্ষেত্ৰতেই ৰাজ্যখনক আগুৱাই নিয়াৰ বাবে পৰিকল্পনা গ্ৰহণ কৰিছে বুলি আশা কৰিব পাৰি।

আমাৰ ৰাজ্যৰ অনেক লোকেই যিহেতু এতিয়াও দুখীয়া হৈয়েই আছে, গতিকে মোৰ বোধেৰে অসমক শ্ৰেষ্ঠ ৰাজ্য হিচাপে প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত দৰিদ্ৰ লোকৰ পৰিসংখ্যা অথবা দাৰিদ্ৰ্যৰ সূচক এটা ক্ৰাইটেৰিয়া হ’ব পাৰে। দাৰিদ্ৰ্য নিৰ্মূলকৰণৰ ওপৰত অগ্ৰাধিকাৰ দি চৰকাৰে যদি অন্ততঃ দাৰিদ্ৰ্য সীমা ৰেখা ‘বিপিএল’-ৰ তলত থকা মানুহৰ সংখ্যা শূন্যলৈ নমাব পাৰে, তেন্তে অসমে এখন বিপিএল শূন্য ৰাজ্য হিচাপে শ্ৰেষ্ঠত্ব লাভ কৰিব পাৰিব। শ্ৰেষ্ঠত্ব নিৰ্ণয়ৰ আন এটা ক্ৰাইটেৰিয়া হ’ব পাৰে ‘হিউমেন হেপিনেছ ইণ্ডেক্স’। দেশ এখনত জনগণ কিমান সুখী তাৰ জোখ ল’বলৈ আৰু তাৰ ভিত্তিত দেশ সমূহৰ ৰেংকিং কৰিবলৈ আজি কিছুদিনৰ পৰা হিউমেন হেপিনেছ ইণ্ডেক্স নিৰ্ণয় কৰাৰ প্ৰক্ৰিয়া এটা বিশ্বজুৰি আৰম্ভ হৈছেই। সেই জোখ ৰাজ্যিক ভিত্তিত নিৰ্ণয় কৰাৰ বাবে অসমে আগভাগ লৈ ব্যৱস্থা কৰিব পাৰিলে অসম আন ৰাজ্যৰ কাৰণে আদৰ্শ ৰাজ্য হৈ পৰিব আৰু কেনেবাকৈ হিউমেন হেপিনেছ ইণ্ডেক্সত অসম আগবাঢ়ি থাকিলে অসম শ্ৰেষ্ঠ ৰাজ্য হিচাপে পৰিগণিত হৈ পৰিব।

যি হওক, ইতিমধ্যে বিজেপি নেতৃত্বাধীন অসম চৰকাৰৰ দ্বিতীয় কাৰ্যকালৰ দ্বিতীয় বছৰ আৰম্ভ হ’ল। দুবছৰৰ পাছত দেশখনত লোকসভাৰ নিৰ্বাচন আৰু তাৰ দুবছৰৰ পাছত অসমত বিধানসভাৰ নিৰ্বাচন অনুষ্ঠিত হ’ব। দুয়োটা নিৰ্বাচনতে জয়লাভ কৰি বিজেপিয়ে পুনৰ চৰকাৰ গঠন কৰাৰ সপোন দেখাটো স্বাভাৱিক কথা। কেন্দ্ৰত বিজেপিয়ে পুনৰ চৰকাৰ গঠন কৰাত সহায় কৰাৰ বাবে আৰু ড° শৰ্মা নিজে দ্বিতীয়বাৰৰ বাবে মুখ্যমন্ত্ৰী হোৱাৰ বাবে অসমৰ বৰ্তমানৰ চৰকাৰখনে আশা আৰু অহোপুৰুষাৰ্থ কৰিবই। গতিকে বিশ্ৰাম ল’বলৈ অথবা অবাবত সময়ৰ অপচয় কৰিবলৈ আমাৰ চৰকাৰখনৰ অকণো আহৰি নাই। ড° শৰ্মাৰ নিজৰ স্বাৰ্থতেই ২০২৪ৰ লোকসভা নিৰ্বাচনত অসমৰ ১৪ খন আসনৰ আটাইকেইখনতে বিজেপি প্ৰাৰ্থীক জয়যুক্ত কৰি পঠাবলৈ চেষ্টা কৰিব লাগিব। গতিকে অহা দুবছৰত আমাৰ চৰকাৰখনে ৰাইজৰ চকুত লগাকৈ আৰু ৰাইজে বুজিব পৰাকৈ অনেক কাম কৰি দেখুৱাব লাগিব, যাতে ২০২৪ৰ লোকসভা নিৰ্বাচনত অসমৰ ৰাইজে বিনাদ্বিধাই বিজেপিৰ সপক্ষে ভোটদান কৰিব পাৰে। তেনেদৰে ড° শৰ্মা নিজে দ্বিতীয়বাৰৰ বাবে মুখ্যমন্ত্ৰী পদত অধিষ্ঠিত হোৱাৰ বাবেও ২০২৬ৰ অসম বিধানসভা নিৰ্বাচনত বিজেপিয়ে বিজয় সাব্যস্ত কৰিব লাগিব। গতিকে লোকসভা নিৰ্বাচনৰ পাছৰ দুবছৰতো অসমৰ চৰকাৰখনে নিৰন্তৰে কাম কৰি যাব লাগিব। কথাটো মুখ্যমন্ত্ৰীক সোঁৱৰাই দিয়াৰ লোভ সামৰিব নোৱাৰিলো।

*ফোন: ৮১৩৫৮৪৮৬২৩*

# প্ৰকৃতিৰ ধ্বংসলীলাত বিধ্বস্ত জনজীৱন

## অৱলোকন



চাইৰা ইছলাম বড়া

**ৰাজ্যৰ** বান পৰিস্থিতি ক্ৰমান্বয়ে উন্নত হ’লেও কিছুদিনৰ পৰা বানাক্ৰান্তসকলে অকল্পনীয় প্ৰাকৃতিক দুৰ্যোগত দুৰ্ভোগ ভুগিবলগীয়া হ’ল। কাহানিও নেদেখা বহুতো শিহৰণকাৰী ঘটনাই সকলোকে আতংকিত কৰি তুলিলে। জনসাধাৰণৰ অন্তৰাত্মাক আঘাত কৰা অত্যন্ত দুৰ্ভাগ্যজনক, অত্যন্ত দুখলগা এই দুৰ্যোগবোৰে মানৱ সভ্যতাক যেন বিদ্ৰূপ কৰি উঠে। চৌদিশে অবাধ ধ্বংসলীলা চলাই ৰুষ্ট প্ৰকৃতি কিছু শান্ত হৈ পৰিলেও অতি দুৰ্গম অঞ্চলৰ ঠাই বিশেষে এতিয়াও দুৰ্যোগৰ অপৰিৱৰ্তিত স্পৰ্শকাতৰ পৰিৱেশ বিৰাজমান। আগ বাৰিষাৰ প্ৰথমটো বানতেই জুৰুলা হ’ল সমগ্ৰ অসম। ৰুদ্ৰ প্ৰকৃতিৰ কোপদৃষ্টিত জনজীৱন বিধ্বস্ত, কেৱল জীৱশ্ৰেষ্ঠয়েই নহয় পশুধনৰো খাদ্যৰ অভাৱত নাজল-নাথল অৱস্থা। সমগ্ৰ ৰাজ্যখনকেই অকল্পনীয় প্ৰলয়ৰ বিভীষিকাই কোবাই গ’ল, দুৰ্যোগে যেন মানৱজাতিৰ লগেই নেৰিব। ক’ভিডসৃষ্ট মহামাৰীৰ পাছতেই ভয়াৱহ বানৰ কৱলত অবৰ্ণনীয় দুৰ্ভোগ ভুগিবলগীয়া হৈছে সাধাৰণ জনতাই। মুষলধাৰ বৰষুণৰ ফলত হঠাতে ব্ৰহ্মপুত্ৰৰ জলস্তৰ বৃদ্ধি পোৱাত ৰাজ্যখনৰ ২৭ খন জিলাই বানৰ কৱলত পৰিল। মাটি-ভেঁটিৰ লগতে বাঢ়নী পানীত বুৰিল শ শ বিঘা কৃষিভূমি, গৰাখহনীয়াৰ ভয়ংকৰ দৃশ্য দেখি কৃষকসকলৰ মাজত হাহাকাৰ অৱস্থা। দীৰ্ঘদিনীয়া প্ৰতিকূল বতৰৰ বাবেই নামি আহিল অভাৱনীয় প্ৰাকৃতিক দুৰ্যোগ। চকুৰ পচাৰতে বানৰ কোবাল সোঁতত অকাল মৃত্যুক সাৱটি লৈছে বহু অসহায়জনে। সামগ্ৰিকভাৱে বতৰৰ অস্বাভাৱিক জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱত সমগ্ৰ ৰাজ্যখনতে ৰুদ্ৰমূৰ্তি ধাৰণ কৰা প্ৰকৃতিয়ে এফালৰ পৰা মাথোঁ ধ্বংসযজ্ঞ চলাই গ’ল। হিল-দল ভাঙি সুউচ্চ পাহাৰৰ পৰা বাগৰি অহা তীব্ৰ জলস্ৰোতৰ ভয়াৱহ দৃশ্যবোৰ দেখি জীৱশ্ৰেষ্ঠ মনুষ্যই অসহায় অৱস্থাত বিবেক দংশনত ভুগিলেও মহাপ্ৰলয়ত ককবকাই থকা বানাক্ৰান্তসকলক উদ্ধাৰ কৰিবলৈ সন্মুখত কোনো পথেই নাথাকে। বৈজ্ঞানিক প্ৰযুক্তিয়ে উন্নতিৰ শিখৰত আৰোহণ কৰিলেও প্ৰকৃতিৰ তাণ্ডৱৰ স’তে ফেৰ মৰা জীৱশ্ৰেষ্ঠৰ বাবে একবিংশ শতিকাটো অসম্ভৱ। তাৰ বিপৰীতে শান্ত প্ৰকৃতিক ৰুষ্ট কৰাৰ ক্ষেত্ৰত এচাম বিবেকহীন মানুহে যেন অৰিহণাহে যোগাই আহিছে। কাল অমানিশা হৈ ধৰালৈ নামি অহা অশান্ত প্ৰকৃতিৰ দুৰ্ভেদ্য শক্তিৰ স’তে ফেৰ মৰাৰ সামৰ্থ্য জীৱশ্ৰেষ্ঠৰ বাবে অসম্ভৱ বুলি জনাৰ পাছতো এচাম লোকে আজিও নানান ধৰণে প্ৰকৃতিৰ ওপৰত অন্যায়-অত্যাচাৰ চলায়েই আহিছে। সেউজীয়া পাহাৰবোৰ কাটি তহিলং কৰি বৃহৎ আকাৰৰ অট্টালিকাসমূহ গঢ়ি তোলাৰ সমান্তৰালকৈ অবৈধভাৱে পাহাৰীয়া অঞ্চলত বাসগৃহ নিৰ্মাণ কাৰ্য চলিয়েই আছে। জীৱশ্ৰেষ্ঠৰ এনেবোৰ কুকৰ্মৰ ফলশ্ৰুতিত প্ৰত্যেক বছৰে ভূমিস্খলনৰ দৰে শিহৰণকাৰী দুৰ্ঘটনাত দুৰ্দশাগ্ৰস্ত বহুতো পৰিয়াল পতিত হৈ আছে। অস্বাভাৱিক জলবায়ুৰ পৰিৱৰ্তনত আমাৰ জীৱন কালত নেদেখা বানপানীৰ ধলত ধ্বংসস্তূপত পৰিণত হোৱা বিধ্বস্ত অংশৰ কিছুমান শিহৰণকাৰী দৃশ্যই ভৱিষ্যতলৈ যেন অশনি সংকেত কঢ়িয়াই আনিছে। পাহাৰৰ পৰা বাগৰি অহা বৃহৎ আকাৰৰ শিলৰ স’তে বোকা পানীৰ খৰস্ৰোতা সোঁতৰ উপৰি ভূতৰ ওপৰত দানহ পৰাদি আকাশৰ পৰা নামি অহা মুষলধাৰ বৰষুণেও কৃত্ৰিম বানৰ তাণ্ডৱ সৃষ্টি কৰিলে। জলবায়ু পৰিৱৰ্তন এক প্ৰাকৃতিক ঘটনা হ’লেও কিছুদিনৰ পৰা বতৰৰ সাংঘাতিকভাৱে পৰিৱৰ্তন হোৱা আমি উপলব্ধি কৰিছো। অস্বাভাৱিকভাৱে ধাৰাসাৰ বৰষুণৰ পৰিমাণ বৃদ্ধি পোৱাটোও ভয়ানক প্ৰাকৃতিক দুৰ্যোগৰ বিশেষ কাৰণ হ’ব পাৰে। ছবিয়ে সঁচা কথা কয়, চৌদিশে এতিয়াও মাথোঁ বানাক্ৰান্তৰ আৰ্তনাদ। অন্ন-বস্ত্ৰৰ উপৰি এটুপি বিশুদ্ধ খোৱা পানীৰ অভাৱত হাহাকাৰ অৱস্থা। চকুৰ সন্মুখত মুহূৰ্ততে ভাঙি চূৰমাৰ হ’ল বহুজনৰ হেঁপাহৰ ঘৰখন। পানীৰ প্ৰবল সোঁতে কত জনৰ সপোন চূৰমাৰ কৰি জীৱনৰ শেষ উশাহ কাঢ়ি নিয়ে তাৰ কোনো নিশ্চয়তা নাই। উটুৱাই নিলে জীৱ-জন্তুৰ লগতে মাটি ভেঁটি। অকল্পনীয় বান বিধ্বস্ত ছবিবোৰত বানে খেদা মানুহৰ চৰম বিপৰ্যয়ৰ যন্ত্ৰণাবোৰ স্পষ্ট ৰূপত দেখা পোৱা গৈছে। সকলো হেৰুৱাই ভগ্ন হৃদয়, সেমেকা চকুৰ পানীৰে আৰ্তসকলে বানৰ স’তে সহাৱস্থান কৰি মাথোঁ নীৰৱে জীৱন যুঁজৰ সংগ্ৰাম কৰি গৈছে। প্ৰকৃতিৰ ওচৰত আমি অসহায় হ’লেও নিৰাময়ৰ উপায় আমাক লাগিবই, এই দুৰ্যোগৰ সময়ত ভুক্তভোগীসকলৰ বাবে ভৰসাৰ স্থল হৈ পৰে মাথোঁ প্ৰশাসনৰ আমোলা বিষয়া সকলৰ লগতে চৰকাৰী যন্ত্ৰ।

> এই সুন্দৰ ধৰাখন প্ৰকৃতিৰ চিৰন্তন ৰীতি মতেই চলিব আমি মনুষ্যই কেৱল মাথোঁ সজাবহে পাৰো, যিমানেই প্ৰযুক্তি বিদ্যাৰ উদ্ভাৱন নহওক প্ৰাকৃতিক দুৰ্যোগৰ সময়ত ৰুষ্ট প্ৰকৃতিক ভেটা দিব পৰাৰ ক্ষমতা জীৱশ্ৰেষ্ঠৰ নাই।



নেৰানেপেৰা বৰষুণৰ ফলত গুৱাহাটীৰ পাহাৰসমূহো মৃত্যুদূতৰ দৰে হৈ পৰিল। বানবিধ্বস্ত অঞ্চলসমূহত অনিদ্ৰা-অনাহাৰে আশ্ৰয় শিবিৰত বানাক্ৰান্তৰ হাহাকাৰ অৱস্থা। অৰুণাচল, বৰাকৰ বান পৰিস্থিতিও ভয়ংকৰ হোৱাৰ লগতে আটাইতকৈ বেছি ক্ষতিগ্ৰস্ত হৈছে ডিমাহাছাও জিলা। থান-বান হৈ পৰিছে ডিমা হাছাওৰ আন্তঃগাঁথনি,সৌন্দৰ্য নগৰীত প্ৰকৃতিৰ অকল্পনীয় তাণ্ডৱ। পৰ্যটকসকলৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু অসমৰ ছুইজাৰলেণ্ড খ্যাত ডিমা হাছাওৰ প্ৰাকৃতিক সৌন্দৰ্য ইতিমধ্যে ধ্বংসস্তূপত পৰিণত হৈছে। সকলো নিমিষতে তচ-নচ কৰি পেলালে ভয়ংকৰ বানে। বিভিন্ন প্ৰান্তৰ পাহাৰৰ পৰা নামি অহা ডাঙৰ ডাঙৰ শিলৰ স’তে বোকা-পানীৰে উটি অহা ধলত ৰেলৰ বৃহৎ বৃহৎ দবা পৰ্যন্ত বোকাত পোত গ’ল। আশ্চৰ্যকৰভাৱে ৰেলৰ চালিত ইঞ্জিনৰ ওপৰেদি খৰস্ৰোতা পানী বৈ গৈছিল, এতিয়াও হাফলঙৰ চৌদিশে মাথোঁ হৃদয় কঁপোৱা দুৰৱস্থা। খন্তেকতে বোকা-মাটিৰে ভৰি পৰে বৃহৎ বৃহৎ সুৰংগসমূহ। ধ্বংস্তূপত পৰিণত হোৱা এই ঠাইবোৰ পুনৰ নিৰ্মাণ কৰাৰ বাবে কিমান সময় লাগিব সেয়াও সুদূৰ পৰাহত। ভাৰতবৰ্ষতে সৌন্দৰ্যৰ আকৰ বুলি নাম থকা ডিমা হাছাও ৰেল ষ্টেছনটোৰ ব্ৰডগেজ লাইনৰ আন্তঃগাঁথনি নিৰ্মাণ কাৰ্যৰ দায়িত্বত থকা বিয়াগোম বিষয়াসকলে বৈজ্ঞানিকভাৱে পৰ্যালোচনা নকৰি ভুল পদ্ধতিৰে কাম কৰাৰ ফলত হয়তো আজি সৰ্বসাধাৰণ ৰাইজে ভুগিবলগীয়া হৈছে। জীৱশ্ৰেষ্ঠৰ অজ্ঞতাৰ বাবেই হাফলঙৰ বিনন্দীয়া প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্যত যেন নিষ্ঠুৰ হাতুৰীৰ আঘাত পৰিল। হাফলং মানেই এতিয়া বিপদ, আৰ্তনাদ আৰু মৃত্যুৰ ভয়।

উজনি-নামনি, পাহাৰ-ভৈয়াম সকলোতে সংহাৰী ৰূপ ধাৰণ কৰি তাণ্ডৱ চলাই গ’ল বলিয়া বানে। বহু ঠাইত বৃহৎ আকাৰৰ ছিৰাল ফাট মেলি ৰাষ্ট্ৰীয় পথ, ঘৰ-দুৱাৰ এফালৰ পৰা ধ্বংসস্তূপত পৰিণত হ’ল। বৰাক উপত্যকাতো ওফন্দি উঠিল নৈ উপনৈসমূহ, জটিল পৰিস্থিতিৰ উদ্ভৱ হল শিলচৰ চহৰখনতো। ইতিমধ্যে বহু ৰেলৰ যাতায়াত বাতিল কৰাত অনিশ্চয়তাৰ মাজত জীৱনে গতি লৈছে। অৰুণাচলৰ ইটানগৰো ভূমিস্খলনৰ ৰোষত পৰিল। মথাউৰি ছিঙি হোৱা-হোৱে জনবসতি অঞ্চললৈ পানী সোমোৱাত বহু ঠাইত ৰাষ্ট্ৰীয় ঘাইপথসমূহ ছিঙি পৰিল। সৰ্বস্বান্ত, দুৰ্দশাগ্ৰস্ত বানাক্ৰান্তসকলে ভগৱানৰ শ্ৰীচৰণত শৰণাপন্ন হোৱাৰ বাদে যেন উদ্ধাৰৰ সকলো পথেই ৰুদ্ধ। মুঠতে এতিয়া প্ৰকৃতিৰ ধ্বংসলীলাত চৌদিশে জনজীৱন ব্যাহত। প্ৰকৃতিৰ কোপদৃষ্টিত ত্ৰস্তমান জনজীৱন। শেষ ভৰসা হিচাপে নিৰাপদ আশ্ৰয় বিচাৰি বানাক্ৰান্তৰ হাহাকাৰ, প্ৰাণৰ মায়াত ভীতিগ্ৰস্ত সকলো। মথাউৰি, ৰাজপথত আশ্ৰয় ল’বলগীয়া হ’ল উপায়হীন ভুক্তভোগীসকলে। নলা-নৰ্দমাৰ পানী একাকাৰ হৈ জনসাধাৰণক জীয়াতু ভোগাইছে। অস্বাস্থ্যকৰ পৰিৱেশত কীট-পতংগৰ স’তে সহাৱস্থান বান আক্ৰান্তৰ। অসহায় অৱস্থাত কোনে কাক সুৰক্ষা প্ৰদান কৰিব, উন্মুক্ত পৰিৱেশত ৰুগীয়া, বৃদ্ধ, শিশু সকলোৱে অবৰ্ণনীয় অৱস্থা। প্ৰকৃতিৰ ৰুদ্ৰ ৰূপত যে অসহায়, নিৰুপায় জীৱশ্ৰেষ্ঠ মানৱ। এই সুন্দৰ ধৰাখন প্ৰকৃতিৰ চিৰন্তন ৰীতি মতেই চলিব আমি মনুষ্যই কেৱল মাথোঁ সজাবহে পাৰো, যিমানেই প্ৰযুক্তি বিদ্যাৰ উদ্ভাৱন নহওক প্ৰাকৃতিক দুৰ্যোগৰ সময়ত ৰুষ্ট প্ৰকৃতিক ভেটা দিব পৰাৰ ক্ষমতা জীৱশ্ৰেষ্ঠৰ নাই।

*ফোন: ৯১০১৫১৭৮৪৭*

# নগদ ধনসহ লক্ষাধিক টকাৰ সামগ্ৰী লুট

## নগাঁৱত পুনৰ চুৰি কাণ্ড

**বিশেষ সংবাদদাতা**

**নগাঁও, ২৫ মে’ ঃ** নগাঁৱত পুনৰ সংঘটিত হৈছে চুৰি কাণ্ড। বিগত কিছুদিন ধৰি নগাঁও চহৰৰ লগতে জিলাখনৰ বিভিন্ন স্থানত চুৰি কাৰ্য হৈ থকাৰ পাছত যোৱা নিশা নগাঁও চহৰৰ লাওখোৱা পথৰ গ্ৰীণলেণ্ড উপ-পথত এক চুৰি কাৰ্য সংঘটিত হয়। ঘৰত কোনো নথকাৰ সুযোগ গ্ৰহণ কৰি চোৰৰ দলে চুৰি কাৰ্য সংঘটিত কৰে। তথ্য মতে, নগনে খাউণ্ড নামৰ লোকজন পৰিয়ালসহ কেইদিনমান পূৰ্বে বাংগালুৰুত ফুৰিবলৈ যায়। বৰ্তমানো তেওঁলোক আহি পোৱা নাই। ইয়াৰ সুযোগ গ্ৰহণ কৰি চোৰৰ দলে যোৱা নিশা খাউণ্ডৰ ঘৰৰ খিৰিকি ভাঙি ঘৰৰ ভিতৰত প্ৰৱেশ কৰি লুটপাত চলায়। দলটোৱে বিভিন্ন আচবাব লণ্ডভণ্ড কৰাৰ লগতে নগদ ধনসহ সোণৰ অলংকাৰ আদি লুট কৰি লৈ যায়। ঘটনাৰ খবৰ পোৱাৰ পাছত ঘটনাস্থলীত নগাঁৱৰ আৰক্ষী উপস্থিত হৈ অনুসন্ধান আৰম্ভ কৰে যদিও কাকো গ্ৰেপ্তাৰ কৰিব পৰা নাই।

# ভাৰতীয় তেল নিগমৰ তেল পৰিবহণৰ

তিনি পৃষ্ঠাৰ পৰা চাৰিদুৱাৰৰ গড়মৰাৰ ৰাম বাহাদুৰ সোণাৰ নামৰ এজন লোক জড়িত হৈ থকাৰ অভিযোগৰ সন্দৰ্ভত আজি চাৰিদুৱাৰ আৰক্ষীয়ে সোনাৰৰ বাসগৃহত অভিযান চলাই ছয়খন বডিবিহীন গাড়ী জব্দ কৰিবলৈ সক্ষম হয়। অৱশ্যে সোণাৰক বিচাৰি পোৱা নাই আৰক্ষীয়ে। তদুপৰি, ৰঙাপৰা আৰক্ষীয়েও পৃথকে অভিযান চলাই ১০ খনকৈ গাড়ী ৰাইন ইঞ্জিনিয়াৰিঙৰ পৰা জব্দ কৰিবলৈ সক্ষম হয়। ঘটনা সন্দৰ্ভত কাৰখানাটোৰ স্বত্বাধিকাৰী বিক্ৰম সিঙকো আৰক্ষীয়ে আটক কৰিবলৈ সক্ষম হৈছে। সমগ্ৰ বিষয়টো সন্দৰ্ভত তদন্ত অব্যাহত ৰাখিছে।

# তামুলপুৰৰ খন্দিকৰত হেৰ’ইনসহ ড্ৰাগছ

তিনি পৃষ্ঠাৰ পৰা পাৰ্থপ্ৰতিম শইকীয়াৰ নেতৃত্বত তামুলপুৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ভাস্কৰ দেওঘৰীয়াসহ আৰক্ষীৰ এটা বৃহৎ দলে এক বিশেষ সূত্ৰৰ পম খেদি খন্দিকৰ অঞ্চলত অভিযান চলায়। অভিযানৰ সময়ত খন্দিকৰৰ সমীপৰ ধূলাবাৰী গাঁওৰ ৰিয়াজুলৰ ঘৰত তালাচী চলাই লুকাই থোৱা স্থানৰ পৰা ৭.২২ গ্ৰাম হেৰ’ইনসহ নগদ ৩৫ হেজাৰ টকা, তিনিটা ম’বাইল ফোন, এখন এল্টো (এ এছ-০১ ই এ এক্স- ৩৪৩০ গাড়ী এখন, দুখন মটৰ চাইকেল আৰু এখন নম্বৰবিহীন ট্ৰেক্টৰ লগতে বুজন পৰিমাণৰ খালী কণ্টেইনাৰ লগতে বহু আপত্তিজনক নথিপত্ৰ। আৰক্ষী বিষয়াজনে প্ৰকাশ কৰা মতে ৰিয়াজুলে বিগত বহুদিন ধৰি আৰক্ষীৰ চকুত ধুলি দি ড্ৰাগছৰ ৰমৰমৰীয়া ব্যৱসায় চলাই আছিল। তামুলপুৰ আৰক্ষীয়ে ধৃত ৰিয়াজুলৰ পৰা ড্ৰাগছ সৰবৰাহ সন্দৰ্ভত অধিক তথ্য উদ্ধাৰৰ বাবে জেৰা অব্যাহত ৰাখিছে।

# মন্দিয়াত ছাত্ৰ-ছাত্ৰীক মধ্যাহ্ন ভোজন

তিনি পৃষ্ঠাৰ পৰা মধ্যাহ্ন ভোজনৰ চাউল উদ্ধাৰ হোৱা ঘটনা সংঘটিত হৈছে। উল্লেখ্য যে বিদ্যালয়খনত তলাবন্ধৰ পাছৰ পৰাই ছাত্ৰ-ছাত্ৰীক দিয়া নাছিল মধ্যাহ্ন ভোজন। কণ কণ ছাত্ৰ-ছাত্ৰীক মধ্যাহ্ন ভোজনৰ পৰা বঞ্চিত কৰি বস্তাই বস্তাই চাউল পুতি ৰাখিছিল প্ৰধান শিক্ষকজনে। ইয়াৰ পূৰ্বেও তেওঁ মধ্যাহ্ন ভোজনৰ চাউল পুখুৰীত পেলাই দিয়াৰ অভিযোগ উত্থাপিত হৈছে। বিদ্যালয়খনৰ শৈক্ষিক পৰিৱেশ আদি চোৱা-চিতাৰ দায়িত্বত থকা চিআৰচিচি জাকিৰ হুছেইনেও যে এই ক্ষেত্ৰত অৱহেলা কৰি আহিছে সেয়া ছাত্ৰ-ছাত্ৰীক মধ্যাহ্ন ভোজনৰ পৰা বঞ্চিত কৰি শিক্ষকে চাউল পুতি ৰখাৰ ঘটনাই প্ৰমাণ কৰিছে। উল্লেখ্য যে উক্ত বিদ্যালয়খন একাংশ দেৱানী-মাতব্বৰৰ কথাত পৰিচালিত হয় বুলি অভিযোগ উত্থাপিত হৈছে। ইপিনে, ঘটনা সন্দৰ্ভত প্ৰধান শিক্ষকজনে কোনো ধৰণৰ মন্তব্য প্ৰদানৰ পৰা বিৰত থাকে।

# লক্ষীপুৰত বিভাগীয় ভূমি বেদখলকাৰীৰ

তিনি পৃষ্ঠাৰ পৰা গড়কাপ্তানী বিভাগৰ পথৰ কাষৰ ভূমিবিলাক বেদখল কৰি ৰাখিছে।আজি বছৰ বছৰ ধৰি অবৈধভাৱে বেদখলী চৰকাৰী ভূমি জধে-মধে স্থায়ী পকী দোকান গৃহ নিৰ্মাণেৰে মুনাফা লুটি আহিছে। ইপিনে, আন একাংশ চৰকাৰী খাল, বিলৰ ভূমিও বেদখলীৰে ভোগ কৰিছে। এনে অবৈধ বেদখলে এতিয়া নগৰখনৰ বিভিন্ন ঠাইত পানী নিষ্কাসনৰ ব্যৱস্থা প্ৰায় স্তব্ধ হৈ পৰাত একাধিক সমস্যাৰ সৃষ্টি হোৱা পৰিলক্ষিত হৈছে। কাজেই, এই সমস্যা সমাধান হেতু জিলা উপায়ুক্তই ৰাজহ চক্ৰ বিষয়া ৰাজীৱ গগৈক অবৈধ বেদখলকাৰীক উচ্ছেদৰ নিৰ্দেশ দিছিল। ইপিনে, সেই নিৰ্দেশ অনুসৰি স্থানীয় দণ্ডাধীশ তথা লক্ষীপুৰ ৰাজহ চক্ৰ বিষয়া ৰাজীৱ গগৈয়ে চৰকাৰী দখলীকৃত ভূমি নিৰ্ধাৰিত সময়ত দখলমুক্ত কৰিবলৈ বেদখলকাৰীসকলক কিছুদিন আগতে লিখিত জাননী দিছিল। আনহাতে, বিভাগৰ জাননীক গুৰুত্ব সহকাৰে লৈ অধিকাংশ বেদখলকাৰীয়ে ইতিপূৰ্বে নিজেই দোকান গৃহবোৰ ভাঙি লৈ যায়। আকৌ কিছুসংখ্যকে চৰকাৰী নিৰ্ধাৰিত সময়মতে দখলমুক্ত নকৰাত আজি স্থানীয় দণ্ডাধীশ গগৈৰ উপস্থিতিত আৰু পৌৰসভাৰ পৌৰপতি ৰাজেশ প্ৰসাদ গুপ্তাৰ সহযোগত নগৰৰ থানামোড়ত উচ্ছেদ অভিযান চলায়। অভিযানৰ সময়ছোৱাত অবৈধ পকী দোকান গৃহবোৰ এক্সকেভেটৰেৰে ভাঙি বেদখলমুক্ত কৰে। ইয়াৰ উপৰি, লক্ষীপুৰ পৌৰসভাৰ অন্যান্য স্থানৰ লগতে ৰাজহ চক্ৰ অধীনৰ চৰকাৰী ভূমি বেদখলী স্থানতো দখলমুক্ত (উচ্ছেদ) অভিযান চলাব বুলি দণ্ডাধীশ ৰাজীৱ গগৈয়ে সাংবাদিকৰ আগত সদৰী কৰে।

# বাগ্‌সাৰ শালবাৰীত এবছু সদস্যৰ

তিনি পৃষ্ঠাৰ পৰা শিক্ষক দাসে এগৰাকী বড়ো জনগোষ্ঠীৰ সহকৰ্মীৰ লগতে আন এগৰাকী বড়ো বান্ধৱীক লৈ ম’বাইলত চেল’ফী উঠিছিল। তাৰ বাবেই খৰ্গহস্ত হৈ শালবাৰীৰ কে’বাজনো এবছু কৰ্মীয়ে কম্পিউটাৰ প্ৰশিক্ষণ কেন্দ্ৰৰ পৰা এবছু কাৰ্যালয়লৈ উঠাই নি দাসৰ ম’বাইলৰ সকলো তথ্য হস্তগত কৰি প্ৰথমে চৰ-ভুকু মাৰধৰ কৰি পৰৱৰ্তী সময়ত লাঠিৰে কোবাই কোবাই গুৰুতৰভাৱে আহত কৰে। ঘটনাৰ বিষয়ে জানিব পাৰি দাসৰ মাতৃয়ে শালবাৰীৰ এবছু কাৰ্যালয়ত উপস্থিত হৈ মূৰ্মুষ অৱস্থাত উদ্ধাৰ কৰে পুত্ৰক। তাৰ পাছতেই মাতৃৰ উকা কাগজত স্বাক্ষৰ লৈ দাসক মুকলি কৰি দিয়ে এবছু কৰ্মীসকলে। ঘটনাটোৱে অঞ্চলজুৰি তীব্ৰ জোকাৰণিৰ সৃষ্টি কৰাৰ লগতে এবছু কৰ্মীসকলৰ বিৰুদ্ধে জাঙুৰ খাই উঠিছে স্থানীয় ৰাইজ। ইতিমধ্যে ভুক্তভোগী পৰিয়ালৰ ফালৰপৰা শালবাৰী থানাত এজাহাৰ দাখিল কৰা হৈছে। আৰক্ষীৰ ক্ষীপ্ৰ তদন্তৰ দাবী কৰি এইক্ষেত্ৰত ন্যায় বিচাৰিছে পৰিয়ালটোৰ লগতে স্থানীয় ৰাইজে। উল্লেখ্য যে কালি শালবাৰীৰ ঘটনাটো সন্দৰ্ভত ভুক্তভোগী যুৱক তথা কম্পিউটাৰ প্ৰশিক্ষক দাসে সংবাদ মাধ্যমৰ আগত কয়, ‘কালি দুপৰীয়া ১০.৪০ মান বজাত মই শালবাৰী কম্পিউটাৰ প্ৰশিক্ষণ চেণ্টাৰত কাম কৰি থকাৰ মাজতে শালবাৰী এবছু কাৰ্যালয়ৰ পৰা ছয়-সাতজন মান সদস্যই আহি প্ৰথমে মোৰ হাতত থকা ম’বাইল ফোনটো কাঢ়ি লয়। তাৰ পাছত মোক এবছু কাৰ্যালয়লৈ জোৰজুলুমকৈ লৈ যাব বিচৰাত মোক কিয় এনেদৰে নিব ওলোৱা হৈছে বুলি প্ৰশ্ন কৰাত তেওঁলোকে মোৰ কিবা ভুল দেখিছে আৰু সেই বিষয়ে সোধপোছৰ বাবে লৈ যোৱা হ’ব বুলি জানিবলৈ দিয়ে। এবছু কাৰ্যালয়লৈ নি মোক প্ৰথমে মোৰ ম’বাইলটোৰ লক খুলিবলৈ কয় আৰু প্ৰথমাৱস্থাত মই লক খুলি দিবলৈ অমান্তি হোৱাত মোক মাৰধৰ আৰম্ভ কৰে। তাৰ পাছত ম’বাইলৰ লক খুলি দিয়াত মোৰ যিমান ব্যক্তিগত তথ্য আছে সকলো এমূৰৰ পৰা চাই। ম’বাইলটোত মোৰ কম্পিউটাৰ চেণ্টাৰত একেলগে কাম কৰা বড়ো জনগোষ্ঠীৰ এগৰাকী যুৱতী তথা মোৰ সহকৰ্মীৰ লগত উঠা ফটো প্ৰত্যক্ষ কৰি মই কিয় বড়ো ছোৱালীৰ স’তে ফটো উঠিছো সেই বিষয়ে অবান্তৰ প্ৰশ্ন কৰিও মোক মিছাতে মাৰধৰ কৰে। একেদৰে লেছেৰাৰ বড়ো জনগোষ্ঠীৰ মোৰ সহপাঠী, মোৰ বান্ধৱী এগৰাকীৰ স’তে উঠা ফটো আৰু মেছেজক লৈও মোক জবাবদিহি কৰি মাৰধৰ কৰে। লেছেৰাৰ বান্ধৱীগৰাকীৰ স’তে মোৰ সম্পৰ্ক কেৱল বন্ধুৰ নিচিনাহে আছিল। মোৰ ফটোবোৰো কোনো বেয়া ফটো বা অশ্লীল ফটো নহয়। সেই ফটোবোৰো কেৱল বন্ধুত্বপূৰ্ণহে আছিল। সেই বিষয়ক লৈও মোক এবছু সদস্যসকলে মাৰধৰ কৰে। দুয়োখন হাতত কোবাই কোবাই মোক কয় এই হাত দুখনেৰে আকৌ কম্পিউটাৰ চলাবি নে, কম্পিউটাৰ প্ৰশিক্ষণ দিবি নে? তাৰ পাছতেই মোৰ গালত চৰিয়ায়, কাণত থপৰিয়ায়, মূৰত ঘুচিয়ায়, হাতৰ বাউসীত মাৰপিট কৰে। পিঠিত লাঠিৰে কোবাই কোবাই লাঠি ছিঙি দিয়ে। মোক ছয়-সাতজন মান ল’ৰাই অত্যাচাৰ চলায়। তাৰ ভিতৰত এজনক চিনি পাওঁ। তাৰ নাম ৰূপনাথ। ৰূপনাথৰ এবছু কাৰ্যালয়ৰ সমুখতে কম্পিউটাৰ দোকান আছে। মোক তিনি-চাৰিডাল লাঠিৰে পিঠিত কোবাই লাঠি ছিঙি দিছে। ঘটনাৰ বিষয়ে মোৰ মা জানিব পাৰি এবছু কাৰ্যালয়লৈ গৈ মোক তাৰ পৰা লৈ আহে। লৈ অহাৰ পূৰ্বে এখন উকা কাগজত আমাৰ স্বাক্ষৰ লয়।’ ইফালে, ঘটনাৰ বিষয়ে ভুক্তভোগী যুৱকজনৰ পিতৃ ভগৱান দাসে জানিবলৈ দি কয়, ‘যোৱা প্ৰায় ১০ মাহ ধৰি মোৰ ল’ৰাই শালবাৰীৰ এটা কম্পিউটাৰ প্ৰশিক্ষণ চেণ্টাৰত কাম কৰি আহিছে।কালি হঠাৎ মোৰ ল’ৰাক কেইগৰাকীমান এবছু কৰ্মীয়ে কম্পিউটাৰ প্ৰশিক্ষণ চেণ্টাৰৰ পৰা উঠাই শালবাৰী এবছু কাৰ্যালয়লৈ নি বেয়াকৈ মাৰধৰ কৰে।অতি অমানৱীয়ভাৱে মাৰধৰ কৰে মোৰ ল’ৰাক।’ তেওঁ ক্ষোভ ব্যক্ত কৰি বিটিআৰ প্ৰমুখ প্ৰমোদ বড়োক উদ্দেশ্যি কয়, ‘প্ৰমোদ বড়ো ডাঙৰীয়াৰ শালবাৰীৰ এবছু কাৰ্যালয়ত থকা সদস্যসকলক এয়াই নীতিশিক্ষা দিছে নেকি যে শালবাৰীত অসমীয়া, সূত্ৰধৰ বা ৰাজবংশী ল’ৰাই কলেজত পঢ়িব নোৱাৰিব, কোনো এক ব্যৱসায় কৰি খাব নোৱাৰিব, বজাৰ কৰিব নোৱাৰিব, কোনো কাম কৰি খাব নোৱাৰিব। প্ৰমোদ বড়োৱে এইক্ষেত্ৰত মাত মাতক। আমি উচিত প্ৰত্যুত্তৰ দিবলৈ সাজু আছো। আমি ইতিমধ্যে ঘটনা সন্দৰ্ভত শালবাৰী থানাত এজাহাৰ দাখিল কৰিছো। আৰক্ষীৰ উচিত তদন্তৰ বাবে বাট চাই আছোঁ আমি।’

# বোকাজান বিধানসভা সমষ্টিৰ ছটা

তিনি পৃষ্ঠাৰ পৰা সমানেই কংগ্ৰেছেও আটাইকেইটা সমষ্টিত প্ৰাৰ্থিত্ব প্ৰদান কৰিছে যদিও কংগ্ৰেছৰ উদ্যম পূৰ্বৰ নিৰ্বাচনসমূহৰ তুলনাত যথেষ্ট স্তিমিত দেখা গৈছে। ছটা সমষ্টিত মুঠ ভোটৰ সংখ্যাৰ, ৫১,৭৪৬ জন আৰু প্ৰতিদ্বন্দ্বিতা কৰা প্ৰাৰ্থীৰ সংখ্যা মুঠ চাৰিজন। ২১ নম্বৰ বৰজান পৰিষদীয় সমষ্টিত সৰ্বাধিক ১০জন প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে যদিও মূল যুঁজখন বিজেপিৰ সূৰ্য ৰংফাৰ আৰু কংগ্ৰেছৰ সুৰেন্দ্ৰ চিংনাৰৰ মাজতেই হোৱাৰ সম্ভাৱনা আছে। বিজেপিৰ প্ৰক্ষেপিত সূৰ্য ৰংফাৰ বৰজান সমষ্টিৰ বাসিন্দা নোহোৱাৰ বাবে বৰজান সমষ্টিৰ দলীয় কৰ্মী আৰু আন টিকট প্ৰত্যাশীসকলে তেওঁৰ প্ৰাৰ্থিত্বক লৈ বিৰুদ্ধাচৰণ কৰিছিল যদিও দলগত হিচাপত তেওঁ অন্যান্য প্ৰাৰ্থী সকলতকৈ আগবাঢ়ি আছে। সমষ্টিটোত মুঠ ভোটাৰৰ সংখ্যা সৰ্বাধিক ৪৪,২৮৯জন। ইপিনে, ছটা পৰিষদীয় সমষ্টিৰ ভিতৰত আটাইতকৈ কম সংখ্যক ভোটাৰ থকা ২২ নম্বৰ সৰুপথাৰৰ নিৰ্বাচনী যুঁজখন এইবাৰ আকৰ্ষণীয় হৈ পৰিছে। বিগত পৰিষদীয় নিৰ্বাচনত জয়লাভ কৰি কাৰ্যবাহী সদস্যৰ পদ লাভ কৰা তিনিবাৰকৈ বোকাজান বিধানসভা সমষ্টিৰ পৰা বিধায়ক হোৱা জগতচিং ইংতিক এইবাৰ বিজেপিৰ টিকটৰ পৰা বঞ্চিত কৰি কাদম তেৰাংপীক দলীয় টিকট প্ৰদান কৰিছে। সেয়েহে ইংতিয়ে এই নিৰ্বাচনত কি ভূমিকা ল’ব তাৰ ওপৰত সকলোৰে দৃষ্টি নিবদ্ধ হৈ আছে ।আনহাতে, সমষ্টিটোত সাতজনকৈ প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে আৰু ইয়াৰে নিৰ্দলীয় প্ৰাৰ্থী তথা প্ৰাক্তন কাৰবি ছাত্ৰ সন্থাৰ নেতা ছিমিয়ন ৰংফাৰ আৰু কংগ্ৰেছৰ ছত্ৰ টেৰণ যথেষ্ট গণভিত্তি থকা । মাত্ৰ ১০,১২৮জন ভোটাৰ থকা সমষ্টিটোত ত্ৰিকোণ প্ৰতিদ্বন্দ্বিতা হোৱাৰ সম্ভাৱনা থকাৰ লগতে কম ব্যৱধানত যিকোনো এজনেই বিজয় সাব্যস্ত কৰিব পাৰে। ২৩ নম্বৰ বোকাজান পৰিষদীয় সমষ্টিত মুঠ পাঁচজন প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে যদিও প্ৰাক্তন ছাত্ৰনেতা তথা বিগত নিৰ্বাচনত জয়ী হৈ কাৰ্যবাহী সদস্যৰ পদ লাভ কৰা মাধুৰ্য ঢেকীয়াল ফুকন যথেষ্ট শক্তিশালীৰূপত নিৰ্বাচনত অৱতীৰ্ণ হৈছে। সমষ্টিটোত কংগ্ৰেছৰ প্ৰাৰ্থীগৰাকীৰ গণভিত্তি নথকা আৰু নতুনকৈ আপৰ পৰা নিৰ্বাচনত অৱতীৰ্ণ হোৱা প্ৰাৰ্থীগৰাকীয়ে এই সমষ্টিটোত যে বিশেষ প্ৰভাৱ পেলাব নোৱাৰে সেয়া সচেতন মহলৰ মাজত চৰ্চা হৈছে। সমষ্টিটোত মুঠ ভোটাৰৰ সংখ্যা ৩৫,৬৮৬ জন। ২৪ নম্বৰ দেওপানী সমষ্টিত মুঠ আঠজন প্ৰাৰ্থীয়ে নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হৈছে যদিও মূল যুঁজখন বিজেপিৰ চবন কুমাৰ তেলেংগা আৰু নিৰ্দলীয় প্ৰাৰ্থী প্ৰহ্লাদ বাইচাৰ মাজত হোৱাৰ সম্ভাৱনা আছে। সমষ্টিটোত বিগত নিৰ্বাচনত জয়ী হৈ নিৰ্বাচিত হোৱা মুকুট মহন্তই এইবাৰো দলৰ পৰা টিকট বিচাৰিছিল যদিও দলে আদিবাসী সম্প্ৰদায়ৰ যুৱক তেলেংগাক টিকট প্ৰদান কৰিছে। সমষ্টিবাসীৰ মাজত অতি সহজ-সৰল যুৱকৰূপে পৰিচিত চবন কুমাৰ তেলেংগা ৰাজনীতিত নতুন মুখ হোৱাৰ বিপৰীতে নিৰ্দলীয় প্ৰাৰ্থী প্ৰহ্লাদ বাইচা সামাজিকভাৱে যথেষ্ট জনপ্ৰিয়। সমষ্টিটোত মুঠ ভোটাৰৰ সংখ্যা ২৪,১৮১ জন। ২৫ নম্বৰ নিলিপ সমষ্টিত মুঠ আঠজন প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। বিগত পৰিষদীয় নিৰ্বাচনত জয় লাভ কৰা বিজেপিৰ পবিত্ৰ ৰংপিয়ে পুনৰবাৰ সমষ্টিটোৰ পৰা বিজেপিৰ হৈ প্ৰাৰ্থিত্ব লাভ কৰি নিৰ্বাচনী যুঁজত অৱতীৰ্ণ হৈছে। পবিত্ৰ ৰংপিয়ে নিৰ্দলীয় প্ৰাৰ্থী অৱিনাশ ৰংহাংৰ পৰা প্ৰত্যাহ্বানৰ সন্মুখীন হোৱাৰ সম্ভাৱনা আছে। যিহেতু নিৰ্দলীয় প্ৰাৰ্থী গৰাকী অঞ্চলটোত যথেষ্ট জনপ্ৰিয়। ইপিনে, কংগ্ৰেছৰ ছেমচন ইংতি পৰিষদীয় সমষ্টিটোৰ বাসিন্দা নহয় বুলি তেওঁৰ প্ৰাৰ্থিত্বৰ বিৰোধিতা কৰিছে একাংশ স্থানীয় লোকে। সমষ্টিটোত মুঠ ভোটাৰৰ সংখ্যা ২১,২৪৬ জন। ২৬ নম্বৰ দুৱাৰবাগৰি সমষ্টিত মুঠ পাঁচজন প্ৰাৰ্থীয়ে সমষ্টিটোত প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। বিগত নিৰ্বাচনত নিৰ্দলীয় প্ৰাৰ্থীৰূপে প্ৰতিদ্বন্দ্বিতা কৰি জয়ী হোৱা ৰিচাৰ্ড টকবিয়ে এইবাৰ বিজেপিৰ হৈ টিকট লাভ কৰি নিৰ্বাচনত অৱতীৰ্ণ হৈছে। সমষ্টিটোত একপ্ৰকাৰ বিজেপি প্ৰাৰ্থী গৰাকীৰ জয়লাভৰ পথ মসৃণ বুলিয়েই চৰ্চিত হৈছে সমষ্টিটোত । সেয়া যিয়েই নহওক ১২ জুনত অনুষ্ঠিত হ’বলগীয়া ভোট গণনাৰ পাছতহে গম পোৱা যাব কোন প্ৰাৰ্থীয়ে মাৰিব শেষ হাঁহি।

# শিৱসাগৰত শিক্ষকৰ ৰূপত

তিনি পৃষ্ঠাৰ পৰা শিৱসাগৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়খনত শিক্ষাগ্ৰহণ কৰা ছাত্ৰৰ ভিতৰত এতিয়ালৈকে ১৪জনে অসম সাহিত্য সভাৰ সভাপতিৰ আসন অংকৃত কৰিছে। গুণোৎসৱৰ তৃতীয় দিনটোত বহিঃমূল্যায়কৰূপে বিদ্যালয়খনত উপস্থিত হোৱা সঞ্চালকপ্ৰধানজনক নষ্টালজিক হৈ পৰে। আনহাতে, বিদ্যালয়খনক লৈ সন্তুষ্টি প্ৰকাশ কৰি গুণগত মান নিৰূপণৰ বাবে চৰকাৰ আৰু শিক্ষা বিভাগে লোৱা পদক্ষেপৰ শলাগ লয় আৰক্ষী সঞ্চালকপ্ৰধানজনে।

# গোপালকৃষ্ণ চাহ বাগিচা আদৰ্শ

তিনি পৃষ্ঠাৰ পৰা মন্ত্ৰী হাজৰিকাই। মন্ত্ৰী হাজৰিকাই কয়, ‘ৰাজ্য চৰকাৰে চাহ বাগিচাৰ লোকসকলৰ উন্নয়নৰ বাবে বিভিন্ন সময়ত বিভিন্ন আঁচনি ৰূপায়ণ কৰি আহিছে। আগন্তুক দিনত এনে অধিক পৰিৱৰ্তন ৰাইজে দেখা পাব বুলিও মন্তব্য কৰে মন্ত্ৰীজনে। আজি এই আদৰ্শ বিদ্যালয় উদ্বোধনী অনুষ্ঠানত গোপালকৃষ্ণ চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে সমবেত সংগীত আৰু ছাত্ৰ-ছাত্ৰীসকলে ঝুমুৰ নৃত্য প্ৰদৰ্শন কৰে। অনুষ্ঠানৰ মৰিগাঁও জিলাৰ উপায়ুক্ত প্ৰকাশ ৰঞ্জন ঘৰফলীয়া, জিলা শিক্ষা বিষয়া বুলি গগৈ, জাগীৰোড মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ভবেন চন্দ্ৰ নেওগ, তিৱা স্বায়ত্ত পৰিষদৰ প্ৰাক্তন মুখ্য কাৰ্যবাহী সদস্য নাৰায়ণ কুমাৰ ৰাডু কাকতিকে আদি কৰি কে’বাগৰাকী বিশিষ্ট লোক উপস্থিত থাকে।

# নগাঁৱত চাৰিখন চাহ বাগিচা



তিনি পৃষ্ঠাৰ পৰা হ’ব। ভৱিষ্যতে এই বিদ্যালয়খন উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰা হ’ব। যাতে চাহ বাগিচাতে চাহ জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীসকলে শিক্ষা লাভ কৰিব পাৰে।’ অনুষ্ঠানত উপস্থিত থাকে নগাঁও জিলা উপায়ুক্ত নিসৰ্গ হিভাৰে, কলিয়াবৰ মহকুমাধিপতি পবিত্ৰ দাস, নগাঁও জিলা বিদ্যালয় পৰিদৰ্শক মৃদুল কুমাৰ নাথ, ৰূপহী খণ্ড প্ৰাথমিক শিক্ষা বিষয়া প্ৰাণজিৎ শইকীয়া, পুৰণা শালনা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ধৰ্মকান্ত বৰা, বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি অৰ্ণব হাজৰিকা আদি লোক। ইয়াৰ উপৰিও মন্ত্ৰী মহন্তই আজি শগুনবাহী, কেলিডেন আৰু ডিজুভেলীটো তিনিখন চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় উদ্বোধন কৰে।

# শিৱসাগৰ জিলা স্বাস্থ্য বিভাগৰ ডেংগু ৰোগৰ সজাগতা সভা

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ২৫ মে’ ঃ** শিৱসাগৰ জিলা স্বাস্থ্য বিভাগৰ উদ্যোগত জিলাখনৰ বিভিন্ন চিকিৎসালয়, স্বাস্থ্যকেন্দ্ৰ আৰু উপ-স্বাস্থ্য কেন্দ্ৰসমূহত ডেংগু ৰোগৰ সজাগতামূলক সভা অনুষ্ঠিত হৈ আহিছে। যোৱা ১৬ মে’ত জয়সাগৰ অসামৰিক চিকিৎসালয়ত ডেংগু দিৱস পালন কৰাৰ পাছত এই সজাগতা সভাসমূহ অনুষ্ঠিত হয়। বিশেষকৈ ডেংগু ৰোগ এডিছ ম’হৰ জৰিয়তে বিয়পে। এই ৰোগৰ সাৱধানতা সন্দৰ্ভত কমাৰফদীয়া উপ-স্বাস্থ্য কেন্দ্ৰৰ বহুমুখী স্বাস্থ্যকৰ্মী মুস্তাফিজ আহমেদে টায়াৰ, নাৰিকলৰ খোলা, ৰেফ্ৰিজাৰেটৰ ট্ৰে আদিত পানী জমা হ’বলৈ দিব নালাগে বুলি উল্লেখ কৰি কয় যে এই ম’হে মানুহক দিনত কামোৰে। গতিকে পৰাপক্ষত দীঘল হাতৰ চোলা পিন্ধা আৰু বিশ্ৰাম ল’লেও বিছনাত আঁঠুৱা লগাবলৈ আহ্বান জনায়। সজাগতা সভাসমূহৰ অন্তত উপস্থিত সকলো ব্যক্তিকে সজাগতা সন্দৰ্ভৰ প্ৰচাৰ পুস্তিকা প্ৰদান কৰিছে স্বাস্থ্যকৰ্মীসকলে।

# খ’ৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰিচালনা উন্নয়ন সমিতিৰ কাৰ্যভাৰ গ্ৰহণ

**অগ্ৰদূত বাৰ্তা**

**বিহপুৰীয়া, ২৫ মে’ ঃ** বিহপুৰীয়াৰ খ’ৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত চৰকাৰে নিযুক্তি দিয়া নতুন বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিয়ে আজি অনুষ্ঠিত যুটীয়া বৈঠকত বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ পুৰণা সভাপতি জগন্নাথ শইকীয়াৰ পৰা নতুন সভাপতি নবীন হাজৰিকাই দায়িত্বভাৰ গ্ৰহণ কৰে। বিদ্যালয়ৰ অধ্যক্ষ মৃদুল কুমাৰ ভূএগ্ৰাই আঁতধৰা সভাত সভাপতিত্ব কৰে পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতি জগন্নাথ শইকীয়াই। উপ-সভাপতি হিচাপে মাধৱ হাজৰিকা, পৰিচালনা সমিতিৰ সদস্য হিচাপে বিহপুৰীয়া আঞ্চলিক পঞ্চায়তৰ সভাপতি দীপক সভাপণ্ডিত, জগত বৰা, বিষ্ণু বৰা, নাৰায়ণ শইকীয়া, বিদ্যালয়ৰ উপাধ্যক্ষা পুতুলী বৰা, শিক্ষক কুল ফুকন, হৰিচৰণ ভট্টাচাৰ্য, গজেন হাজৰিকা, ৰুবী বৰুৱা আদি কৰি কে’বাজনো সদস্য উপস্থিত থাকে। সভাৰ আৰম্ভণিতে নতুন সভাপতি আৰু উপ-সভাপতিক এখনি ফুলাম গামোচাৰে আদৰণি জনোৱা হয়। সভাত বিদ্যালয়ত বৰ্তমান আগন্তুক গুণোৎসৱৰ কাৰ্যক্ৰমণিকা, বিদ্যালয়ৰ বিভিন্ন উন্নয়নমূলক কামৰ লগতে বৰ্তমান বিদ্যালয়ত সন্মুখীন হোৱা জ্বলন্ত সমস্যা শিক্ষকৰ অভাৱৰ বিষয়টো গুৰুত্বপূৰ্ণভাৱে পৰ্যালোচনা কৰা হয়। সমিতিয়ে আজিৰ সভাতে বিদ্যালয়ত শিক্ষক নাটনি সত্বেও এগৰাকী শিক্ষয়িত্ৰীক বিদ্যালয়ৰ পৰিদৰ্শকে এটাষ্টমেণ্ট কৰি লখিমপুৰ নগৰ উচ্চ মাধ্যমিক বিদ্যালয়লৈ লৈ যোৱাত সভাই গভীৰ উদ্বেগ প্ৰকাশ কৰে লগতে বিদ্যালয়ৰ পৰিদৰ্শকক ইয়াৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ এটি প্ৰস্তাৱ গ্ৰহণ কৰাৰ উপৰি আহ্বান জনায়। লগতে বিদ্যালয়ত কে’বাটাও পদ খালী হৈ থকা সত্বেও নতুন শিক্ষক নিযুক্তি নিদিয়াৰ বাবে গভীৰ উদ্বেগ প্ৰকাশ কৰাৰ লগতে বিভাগীয় ঊৰ্ধৰ্বতন কৰ্তৃপক্ষৰ লগতে জিলা বিদ্যালয় পৰিদৰ্শকক অনুৰোধ জনাইছে।

# চিকিৎসক শূন্য কমলাবাৰী

তিনি পৃষ্ঠাৰ পৰা পূৰ্বে উক্ত চিকিৎসালয়ত চকু বিশেষজ্ঞ ডাঃ ৰাতুল বৰদলৈ, ২১ বছৰে সেৱা আগবঢ়াই থকা দন্ত চিকিৎসক ডাঃ দীপ কুমাৰ বৈশ্যক মাজুলীৰ পৰা বদলি কৰাৰ পাছত সমগ্ৰ মাজুলীত দুয়োটা বিভাগৰ চিকিৎসকশূন্য হৈ পৰিছে। মাজুলীৰ দুই লক্ষাধিক জনগণৰ বৰ্তমান কোনো বিভাগতে এজনো বিশেষজ্ঞ চিকিৎসক নথকাটো অতি পৰিতাপৰ বিষয় হৈ পৰিছে। আনহাতে, গড়মূৰত দুশখন বিছনাযুক্ত চিকিৎসালয়ৰ আটকধুনীয়া অট্টালিকা নিৰ্মাণ কৰে যদিও মেডিচিন, শিশু, মানসিক, চকু, ই এন টি, প্ৰসূতি বিশেষজ্ঞ চিকিৎসকৰ পৰিৱৰ্তে এগৰাকীকৈ এবছৰীয়া চিকিৎসকহে আছে। ইফালে, চিকিৎসালয়খনত কে’বামাহো ধৰি স্ত্ৰীৰোগ বিশেষজ্ঞ নথকাৰ বাবে প্ৰসূতি মহিলাক যোৰহাট বা লখিমপুৰলৈ প্ৰেৰণ কৰিবলগীয়া হৈছে। চিকিৎসালয়খনত এতিয়া স্ত্ৰীৰোগ বিশেষজ্ঞ নথকাৰ বাবে উপযুক্ত চিকিৎসা, পৰীক্ষা অবিহনে জননীয়ে সন্তান জন্ম দিছে। যিসকল আৰ্থিকভাৱে দুৰ্বল তেওঁলোকে পৰীক্ষা অবিহনেই সাধাৰণভাৱে দৈনিক চিকিৎসালয়খনত সন্তান জন্ম দিবলৈ বাধ্য হৈছে। যিসকল আৰ্থিকভাৱে সৱল তেওঁলোক মাজুলীৰ বাহিৰলৈ দৌৰিবলগীয়া হৈছে। মাজুলীৰ প্ৰহসনত পৰিণত হৈছে। উপ-নিৰ্বাচনৰ পূৰ্বে মাজুলীত প্ৰচাৰ চলাবলৈ অহা স্বয়ং মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মাজুলীৰ পয়ালগা স্বাস্থ্য খণ্ডত বহুত কৰিবলগীয়া আছে বুলি অকপটে স্বীকাৰ কৰিছিল যদিও আজিকোপতি খোদ জিলা পৰ্যায়ৰ চিকিৎসালয়খনত উপলব্ধ কৰিব পৰা নাই প্ৰয়োজনীয় চিকিৎসা সেৱা। সমান্তৰালভাৱে কমলাবাৰী সামূহিক চিকিৎসালয়ৰ এনে ধৰণৰ শোচনীয় অৱস্থা অব্যাহত থাকিলে ৰাইজে তলা লগাবলৈ বাধ্য হ’ব বুলি ভুক্তভোগী ৰাইজে ক্ষোভ প্ৰকাশ কৰিছে। এটা সেয়েহে মাজুলীৰ টেকেলি ফুটাৰ পৰা আহতগুৰিলৈকে চিকিৎসা লাভ কৰা, মাজুলীৰ স্বাস্থ্য খণ্ডৰ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি অহা কমলাবাৰী সামূহিক চিকিৎসালয়খনত সকলো বিভাগৰ চিকিৎসক আৰু কৰ্মচাৰী নিযুক্তি প্ৰদান কৰিবলৈ জ্যেষ্ঠ নাগৰিক সন্থা আৰু স্থানীয় ৰাইজে দাবী জনাইছে।

# তিনিচুকীয়াত কে’বাখনো চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় মুকলি মন্ত্ৰীদ্বয় অতুল বৰা-সঞ্জয় কিষাণৰ

# চাহ জনজাতিৰ লোকসকলৰ বাবে আজিৰ দিনটো এক ঐতিহাসিক দিন

**অগ্ৰদূত বাৰ্তা**

**তিনিচুকীয়া, ২৫ মে’ ঃ** অসম চৰকাৰৰ শ্ৰম আৰু চাহ জনজাতি কল্যাণ দপ্তৰৰ মন্ত্ৰী তথা তিনিচুকীয়া বিধানসভা সমষ্টিৰ বিধায়ক সঞ্জয় কিষাণে আজি দেওশাল চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ লগতে কেহেং চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় আৰু বজালনী চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ উদ্বোধন কৰে। চাহ জনজাতি লোকসকলৰ কল্যাণহেতু লোৱা এই যুগান্তকাৰী পদক্ষেপৰ বাবে মন্ত্ৰীজনে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ ধন্যবাদ জ্ঞাপন কৰে। অনাগত দিনত এই বিদ্যালয়ে চাহ বাগিচাসমূহৰ শৈক্ষিক উত্তোৰণৰ দিশত উল্লেখযোগ্য অৰিহণা যোগাব বুলি তেওঁ উল্লেখ কৰে। এই বিদ্যালয়সমূহৰ উদ্বোধনৰ সময়ছোৱাত মন্ত্ৰীজনৰ স’তে তিনিচুকীয়া জিলাৰ অতিৰিক্ত উপায়ুক্ত দিপু ডেকা, অতিৰিক্ত উপায়ুক্ত মনজিৎ বৰকাকতী, তিনিচুকীয়া জিলাৰ সহকাৰী শ্ৰম আয়ুক্ত ভাস্কৰ মিলি সমন্বিতে চাহ বাগিচাকেইখনৰ কৰ্তৃপক্ষ আৰু স্থানীয় ৰাইজ উপস্থিত থাকে। আনহাতে, অসম চৰকাৰৰ কৃষি, পশু-পালন আৰু পশু-চিকিৎসা আদি বিভাগৰ মন্ত্ৰী তথা ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাৰ অভিভাৱক মন্ত্ৰী অতুল বৰাই আজি ধেলাখাত চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ উদ্বোধন কৰে। বিদ্যালয়খনৰ উদ্বোধনৰ সময়ছোৱাত মন্ত্ৰীজনৰ স’তে চাবুৱা বিধানসভা সমষ্টিৰ বিধায়ক পোণাকন বৰুৱা, তিনিচুকীয়া জিলাৰ উপায়ুক্ত নৰসিং পৱাৰ, তিনিচুকীয়া জিলা পৰিষদৰ সভাপতি ৰাজেন্দ্ৰ নাথ কৈৰী, বিদ্যালয়সমূহৰ পৰিদৰ্শক বিতুপন হাজৰিকা, চাহ বাগিচাখনৰ কৰ্তৃপক্ষ প্ৰমুখ্যে বিভিন্ন দল-সংগঠনৰ বিষয়ববীয়া আৰু স্থানীয় ৰাইজ উপস্থিত থাকে। বিদ্যালয়খনৰ উদ্বোধন কৰি কৃষিমন্ত্ৰীজনে কয় যে চাহ জনজাতিৰ লোকসকলৰ বাবে আজিৰ দিনতো এক ঐতিহাসিক দিন। অসম চৰকাৰৰ প্ৰচেষ্টাত চাহ বাগিচাৰ কণকণ শিশুসকলৰ শৈক্ষিক উত্তোৰণৰ সপোন আজি বাস্তৱায়িত হৈছে। অসমৰ অৰ্থ-সামাজিক ক্ষেত্ৰত চাহ বাগিচাৰ অৱদান অতুলনীয়। সেয়েহে চাহ বাগিচাৰ লোকসকলৰ উন্নয়নৰ বাবে বৰ্তমানৰ চৰকাৰখনে বিভিন্ন ধৰণৰ প্ৰচেষ্টা হাতত লৈছে বুলিও মন্ত্ৰীজনে উল্লেখ কৰে। বাগিচাখনৰ ল’ৰা-ছোৱালীখিনিক গুণগত শিক্ষা প্ৰদান কৰি একো একোজন মানৱ সম্পদৰূপে গঢ় দিয়াৰ প্ৰচেষ্টা চলাবলৈ বিদ্যালয় কৰ্তৃপক্ষক মন্ত্ৰীজনে আহ্বান জনায়। আনহাতে, বিদ্যালয়খনৰ সৰ্বাংগীণ বিকাশৰ বাবে স্থানীয় ৰাইজৰ লগতে বিভিন্ন দল-সংগঠনে সন্মিলিতভাৱে প্ৰচেষ্টা আগবঢ়াব লাগিব বুলিও মন্ত্ৰীজনে মন্তব্য আগবঢ়ায়।

# ডবকাত বৃহৎ পৰিমাণৰ ব্ৰাউন ছুগাৰসহ দুজনক গ্ৰেপ্তাৰ

**অগ্ৰদূত বাৰ্তা**

**যমুনামুখ, ২৫ মে’ ঃ** হোজাই জিলাত আৰক্ষী অধীক্ষকৰূপে বৰুণ পুৰকায়স্থই যোগদান কৰাৰ পাছৰে পৰা জিলাখনত অসামাজিক চক্ৰৰ বিৰুদ্ধে তৎপৰ হৈ পৰিছে। যোৱা নিশা হোজাইৰ আৰক্ষী অধীক্ষকৰ নিৰ্দেশত ডবকা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া মিণ্টু সন্দিকৈৰ নেতৃত্বত আৰক্ষীৰ এটি দলে বিশেষ খবৰৰ ভিত্তিত ডবকা থানাৰ অন্তৰ্গত নিজ ডবকা (সেৰাঘাট)ৰ জিয়াবুৰ হকৰ ঘৰত অভিযান চলায়। আৰক্ষীৰ অভিযানত বৃহৎ পৰিমাণৰ ব্ৰাউন ছুগাৰসহ দুজন লোকক আটক কৰিবলৈ সক্ষম হয়। আটকাধীন লোকদ্বয় ক্ৰমে জাকিৰ আহমেদ আৰু ফাৰুক উদ্দিন। দুয়োৰে পৰা পাঁচটাকৈ ব্ৰাউন ছুগাৰ ভৰ্তি চাবোনৰ বাকচ জব্দ কৰে আৰক্ষীয়ে। লগতে ধৃত লোক দুয়োজনৰ পৰা নিচাজাতীয় সামগ্ৰী, এখন আই টুৱেণ্টি চাৰিচকীয়া বাহন আৰু এখন আৰ-১৫ মটৰ চাইকেল জব্দ কৰে আৰক্ষীয়ে। আটকাধীন লোক দুয়োজনক আৰক্ষীৰ জেৰাৰ অন্তত ১৩৯/২২ নম্বৰত এটা গোচৰ পঞ্জীয়ন কৰি আজি আদালতৰ জৰিয়তে জেললৈ প্ৰেৰণ কৰে।

# মৰাণৰ হিংৰিজান-নাহৰহাবি চাহ বাগিচাত আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় উদ্বোধন মন্ত্ৰী বিমল বৰাৰ

**অগ্ৰদূত বাৰ্তা**

**মৰাণ, ২৫ মে’ ঃ** প্ৰায় এক কোটি টকা ব্যয় সাপেক্ষে নতুনকৈ নিৰ্মাণ কৰি উলিওৱা চৰাইদেউ জিলাৰ নাহৰহাবি চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় আৰু মৰাণৰ হিংৰিজান চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ আজি আনুষ্ঠানিকভাৱে উদ্বোধন কৰে অসম চৰকাৰৰ শক্তি, সাংস্কৃতিক পৰিক্ৰমা, পৰ্যটন, ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী তথা চৰাইদেউ জিলাৰ অভিভাৱক মন্ত্ৰী বিমল বড়াই। উদ্বোধনী ভাষণত অভিভাৱক মন্ত্ৰীজনে কয় যে ৰাজ্যখনৰ চাহ বাগিচাসমূহত বসবাস কৰা লোক তথা পিছপৰা লোকসকলৰ সৰ্বাংগীণ বিকাশৰ লক্ষ্যৰে আৰু লগতে তেওঁলোকৰ সন্তানসকলক উন্নত মানৰ শিক্ষা লাভ কৰাৰ সুবিধা প্ৰদানৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে নিৰ্মাণৰ সিদ্ধান্ত গ্ৰহণ কৰা ১১৯ খন চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ ভিতৰত ৯৬খন বিদ্যালয়ৰ নিৰ্মাণ কাৰ্য সম্পুৰ্ণ হৈ উঠিছে। মন্ত্ৰী বড়াই কয় যে আজিৰে পৰা তিনিদিনৰ ভিতৰত এই ৯৬ খন চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ আৰম্ভ কৰা হ’ব। তেওঁ কয় যে চৰাইদেউ জিলাৰ ৪ খন চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় হৈছে ক্ৰমে-নাহৰহাবি, হিংৰিজান, টাউকাক আৰু বৰহাট চাহ বাগিচা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়। মন্ত্ৰীজনে নিজ ভাষণত চাহ বাগিচা বিদ্যালয়সমূহত অধ্যয়ণৰত ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকসকলক ছাত্ৰ-ছাত্ৰীসকলক নিয়মিতভাৱে বিদ্যালয়লৈ পঠাবলৈ বিশেষভাৱে আহবান জনায়। তেওঁ কয় যে ৰাজ্য চৰকাৰে চাহ বাগিচাৰ ল’ৰা-ছোৱালীয়ে যাতে উন্নত মানৰ শিক্ষা লাভ কৰি ভৱিষ্যতে সুনাগৰিক আৰু একোগৰাকী সুদক্ষ বিষয়া হৈ ৰাজ্যখনলৈ সেৱা আগবঢ়াব পাৰে তাৰ বাবে বিভিন্ন উন্নয়নকামী কাৰ্যসূচী গ্ৰহণ কৰি আহিছে। ৰাজ্যখনৰ চাহ বাগিচাসমুহৰ কোনো শ্ৰমিক যাতে উন্নয়নৰ ক্ষেত্ৰত পিছপৰি নাথাকে তাৰ ক্ষেত্ৰত চৰকাৰে বিশেষ দৃষ্টি ৰাখি আহিছে বুলিও তেওঁ উল্লেখ কৰে। সন্মানীয় অতিথিৰূপে অংশগ্ৰহণ কৰি অসম চৰকাৰৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা, পাৰ্বত্য উন্নয়ন, খনি আৰু খনিজ সম্পদ বিভাগৰ মন্ত্ৰী যোগেন মহনে ছাত্ৰ- ছাত্ৰীসকল ‘মানৱ সম্পদ’ বুলি উল্লেখ কৰি এই সম্পদৰ বিকাশ আৰু ভৱিষ্যতৰ সুনাগৰিকৰূপে গঢ়ি তুলি দেশ আৰু জাতিটোক সমৃদ্ধিশালী কৰাৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে বহু গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰি আহিছে বুলি কয়। চাহ বাগিচাত বাস কৰা লোকসকলৰ ল’ৰা-ছোৱালীয়ে আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়ৰ নিৰ্মাণৰ ফলত ঘৰৰ কাষতে বিদ্যা লাভৰ সুন্দৰ সুযোগ লাভ কৰিছে বুলিও তেওঁ উল্লেখ কৰে। তেওঁ নতুন শিক্ষা নীতিৰ বিষয়েও বিতংভাৱে অৱগত কৰে। চৰাইদেউ জিলাৰ উপায়ুক্ত পল বৰুৱাই আগবঢ়োৱা আদৰণি ভাষণত আদৰ্শ বিদ্যালয় দুয়োখনৰ সু-পৰিচালনা সুনিশ্চিত কৰাৰ বাবে বিদ্যালয় পৰিচালনা সমিতিৰ লগতে শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱক আৰু স্থানীয় ৰাইজক উদ্যোগী আৰু সচেতন ভূমিকা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। তেওঁ বিদ্যালয় দুখন নিৰ্মাণৰ ক্ষেত্ৰত বিশেষ অৰিহণা যোগোৱাৰ বাবে দুয়োখন বাগিচাৰ সাধাৰণ প্ৰবন্ধক আৰু লোকনিৰ্মান (গৃহ) বিভাগৰ কাৰ্যবাহী অভিযন্তাক কৃতজ্ঞতা জ্ঞাপন কৰে। অনুষ্ঠানত সোণাৰি সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ, বিদ্যালয়সমূহৰ পৰিদৰ্শক কমলজ্যোতি গগৈয়েও বক্তব্য প্ৰদান কৰে। অতিৰিক্ত উপায়ুক্ত মৌচুমী চেতিয়াই শলাগৰ শৰাই আগবঢ়ায়। অনুষ্ঠানত অতিৰিক্ত উপায়ুক্ত জাবেদ আৰমানৰ লগতে ভালেসংখ্যক বিশিষ্ট অতিথি আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।

# ঘৰৰ সন্মুখৰ খালত পৰি দেৰ শিশুৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**দলগাঁও, ২৫ মে’ ঃ** দৰঙৰ দলগাঁও থানাৰ অন্তৰ্গত অফিচ বজাৰত ঘৰৰ সন্মুখৰ খালত পৰি দেৰ শিশু এটিৰ সলিল সমাধি হোৱা ঘটনাই অঞ্চলটোত শোকৰ ছাঁ পেলাইছে। প্ৰাপ্ত তথ্য মতে, আজি পুৱা প্ৰায় নমান বজাত জাহানুল হকে বেছিমাৰীলৈ যোৱাৰ সময়ত ৰিফান জিহাদ নামৰ ১৪ মহীয়া শিশুটিয়ে পিছা কৰে। তেনেতে পিতৃয়ে সন্তানটোক কোলাত লৈ মৰম কৰি পত্নীক সন্তানটি চম্ভালিবলৈ কৈ গৃহ ত্যাগ কৰে। ইপিনে, মাক তৎক্ষণাত আহি নোপোৱাত শিশুটিয়ে এখোজ-দুখোজকৈ আগবাঢ়ি গৈ পদপথৰ কাষতে থকা খালত পৰে। অলপ পাছতে মাকে দেৰ শিশুটিক ঘৰত বিচাৰি নোপোৱাত বাহিৰত আহি দেখে যে দেৰ শিশুটি ওচৰৰে খালত থকা পানীত ওপঙি আছে। পানীৰ পৰা লগে লগে উঠায় যদিও শিশুটিয়ে ইতিমধ্যেই প্ৰাণ ত্যাগ কৰিছে। এই খবৰ প্ৰচাৰ হোৱাৰ মাত্ৰকে সমগ্ৰ অঞ্চলটোতে হুৱাহুৱা লাগে। মৰম লগা কণমানিটোৰ মৃত্যুত অঞ্চলজুৰি শোকৰ ছাঁ পৰিছে। পিতৃ-মাতৃৰ অৱহেলাৰ বাবেই দেৰ শিশুটিয়ে মৃত্যুক সাৱটি ল’ব লগা হ’ল বুলি স্থানীয় ৰাইজে অভিযোগ কৰিছে।

# শংকৰদেৱ শিশু নিকেতন গেৰুৱাত ইক’ ক্লাব গঠন

**অগ্ৰদূত বাৰ্তা**

**ভূৰাগাঁও, ২৫ মে’ ঃ** মৰিগাঁও জিলাৰ গেৰুৱা শংকৰদেৱ শিশু নিকেতনত আজি ডি এন এ, ইক’ ক্লাব মৰিগাঁও, অসমৰ অধীনত এটি ইক’ ক্লাবৰ আৰম্ভ কৰা হয়। সেই উপলক্ষে গেৰুৱা শংকৰদেৱ শিশু নিকেতনৰ সভাগৃহত উদ্বোধনী অনুষ্ঠানৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ বৌদ্ধিক বিকাশৰ লগত জড়িত বিজ্ঞান সম্বন্ধিত এক মনোজ্ঞ আলোচনাৰ বিশেষ অনুষ্ঠান সম্পন্ন হয়। আচাৰ্য পংকজ গোস্বামীয়ে আঁত ধৰা অনুষ্ঠানত আদৰণী ভাষণ ৰাখে নিকেতন পৰিচালনা সমিতিৰ সম্পাদক তুতুল বৰঠাকুৰে। উদ্বোধন কৰে অসম বিজ্ঞান সমিতিৰ ভাৰপ্ৰাপ্ত প্ৰধান সচিব মৃণাল হাজৰিকাই। সমল ব্যক্তি হিচাপে উপস্থিত থাকে ডি এন এ ইক’ ক্লাব মৰিগাঁৱৰ জিলা সমন্বয়ক ইমদাদ আলী। তদুপৰি অনুষ্ঠানত উপস্থিত থাকে অসম বিজ্ঞান সমিতি মৰিগাঁও জিলাৰ সাধাৰণ সম্পাদক নিৰোদ বৰা, ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহ মৰিগাঁও, অসমৰ সমল ব্যক্তি ভাৰ্গৱ ৰাজনকে প্ৰমুখ্য কৰি অঞ্চলৰ বহুকেইজন বিশিষ্ট ব্যক্তি। অনুষ্ঠানৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰে। অনুষ্ঠানৰ শেষত মুখ্য আচাৰ্য শুকদেৱ চৌহানে শলাগৰ শৰাই আগবঢ়াই নৱগঠিত ক্লাবৰ উদ্যোগত বিদ্যালয়খনত এক সুস্থ প্ৰাকৃতিক আৰু শৈক্ষিক পৰিৱেশ সৃষ্টিত সহায়ক হ’ব বুলি আশা প্ৰকাশ কৰে।

# শিৱসাগৰ জিলা কাৰাগাৰত বস্ত্ৰ প্ৰদান মাৰোৱাৰী যুৱ মঞ্চ

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ২৫ মে’ ঃ** মাৰোৱাৰী যুৱ মঞ্চ প্ৰগতি শাখাই কালি শিৱসাগৰ জিলা কাৰাগাৰত যোগাসনৰ বাবে একোখনকৈ ‘মেট’, আৰু খেলৰ সামগ্ৰীৰ লগতে বস্ত্ৰ প্ৰদান কৰে। আগন্তুক ২১ জুন যোগ দিৱসৰ বাবে উক্ত সামগ্ৰী প্ৰদান কৰা হয় বুলি প্ৰগতি শাখাৰ সভানেত্ৰী আশা আগৰৱাল আৰু সম্পাদিকা নিধি আগৰৱালে জানিবলৈ দিছে। শিৱসাগৰ জিলা কাৰাগাৰৰ অধীক্ষক মুনীন শৰ্মা, অধ্যক্ষ নৃপেন দাসৰ লগতে যোগ প্ৰশিক্ষক কৰবী ডেকাৰ উপস্থিতিত এই সামগ্ৰী প্ৰদান কৰা হয়।

## এদিনত ২৭ শতাংশ বৃদ্ধি দেশৰ ক’ভিড সংক্ৰমণ, মৃত্যু ১৭ জনৰ



**নিউজ ব্যুৰ’, নতুন দিল্লী, ২৫ মে’ ঃ** আঢ়ৈ বছৰৰো অধিক ধৰি দেশত ক’ভিডৰ সংক্ৰমণ অব্যাহত আছে। যোৱা ২৪ ঘণ্টাত ভাৰতত ক’ভিডৰ সংক্ৰমণ ২৭ শতাংশ বৃদ্ধি পালে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয়ৰ পৰিসংখ্যা অনুসৰি বিগত এদিনত দেশত ২,১২৪ জন লোক কৰ’নাত সংক্ৰমিত হ’ল। কেৱল দিল্লীতে ৪১৮ জন লোক যোৱা ২৪ ঘণ্টাত ক’ভিড আক্ৰান্ত হ’ল। বিগত এদিনত ভাৰতত ১৭ জন ক’ভিড ৰোগীৰ মৃত্যু হ’ল। দিল্লীত প্ৰাণ হেৰুৱালে দুজন ৰোগীয়ে। বৰ্তমানে দেশত ১৪,৯৭১ জন সক্ৰিয় ক’ভিড ৰোগী আছে।

## হাৰম’নিয়ম ইংৰাজৰ সামগ্ৰী, স্বৰ্ণ মন্দিৰত ইয়াৰ ব্যৱহাৰ নিষিদ্ধৰ দাবী



**নিউজ ব্যুৰ’, অমৃতসৰ, ২৫ মে’ ঃ** পঞ্জাৱৰ বিখ্যাত স্বৰ্ণ মন্দিৰত পৰিবেশিত কীৰ্তনৰ স’তে হাৰম’নিয়ম ব্যৱহাৰৰ ক্ষেত্ৰত আপত্তি উত্থাপন কৰিলে হৰমন্দিৰ ছাহিবৰ অকাল টখতে। তিনি বছৰৰ ভিতৰতে স্বৰ্ণ মন্দিৰৰ পৰা হাৰম’নিয়ম সম্পূৰ্ণৰূপে আঁতৰাবলৈকো হুংকাৰ দিলে টখতে। হৰমন্দিৰ ছাহিবৰ অকাল টখতৰ দাবী অনুসৰি হাৰম’নিয়ম হৈছে ইংৰাজসকলৰ বাদ্য সামগ্ৰী আৰু সেয়েহে এনে ব্ৰিটিছ বাদ্য স্বৰ্ণ মন্দিৰত ব্যৱহাৰ কৰা অনুচিত। ব্ৰিটিছৰ হাত ধৰি ভাৰতলৈ আহিলেও ধ্ৰুপদ সংগীত জগতত গুৰুত্বপূৰ্ণ স্থান দখল কৰি আহিছে হাৰম’নিয়মে। ভাৰতীয় শাস্ত্ৰীয় সংগীত শিক্ষাৰ ক্ষেত্ৰতো অতি প্ৰয়োজনীয় উপকৰণ হিচাপে হাৰম’নিয়ম ব্যৱহাৰ কৰা হয়। এনে এক শতাব্দী প্ৰাচীন বাদ্যযন্ত্ৰৰ ব্যৱহাৰত আপত্তি জনালে হৰমন্দিৰ ছাহিব তথা স্বৰ্ণ মন্দিৰৰ অকাল টখতে। স্মৰ্তব্য যে ১৯০১-০২ বৰ্ষৰ পৰা স্বৰ্ণ মন্দিৰত হাৰম’নিয়মৰ স’তে কীৰ্তন পৰিবেশন কৰি অহা হৈছে।

## ধনাঢ্যৰ তালিকাত পুনৰ উত্থান আম্বানীৰ



**নিউজ ব্যুৰ’, নতুন দিল্লী, ২৫ মে’ ঃ** দেশৰ আগশাৰীৰ উদ্যোগপতি ৰিলায়েন্স ইণ্ডাষ্ট্ৰিজৰ মুৰব্বী মুকেশ আম্বানীৰ সম্পত্তি পুনৰ বৃদ্ধি পালে। বিশ্বৰ সবাতোকৈ ধনাঢ্য ব্যক্তিৰ তালিকাত আম্বানীৰ স্থান অষ্টমলৈ উন্নীত হ’ল। ব্লুমবৰ্গ বিলিয়নেৰ ইনডেক্সৰ তথ্য অনুসৰি মঙলবাৰে আম্বানীৰ সম্পত্তিৰ পৰিমাণ ৩৯.৫ কোটি ডলাৰ বৃদ্ধি পোৱাৰ ফলত মুঠ সম্পত্তি ৯৫.৬ বিলিয়ন ডলাৰলৈ বাঢ়িল। চলিত বৰ্ষত বৰ্তমানলৈকে ৫.৫৯ বিলিয়ন ডলাৰৰ সম্পত্তি বৃদ্ধি পালে আম্বানীৰ। আনহাতে, আন এজন ভাৰতীয় ধনাঢ্য ব্যক্তি গৌতম আদানীৰ সম্পত্তি মঙলবাৰে ১.৯২ বিলিয়ন ডলাৰ হ্ৰাস পোৱাৰ ফলত মুঠ সম্পত্তিৰ পৰিমাণ ১০২ বিলিয়ন ডলাৰ হ’ল। বৰ্তমানে ধনাঢ্য ব্যক্তিৰ তালিকাত ষষ্ঠ স্থানত আছে আদানী। চলিত বৰ্ষত আদানী গোষ্ঠীৰ মুৰব্বীৰ সম্পত্তিৰ পৰিমাণ ২৫.৭ বিলিয়ন ডলাৰ বৃদ্ধি পালে।

## ভাৰতবিৰোধী জেৰেমী কাৰ্বিনক সাক্ষাতক লৈ ৰাহুলক কটাক্ষ বিজেপিৰ

**নিউজ ব্যুৰ’ নতুন দিল্লী, ২৫ মে’ ঃ** ব্ৰিটেইনৰ লেবাৰ পাৰ্টিৰ প্ৰাক্তন নেতা জেৰেমী কাৰ্বিনক সাক্ষাৎ কৰি বিতৰ্কৰ স’তে সাঙোৰ খালে কংগ্ৰেছ সাংসদ ৰাহুল গান্ধী। বিজেপিয়ে এই সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে জেৰেমীয়ে সদায় ভাৰত বিৰোধী স্থিতি গ্ৰহণ কৰি আহিছে আৰু এনে এজন ব্ৰিটিছ নেতাক কংগ্ৰেছ সাংসদ ৰাহুলে সাক্ষাৎ কৰাটো নিন্দনীয় ঘটনা। উল্লেখ্য যে যোৱা সোমবাৰে কংগ্ৰেছ দলৰ টুইটাৰ একাউণ্টত জেৰেমী আৰু ৰাহুলৰ সাক্ষাতৰ ফটোগ্ৰাফ প্ৰচাৰ কৰা হৈছিল। ব্ৰিটেইনত জেৰেমীক এজন বামপন্থী নেতা হিচাপে জনা যায় আৰু পূৰ্বে তেওঁ একাধিক বিষয়ত ভাৰত বিৰোধী স্থিতি গ্ৰহণ আৰু মন্তব্য প্ৰকাশ কৰিছিল। বিজেপি নেতা অমিত মালব্যই এই সন্দৰ্ভত টুইট কৰি কয়, ‘ব্ৰিটেইনত ৰাহুল গান্ধী লেবাৰ পাৰ্টিৰ নেতা জেৰেমী কাৰ্বিনৰ স’তে আছিল। জেৰেমীক ভাৰতবিৰোধী বক্তব্যৰ বাবে জনা যায়। জেৰেমীয়ে কাশ্মীৰত বিচ্ছিন্নতাবাদীৰ পক্ষত উকালতি কৰাৰ লগতে হিন্দু বিৰোধী স্থিতি গ্ৰহণ কৰি আহিছে। এনে এজন ভাৰত বিৰোধী নেতাক সাক্ষাৎ কৰাটো নিন্দনীয় কাৰ্য।’



**মহিলাৰ কৰ্মসংস্থাপন পশ্চিমবংগত ৪৩.৭১ লাখলৈ বৃদ্ধি পালে ঃ মহিলাৰ কৰ্মসংস্থাপন সৰ্বাধিক হ্ৰাস তামিলনাডুত**

# দেশত মহিলাৰ কৰ্মসংস্থাপনৰ শীৰ্ষত পশ্চিমবংগ, দ্বিতীয় গুজৰাট

**নিউজ ব্যুৰ’ কলকাতা, ২৫ মে’ ঃ** দেশৰ ভিতৰতে সৰ্বাধিক সংখ্যক মহিলাক কৰ্মসংস্থাপন প্ৰদান কৰি অভিলেখ ৰচিলে মমতা বেনাৰ্জী নেতৃত্বাধীন পশ্চিমবংগই। চেণ্টাৰ ফৰ মণিটৰিং ইণ্ডিয়ান ইক’নমিৰ কেন্দ্ৰীয় প্ৰতিবেদনৰ তথ্য অনুসৰি বিগত পাঁচ বছৰৰ তথ্য বিশ্লেষণ কৰি পশ্চিমবংগক এই স্বীকৃতি দিয়া হৈছে। দেশত যেতিয়া জানুৱাৰীৰ পৰা এপ্ৰিল ২০২২ত ১.২৫ কোটি মহিলা কৰ্মচ্যুত



হৈছিল, সেই সময়ত বাংলাত কৰ্মসংস্থাপন লাভ কৰিছিল ৪৩.৭১ লাখ মহিলাই। পাঁচ বছৰ পূৰ্বে পশ্চিমবংগত ৩৩.২২ লাখ মহিলাই চাকৰি লাভ কৰিছিল আৰু সেয়া বৰ্তমানে ৪৩.৭১ লাখলৈ বৃদ্ধি পালে। ২০২১ৰ ছেপ্টেম্বৰৰ পৰা ডিচেম্বৰলৈকে পশ্চিমবংগত মহিলাৰ কৰ্মসংস্থাপনৰ পৰিসংখ্যা আছিল ৪৩.২১ লাখ। জানুৱাৰীৰ পৰা এপ্ৰিল ২০২২ত মহিলাৰ কৰ্মসংস্থাপনৰ সংখ্যা ৰাজ্যখনত ৪৩.৭১ লাখলৈ বৃদ্ধি পালে। মহিলাৰ কৰ্মসংস্থাপনৰ নিৰিখত পশ্চিমবংগই প্ৰথম স্থান লাভ কৰাৰ বিপৰীতে গুজৰাটে এই তালিকাত দ্বিতীয় স্থান দখল কৰিছে। যোৱা পাঁচ বছৰত গুজৰাটত মহিলাৰ কৰ্মসংস্থাপন ৮.৬৭ লাখ বৃদ্ধি পাইছে। আনহাতে, মহিলাক কৰ্মসংস্থাপন প্ৰদানৰ ক্ষেত্ৰত তৃতীয় স্থানত আছে তেলেংগানা। এই ৰাজ্যত বিগত পাঁচ বছৰত মহিলাৰ কৰ্মসংস্থাপন বৃদ্ধিৰ হাৰ হৈছে ২.০২ লাখ। যোৱা বছৰত মহিলাৰ কৰ্মসংস্থাপন সৰ্বাধিক হ্ৰাস পালে তামিলনাডুত। ইয়াৰ পাছতে আছে মধ্যপ্ৰদেশ আৰু কৰ্ণাটক।

## ৰাষ্ট্ৰপতিৰ নিৰ্বাচনৰ প্ৰাৰ্থীৰ সন্দৰ্ভত বিৰোধী নেতাৰে আলোচনা কৰিব ছোনিয়াই



**নিউজ ব্যুৰ’, নতুন দিল্লী, ২৫ মে’ ঃ** দেশৰ আগন্তুক ৰাষ্ট্ৰপতিৰ নিৰ্বাচনক লৈ ৰাজনৈতিক দলসমূহৰ মাজত ইতিমধ্যে তৎপৰতা আৰম্ভ হৈছে। কংগ্ৰেছে সকলো বিৰোধী দলক একেখন মঞ্চত উপবিষ্ট কৰি ৰাষ্ট্ৰপতিৰ নিৰ্বাচনত এজন উমৈহতীয়া প্ৰাৰ্থী প্ৰক্ষেপ কৰাৰ চিন্তা-চৰ্চা চলাইছে। দলৰ এক সূত্ৰই আজি ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা অনুসৰি কংগ্ৰেছৰ সভানেত্ৰী ছোনিয়া গান্ধীয়ে অচিৰে ৰাষ্ট্ৰপতি নিৰ্বাচনত বিৰোধীৰ উমৈহতীয়া প্ৰাৰ্থী নিৰ্বাচনৰ বিষয়ত আলোচনা আৰম্ভ কৰিব। সকলো বিৰোধী দলৰ স’তে কংগ্ৰেছে আলোচনা কৰি ৰাষ্ট্ৰপতি নিৰ্বাচনৰ বাবে এজন উমৈহতীয়া প্ৰাৰ্থীক প্ৰক্ষেপ কৰিব বিচাৰিছে। একাধিক মুখ্য আঞ্চলিক দলৰ লগতে তৃণমূল কংগ্ৰেছ, সমাজবাদী পাৰ্টি, তেলেংগানা ৰাষ্ট্ৰ সমিতি, এন চি পিৰ স’তেও কংগ্ৰেছ নেত্ৰীগৰাকীয়ে ৰাষ্ট্ৰপতিৰ নিৰ্বাচনৰ প্ৰাৰ্থীৰ সন্দৰ্ভত অচিৰে আলোচনাত মিলিত হ’ব বুলি কংগ্ৰেছৰ সূত্ৰই প্ৰকাশ কৰিছে।

## কাশ্মীৰত নিৰাপত্তা বাহিনীৰ গুলিত নিহত তিনি সন্ত্ৰাসবাদী, এজন আৰক্ষী হ’ল ছহিদ



**নিউজ ব্যুৰ’ শ্ৰীনগৰ, ২৫ মে’ ঃ** শ্ৰীনগৰত আৰক্ষী কৰ্মীৰ হত্যাৰ প্ৰতিশোধ ল’লে নিৰাপত্তা বাহিনীয়ে। সেনা আৰু আৰক্ষীয়ে চলোৱা যৌথ সন্ত্ৰাস বিৰোধী অভিযানত আজি জম্মু-কাশ্মীৰত ধৰাশায়ী হ’ল তিনিজন সন্ত্ৰাসবাদী। বাৰামুলাত সেনা আৰু সন্ত্ৰাসবাদীৰ মাজত হোৱা গুলীয়াগুলিৰ ঘটনাত তিনিজন পাকিস্তানী সন্ত্ৰাসবাদী নিহত হোৱাৰ বিপৰীতে এজন আৰক্ষী কৰ্মী ছহিদ হ’ল। বাৰামুলাৰ ক্ৰেৰিত সন্ত্ৰাসবাদীয়ে বাহৰ পতাৰ বাতৰি লাভৰ পাছত আজি পুৱাৰে পৰা অঞ্চলটোত আৰক্ষী আৰু সেনাই যৌথ অভিযান চলাইছিল। সেই সময়তে আত্মগোপন কৰি থকা সন্ত্ৰাসবাদীয়ে নিৰাপত্তা বাহিনীলৈ গুলিবৰ্ষণ কৰাত উভয় পক্ষৰ সংঘৰ্ষৰ সূত্ৰপাত ঘটে। উল্লেখ্য যে কালি শ্ৰীনগৰত সন্ত্ৰাসবাদীয়ে নিজ বাসগৃহৰ সন্মুখতে এজন আৰক্ষীক গুলীয়াই হত্যা কৰিছিল। এই ঘটনাৰ পাছতে আজি নিৰাপত্তা বাহিনীয়ে সন্ত্ৰাসবাদীৰ সন্ধানৰ অভিযান চলায়।

## আমেৰিকাৰ ৰাষ্ট্ৰপতি বাইডেনৰ জাপান ত্যাগৰ পাছতে তিনিটাকৈ অত্যাধুনিক ক্ষেপণাস্ত্ৰৰ পৰীক্ষা উত্তৰ কোৰিয়াৰ

**নিউজ ব্যুৰ’, ছিউল, ২৫ মে’ ঃ** আমেৰিকাৰ ৰাষ্ট্ৰপতি জ’ বাইডেনে জাপান ত্যাগ কৰাৰ পাছতে তিনিটাকৈ ক্ষেপণাস্ত্ৰ সফলতাৰে পৰীক্ষা কৰিলে উত্তৰ কোৰিয়াই। এইসমূহ ক্ষেপণাস্ত্ৰৰ মাজত আছে উত্তৰ কোৰিয়াই শেহতীয়াভাৱে তৈয়াৰ কৰা অত্যাধুনিক আন্তঃমহাদেশীয় ক্ষেপণাস্ত্ৰও। উত্তৰ কোৰিয়াৰ এনে উচটনিমূলক পদক্ষেপৰ তীব্ৰ বিৰোধিতা কৰিলে জাপান, দক্ষিণ কোৰিয়া আৰু আমেৰিকাই। কোৱাড বৈঠক সমাপ্তিৰ পাছত কালি জাপানৰ পৰা আমেৰিকালৈ উভতি আহিছিল ৰাষ্ট্ৰপতি বাইডেন। ইয়াৰ কেইঘণ্টামানৰ পাছতে আজি কীম জং উনৰ দেশখনে তিনিটাকৈ ক্ষেপণাস্ত্ৰৰ পৰীক্ষামূলক উৎক্ষেপণ সম্পন্ন কৰে। এই ঘটনাত ৰীতিমতে উদ্বেগ প্ৰকাশ কৰিলে দক্ষিণ কোৰিয়াই। দক্ষিণ কোৰিয়াৰ সেনাবাহিনীৰ খবৰ অনুসৰি উত্তৰ কোৰিয়াৰ ৰাজধানী পিয়ংইয়ঙৰ অদূৰত অৱস্থিত ছুনান অঞ্চলৰ পৰা তিনিটাকৈ ক্ষেপণাস্ত্ৰ নিক্ষেপ কৰা হৈছিল। জাপান আৰু আমেৰিকায়ো কীমৰ এই কাৰ্যত উদ্বেগ প্ৰকাশ কৰিছে।



## ইৰাক যুদ্ধৰ প্ৰতিশোধ ল’বলৈ আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি জৰ্জ বুশ্বক হত্যা কৰিব বিচাৰিছিল ইৰাকী নাগৰিকে

**নিউজ ব্যুৰ’ ৱাশ্বিংটন, ২৫ মে’ ঃ** ইৰাক যুদ্ধত নিজ দেশৰ নাগৰিকক হত্যা কৰাৰ প্ৰতিশোধ ল’বলৈ এজন ইৰাকী নাগৰিকে আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি জৰ্জ ডব্লিউ বুশ্বক হত্যা কৰিব বিচাৰিছিল। ইয়াৰ বাবে উক্ত ইৰাকী নাগৰিকে আমেৰিকাত উপস্থিত হৈছিল। এই চাঞ্চল্যকৰ পৰিকল্পনাৰ কথা সম্প্ৰতি ফাদিল হ’ল। কলম্বাছত যুক্তৰাষ্ট্ৰীয় আদালতত দাখিল কৰা এক অপৰাধ গোচৰৰ তথ্য অনুসৰি, ৫২ বছৰীয়া চিহাব আহমেদ নামৰ ব্যক্তিজনে তদানীন্তন মাৰ্কিন ৰাষ্ট্ৰপতিক হত্যা কৰাৰ পৰিকল্পনাত সহযোগ কৰাৰ বাবে আন ইৰাকী নাগৰিককো মেক্সিকোৰ পথৰে আমেৰিকালৈ মাতি আনিছিল। ছিহাবে প্ৰকাশ কৰা অনুসৰি তেওঁ ইছলামিক ষ্টেট (আইছিছ)ৰ স’তেও সম্পৰ্কত আছিল। প্ৰকাশিত বাতৰি অনুসৰি, বুশ্ব আমেৰিকাৰ ৰাষ্ট্ৰপতি হৈ থকাৰ সময়তে তেওঁক হত্যা কৰাৰ পৰিকল্পনাৰে ছিহাবে আমেৰিকাত উপস্থিত হৈছিল। কিন্তু পাছত তেওঁ আৰক্ষীৰ হাতত ধৰা পৰে। এই



গোচৰৰ পৰৱৰ্তী শুনানি অহা শুকুৰবাৰে আদালতে গ্ৰহণ কৰিব। ছিহাবক আদালতে এই গোচৰত দোষী সাব্যস্ত কৰিলে তেওঁৰ ৩০ বছৰলৈকে কাৰাদণ্ড আৰু পাঁচ লাখ ডলাৰৰ জৰিমনা বিহা হ’ব পাৰে। ইৰাক যুদ্ধ আৰু ইৰাকৰ ধ্বংসৰ বাবে ছিহাবে তদানীন্তন মাৰ্কিন ৰাষ্ট্ৰপতি বুশ্বক জগৰীয়া কৰিছিল।

## হাছিনাপুত্ৰই ই ডিক জনালে, কৰাচীতে আছে ডাউদ



**নিউজ ব্যুৰ’, নতুন দিল্লী, ২৫ মে’ ঃ** প্ৰৱৰ্তক সঞ্চালকালয় (ই ডি)ৰ জেৰাত হাছিনা পাৰ্কাৰৰ পুত্ৰ আলিশ্বাহ পাৰ্কাৰে তদন্তকাৰী সংস্থাটোক জনোৱা অনুসৰি, অপৰাধ জগতৰ ডন ডাউদ ইব্ৰাহিম সম্প্ৰতি পাকিস্তানৰ কৰাচীত আছে। আলিশ্বাহে ই ডিৰ আগত লগতে কয় যে তেওঁলোকৰ পৰিয়ালৰ স’তে ডাউদৰ কোনো সম্পৰ্ক নাই যদিও ডাউদ পত্নী মহজবিনে কেতিয়াবা কোনো উৎসৱ-পাৰ্বণত তেওঁৰ পত্নী আৰু ভগ্নীৰ স’তে যোগাযোগ কৰি আহিছে। ই ডিৰ আগত আলিশ্বাহে এইদৰে কয়, ‘ডাউদ ইব্ৰাহিম মোৰ মামা। মই কে’বাজনো ব্যক্তি আৰু আত্মীয়ৰ পৰা শুনা অনুসৰি, ডাউদ ইব্ৰাহিম কৰাচীত আছে।’

## ২০ দেশত ২৩৭ লোক আক্ৰান্ত হ’ল ‘মংকী পক্স’ত



**নিউজ ব্যুৰ’, লিছবন, ২৫ মে’ ঃ** কৰ’না ভাইৰাছৰ সংক্ৰমণ অব্যাহত থকাৰ সময়তে বিশ্বৰ বিভিন্ন দেশত নতুন আতংকৰ সৃষ্টি কৰিছে ‘মংকী পক্স’ ভাইৰাছৰ সংক্ৰমণে। বিশ্ব স্বাস্থ্য সংস্থাৰ তথ্য অনুসৰি অষ্ট্ৰেলিয়া, বেলজিয়াম, কানাডা, ফ্ৰান্স, জাৰ্মানী, ইটালী, নেদাৰলেণ্ডছ, পৰ্তুগাল, স্পেইন, ছুইডেন, ব্ৰিটেইন আৰু আমেৰিকাৰ পাছত এইবাৰ সংযুক্ত আৰবতো ‘মংকী পক্স’ৰ সংক্ৰমণ ধৰা পৰিল। পৰ্তুগালতো একাধিক লোকৰ শৰীৰত ‘মংকী পক্স’ৰ সংক্ৰমণ ধৰা পৰিছে যদিও বিশেষজ্ঞৰ মতে, এই সংক্ৰমণ গুৰুতৰ নহয়। বিশ্ব স্বাস্থ্য সংস্থাৰ তথ্য অনুসৰি বৰ্তমানলৈকে বিশ্বৰ ২০ খন দেশত ‘মংকী পক্স’ৰ সংক্ৰমণ ধৰা পৰিছে আৰু ২৩৭ সন্দেহজনক আক্ৰান্তক চিনাক্ত কৰা হৈছে। ইংলণ্ডত কালি নতুনকৈ ১৪ জন ৰোগীক চিনাক্ত কৰা হৈছিল। দেশখনত ‘মংকী পক্স’ত আক্ৰান্তৰ সংখ্যা ৭০ জনলৈ বৃদ্ধি পালে। সংযুক্ত আৰবত ‘মংকী পক্স’ত আক্ৰান্ত প্ৰথমজন ৰোগীক চিনাক্ত কৰা হৈছে। পৰ্তুগালত বৰ্তমানলৈকে ৩৯ জন ৰোগীৰ শৰীৰত এই ভাইৰাছৰ উপস্থিতি ধৰা পৰিছে। মঙলবাৰৰ নিশালৈকে আফ্ৰিকাৰ বাহিৰৰ ১৯ খন দেশত ১৩১ জন আক্ৰান্ত আৰু ১০৬ জন সন্দেহজনক আক্ৰান্তক চিনাক্ত কৰা হৈছে।

## পুনৰ পাৰ্টিত অংশগ্ৰহণৰ ফটো ফাদিল, বিপাকত ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী জনছন

**নিউজ ব্যুৰ’, লণ্ডন, ২৫ মে’ ঃ** ক’ভিড কালত চৰকাৰী বাসভৱনত পাৰ্টিৰ আয়োজন কৰি সমস্যাৰ সন্মুখীন হোৱা ব্ৰিটেইনৰ প্ৰধানমন্ত্ৰী বৰিছ জনছন আকৌ এবাৰ বিপাকত পৰিল। এইবাৰ ২০২০ বৰ্ষৰ ১৩ নৱেম্বৰত তোলা এখন ফটোত হাতত বীয়েৰৰ গিলাছ লোৱা অৱস্থাত প্ৰত্যক্ষ হ’ল প্ৰধানমন্ত্ৰী জনছন। ইয়াকে লৈ পুনৰ ব্ৰিটেইনৰ ৰাজনীতিত আৰম্ভ হৈছে। ২০২০ বৰ্ষত সমগ্ৰ ব্ৰিটেইনত কঠোৰ ক’ভিড বিধি অব্যাহত থকা সময়ত নিয়ম উলংঘনৰে ব্ৰিটিছ প্ৰধানমন্ত্ৰীৰ চৰকাৰী বাসভৱনত একাধিক পাৰ্টিৰ আয়োজন কৰা হৈছিল বুলি পূৰ্বে অভিযোগ উত্থাপিত হৈছিল। ইতিমধ্যে এনে এক অভিযোগত জনছনে সদনত ক্ষমা বিচৰাৰ লগতে জৰিমনাও ভৰিব লগা হৈছে। এইবাৰ নতুন ফটোত ক’ভিড কালত ব্ৰিটিছ প্ৰধানমন্ত্ৰীয়ে হাতত বীয়েৰৰ গিলাছ লৈ পাৰ্টিত অংশ লোৱাৰ প্ৰমাণ পোহৰলৈ আহিল। জনছনে অৱশ্যে এই ফটোৰ সন্দৰ্ভত কোনো প্ৰতিক্ৰিয়া এতিয়ালৈকে প্ৰকাশ কৰা নাই।



## পাকিস্তানৰ শ্বৰীফ চৰকাৰে ক’লে ‘ইমৰানক গ্ৰেপ্তাৰৰ বিকল্প নাই’

**নিউজ ব্যুৰ’, ইছলামাবাদ, ২৫ মে’ ঃ** ক্ষমতাৰ পৰা আঁতৰি অহাৰ পাছত বিপদ বৃদ্ধি পাইছে পাকিস্তানৰ প্ৰাক্তন প্ৰধানমন্ত্ৰী তথা পাকিস্তান তেহৰিক এ ইনছাফ দলৰ মুৰব্বী ইমৰান খানৰ। ইমৰানে শ্বাহবাজ শ্বৰীফ নেতৃত্বাধীন চৰকাৰৰ বিৰুদ্ধে স্বাধীনতা পদযাত্ৰা কাৰ্যসূচী গ্ৰহণৰ কথা ইতিমধ্যে ঘোষণা কৰিছে। প্ৰাক্তন প্ৰধানমন্ত্ৰীজনে প্ৰকাশ কৰা অনুসৰি, পেছোৱাৰৰ পৰা ইছলামাবাদলৈ পাকিস্তান তেহৰিক এ ইনছাফ দলৰ নেতা আৰু সমৰ্থকে পদযাত্ৰা কৰি চৰকাৰ বিৰোধী প্ৰতিবাদ সাব্যস্ত কৰিব। পাকিস্তান তেহৰিক এ ইনছাফ দলৰ এই ঘোষণাৰ পাছতে শ্বৰীফ চৰকাৰে কয় যে তেওঁৰ চৰকাৰে ইমৰান আৰু তেওঁৰ দলৰ অন্যান্য নেতাসকলক গ্ৰেপ্তাৰ কৰাৰ সিদ্ধান্ত লৈছে। পেছোৱাৰৰ পৰা ইছলামাবাদলৈ পদযাত্ৰা আৰম্ভ কৰাৰ পূৰ্বেই ইমৰানক আৰক্ষীয়ে জিম্মাত লোৱাৰ সম্ভাৱনা আছে বুলি পাক প্ৰধানমন্ত্ৰীয়ে আজি প্ৰকাশ কৰে। ইমৰানৰ দলটোৱে পাকিস্তানত শীঘ্ৰে সাধাৰণ নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ দাবী জনাইছিল যদিও শ্বৰীফ চৰকাৰে ইতিমধ্যে এই দাবী প্ৰত্যাখ্যান কৰিলে।



## ১০ মাহত ১৩ বিলিয়ন ডলাৰৰ ঋণ গ্ৰহণ পাকিস্তানৰ



**নিউজ ব্যুৰ’, ইছলামাবাদ, ২৫ মে’ ঃ** সম্প্ৰতি পাকিস্তানৰ প্ৰায় ৩৪ শতাংশ নাগৰিকে দৈনিক মাত্ৰ ৩.২ ডলাৰ অৰ্থাৎ প্ৰায় ২৪০ টকাৰ উপাৰ্জনত জীৱন যাপন কৰিছে। বৰ্তমানে পাকিস্তানে ভয়াৱহ বিত্তীয় সংকটৰ সন্মুখীন হৈছে। দেশৰ বিত্তীয় পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে পাকিস্তানে বৈদেশিক ঋণ গ্ৰহণ কৰিব লগা হৈছে। পৰিসংখ্যা অনুসৰি বিগত ১০ মাহত পাকিস্তানে বিভিন্ন উৎসৰ পৰা ১৩,০৩৩ বিলিয়ন মাৰ্কিন ডলাৰৰ ঋণ গ্ৰহণ কৰিছিল। ২০২১ৰ জুলাইৰ পৰা ২০২২ এপ্ৰিললৈকে এই বৃহৎ পৰিমাণৰ বৈদেশিক ঋণ গ্ৰহণ কৰি সম্প্ৰতি পাকিস্তান ঋণগ্ৰস্ত হৈছে। আমেৰিকা, দক্ষিণ কোৰিয়া, ব্ৰিটেইন, জাৰ্মানী, ছৌদি আৰব আৰু চীনৰ পৰা পাকিস্তানে এই বৃহৎ পৰিমাণৰ ঋণ গ্ৰহণ কৰিছিল।

## কাশ্মীৰ প্ৰসংগত ডব্লিউ ই এফৰ বৈঠকত প্ৰশ্ন কৰাত কি উত্তৰ দিলে হিনা ৰব্বানীয়ে ?

**নিউজ ব্যুৰ’, ইছলামাবাদ, ২৫ মে’ ঃ** পাকিস্তানৰ বৈদেশিক ৰাজ্য মন্ত্ৰী হিনা ৰব্বানী খাৰে কালি কাশ্মীৰ প্ৰসংগত নিজৰ মতামত ব্যক্ত কৰিলে। কাশ্মীৰ প্ৰসংগত প্ৰশ্ন কৰাত পাক বৈদেশিক মন্ত্ৰীয়ে কয় যে এই বিষয়ত তেওঁ আলোচনা কৰিব নিবিচাৰে। ৱ’ৰ্ল্ড ইক’ন’মিক ফ’ৰাম (ডব্লিউ ই এফ)ৰ বাৰ্ষিক বৈঠকত অংশ লোৱাৰ সময়ত ‘দক্ষিণ এছিয়াৰ ৰাজনৈতিক দৃষ্টিকোণ’ শীৰ্ষক আলোচনাত কাশ্মীৰ প্ৰসংগ উত্থাপন কৰি এই বিষয়ত মন্ত্ৰী হিনাৰ মতামত বিচৰাত পাক বৈদেশিক মন্ত্ৰীয়ে এইদৰে কয়, ‘কাশ্মীৰ এক গুৰুত্বপূৰ্ণ বিষয়। কিন্তু মই এই বিষয়ত আলোচনা কৰিব বিচৰা নাই। ৭০ বছৰীয়া পুৰণি এই



সমস্যাৰ সমাধান অবিহনে দক্ষিণ এছিয়াক একত্ৰিত কৰা আৰু ব্যৱসায় বৃদ্ধিৰ কোনো প্ৰয়াস সফল হ’ব নোৱাৰিব।’ ৰব্বানীয়ে লগতে কয় যে ডব্লিউ ই এফত আৰ্থিক প্ৰসংগ আলোচনা কৰা হয় আৰু সেয়েহে তেওঁ কাশ্মীৰ প্ৰসংগত অধিক মন্তব্য প্ৰকাশ কৰিব নিবিচাৰে।

## ৰাজীৱ হত্যাকাৰীক মুখ্যমন্ত্ৰী ষ্টেলিনৰ সাক্ষাতক লৈ অসন্তুষ্ট শিৱসেনা

**নিউজ ব্যুৰ’, চেন্নাই, ২৫ মে’ ঃ** উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশৰ পাছত কাৰাগাৰৰ পৰা মুক্তি লাভ কৰা প্ৰয়াত প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীৰ হত্যাকাৰী এ জি পেৰাৰিভলনক তামিলনাডুৰ মুখ্যমন্ত্ৰী এম কে ষ্টেলিনে সাক্ষাৎ কৰাৰ সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিলে শিৱসেনাৰ সাংসদ সঞ্জয় ৰাউটে। শিৱসেনাৰ নেতাজনে কয় যে যদি কোনো ব্যক্তিয়ে এই ধৰণৰ পথ অৱলম্বন কৰে তেন্তে এয়া দেশৰ



বাবে আদৰ্শ হ’ব নোৱাৰে। উল্লেখ্য যে ৰাজীৱ হত্যাৰ গোচৰত আদালতে পূৰ্বে পেৰাৰিভলনক মৃত্যুদণ্ডৰ ৰায় দিছিল যদিও পাছত শাস্তি যাৱজ্জীৱন কাৰাদণ্ডলৈ সলনি কৰিছিল। কাৰাগাৰত ৩০ বছৰ অতিবাহিত কৰাৰ পাছত অলপতে ন্যায়ালয়ৰ নিৰ্দেশত পেৰাৰিভলনক মুক্তি দিয়া হৈছিল। কাৰাগাৰৰ পৰা মুক্তি লাভ কৰা পেৰাৰিভলনক যোৱা ১৮ মে’ত মুখ্যমন্ত্ৰী ষ্টেলিনে সাক্ষাৎ কৰিছিল। ইয়াৰ পাছত টুইট কৰি ষ্টেলিনে কৈছিল, ‘মোৰ ভ্ৰাতৃ পেৰাৰিভলনক সাক্ষাৎ কৰিলো, তেওঁ ৩০ বছৰৰ পাছত কাৰাগাৰৰ পৰা উভতি আহিছে। মই ভ্ৰাতৃ পেৰাৰিভলন আৰু তেওঁৰ মাতৃক ক’লো যে এতিয়া তেওঁলোকে ঘৰত আৰাম আৰু আনন্দত অতিবাহিত কৰক।’ ষ্টেলিনৰ এই টুইটৰ পাছত ৰাউটে কয়, ‘যদি মুখ্যমন্ত্ৰী এম কে ষ্টেলিনে হত্যাকাৰীক স্বাগতম জনাইছে, তেন্তে এয়া আমাৰ সংস্কৃতি নহয়।’

# ভুৱা স্থায়ী প্ৰমাণপত্ৰ লৈ বহিঃৰাজ্যৰ যুৱকৰ অৰ্ধসামৰিকত নিযুক্তিৰ ষড়যন্ত্ৰ

**ষ্টাফ ৰিপ’ৰ্টাৰ**

**যোৰহাট, ২৫ মে’ ঃ** থলুৱাক বঞ্চিত কৰি বহিঃৰাজ্যৰ যুৱকক অৰ্ধসামৰিক বাহিনীৰ চাকৰিত নিয়োগ কৰাৰ ভয়ংকৰ ষড়যন্ত্ৰ পোহৰলৈ আহিছে আজি যোৰহাটত। ষ্টাফ চিলেকছন কমিছনৰ দ্বাৰা পৰিচালিত অৰ্ধসামৰিক বাহিনীৰ চাকৰিত অসমৰ বাবে সংৰক্ষিত আসনৰ বিপৰীতে একাংশ বহিঃৰাজ্যৰ যুৱকে নিযুক্তিৰ বাছনি পৰীক্ষাত অৱতীৰ্ণ হ’বলৈ আহি একাংশ সচেতন প্ৰাৰ্থীৰ তৎপৰতাত ধৰা পৰে। উল্লেখ্য যে ইয়াৰ ৰবৈয়াস্থিত ৰিক্ৰুইটমেণ্ট চেণ্টাৰত শাৰীৰিক সক্ষমতাৰ পৰীক্ষাত একাংশ সন্দেহজনক প্ৰাৰ্থী দেখি সোধ-পোছ কৰাত আচল কথা পোহৰলৈ আহে। আচলতে তেওঁলোকৰ ঘৰ অসমত নহয়, কিন্তু তেওঁলোকৰ হাতে হাতে অসমৰ স্থায়ী বাসিন্দাৰ প্ৰমাণপত্ৰ মজুত আছে। স্থানীয় গাওঁবুঢ়া, ভোটাৰ পৰিচয়পত্ৰ আদি প্ৰদৰ্শন কৰে যদিও কোনো এজনে অসমীয়া কথা ক’ব আৰু বুজি নাপায়। আনকি অসমৰ মুখ্যমন্ত্ৰীৰ নাম জিলা, ঠাইৰ আদিৰ নামো তেওঁলোকে নাজানে। আশ্চৰ্যজনক কথাটো হ’ল আজি ধৰা পৰা চাৰিজন বহিঃৰাজ্যৰ প্ৰাৰ্থীয়ে তেওঁলোকৰ ঘৰ তিনিচুকীয়া, লখিমপুৰ, শিলচৰ, ছিলিগুৰি আদি ভুলে আখৈ মাতে যদিও সেয়া যে সম্পূৰ্ণৰূপে ভুৱা সেই কথা তেওঁলোকৰ কথা-বতৰাই প্ৰমাণ কৰে। কিন্তু আশ্চৰ্যজনক কথাটো হ’ল বহিঃৰাজ্যৰ একোজন কিদৰে যোগাৰ কৰিবলৈ সক্ষম হ’ল অসমৰ স্থায়ী বাসিন্দাৰ প্ৰমাণপত্ৰকে ধৰি অন্যান্য কাগজপত্ৰ। উল্লেখ্য যে সম্প্ৰতি কেৱল অসমৰ বাবে সংৰক্ষিত ১৩ হেজাৰ অৰ্ধসামৰিক পদৰ বাবে ইতিমধ্যে লিখিত পৰীক্ষা হৈ গৈছে আৰু তাত উত্তীৰ্ণসকলৰ বাবে ৰাজ্যৰ বিভিন্ন ঠাইত চলি আছে শাৰীৰীক পৰীক্ষা। ইয়াৰ পৰা এটা কথা স্পষ্ট হৈ পৰিছে যে ভুৱা প্ৰমাণপত্ৰৰে একাংশ বহিঃৰাজ্যৰ প্ৰাৰ্থীয়ে ইতিমধ্যে লিখিত পৰীক্ষাত অৱতীৰ্ণ হৈ কৃতকাৰ্য হৈছে আৰু তাৰ পাছত দ্বিতীয় পৰ্যায়ৰ পৰীক্ষাত অৱতীৰ্ণ হৈ নিযুক্তি লাভৰ প্ৰক্ৰিয়াত আগবাঢ়িছে। এনে পৰিস্থিতিত স্বাভাৱিকতে স্থানীয় নিবনুৱা যুৱক-যুৱতী বঞ্চিত হোৱাৰ আশংকাই দেখা দিছে। ৰাজ্য চৰকাৰে এক লাখ নিযুক্তি প্ৰক্ৰিয়াত যিদৰে স্বচ্ছ আৰু নিকা প্ৰক্ৰিয়া প্ৰৱৰ্তন কৰি সৰ্বসাধাৰণ লোকৰ আস্থা বুটলিবলৈ সক্ষম হোৱাৰ সময়তে আজি পোহৰলৈ অহা ভয়ংকৰ জালিয়তিয়ে সচেতন ৰাইজক ভবাই তুলিছে। আজি এই ভয়ংকৰ জালিয়াতি পোহৰলৈ অনা যুৱকসকলে এইসকল সন্দেহজনক প্ৰাৰ্থীৰ হাতত কিদৰে অসমৰ বাসিন্দা হোৱাৰ প্ৰমাণপত্ৰ আহিল সেই বিষয়ত উচ্চ পৰ্যায়ৰ তদন্ত কৰিবলৈ দাবী জনাইছে। তদুপৰি লিখিত পৰীক্ষাত উত্তীৰ্ণ হৈ শাৰীৰিক পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ সুযোগ লাভ কৰা সকলোবোৰ প্ৰাৰ্থীৰে প্ৰমাণপত্ৰ উপযুক্ত ভেৰিফিকেশ্যন কৰাতো বিচাৰিছে অসমৰ প্ৰাৰ্থীসকলে।

# বুঢ়ীগাং নদীত নিৰুদ্দিষ্ট সাত বছৰীয়া শিশুৰ মৃতদেহ ওপঙি থকা অৱস্থাত উদ্ধাৰ

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ২৫ মে’ ঃ** বিশ্বনাথ চাৰিআলিস্থিত ননকে জাপৰিগুৰিৰ মহিদুল ইছলাম নামৰ লোকজনৰ সাত বছৰীয়া পুত্ৰ মুছাৰফ হুছেইনৰ মৃতদেহ উদ্ধাৰ হয়। উল্লেখ্য যে কালি গলিয়া এৰাবাৰী নিম্ন বুনিয়াদী বিদ্যালয়ৰ প্ৰথম শ্ৰেণীৰ ছাত্ৰ মুছাৰফে স্কুলৰ পৰা আহি সমনীয়াৰ লগত বুঢ়ীগাং নদীত গা ধুবলৈ গৈ নিৰুদ্দেশ হয়। ঘটনাৰ খবৰ পাই পৰিয়ালৰ লগতে স্থানীয় ৰাইজৰ মাজত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হয়। সমগ্ৰ ঘটনা লগৰীয়াসকলে নদীৰ পৰা গা ধুই আহি ঘৰৰ লোকক অৱগত কৰাত লগে লগে আৰক্ষীক জনোৱা হয়। আজি ওপঙি থকা অৱস্থাত শিশুটিৰ মৃতদেহ উদ্ধাৰ কৰা হয়।

# বদলিৰ পাছতো চকী এৰা নাই ডুবাপাৰাৰ দুৰ্নীতিগ্ৰস্ত বন বিষয়াই

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ২৫ মে’ ঃ** বদলীকৰণৰ ২৫ দিন পাছতো ডুবাপাৰা বন খণ্ডৰ দুৰ্নীতিগ্ৰস্ত বিষয়া আব্দুল মজিদে চকী এৰা নাই বুলি এক গুৰুতৰ অভিযোগ উঠিছে। উল্লেখ্য যে বন খণ্ড বিষয়াজনৰ ছত্ৰছায়াত ডুবাপাৰা অঞ্চলত অসাধু চক্ৰই চোৰাং কাঠ, শিল, বালি, মাটি, কাঠ ফলা কল আদিৰ ৰমৰমীয়া ব্যৱসায় চলাই থকা বুলি দীৰ্ঘদিনৰ পৰাই ৰাজহুৱা অভিযোগ উত্থাপিত হৈ আহিছিল। অসাধু চক্ৰক নিয়ন্ত্ৰণ কৰাৰ বিপৰীতে ডুবাপাৰা বন খণ্ড অঞ্চলত বিভাগীয় শীৰ্ষ মহলৰ আগমন ঘটিলেই চোৰাং ব্যাৱসায়ীসকলক খণ্ড বন বিষয়া আব্দুল মজিদে সতৰ্কতাৰ সংকেত দি অহা বুলিও এক গুৰুতৰ অভিযোগ উত্থাপিত হৈ আহিছে। এই সন্দৰ্ভত ‘দৈনিক অগ্ৰদূত’ত সবিস্তাৰে কেঁবাটাও বাতৰি প্ৰকাশ পাইছে। অৱশেষত যোৱা ৩০ এপ্ৰিলত বন বিভাগৰ নামনি অসম মণ্ডলৰ অতিৰিক্ত প্ৰধান মুখ্য বন সংৰক্ষক (টেৰিটৰিয়েল) সন্দীপ কুমাৰে এফ ই টি-৬৩! টি এণ্ড পি! ফৰেষ্ট -১!এল এ জেড !২০২১ নম্বৰ এক নিৰ্দেশযোগে ডুবাপাৰা বন খণ্ডৰ বিষয়া আব্দুল মজিদক কাছাৰ বন সংমণ্ডল লৈ বদলীকৰণ কৰে। কিন্তু চকী এৰাৰ পৰিৱৰ্তে শীৰ্ষ বিষয়াক মেনেজ কৰি বদলীকৰণ স্থগিত ৰখাৰ বাবে চেষ্টা চলোৱা বুলি আভ্যন্তৰীণ মহলতে সৰৱ চৰ্চা চলিছে। ডুবাপাৰা বন খণ্ড অঞ্চলত অবাধ গতিত বন জসম্পদৰ চোৰাং কাৰবাৰ চলি থকা বাবেই গোৱালপাৰা বন সংমণ্ডল প্ৰাধিকাৰী বিষয়াই কালি এক জৰুৰী নিৰ্দেশযোগে ডুবাপাৰা বন খণ্ডৰ বিষয়া আব্দুল মজিদক ৰিলিজ কৰি দিয়ে। কিন্তু ডি এফ অই ৰিলিজ কৰাৰ পাছতো দায়িত্বভাৰ অৰ্পণ কৰাৰ পৰিৱৰ্তে বদলীকৰণৰ নিৰ্দেশ স্থগিত ৰখাৰ বাবে বিভাগীয় মন্ত্ৰীৰ লগতে শীৰ্ষ বিষয়াৰ দুৱাৰে দুৱাৰে ঘূৰি ফুৰা বুলি অভিযোগ উঠিছে। উল্লেখ্য যে একেটা নিৰ্দেশতে গোৱালপাৰাৰ মাকৰী বন খণ্ড বিষয়া ৰেজাউল হকক (বন পালকৰ) ধুবুৰী বন সংমণ্ডললৈ বদলীকৰণ কৰা হৈছে। ইপিনে কাছাৰ বন সংমণ্ডলৰ দীপাঙ্কৰ দত্ত (বন পালক)ৰ আৰু পশ্চিম কামৰূপ সংমণ্ডলৰ সিদ্ধাৰ্থ সিংহক (বন পালক-)ৰ গোৱালপাৰা বন সংমণ্ডললৈ বদলীকৰণ কৰাৰ উপৰি ধুবুৰী বন সংমণ্ডলৰ জাহাংগীৰ মোল্লাক (বন পালক)ৰ পশ্চিম কামৰূপ বন সংমণ্ডললৈ বদলীকৰণ কৰা হৈছে। প্ৰথম মোভ হিচাপে দীপাঙ্কৰ দত্তই গোৱালপাৰাত যোগদান নকৰাৰ সুযোগ লৈ আব্দুল মজিদে বদলীকৰণ স্থগিত ৰখাৰ বাবে উঠিপৰি লগা বুলি আভ্যন্তৰীণ মহলতে চেপা উত্তেজনা বিৰাজ কৰিছে।

# ভূমিক কেন্দ্ৰ কৰি দিৰিং চাহ বাগিচাত শ্ৰমিকৰ প্ৰতিবাদ

**অগ্ৰদূত বাৰ্তা**

**বিশ্বনাথ চাৰিআলি, ২৫ মে’ ঃ** বিশ্বনাথত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা অহাৰ আগদিনাই বিশ্বনাথৰ অসম-অৰুণাচল সীমান্তৰ দিৰিং চাহ বাগিচাত শ্ৰমিকসকলে প্ৰতিবাদ সাব্যস্ত কৰে। দৰাচলতে বিশ্বনাথ অসম-অৰুণাচল সীমান্তৰ দিৰিং অঞ্চলত ৰাজ্য চৰকাৰে বেটেলিয়নৰ মুখ্য কাৰ্যালয় স্থাপন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। বেটেলিয়নৰ এই মুখ্য কাৰ্যালয় স্থাপন কৰাৰ বাবে প্ৰয়োজন প্ৰায় তিনিশ বিঘা ভূমিৰ। যাৰ বাবে চৰকাৰে দিৰিং অঞ্চলৰ প্ৰায় তিনিশ বিঘা ভূমি অধিগ্ৰহণ কৰাৰ বাবে প্ৰশাসনে প্ৰস্তুতি চলাইছে। কিন্তু এই চৰকাৰী ভূমিত চাহ বাগিচাৰ ১৭৭টা পৰিয়ালে দখল ভোগ কৰি আহিছে। দখল ভোগ কৰি থকা পৰিয়ালসমূহে ১৯৭৬তে এই ভূমি আবণ্টন লাভ কৰি আজি পৰ্যন্ত তেওঁলোকে নিজৰ নামত চৰকাৰক ৰাজহ আদায় দি আহিছে। এতিয়া এই পৰিয়ালকেইটাৰ প্ৰশ্ন, ইয়াত যদি বেটেলিয়ন কেম্প হয়, আমি ক’ত যাম, আমি ক’ত থাকিম? যাৰ বাবে আজি বিশ্বনাথৰ অসম-অৰুণাচল সীমান্তৰ এই দিৰিং চাহ বাগিচাত বাগিচাখনৰ পুৰুষ-মহিলা শ্ৰমিকে স্থানীয় সংগঠনৰ সহযোগত প্ৰতিবাদ সাব্যস্ত কৰাৰ লগতে মুখ্যমন্ত্ৰীক আহ্বান জনায় যে চৰকাৰৰ প্ৰস্তাৱিত এই বেটেলিয়ন কেম্প এই স্থানত স্থাপন নকৰি আন স্থানত স্থাপন কৰক। আনহাতে, কাইলৈ বিশ্বনাথত উপস্থিত হ’ব মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। মুখ্যমন্ত্ৰীয়ে বিশ্বনাথৰ দুখন চাহ বাগিচাত উপস্থিত হৈ উদ্বোধন কৰিব দুখন আদৰ্শ হাইস্কুল। ইফালে, মুখ্যমন্ত্ৰীয়ে বিশ্বনাথত অহাৰ পূৰ্বে চাহ বাগিচাৰ লোকে গ্ৰহণ কৰা প্ৰতিবাদী কাৰ্যসূচীয়ে বিশেষ তাৎপৰ্য বহন কৰিছে।

# টীয়কত এন পি এছ বিৰোধী সজাগতা সভা সম্পন্ন

**চেলেংহাট, ২৫ মে’ ঃ** যোৰহাট জিলাৰ টীয়কত অলপতে বৃহত্তৰ টীয়ক অঞ্চলৰ এন পি এছ সকলৰ উদ্যোগত জগদুৱাৰ উচ্চ মাধ্যমিক বিদ্যালয়ত এখন এন পি এছ বিৰোধী সজাগতা সভা অনুষ্ঠিত হয়। জগদুৱাৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী ৰুবী বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত সভাত সদৌ অসম চৰকাৰী এন পি এছ কৰ্মচাৰী সংস্থাৰ ৰাজ্যিক উপ-সভাপতি কেশৱানন্দ বৰা, সংস্থাৰ যোৰহাট জিলা সভাপতি দীপাংকৰ শেখৰ খাউণ্ড, সম্পাদক দীপাংকৰ বৰা, সাংগঠনিক সম্পাদক বিনোদ ভূএগ, যোৰহাট নগৰ সমিতিৰ সভাপতি অনন্ত তামুলী উপস্থিত থাকে। সভাত এন পি এছৰ ভয়াৱহতা সম্পৰ্কে বিভিন্নজনে বক্তাই তথ্যসহ ব্যাখ্যা আগবঢ়াই ইয়াৰ বিৰুদ্ধে সকলোকে সজাগ হ’বলৈ আহ্বান জনায়। আনহাতে, উৎপল বৰুৱাই উদ্দেশ্য ব্যাখ্যা আগবঢ়োৱা সভাতে পুষ্প কাকতিক সভাপতি আৰু উৎপল বৰুৱাক সভাপতিৰূপে লৈ এন পি এছ কৰ্মচাৰী সন্থাৰ টীয়ক আঞ্চলিক সমিতিখন গঠন কৰা হয়। সভাত বিভিন্ন বিভাগত নিয়োজিত হৈ থকা টীয়ক অঞ্চলৰ কৰ্মচাৰীসকলক এন পি এছ কৰ্মচাৰী সন্থাৰ টীয়ক আঞ্চলিক সমিতিৰ অন্তৰ্ভুক্ত কৰা হয় আৰু এন পি এছৰ পৰিৱৰ্তে পুৰণা পেঞ্চন নীতি বাহাল ৰখাৰ দাবীত আন্দোলন গঢ়ি তোলাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

# লখিমপুৰ বাণিজ্য মহাবিদ্যালয়ত নতুনকৈ পাঁচটা বিষয় অন্তৰ্ভুক্ত

**অগ্ৰদূত বাৰ্তা**

**লখিমপুৰ, ২৫ মে’ ঃ** লখিমপুৰ বাণিজ্য মহাবিদ্যালয়ত নতুন সংযোজিত পাঠ্যক্ৰমত আজি পাঁচটা বিষয় অন্তৰ্ভুক্ত কৰা হৈছে। তদুপলক্ষে মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মাপ নিৰূপক কোষৰ উদ্যোগত অনুষ্ঠিত উক্ত অনুষ্ঠানটো উদ্বোধন কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° লোহিত হাজৰিকাই। উক্ত অনুষ্ঠানৰ উদ্দেশ্য ব্যাখ্যা কৰে আভ্যন্তৰীণ মাপ নিৰূপক কোষৰ সমন্বয়ৰক্ষী ড° দাদুল ৰাজকোঁৱৰে। নতুন অন্তৰ্ভুক্ত হোৱা বিষয়সমূহ হ’ল শ্বেয়াৰ মাৰ্কেট আধাৰ পাঠ, স্পকেন ইংলিছ আৰু ব্যক্তিত্ব বিকাশ, মিডিয়া আৰু চলচ্চিত্ৰ অধ্যয়ন, মহিলাৰ আত্মৰক্ষা আৰু যোগ বিজ্ঞান মহাবিদ্যালয়ৰ আগন্তুক নতুন শিক্ষা বৰ্ষৰ পৰা স্নাতক পৰ্যায়ৰ এই বিষয়সমূহৰ পাঠদান আৰম্ভ হ’ব বুলি অধ্যক্ষ হাজৰিকাই সভাত উল্লেখ কৰে।

# সদৌ অসম কেওট সন্মিলনৰ পাঁচদিনীয়া জলদেৱতাৰ পূজা-বিষ্ণু পূজা আৰম্ভ

**অগ্ৰদূত বাৰ্তা**

**ছিপাঝাৰ, ২৫ মে’ ঃ** সদৌ অসম কেওট সন্মিলনৰ উদ্যোগত দৰং জিলা কেওট সন্মিলনৰ সৌজন্যত মণিটাৰী ৰাইজৰ সহযোগত কেওট জনগোষ্ঠীৰ প্ৰাচীনতম লোককৃষ্টি জলদেৱতাৰ পূজা আৰু দৰঙৰ জেঠমহীয়া ৰাইজৰ কাজ বিষ্ণু পূজা (বাসুদেউ পূজাৰ বা গোন্ধচৌপৰী সভা) পাঁচদিনীয়া কাৰ্যসূচীৰে কালিৰে পৰা আৰম্ভ হৈছে। এই উপলক্ষে মণিটাৰী ৰাইজ উৰুলিকৃত হোৱাৰ উপৰি গাঁৱৰ বাসুদেউ মন্দিৰ আটকধুনীয়াকৈ সজাই-পৰাই তুলিছে। বিহিত বৈদিক পূজা, অধিবাস, বিষ্ণুহোম, জলদেৱতাৰ পূজা-শিৰ পূজা, বিয়াহৰ ওজাপালিৰ গীত নৃত্য আদি পৰ্যায় ক্ৰমে অনুষ্ঠিত হোৱাৰ উপৰি অহা ২৮ মে’ত এখন ধৰ্মালোচনী সভা অনুষ্ঠিত হ’ব। সভাত সদৌ অসম কেওট সন্মিলনৰ সভাপতি, সম্পাদক, উপ-সভাপতি, দৰং জিলাৰ কেওট সন্মিলনৰ সভাপতি, কাৰ্যকৰী সভাপতি, সম্পাদকে অংশ ল’বলগীয়া সভাত মুখ্য অতিথিৰ আসন অলংকৃত কৰিব অসম সাহিত্য সভাৰ উপ-সভাপতি মৃণালিনী দেৱী, অসম চৰকাৰৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাসে।

# কল্যাণপুৰ বাছ আস্থান পৰিচালনা সমিতিৰ বিৰুদ্ধে ষড়যন্ত্ৰৰ অভিযোগ

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ২৫ মে’ ঃ** গোৱালপাৰা জিলাৰ বালিজানা আঞ্চলিক পঞ্চায়তৰ অন্তৰ্গত কল্যাণপুৰ বাছ আস্থান পৰিচালনা সমিতিৰ বিৰুদ্ধে এটা চক্ৰই ষড়যন্ত্ৰত লিপ্ত হোৱা বুলি গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। বাছ আস্থান পৰিচালনা সমিতিৰ সম্পাদক অক্লান্ত প্ৰতিম ৰাভাই এক বিজ্ঞপ্তিযোগে জনোৱা মতে কল্যাণপুৰ গাঁও পঞ্চায়তৰ অন্তৰ্গত কল্যাণপুৰ বাছ আস্থানখন ২০০৩তে প্ৰতিষ্ঠা হৈছিল। পৰৱৰ্তী সময়ত ২০১৯-২০ত ‘আৰএছ*জিওএএল*২৫১ক্টপি*৩৩ নম্বৰ যোগে কল্যাণপুৰ বাছ আস্থান পৰিচালনা সমিতিখন চৰকাৰী পঞ্জীয়নভুক্ত হয়। ইপিনে, জিলা পৰিষদৰ অনুমোদন সাপেক্ষে বালিজানা আঞ্চলিক পঞ্চায়তে পাকিং মাচুল সংগ্ৰহৰ বাবে মহলদাৰক আবন্টিন দিয়াৰ ব্যৱস্থা কৰে। সেই মৰ্মে দীজেন ৰাভাৰ নামত ২০১৯-২০, ২০২১-২১ আৰু ২০২১-২২ৰ বাবে আবন্টন কৈ কমিটীৰ নামতে মাচুল সংগ্ৰহ কৰি বাছ আস্থানৰ কমত খৰচ কৰি থকা হৈছে। কিন্তু শেহতীয়াভাৱে সমিতিত নতুনকৈ অন্তৰ্ভুক্ত হোৱা একাংশ সদস্যই মহলদাৰৰ পৰা দাবী ধমকিৰে উপ-নিবিদায় লৈ পাকিং মাচুল সংগ্ৰহ কৰাৰ দায়িত্ব লৈছে যদিও সমিতিক কোনো ধৰণৰ হিচাপ দাখিল কৰা নাই। সেয়েহে যোৱা ১০ এপ্ৰিলত অনুষ্ঠিত এক বৈঠকত উক্ত নিবিদায়ৰ বাতিল কৰি সমিতিয়ে নিজাববীয়াকৈ পাকিং মাচুল সংগ্ৰহৰ সিদ্ধান্ত গ্ৰহণ কৰে। সম্প্ৰতি উপ-নিবিদাৰ লোৱা সদস্যসকলে যোৱা ২৪ এপ্ৰিলত সমিতিৰ বাহিৰৰ একাংশ ব্যক্তিক লৈ মিটিং কৰাৰ আৰু কল্যাণপুৰ বাছ আস্থানৰ এখন নতুন পৰিচালনা সমিতি গঠন কৰা বুলি প্ৰচাৰ চলাইছে। এইদৰে নিয়ম বহিঃৰ্ভূতভাৱে কৰা সমিতিৰ স’তে পঞ্জীয়ভুক্ত সমিতিৰ কোনো ধৰণৰ সম্পৰ্ক নাই বুলি বিজ্ঞপ্তিটোত উল্লেখ কৰিছে সম্পাদক অক্লান্ত প্ৰতিম ৰাভাই। লগতে ৰাইজকো এই ক্ষেত্ৰত ভুল নুবুজিবলৈ আহ্বান জনাইছে ৰাভাই। অৱশ্যে এই বাতৰি যুগুতোৱাৰ সময়ত নতুনকৈ গঠন কৰা সমিতিৰ কোনো ধৰণৰ মন্তব্য জানিব পৰা হোৱা নাই।

# ছহিদ পিয়লি ফুকন মহাবিদ্যালয়ত ১৫দিনীয়া যোগ প্ৰশিক্ষণ

**অগ্ৰদূত বাৰ্তা**

**নামতি, ২৫ মে’ ঃ** নামতিৰ ছহিদ পিয়লি ফুকন মহাবিদ্যালয়ত আজিৰে পৰা ১৫ দিনীয়া সাধাৰণ যোগ প্ৰটকলৰ এক প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত হৈছে। এই ৰোগ প্ৰশিক্ষণৰ পুৱা ৬-৩০ বজাত মুকলি কৰি ছহিদ পিয়লি ফুকন মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ধ্ৰুৱজ্যোতি নাথে। প্ৰশিক্ষণ শিবিৰ আগন্তুক আন্তৰ্জাতিক যোগ দিৱসৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনি গোটৰ উদ্যোগত, আয়ুষ শিৱসাগৰ, মহাবিদ্যালয়ৰ যোগ কেন্দ্ৰ, আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষ আৰু শিক্ষাৰ্থী বাহিনীৰ সহযোগত আয়োজন কৰা হৈছে। আয়ুষ মন্ত্ৰণালয়ৰ পৰা ড° ৰিংকু ৰঞ্জন বৰা নডেল বিষয়া, শিৱসাগৰ, জয়ন্ত বেজ, অদিতি দত্ত, ৰঞ্জন দত্ত, গৌৰাংগ বৰা আৰু অসীম দত্তই কাৰ্যসূচীত অংশগ্ৰহণ কৰে। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু নামতি অঞ্চলৰ সচেতন ব্যক্তিয়েও কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

# তেজপুৰ বিশ্ববিদ্যালয়ৰ দুজন ফেকাল্টি ক’ভিদত আক্ৰান্ত

**ষ্টাফ ৰিপ’ৰ্টাৰ**

**তেজপুৰ, ২৫ মে’ ঃ** কিছুদিন বিৰতিৰ পাছত তেজপুৰ বিশ্ববিদ্যালয়ত পুনৰ দুজনৰ শৰীৰত ক’ভিডৰ সংক্ৰমণ ধৰা পৰিছে। উল্লেখ্য যে তেজপুৰ বিশ্ববিদ্যালয়ৰ দুগৰাকী ফেকাল্টি সদস্য ড° নিশান্ত হুল্লেস্বামী আৰু ব্ৰিজেশ শ্ৰীবাস্তৱৰ শৰীৰত আজি ধৰা পৰে ক’ভিডৰ সংক্ৰমণ। উল্লেখ্য যে ক’ভিড প্ৰতিৰোধী দুয়োটা টিকা দুয়োজনে পৰিয়ালসহ লোৱা আছিল। তদুপৰি ইয়াৰ পূৰ্বেও তেওঁলোক দুয়োজন ক’ভিডত আক্ৰান্ত হৈছিল।

# গুৰুতৰভাৱে আহত কে’বাজনো ডিগবৈৰ গোলাইত যাত্ৰীবাহী বাছ-ট্ৰাকৰ সংঘৰ্ষ

**ডিগবৈ, ২৫ মে’ ঃ** ডিগবৈ আৰক্ষী থানাৰ অন্তৰ্গত এক নম্বৰ গোলাইত ৩৮ নম্বৰ ৰাষ্ট্ৰীয় পথত যাত্ৰীবাহী বাছ আৰু মালবাহী ট্ৰাকৰ মাজত আজি সংঘৰ্ষ হয়। ফলত যাত্ৰীবাহী বাছখনৰ হেণ্ডিমেনজন গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হোৱাৰ লগতে বাছখনৰ কে’বাজনো আৰোহী আঘাতপ্ৰাপ্ত হয়। তথ্য অনুসৰি, আজি বিয়লি প্ৰায় দুই বজাত জাগুনৰ পৰা তিনিচুকীয়া অভিমুখী আহি থকা এ এছ-০৬ এ চি-০০০৮ নম্বৰৰ ‘মা’ নামৰ যাত্ৰীবাহী বাছখন, ডিগবৈ এক নম্বৰ গোলাইত যাত্ৰী নমাবলৈ ৰখাই দিয়াৰ সময়তে একে দিশৰ পৰাই পিছে পিছে দ্ৰুতগতিত আহি থকা এ এছ-০৬ এ চি-২১৩১ নম্বৰৰ স্কেপভৰ্তি মালবাহী ট্ৰাকখনে পিছফালৰ পৰা খুন্দিয়ায়। ফলত দুয়োখন বাহনৰ যথেষ্ট ক্ষতি হয়। লগতে বাছখনৰ হেণ্ডিমেন আব্দুল ৰহমান গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। পৰৱৰ্তী সময়ত ডিগবৈ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ স্থানীয় লোকৰ তৎপৰতাত আঘাতপ্ৰাপ্ত বাছখনৰ কৰ্মচাৰীসহ আটাইকেইজন যাত্ৰীক ডিগবৈ সামূহিক স্বাস্থ্য কেন্দ্ৰত প্ৰাথমিক চিকিৎসা কৰোৱায়।

# দুবৰণি আলি বিজ্ঞানসন্মতভাৱে পুনৰ নিৰ্মাণৰ দাবী শিৱসাগৰ আছুৰ ঃ উপায়ুক্তলৈ পত্ৰ প্ৰেৰণ

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ২৫ মে’ ঃ** ছশবছৰীয়া আহোম ৰাজত্বকালৰ প্ৰাচীন ৰাজধানী ৰংপুৰৰ মাজেৰে ৩৭ নম্বৰ ঘাইপথৰ পৰা মঠাদাং, দিছিয়াল, ঢুলীয়া গাঁও হৈ আমগুৰি, মেটেকা মাজগাঁৱেৰে বগীদ’ল পাঁচআলিৰ বৰআলিৰ সংলগ্ন হোৱা ঐতিহাসিক দুবৰণি আলিৰ বিধ্বস্তৰূপে জনসাধাৰণক যাতায়াতৰ ক্ষেত্ৰত দুৰ্ভোগ ভোগাই অহা সন্দৰ্ভত পুনৰ সৰৱ হৈ উঠিছে শিৱসাগৰ আঞ্চলিক ছাত্ৰ সন্থা। এই সন্দৰ্ভত কালি শিৱসাগৰ আঞ্চলিক ছাত্ৰ সন্থাৰ উপদেষ্টা তথা সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সমীৰণ ফুকন, জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক দীপাংকৰ শইকীয়া, আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি মানস প্ৰতিম বৰুৱা, সাধাৰণ সম্পাদক জীপম বড়া, সহকাৰী সাধাৰণ সম্পাদক মনজিৎ হাজৰিকা সহিতে আছুৰ এটি সঁজাতী দলে জিলা উপায়ুক্তক এখন দাবী পত্ৰ প্ৰদান কৰি বিষয়টোৰ সন্দৰ্ভত ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনায়। উল্লেখ্য যে ইয়াৰ পূৰ্বতেও দুবৰণি আলিৰ দুৰৱস্থা দূৰীকৰণৰ দাবীত মেটেকা শাখা ছাত্ৰ সন্থা, ৰূপহী শাখা ছাত্ৰ সন্থা আৰু শিৱসাগৰ আঞ্চলিক ছাত্ৰ সন্থাই পৃথকে পৃথকে বিভিন্ন সময়ত জিলা প্ৰশাসন আৰু সংশ্লিষ্ট কৰ্তৃপক্ষক বিষয়টো দৃষ্টিগোচৰ কৰি ব্যৱস্থা গ্ৰহণৰ দাবী জনাই আহিছিল। শেহতীয়াকৈ এই পথটিৰ আমগুৰি গাঁৱৰ অংশটিত পথৰ ওপৰত পানী জমা হৈ থকাত পথটো যাতায়াতৰ অনুপযোগী হৈ পৰাত ক্ষুণ্ণ হৈ স্থানীয় জনসাধাৰণে পথ অৱৰোধ কাৰ্যসূচী গ্ৰহণ কৰাত বাধ্য হৈ লোকনিৰ্মাণ বিভাগে পথটোৰ কাষত পানী নিষ্কাষনৰ বাবে এক্সকেভেটৰ লগাই কেঁচা নলা খন্দাৰ ব্যৱস্থা হাতত লৈছিল। কিন্তু এই পদক্ষেপ অস্থায়ী আৰু বাস্তৱসন্মত নোহোৱাত এতিয়াও অঞ্চলটোৰ জনসাধাৰণ ক্ষুণ্ণ হৈ থকা পৰিলক্ষিত হৈছে। এই সন্দৰ্ভতে আজি শিৱসাগৰ আঞ্চলিক ছাত্ৰ সন্থাই পুনৰ এখন দাবী পত্ৰযোগে জিলা উপায়ুক্তক দুবৰণি আলিৰ বিজ্ঞানসন্মতভাৱে পুনৰ নিৰ্মাণ আৰু সম্প্ৰতি যাতায়াত সুচল হোৱাকৈ মেৰামতি কৰাৰ দাবী জনাইছে। আছুৰ দাবীপত্ৰত ৩৭ নম্বৰ ঘাইপথৰ পৰা নাজিৰা সংযোগী বৰআলিত সংযোগ স্থাপন কৰা তথা শিৱসাগৰ চহৰ সংযোগ স্থাপন কৰা তথা শিৱসাগৰ চহৰ সংযোগী অতি গুৰুত্বপূৰ্ণ এই পথটোৰ দুৰৱস্থা উন্নত কৰাত বিভাগীয় ব্যৰ্থতাত ক্ষোভ প্ৰকাশ কৰিছে। যুগসাপেক্ষ আৰু বিজ্ঞানসন্মত তথা বাস্তৱসন্মত পদ্ধতি অৱলম্বন নকৰাকৈ এই পথটো নিৰ্মাণৰ ব্যৱস্থা কৰা বাবেই নিৰ্মাণৰ কিছু সময়ৰ পাছতেই পথটোৰ বহু অংশ বিধ্বস্ত হৈ পৰা বিষয়টি পুনৰ জিলা উপায়ুক্তৰ দৃষ্টিগোচৰ কৰি পথটি পুনৰ নিৰ্মাণৰ ব্যৱস্থা কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰাৰ লগতে সম্প্ৰতি পথটো যাতায়াতৰ সুচল হোৱাকৈ মেৰামতিৰ ব্যৱস্থা কৰাৰ দাবী জনাইছে। একেখন দাবী পত্ৰতে দুবৰণি আলিৰ আমগুৰি গাঁও অংশত পানী নিষ্কাষনৰ বাবে শেহতীয়াকৈ লোকনিৰ্মাণ বিভাগে এক্সকেভেটৰ জৰিয়তে কেঁচা নলা খান্দি অস্থায়ী বিকল্প ব্যৱস্থা গ্ৰহণ কৰাটোৱে সমস্যাটিৰ স্থায়ী সমাধান নকৰে বুলি অৱগত কৰি বিভাগীয়ভাৱে কাৰিকৰী বিশেষজ্ঞ দলৰ দ্বাৰা সমীক্ষাৰ যোগেদি প্ৰাককলন যুগুতাই পথৰ কাষত পকী নৰ্দমা স্থাপন কৰি বিজ্ঞানসন্মতভাৱে পথটো পুনৰ নিৰ্মাণৰ ব্যৱস্থা কৰাৰ লগতে শেহতীয়াকৈ খনন কৰা নৰ্দমাসমূহৰ বিপদসংকুল দূৰ হোৱাকৈ তাত পকী শ্লেপ দিয়াৰ ব্যৱস্থা কৰাৰো দাবী উত্থাপন কৰা বুলি এক বিবৃতিযোগে শিৱসাগৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি আৰু সাধাৰণ সম্পাদকে জানিবলৈ দিয়ে।


## ৩২ সংখ্যক ৰাজ্যিক পৰ্যায়ৰ বিজ্ঞান, গণিত আৰু পৰিবেশ প্ৰদৰ্শনীৰ বঁটা বিতৰণ আৰু বিজ্ঞান জনপ্ৰিয়কৰণ বক্তৃতানুষ্ঠান

নতুন দিল্লীস্থ ৰাষ্ট্ৰীয় শৈক্ষিক অনুসন্ধান আৰু প্ৰশিক্ষণ পৰিষদে ছাত্ৰ-ছাত্ৰী, শিক্ষক আৰু সমাজৰ মাজত বিজ্ঞানক জনপ্ৰিয় কৰাৰ বাবে প্ৰতিবছৰে ৰাষ্ট্ৰীয় স্তৰত স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ বাবে "জৱাহৰলাল নেহৰু ৰাষ্ট্ৰীয় গণিত, বিজ্ঞান আৰু পৰিবেশ প্ৰদৰ্শনী" শীৰ্ষক বিজ্ঞান প্ৰদৰ্শনী এখনিৰ আয়োজন কৰি আহিছে। ৰাজ্যিক ভিত্তিত নিৰ্বাচিত ছাত্ৰ-ছাত্ৰীসমূহে এই প্ৰদৰ্শনীত অংশগ্ৰহণ কৰিব পাৰে। ৰাষ্ট্ৰীয় বিজ্ঞান, গণিত আৰু পৰিবেশ প্ৰদৰ্শনীলৈ নিৰ্বাচিত কৰিবৰ বাবে ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসমৰ (SCERT, Assam) উদ্যোগত এইবাৰ অনলাইন পদ্ধতিত ৩২ সংখ্যক ৰাজ্যিক বিজ্ঞান, গণিত আৰু পৰিবেশ প্ৰদৰ্শনীখনিৰ আয়োজন কৰা হয়। এই প্ৰতিযোগিতাত মুঠ ১২৭ টা মডেল বিভিন্ন স্কুলৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰদৰ্শন কৰে। প্ৰতিযোগিতাখনি ৬ টা উপবিষয়- পৰিবেশ উপযোগী সামগ্ৰী (Eco-Friendly Materials), স্বাস্থ্য আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতা (Health and Cleanliness), ছফ্টৱেৰ আৰু এপচ্ (Software and Apps), যোগাযোগ (Transport), পৰিবেশ আৰু জলবায়ু পৰিবৰ্তন (Environment and Climate Change), গাণিতিক নমুনা (Mathematical Modeling) ৰ ওপৰত আয়োজন কৰা হৈছিল। বিশিষ্ট সফল ব্যক্তিৰে গঠিত বিচাৰকমণ্ডলীয়ে ইয়াৰে মাজৰপৰা ৬ টা মডেল ৰাষ্ট্ৰীয় পৰ্যায়ত অনুষ্ঠিত হ’বলগা প্ৰদৰ্শনীৰ বাবে নিৰ্বাচিত কৰে।

ৰাজ্যিক পৰ্যায়ত অনুষ্ঠিত এই প্ৰদৰ্শনীত নিৰ্বাচিত ছাত্ৰ-ছাত্ৰীসকলক অহা ২৭ মে ২০২২ ইং তাৰিখে গুৱাহাটীস্থ NEDFi সভাকক্ষত এক অনুষ্ঠানত বঁটা বিতৰণ কৰা হ’ব। বিজ্ঞান প্ৰদৰ্শনীৰ অংশ হিচাপে প্ৰতিবছৰে এক সফল ব্যক্তিৰদ্বাৰা জনপ্ৰিয় বক্তৃতানুষ্ঠানৰ আয়োজন কৰা হয়। এইবাৰ যোৰহাটস্থিত উত্তৰ পূব বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যা প্ৰতিষ্ঠানত (NEIST) কৰ্মৰত অসমৰ প্ৰখ্যাত বিজ্ঞানী আৰু শান্তিস্বৰূপ ভাটনাগৰ বঁটা প্ৰাপক ড° বিনয় কুমাৰ শইকীয়াদেৱে " ভাৰতত বিজ্ঞান বিষয়ত উচ্চ শিক্ষাৰ পৰিসৰ" শীৰ্ষক বিজ্ঞান বিষয়ক বক্তৃতা প্ৰদান কৰিব। স্কুলীয়া ছাত্ৰ-ছাত্ৰী, শিক্ষক, শিক্ষক প্ৰশিক্ষকে এই অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

(ড° নিৰদা দেৱী)
সঞ্চালক
ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

Janasanyog/D/4073/22



অসম লোকসেৱা আয়োগ
ASSAM PUBLIC SERVICE COMMISSION
Jawaharnagar, Khanapara, Guwahati-781 022

No. 32PSC/CON/Exam-11/2021-2022 Dated Guwahati the 25th May, 2022

**NOTIFICATION**

The Assam Public Service Commission hereby declares today, the 25th May, 2022, the result of the Screening Test (OMR based) for the post of ***District Museum Officer Grade-I (Gazetted) in the Directorate of Museum under Indigenous & Tribal Faith & Cultural Affairs Department*** (Advt. No. 13/2020 Dtd. 17.12.2020) which was conducted by the Commission on ***21/03/2022***. Candidates bearing the following Roll Numbers will have to appear for Interview. The date(s) of Interview will be notified shortly.

Serially, in order of Roll Numbers only (horizontally):

| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| 00002 | 00011 | 00024 | 00029 | 00030 | 00031 | 00034 | 00035 | 00036 | 00043 |
| 00045 | 00055 | 00059 | 00074 | 00077 | 00081 | 00086 | 00087 | 00099 | 00103 |
| 00120 | 00126 | 00135 | 00155 | 00191 | 00202 | | | | |

**N.B.:** The Commission will not be responsible for any typing/printing mistakes.

Principal Controller of Examinations,
Assam Public Service Commission,
Jawaharnagar, Khanapara, Guwahati-22

Janasanyog/D/4087/22


# হাতীঘুলি পঞ্চায়তৰ বনুৱা পথত বোকা-পানীৰ কদৰ্যময় পৰিৱেশ

**অগ্ৰদূত বাৰ্তা**

**গৌৰীসাগৰ, ২৫ মে’ ঃ** গাঁওসমূহৰ সামগ্ৰিক উন্নয়ন সাধন কৰাটো গাঁও পঞ্চায়তসমূহৰ মূল লক্ষ্য আৰু উদ্দেশ্য যদিও গৌৰীসাগৰ উন্নয়ন খণ্ডৰ অন্তৰ্গত হাতীঘুলি পঞ্চায়তত তাৰ বিপৰীত ছবি এখনহে প্ৰতিফলিত হৈছে। ইয়াৰ অন্যতম উদাহৰণ হ’ল পঞ্চায়তখনৰ অন্তৰ্গত বনুৱা পথটো। হাতীঘুলি পথৰ পৰা ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথ সংযোগী উক্ত পথটোৰ দূৰত্ব প্ৰায় তিনি কিলোমিটাৰ। উক্ত পথেৰে স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ লগতে বিভিন্ন লোক অহা-যোৱা কৰে। কিন্তু যোৱা কিছুদিন ধৰি নেপানেপেৰা বৰষুণৰ ফলত পথটো একাঁঠু বোকাৰে উপচি পৰিছে। যাৰ ফলত পথচাৰীসকল বিভিন্ন সমস্যাৰ সন্মুখীন হ’ব লগা হৈছে। পথটোৰ দুয়োপাৰৰ বাসিন্দাসকলৰ অধিকাংশই নিজৰ দুচকীয়া যানবাহনসমূহ ঘৰলৈ নিব নোৱাৰি স্থানীয় বিদ্যালয়ৰ চৌহদতে এৰি যাব লগা হৈছে। পঞ্চায়তখনে পথটো নিৰ্মাণ কৰাৰ নামত চলিত বিত্তীয় বৰ্ষত মহাত্মা গান্ধী নিয়োগ নিশ্চিত আঁচনিৰ অধীনত প্ৰায় চাৰি লক্ষাধিক টকা ব্যয় কৰিছিল। কিন্তু আঁচনিখনৰ সিংহভাগ ধন হৰলুকি কৰি কেইট্ৰাকমান মাটি আৰু শিল পেলাই দায়িত্ব সামৰা বুলি গাঁওবাসীয়ে অভিযোগ কৰিছে। গাঁওবাসীয়ে পথটোক লৈ পঞ্চায়ত প্ৰতিনিধি তথা বিভাগীয় কৰ্তৃপক্ষক ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে।



# ঘগ্রাপাৰ হাইস্কুলত বিশেষ শৈক্ষিক সভা

**অগ্রদূত বার্তা**

**ঘগ্রাপাৰ, ২৫ মে' ঃ** নলবাৰী জিলাৰ পূব প্রান্তৰ ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠান ঘগ্রাপাৰ হাইস্কুলত কালি এখন বিশেষ শৈক্ষিক সভা অনুষ্ঠিত হয়। নলবাৰী মহাবিদ্যালয়ৰ পদার্থ বিজ্ঞান বিভাগৰ অধ্যাপক অনন্ত ৰাজবংশী আৰু বড়িগোগ-বনভাগ শিক্ষা খণ্ডৰ সমল ব্যক্তি সুভাষ বর্মনে এই শৈক্ষিক সভাত অতিথিৰূপে যোগদান কৰে। নিজৰ ভাষণত অধ্যাপক ৰাজবংশীয়ে আগন্তুক গুণোৎসৱত বহিঃ নিৰীক্ষকে গুৰুত্ব দিবলগীয়া দিশসমূহ বিশেষভাৱে পর্যলোচনা কৰে। আনগৰাকী নিমন্ত্রিত অতিথি বর্মনে গুণোৎসৱৰ পৰিচালনা প্রক্রিয়া সম্পর্কে শিক্ষক-প্রশিক্ষার্থীসকলৰ লগত আলোচনা কৰে। ভাষণ প্রসংগত বর্মনে কয় যে শিক্ষানুষ্ঠান এখনৰ সামগ্রিক খতিয়ানৰ বিচাৰ-বিশ্লেষণ কৰা হ'ব গুণোৎসৱৰ মাধ্যমত। অসম চৰকাৰৰ এই প্রয়াসক সাফল্যমণ্ডিত কৰিবলৈ তেওঁ শিক্ষকসকলৰ প্রতি আহ্বান জনায়। ঘগ্রাপাৰ হাইস্কুলৰ ভাৰপ্রাপ্ত প্রধান শিক্ষক নাথুৰাম তালুকদাৰৰ পৌৰোহিত্যত অনুষ্ঠিত এই বিশেষ শৈক্ষিক আলোচনাৰ আঁত ধৰে শিক্ষানুষ্ঠানখনৰ সহকাৰী প্রধান শিক্ষক গিৰীশ তালুকদাৰে। জিলাখনৰ বড়িগোগ-বনভাগ শিক্ষাখণ্ডৰ এক নম্বৰ ঘগ্রাপাৰ মণ্ডল সমল কেন্দ্রৰ অন্তৰ্গত এইখন বিদ্যালয়ৰ শিক্ষকসকলে স্বেচ্ছাই গুণোৎসৱৰ সন্দৰ্ভত শৈক্ষিক আলোচনাৰ পোষকতা কৰা বাবে খণ্ড প্রাথমিক শিক্ষা বিষয়া ৰাজেন্দ্ৰ কলিতাই ধন্যবাদ জনাইছে। বিদ্যালয়খনৰ জ্যেষ্ঠ শিক্ষক নৰেন মজুমদাৰ, হেমন্ত বৈশ্য, জ্যোতিষ কলিতা আদিয়ে সভা পৰিচালনাত বিশেষভাৱে সহায় কৰে।

# অসম মহিলা বিশ্ববিদ্যালয়ত যোগ শিবিৰ সম্পন্ন



**ষ্টাফ ৰিপর্টাৰ**

**যোৰহাট, ২৫ মে' ঃ** অসম মহিলা বিশ্ববিদ্যালয়ৰ চৌহদত কালি শিক্ষানুষ্ঠানখনৰ ছাত্রী, শিক্ষক-শিক্ষয়িত্রী আৰু কর্মচাৰীসকলৰ বাবে এটি যোগ শিবিৰ আয়োজন কৰা হয়। শিবিৰটোত সমল ব্যক্তিৰূপে উপস্থিত থাকে যোৰহাট যোগ বিজ্ঞান মহাবিদ্যালয়ৰ প্রতিষ্ঠাপক অধ্যক্ষ প্রবীণ কুমাৰ গোস্বামী আৰু সমন্বয়ক চিত্তৰঞ্জন বৰুৱা। প্রবীণ কুমাৰ গোস্বামীয়ে কয়, 'আধুনিক জীৱন যাত্রাত, বিশেষকৈ ক'ভিডকালৰ পৰিপ্ৰেক্ষিতত যোগৰ গুৰুত্ব দুগুণে বাঢ়িছে।' আনহাতে, প্রশিক্ষণৰ সময়ছোৱাত তেওঁ শিকাৰুসকলক যোগৰ বিভিন্ন মুদ্রা প্রদর্শন কৰে। যোগ শিবিৰটো উদ্বোধন কৰি অসম মহিলা বিশ্ববিদ্যালয়ৰ উপাচার্য অজন্তা বৰগোহাঁই ৰাজকোঁৱৰে কয় যে যোগৰ দৰে এটা প্রাচীন কলা তথা বিজ্ঞান আজিৰ প্রযুক্তিবিদ্যাৰ যুগতো প্রাসংগিক হৈ আছে আৰু ভৱিষ্যতেও থাকিব।

# নতুন শিক্ষানীতিৰে ল'ৰা-ছোৱালীক বাস্তৱ জীৱনৰ লগত সংলগ্ন কৰিব বিচৰা হৈছে

**বিশেষ সংবাদদাতা**

**পাঠশালা, ২৫ মে' ঃ** দ্বিতীয় পর্যায়ৰ গুণোৎসৱৰ উপলক্ষে কালি ভৱানীপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত উপস্থিত হয় অসম চৰকাৰৰ শৈক্ষিক উপদেষ্টা ড° ননীগোপাল মহন্ত। উল্লেখ্য যে ড° ননীগোপাল মহন্তই বিদ্যালয়খনৰ বিভিন্ন দিশ প্রত্যক্ষ কৰাৰ লগতে শিক্ষক-শিক্ষয়িত্রীসকলৰ স'তে দীৰ্ঘ সময় ধৰি বৈঠকত মিলিত হয়। ড° ননীগোপাল মহন্তই সংবাদ মাধ্যমৰ আগত কয় যে 'গুণোৎসৱে সমগ্র অসমৰ বিদ্যালয়সমূহৰ গুণগত উন্নয়নৰ ক্ষেত্রত এক নির্ণয়কাৰী ভূমিকা গ্রহণ কৰিব। নতুন শিক্ষানীতিয়ে ছাত্র-ছাত্রীৰ গুণগত শিক্ষাৰ ক্ষেত্রত মান উন্নত কৰিব। নতুন শিক্ষানীতি প্রথম অৱস্থাত বিশ্ববিদ্যালয়সমূহত আৰু দ্বিতীয় পর্যায়ত সমূহ মহাবিদ্যালয়ত ৰূপায়ণ কৰা হ'ব। নতুন শিক্ষানীতিৰ জৰিয়তে ছাত্র-ছাত্রীসকলৰ নিজৰ দক্ষতা প্রকাশত সুবিধা হ'ব। গুণোৎসৱৰ বাবে অসমৰ স্কুলবোৰৰ উন্নয়ন, শৈক্ষিক ক্ষেত্রখনৰ অধিক উন্নয়ন হ'ব। ড° ননীগোপাল মহন্তই কয় যে 'নতুন শিক্ষানীতিৰ মূল উদ্দেশ্য হৈছে ল'ৰা-ছোৱালীক বাস্তৱধর্মী, বাস্তৱ জীৱনৰ লগত, বৃত্তিমূলক শিক্ষাক সংলগ্ন কৰি আৰু দক্ষতাৰ লগত তেওঁলোকৰ শিক্ষা ব্যৱস্থাক একত্রিত কৰি নতুন ভিজন লোৱা হৈছে।' উল্লেখ্য যে ভৱানীপুৰ বিধানসভা সমষ্টিৰ বিদ্যালয়বোৰত আজিৰে পৰা দ্বিতীয় পর্যায়ৰ গুণোৎসৱ আৰম্ভ হৈছে।

## ভৱানীপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ড° মহন্ত

# আমগুৰিত আসাম ৰাইফলছ আৰক্ষীৰ অভিযানত গ্রেপ্তাৰ পিষ্টলধাৰী যুৱক

**অগ্রদূত বার্তা**

**আমগুৰি, ২৫ মে' ঃ** শিৱসাগৰ জিলাৰ অন্তর্গত আমগুৰি আৰক্ষী থানাৰ সন্মুখতে কালি সন্ধিয়া আৰক্ষী আৰু আসাম ৰাইফলচৰ যৌথ অভিযানত এজন পিষ্টলধাৰী যুৱকক কৰায়ত্ত কৰা ঘটনাই ৰাইজৰ মাজত প্রতিক্রিয়াৰ সৃষ্টি কৰিছে। সন্ধিয়া আমগুৰি আৰক্ষী থানাৰ সন্মুখত নিয়মীয়া তালাচীৰ সময়তে সংশ্লিষ্ট যুৱকজন আসাম ৰাইফলচ আৰু আৰক্ষীৰ হাতত ধৰা পৰে। যুৱকজনৰ পৰা আৰক্ষীয়ে এটা পইন্ট ৩২ পিষ্টল, পাঁচ জাই পইন্ট ৩২ৰ সজীৱ গুলী এটা ম'বাইল হেণ্ডছেট উদ্ধাৰ কৰে। গ্রেপ্তাৰ কৰা যুৱকজন ডিমাপুৰ চামাগুৰিৰ ৰমেশ ৰায়। চন্টকস্থিত ১২ আসাম ৰাইফলছ আৰু আমগুৰি আৰক্ষীয়ে আমগুৰি থানাৰ সন্মুখত গ্রেপ্তাৰ কৰে পিষ্টলধাৰী যুৱকজনক আমগুৰি ৰেল ষ্টেছনৰ পৰা যোৰহাটলৈ যোৱাৰ বাটত আৰক্ষী আৰু আসাম ৰাইফলচৰ তালাচীত যুৱকজন গ্রেপ্তাৰ হয়।

# দণ্ডিৰাম ডেকাৰ মৃত্যুত শোক

**অগ্রদূত বার্তা**

**ছিপাঝাৰ, ২৫ মে' ঃ** দিপীলা মৌজাৰ অন্তর্গত নগাঁও গাঁৱৰ বিশেষভাৱে সক্ষম দণ্ডিৰাম ডেকা (৫০)ৰ যোৱা ২৪ মে'ত মৃত্যু হয়। তিনিচুকীয়া গাড়ী এখনেৰে দিনভিক্ষা প্রাণৰক্ষা নীতিৰে জীৱন নির্বাহ কৰা লোকজনৰ আর্থিক দৈন্যতাই মৃত্যুৰ কাৰক বুলি স্থানীয় ৰাইজে মন্তব্য কৰিছে। মৃত্যুৰ সময়ত পত্নসহ দুই পুত্ৰক এৰি যায়। তেওঁৰ বিয়োগত নগাঁও ননৈঘাট বজাৰ মনোৰঞ্জন গ্রুপৰ সদস্যসকল, সাহিত্যসেৱী প্রাণেশ্বৰ শর্মা মাধৱ শর্মা, আদিত বৰুৱা আদি অঞ্চলটোৰ বিভিন্ন লোকে শোক প্রকাশ কৰে।

# বঙাইগাঁও জিলা হজ কমিটী গঠন

**অগ্রদূত ব্যুৰ'**

**বঙাইগাঁও, ২৫ মে' ঃ** বঙাইগাঁও জিলা দণ্ডাধীশ কার্যালয়ৰ অধীনত বঙাইগাঁও জিলা হজ কমিটীখন গঠন কৰা হৈছে। জিলা হজ কমিটীৰ অধ্যক্ষৰূপে আছে উপায়ুক্ত নৰদ্বীপ পাঠক আৰু সদস্য অতিৰিক্ত উপায়ুক্ত পংকজ চমুৱা। তদুপৰি বঙাইগাঁও জিলা হজ কমিটীৰ সদস্য পদত আছে ক্রমে গৰাইমাৰীৰ আব্দুল কৰিম বণিয়া। চলন্তাপাৰাৰ নজৰুল হক, পঞ্চগাঁৱৰ আব্দুল হুছেইন, বঙাইগাঁৱৰ চৈয়দ নুৰ মহম্মদ, ডাঃ এম ইছলাম, মালেগড়ৰ মুফটি মহম্মদ ওমৰ ফাৰুক, কোকিলাৰ মুফটি মহম্মদ ৰফিজ উদ্দিন, অভয়াপুৰীৰ ছামছুল হুদা আৰু বঙাইগাঁৱৰ মহম্মদ আতোৱাৰ ৰহমান। বিগত ২১ মে'ত এক অধীসূচনা এই বঙাইগাঁও জিলা হজ কমিটীখন গঠন কৰা হৈছে। উল্লেখ্য যে অহা ২৮ আৰু ২৯ মে'ত উত্তৰ বঙাইগাঁও এম ই স্কুলত হজলৈ যাব খোজা হজ যাত্রীসকলৰ বাবে প্রশিক্ষণৰ ব্যৱস্থা কৰা হৈছে।

# মেৰাপানীৰ ঘনশ্যাম বৰুৱা পথৰ বিধ্বস্ত ৰূপ



## ■ জ্বলা-কলা খাইছে পথচাৰী

**অগ্রদূত বার্তা**

**মেৰাপানী, ২৫ মে' ঃ** অসম আৰু নগালেণ্ডক সংযোগ কৰা অতিকৈ গুৰুত্বপূর্ণ মেৰাপানী সীমান্তৰ ঘনশ্যাম বৰুৱা পথটোৰ জৰাজীর্ণ ৰূপে এতিয়া জ্বলাকলা খুৱাইছে পথটোৰে যাতায়াত কৰা পথচাৰীসকলক। শাসনাধিষ্ঠ মিত্রজোঁটৰ চৰকাৰখনে ৰাজ্যখনৰ সৰ্বাংগীণ উন্নয়ন হোৱা বুলি যিমানেই ফিটাহি নামাৰক কিয় ঘনশ্যাম বৰুৱা পথেৰে এবাৰ যাতায়াত কৰা যিকোনো লোকেই চৰকাৰৰ তথাকথিত উন্নয়নৰ প্ৰকৃত ছবিখন প্রত্যক্ষ কৰিব পাৰিব। মেৰাপানী সীমান্তৰ দয়ালপুৰ-গেলাবিল সংযোগী ঘনশ্যাম বৰুৱা পথটো নগালেণ্ডৰ ব্যৱসায়ীক ডিমাপুৰলৈ যোৱাৰ আটাইতকৈ চমু পথ। পথটোৰে নগালেণ্ডৰ ৱখা জিলাৰ লগতে মেৰাপানীৰ পৰা ডিমাপুৰলৈ দৈনিক হেজাৰৰো অধিক যাত্রীবাহী আৰু মালবাহী বাহন চলাচল কৰে। কিন্তু শেহতীয়াকৈ দয়ালপুৰ তিনিআলিৰ পৰা গেলাবিল দলং পর্যন্ত পকী পথছোৱাৰ বিধ্বস্ত ৰূপে যমৰ যাতনা ভোগাইছে পথচাৰীসকলক। মেৰামতিৰ অভাৱত পথছোৱাত সৃষ্টি হোৱা প্রকাণ্ড প্রকাণ্ড গাঁতসমূহৰ বাবে এতিয়া পথটোৰেদি সৰু বাহনসমূহ চলাচল কৰাত ভীষণ সমস্যাৰ সৃষ্টি হৈছে। বর্তমান পথটোৰেদি গাড়ী চলাচল কৰাতো বাদেই খোজ কাঢ়ি অহা-যোৱা কৰাটো একপ্রকাৰ কঠিন হৈ পৰিছে. বিশেষকৈ অঞ্চলটোৰ সৰুপানী, চিচুপানী, চাংখাতি আদি গাঁৱৰ পৰা ধনশিৰি মহকুমাৰ বৰপথাৰ আৰু সৰুপথাৰৰ মহাবিদ্যালয়সমূহত উচ্চ শিক্ষা গ্রহণ কৰিবলৈ যোৱা শিক্ষার্থীসকল পথটোৰ এনে বিধ্বস্ত ৰূপৰ বাবে অধিক সমস্যাত পৰিছে। উল্লেখ্য যে স্থানীয় একাংশ লোকে অভিযোগ কৰা অনুসৰি, স্থানীয় বিধায়ক তথা বিত্তমন্ত্রী অজন্তা নেওগক পথটো পুনৰ নির্মাণৰ ব্যৱস্থা কৰিবলৈ বহুবাৰ আবেদন কৰা সত্ত্বেও পথছোৱা পুনৰ নির্মাণৰ বাবে সদিচ্ছা প্রকাশ কৰা নাই। অনতিপলমে পথছোৱাৰ মেৰামতি সম্ভৱ নহ'লে বাৰিষাৰ সময়ছোৱাত পথটোৰে যাতায়াত সম্পূর্ণৰূপে বন্ধ হৈ পৰাৰ শংকাত ভউগিছে স্থানীয় অঞ্চলবাসী। পথটো অনতিপলমে মেৰামতি কৰি যাতায়াতৰ সুচল কৰি তুলিবৰ বাবে লোকনির্মাণ বিভাগৰ লগতে স্থানীয় বিধায়ক তথা বিত্তমন্ত্রী অজন্তা নেওগক আহ্বান জনাইছে মেৰাপানী সীমান্তবাসীয়ে।

# চিৰাঙত ডাইনীৰ সন্দেহত মাৰধৰৰ ঘটনাক আদিবাসী ছেংগেল অভিযানৰ গৰিহণা

**অগ্রদূত বার্তা**

**গৰুভাষা, ২৫ মে' ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও আৰক্ষী থানাৰ অন্তর্গত মোহনপুৰ গাঁৱত অলপতে একে গাঁৱৰে চাৰিজনীয়া দুষ্কৃতিকাৰীৰ দলে তিনি সন্তানৰ মাতৃ অঞ্জলি মুৰ্ম্মু নামৰ এগৰাকী মহিলাক ডাইনী সন্দেহত হত্যা কৰাৰ ঘটনা মাৰ নৌযাওঁতেই সোমবাৰে চিৰাং জিলাৰ ৰুণীখাতা আৰক্ষী থানাৰ অন্তর্গত ৰাণীপুৰত আকৌ সমৰা বাক্‌লা নামৰ এজন লোকক ডাইনী সন্দেহত মাৰপিট কৰা কার্য পোহৰলৈ অহাত আদিবাসী বিদ্বত মহলত তীব্র প্রতিক্রিয়াৰ সৃষ্টি হৈছে। এক বিজ্ঞপ্তিত আদিবাসী ছেংগেল অভিযানে কয় যে সঁচাকৈয়ে শিক্ষাৰ অভাৱত আদিবাসী সমাজত কু-সংস্কাৰ, অন্ধবিশ্বাস আৰু ডাইনী প্রথাক বিশ্বাসত লৈ সহজ-সৰল জনগোষ্ঠীটোৰ পুৰুষ-মহিলাক অমানৱীয়ভাৱে কুকুৰ-মেকুৰীৰ দৰে দিনক দিনে হত্যা কৰি থকা হৈছে। উক্ত কার্যক আদিবাসী ছেংগেল অভিযান অসম ৰাজ্যিক আৰু চিৰাং জিলা সমিতিয়ে কঠোৰ ভাষাৰে গৰিহণা দিছে। কাৰণ আধুনিক বিজ্ঞানৰ যুগত দেশৰ আন আন জাতি-জনগোষ্ঠীয়ে শিক্ষাৰ বলত আকাশমার্গলৈ যাত্রা কৰাৰ সময়তে আজি আদিবাসী সমাজত অজ্ঞতাৰ ফলত ডাইনী সন্দেহত নিৰপৰাধী সহজ-সৰল পুৰুষ-মহিলাক হত্যা কৰাটো অতিকৈ ঘৃণনীয় কার্য। ইয়াৰ বাবে চৰকাৰ সম্পূর্ণৰূপে জগৰীয়া বুলি উল্লেখ কৰি বিজ্ঞপ্তিটোত আদিম জনগোষ্ঠীটোক যি সময়ত উপযুক্ত শিক্ষাৰে শিক্ষিত কৰিব লাগিছিল, চৰকাৰে সেয়া কৰিব নোৱৰাৰ কাৰণে আজি সচাঁকৈ জনগোষ্ঠীটোৰ ভিতৰত এই বর্বৰ অমানৱীয় হত্যাকাণ্ড সংঘটিত হৈ আছে বুলি মত প্রকাশ কৰে।

# প্রাক্তন বিদ্যার্থী সমাৰোহৰ সাধাৰণ সভা

**অগ্রদূত বার্তা**

**শুৱালকুছি, ২৫ মে' ঃ** বস্ত্রনগৰী শুৱালকুছিৰ গনেশ দাস হাইস্কুলৰ প্রাক্তন বিদ্যার্থী সমাৰোহ আয়োগৰ প্রস্তুতি চলোৱা হৈছে। প্রাক্তন বিদ্যার্থী সমাৰোহ ২০২২ আয়োজনৰ পোষকতাৰে বিস্তৃত আলোচনাৰ বাবে শুৱালকুছি গনেশ দাস হাইস্কুল প্ৰাংগণত এখন সাধাৰণ সভাৰ আহ্বান কৰা হৈছে। অহা ২৯ মে'ত অনুষ্ঠিতব্য সাধাৰণ সভাত আহ্বায়ক সমিতিৰ সভাপতি শ্যামসুন্দৰ গোস্বামী আৰু সম্পাদক শিৱ প্রসাদ শর্মাই সমূহ প্রাক্তন বিদ্যার্থীৰ উপস্থিত আন্তৰিকতাৰে কামনা কৰিছে।

# চামগুৰিত পথ দুৰ্ঘটনাত নিহত, আহত দুই

**অগ্রদূত বার্তা**

**চামগুৰি, ২৫ মে' ঃ** নগাঁও জিলাৰ চামগুৰি ৰাজহ চক্র কার্যালয়ৰ সমীপৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় পথত যোৱা ২৩ মে'ৰ নিশা সংঘটিত এক পথ দুৰ্ঘটনাত এজন লোক নিহত হোৱাৰ লগতে দুজন লোক গুৰুতৰভাৱে আহত হয়। নিশা গুৱাহাটীৰ দিশৰ পৰা তেজপুৰ অভিমুখে আহি থকা এএছ-১২ এএ-৬২১৯ নম্বৰ ছুইফ্‌ট গাড়ীখনৰ লগত যোৰহাটৰ দিশৰ পৰা গুৱাহাটী অভিমুখী এএছ-০১ ই জেদ ৯০৯০ নম্বৰৰ অ' ডি গাড়ীখনৰ লগত চামগুৰিৰ ৰাজহ চক্র বিষয়াৰ কার্যালয়ৰ সন্মুখত ৰাষ্ট্ৰীয় ঘাইপথত মুখামুখি সংঘর্ষ হয়। ফলত ছুইফ্‌ট গাড়ীখনৰ প্রশান্ত শর্মা (২৮), পংকজ শর্মা (৫০), অৰুণ শর্মা (৩৮), নামৰ লোককেইজন গুৰুতৰভাৱে আহত হোৱাৰ লগতে আনখন গাড়ীৰ যাত্রীকেইজনো আহত হয়। পৰৱর্তী সময়ত ঘটনাস্থলীত আৰক্ষী আৰু স্থানীয় লোক উপস্থিত হৈ আহত কেইজনক চামগুৰি প্রাথমিক স্বাস্থ্য কেন্দ্রলৈ নিয়ে যদিও পৰৱর্তী সময়ত অৰুণ শর্মা আৰু পংকজ শর্মা নামৰ লোক দুজনক সংকটজনক অৱস্থাত উন্নত চিকিৎসাৰ বাবে নগাঁৱলৈ প্রেৰণ কৰে। সংকটজনক অৱস্থাত নগাঁৱলৈ প্রেৰণ কৰা অৰুণ শর্মা নামৰ লোকজন চিকিৎসাধীন অৱস্থাত মৃত্যু হোৱা বুলি আৰক্ষীয়ে জানিবলৈ দিয়াৰ লগতে পংকজ শর্মা নামৰ লোকজনক উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ প্রেৰণ কৰে। তেজপুৰৰ নিৱাসী পংকজ শর্মা নামৰ ৰোগীজনক কালি অৰুণ শর্মা আৰু প্রশান্ত শর্মাই গুৱাহাটীত চিকিৎসা কৰি ঘৰলৈ আহি থকা অৱস্থাত দুৰ্ঘটনাতো সংঘটিত হৈছিল।

# হাতীচোঙৰ কুঁজীডাঁহত স্বাস্থ্য সজাগতা সভা সম্পন্ন

**অগ্রদূত বার্তা**

**বেবেজীয়া, ২৫ মে' ঃ** নগাঁও জিলাৰ হাতীচোং ক্ষুদ্র প্রাথমিক স্বাস্থ্য কেন্দ্রৰ সৌজন্যত আৰু হাতীচোং মজলীয়া বিদ্যালয়ৰ সহযোগত পৰহি এখন স্বাস্থ্য সজাগতা সভা অনুষ্ঠিত হয়। বিশেষকৈ ডেংগু ৰোগৰ ওপৰত ছাত্র-ছাত্রী তথা ৰাইজক সজাগ কৰিবৰ বাবে কুজীডাঁহত অৱস্থিত হাতীচোং মজলীয়া বিদ্যালয়ত আয়োজিত সভাত সভাপতিত্ব কৰে ক্রিয়েছন ক্লাবৰ উপ-সভাপতি তথা জ্যেষ্ঠ শিক্ষক চেনাৰাম হাজৰিকাই আৰু স্বাস্থ্যকর্মী প্রিয়ংকা বৰাই উদ্দেশ্য ব্যাখ্যা কৰে। হাতীচোং ক্ষুদ্র প্রাথমিক স্বাস্থ্য কেন্দ্রৰ চিকিৎসা আৰু স্বাস্থ্য বিষয়া ডাঃ গংগোত্রী পাঠকে সভাত স্বাস্থ্য বিষয়ক বিভিন্ন দিশ সামৰি মনোগ্রাহীকৈ বক্তব্য ৰখাৰ লগতে ডেংগু ৰোগৰ পৰা ৰক্ষা পাবলৈ কেনেধৰণে সাৱধানতা ল'বলগীয়া হয় সেই সম্পর্কতো বহলাই কয়। সভাত সমল ব্যক্তিৰূপে স্বাস্থ্য বিভাগৰ ক্ষেত্র পৰিদর্শক সঞ্জীৱ শর্মায়ো বক্তব্য ৰাখে। হাতীচোং মজলীয়া বিদ্যালয়ৰ ছাত্র-ছাত্রীসকলৰ লগতে অভিভাৱক-অভিভাৱিকাসকল আৰু সমাজকর্মী নিতেন হাজৰিকা আৰু হিৰণ্য ভূঞাকে ধৰি ভালেসংখ্যক লোক উপস্থিত থকা সভাত শিক্ষক-শিক্ষয়িত্রী ক্রমে ৰুণু বৰা, দিগেন চন্দ্ৰ বৰা, দিপালী শইকীয়া, পল্লৱজ্যোতি বৰা, সমীৰ হাজৰিকা, জুৰিপ্রভা ডেকা, ডেইজী দ'লে, মৃদুপংখী বৰা, চন্দা কুমাৰী, শিল্পীশিখা বৰা, শেৱালি মহন্ত বৰা, মিনু দাস, এ এন এম ধর্মেশ্বৰী বৰা, অংগনৱাড়ী কর্মী ৰীণা বৰা, ৰিজু ভূঞা, আশাকর্মী মইনা বৰা, মৃদুলা দাস, হৰিপ্রভা দেৱী, শেৱালি বৰা আৰু জিতু বৰা আদি উপস্থিত থাকে।

# নাৰায়ণপুৰত 'দিব্যাংগ ব্যক্তিৰ অধিকাৰ' শীর্ষক পর্যালোচনা সভা



**অগ্রদূত বার্তা**

**বিহপুৰীয়া, ২৫ মে' ঃ** দিব্যাংগসকলক মানৱ সম্পদৰূপে গঢ়াৰ লক্ষ্য আগত ৰাখি নাৰায়ণপুৰত কালি 'দিব্যাংগ ব্যক্তিৰ অধিকাৰ' শীর্ষক এখন পর্যালোচনা সভা অনুষ্ঠিত হয়। নাৰায়ণপুৰ শিক্ষাখণ্ডৰ অন্তর্গত সর্বাত্মক শিক্ষা বিভাগৰ উদ্যোগত স্থানীয় জ্যোতিসংগম সমিতিৰ প্রেক্ষাগৃহত অনুষ্ঠিত কৰা পর্যালোচনা সভাত নাৰায়ণপুৰ ব্লকৰ চাৰি শতাধিক অংগনৱাড়ী কর্মীয়ে অংশগ্রহণ কৰে। নাৰায়ণপুৰ খণ্ড সর্বাত্মক শিক্ষা বিভাগৰ সমন্বয়ক মনোজ সিঙে আঁত ধৰা সভাত পর্যালোচনা আগবঢ়াই সমল ব্যক্তি পংকজ হাজৰিকা, দীপক শইকীয়া আৰু ৰিজুৱান মোল্লাই। সভাত মুখ্য অতিথিৰূপে নাৰায়ণপুৰ প্রাথমিক শিক্ষাখণ্ডৰ খণ্ড প্রাথমিক শিক্ষা বিষয়া হৰিপ্রসাদ দাসে অংশগ্রহণ কৰাৰ বিপৰীতে বিশিষ্ট অতিথিৰূপে অংশগ্রহণ কৰি বক্তব্য প্রদান কৰে জ্যোতিসংগম সমিতিৰ সভাপতি ৰেৱকান্ত শইকীয়া, ঠাকুৰ দলনি প্রাথমিক বিদ্যালয়ৰ প্রধান শিক্ষক প্রশান্তজ্যোতি বৰুৱা, সর্বাত্মক শিক্ষা বিভাগৰ জিলা গাণনিক বিষয়া নীলকমল দাস, সর্বাত্মক শিক্ষা বিভাগৰ জিলা আঁচনি বিষয়া গুণজিৎ ঠাকুৰীয়া, নাৰায়ণপুৰ ব্লকৰ দিব্যাংগ অভিভাৱক সন্মিলনৰ সভানেত্রী কমলা গগৈ আৰু জয়ন্ত কুমাৰ বৰাই। সভাত ২১টা বিষয় সম্বলিত এখন প্রচাৰ পত্রিকাও বিতৰণ কৰা হয়।

# বন্যহস্তীৰ সন্ত্রাসত সর্বহাৰা কুৰ্শ্বাপাখৰীৰ পৰিয়ালক সাহায্য প্রদান

**অগ্রদূত বার্তা**

**লক্ষীপুৰ, ২৫ মে' ঃ** বন্যহস্তীৰ সন্ত্রাসত সর্বহাৰা পৰিয়ালক তাৎক্ষণিক সাহায্য প্রদান কৰিলে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদে। গোৱালপাৰা জিলাৰ লক্ষীপুৰৰ জয়ৰামকুছি ৰাভা হাছং পৰিষদীয় সমষ্টিৰ অন্তর্গত কুৰ্শাপাখৰী গাঁৱত ক্ষতিগ্রস্ত পৰিয়ালক সাহায্য যোগান ধৰে। উল্লেখ্য যে গাঁওখনত সঘনাই চলোৱা বন্যহস্তীৰ উপদ্ৰৱত ৪৪ টা পৰিয়াল সম্পূর্ণভাৱে ক্ষতিগ্রস্ত হৈছিল। গৃহ ভাঙি তচনচ কৰাৰ লগতে নিত্য প্রয়োজনীয় সকলো বয়-বস্তু নষ্ট কৰিছিল বন্যহস্তীয়ে। একপ্রকাৰ থাকিবলৈ আশ্ৰয় নোহোৱা হৈছিল গাঁওখনৰ অধিকাংশ পৰিয়ালৰ। এনে এক দুৰ্যোগপূর্ণ মুহূর্তত যোৱা ২৩ মে'ৰ আবেলি ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদে প্রতিটো পৰিয়াললৈ সাহায্য আগবঢ়ায়। পৰিষদৰ মুখ্য কার্যবাহী সদস্য টংকেশ্বৰ ৰাভাই কুৰ্শ্বাপাখৰী গাঁৱত উপস্থিত হৈ ভুক্তভোগী পৰিয়ালবর্গৰ স'তে দুখ-দুৰ্দশাৰ বুজ লয়। পাছত, মুখ্য কার্যবাহী সদস্যৰ উপস্থিতিত বন্যহস্তীৰ আক্ৰমণত সর্বহাৰা ৪৪ টা পৰিয়ালকে ডেৰবানকৈ টিনপাত, ন্যূনতম নগদ ধন, কম্বল, আঁঠুৱা আদি সামগ্রী বিতৰণ কৰে।

# সমাজকর্মী উপেন দাসৰ মৃত্যু

**অগ্রদূত বার্তা**

**ঘগ্রাপাৰ, ২৫ মে' ঃ** নলবাৰী জিলাৰ ঘগ্রাপাৰ থানাৰ অন্তর্গত সাহপুৰ গাঁও নিবাসী, সমাজকর্মী শংকৰদেৱ সংঘৰ একনিষ্ঠ সেৱক তথা কৌতুক অভিনেতা উপেন দাস ওৰফে কাকা (৯৫)ৰ যোৱা ২৩ মে'ৰ নিশা বাৰ্ধক্যজনিত ৰোগত মৃত্যু হয়। তেওঁ ১৯২৭ত সাহপুৰগাঁৱত অতি দুখীয়া পৰিয়ালত জন্মগ্ৰহণ কৰিছিল। চৰকাৰী চাকৰি বাদ দি তেওঁ কৃষি কৰ্মত মনোযোগ দিছিল। গাঁওখনৰ লগতে অঞ্চলটোৰ প্রতিঘৰ মানুহৰ সুখ-দুখ, বিপদ-আপদ, বিয়া-সবাহ সকলোতে খা-খবৰ লৈছিল। তেওঁ সমাজখনৰ সকলো মানুহক একগোট কৰি ৰাখিছিল। অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্রতিষ্ঠানৰ জন্ম দিয়াৰ লগতে বিভিন্ন অনুষ্ঠানৰ লগত মৃত্যু আগমুহূর্তলৈ জড়িত আছিল। তেওঁৰ মৃত্যুত অঞ্চলটোৰ দল-সংগঠনে গভীৰ শোক প্রকাশ কৰে। মৃত্যুৰ সময়ত তেওঁ দুই পুত্ৰসহ বহু গুণমুগ্ধক এৰি যায়।

# পুঠিমাৰী উঃ মাঃ বিদ্যালয়ৰ মুখপত্র উন্মোচন



**অগ্রদূত বার্তা**

**কনিহা, ২৫ মে' ঃ** এখন বিদ্যালয়ৰ ছাত্র-ছাত্রীসকলে নিজৰ বিদ্যালয়ৰ প্রাচীৰ পত্রিকা বা মুখপত্ৰখনৰ জৰিয়তে বৌদ্ধিক চর্চাৰ কচৰৎ কৰিব পাৰে। বিদ্যার্থীৰ বৌদ্ধিক চর্চাৰ বাবে মুখপত্ৰখনেই আধাৰ। আমাৰ জীৱনৰ সৃষ্টিশীল কামৰ ভিতৰত সাহিত্য চর্চা অন্যতম। সাহিত্য চর্চাৰ যোগেদি নিজৰ সৃষ্টিশীল মনটোক উদ্ভাসিত কৰিব পাৰি। পৰহি পুঠিমাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বাৰ্ষিক মুখপত্র 'বিশ্বজ্যোতি' উন্মোচন কৰি দদৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্রাপ্ত অধ্যক্ষ পৰেশ বৈশ্যই এইদৰে কয়। তেওঁ আৰু কয় যে ছাত্র-ছাত্রীসকলে ছাত্র অৱস্থাৰ পৰাই দিনলিপি লিখাৰ অভ্যাস কৰা উচিত। দিনলিপিয়ে জীৱনৰ পৰৱৰ্তী সময়ত সাহিত্য সৃষ্টিৰ সমল দিয়ে বুলি তেওঁ মন্তব্য কৰে। তেওঁ কয় যে ছাত্র-ছাত্রীসকলে সদায় বুজি শিকা উচিত। কেৱল মুখস্থ বিদ্যাৰ জৰিয়তে নম্বৰহে পাব পাৰি, কিন্তু জীৱন গঢ়াৰ শিক্ষা ল'ব নোৱাৰি। শিক্ষাবিদজনে বিদ্যালয়খনৰ দুখন প্রাচীৰ পত্রিকা আৰু এখন ফটো এলবামো উন্মোচন কৰে। ইয়াৰ পাছত তেওঁ বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্রীসকলৰ লগতো এক মত বিনিময় অনুষ্ঠানত ভাগ লয়। তেওঁ কয় যে নিয়মানুবৰ্তিতা শিক্ষক-শিক্ষয়িত্রীসকলৰ বাবে অলংকাৰ। শিক্ষকসকলে নিজৰ বিদ্যালয়, ছাত্র-ছাত্রী আৰু বৃত্তিটোক ভাল পাবলৈ শিকিব লাগিব। নিজৰ বিদ্যালয়খনৰ স্বাভিমানলৈ গৌৰৱবোধ কৰিবলৈ আৰু বিদ্যালয়খনক সদায় জাকত-জিলিকা কৰি ৰাখিবলৈ বিদ্যালয় পৰিয়ালটোৰ সংকল্প থকা উচিত। বিদ্যালয়খনৰ শিক্ষক ছৈয়দ কুতুবুদ্দিন আহমেদে আঁত ধৰা উন্মোচনী সভাত বিদ্যালয়খনৰ মুখপত্র 'বিশ্বজ্যোতি'ৰ তত্ত্বাৱধায়ক হীৰেন কুমাৰ দাসে মুখপত্ৰখনৰ সম্পাদনাৰ অভিজ্ঞতা ব্যক্ত কৰে। আটকধুনীয়াকৈ প্রকাশ পোৱা বিদ্যালয়ৰ মুখপত্ৰখনত ভালেমান মূল্যৱান ৰচনা সন্নিবিষ্ট হৈছে। অনুষ্ঠানত বিদ্যালয়খনৰ অধ্যক্ষ গণেশ চন্দ্ৰ শর্মা আৰু বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি দেৱেন্দ্র ডেকা প্রমুখ্যে বিদ্যালয়ৰ ছাত্র-ছাত্রী আৰু শিক্ষক-শিক্ষয়িত্রীসকল উপস্থিত থাকে।

# দ্বাৰকুছি অঞ্চলৰ শৈক্ষিক সমস্যা সমাধানৰ দাবীত এবিএমছুৰ উপায়ুক্তক স্মাৰকপত্র প্রদান

**অগ্রদূত বার্তা**

**তামুলপুৰ, ২৫ মে' ঃ** সদৌ বিটিচি সংখ্যালঘু ছাত্র সন্থা চমুকৈ এবিএমছুৰ দ্বাৰকুছি আঞ্চলিক সমিতিয়ে কালি তামুলপুৰ জিলাৰ অন্তর্গত বৃহত্তৰ দ্বাৰকুছি অঞ্চলৰ চৰকাৰী প্রাথমিক বিদ্যালয়সমূহত প্রয়োজনীয় শিক্ষক আৰু আন্তঃগাঁথনিৰ অভাৱৰ লগতে আন আন সমস্যাবোৰ অতিশীঘ্ৰে সমাধানৰ দাবীত তামুলপুৰ জিলাৰ উপায়ুক্তক সাক্ষাৎ কৰি এখন স্মাৰকপত্র প্রদান কৰে।

স্মাৰকপত্ৰত উল্লেখ কৰা মতে, বৃহত্তৰ দ্বাৰকুছিৰ পূব দ্বাৰকুছি আদর্শ প্রাথমিক বিদ্যালয়ত ১১৯ জন ছাত্র-ছাত্রীৰ বিপৰীতে এজন শিক্ষক, দুই নম্বৰ পূব দ্বাৰকুছি আদর্শ প্রাথমিক বিদ্যালয়ত ৭৯ জন ছাত্র-ছাত্রীৰ বিপৰীতে এজন শিক্ষকে পাঠদান কৰি আছে। ফলত ছাত্র-ছাত্রীসকলে উপযুক্ত শিক্ষা গ্রহণৰ পৰা বঞ্চিত হ'ব লগা হৈছে।

আনহাতে, দুই নম্বৰ পূব দ্বাৰকুছি আদর্শ প্রাথমিক বিদ্যালয়ত আৰু ছহিদ মোজাম্মিল হক প্রাথমিক বিদ্যালয়কে ধৰি দ্বাৰকুছি অঞ্চলৰ কে'বাখনো বিদ্যালয়ত ন্যূনতম আন্তঃগাঁথনিৰো অভাৱৰ ফলত জৰাজীর্ণ ৰূপ লোৱাত প্রতিকূল বতৰত প্রায়েই পাঠদান বন্ধ থাকে। সেয়ে শিক্ষাৰ অধিকাৰ আইন ২০০৯ অনুসৰি ছাত্র-ছাত্রী অনুপাতে শিক্ষক নিযুক্তি আৰু বিদ্যালয়সমূহৰ আন্তঃগাঁথনি উন্নয়নৰ যাৱতীয় ব্যৱস্থা গ্রহণ কৰি ছাত্র-ছাত্রীৰ গুণগত শিক্ষা নিশ্চিতকৰণৰ বাবে এবিএমছুৰ দ্বাৰকুছি আঞ্চলিক সমিতিয়ে দাবী উত্থাপন কৰে। আজি স্মাৰকপত্র প্রদানৰ সময়ত দ্বাৰকুছি এবিএমছুৰ সভাপতি নাছেদ আলী, সম্পাদক কামাল হুছেইন, তামুলপুৰ জিলা এবিএমছুৰ সভাপতি বদৰুদ্দিন খানৰ লগতে কে'বাগৰাকী কর্মী উপস্থিত থাকে।

# মাটিত বহিয়েই পাঠদান গ্রহণ কৰিছে শিক্ষার্থীয়ে

## ■ বকোৰ মন্দিৰা-নিচলামাৰী মধ্য ইংৰাজী বিদ্যালয়ৰ পুতৌলগা অৱস্থা

**আলোপতি, ২৫ মে' ঃ** সমগ্র ৰাজ্যজুৰি পর্যায়ক্রমে গুণোৎসৱ চলি থকাৰ মাজতে কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তর্গত নিচলামাৰীৰ এখন বিদ্যালয়ৰ আন্তঃগাঁথনিৰ দুৰৱস্থাই ৰাজ্যৰ শিক্ষা বিভাগৰ উন্নয়নৰ পুতৌলগা অৱস্থা উদঙাই দিছে। তথ্য মতে, জিলাখনৰ ছমৰীয়া শিক্ষা খণ্ডৰ অধীনস্থ মন্দিৰা নিচলামাৰী মধ্য ইংৰাজী বিদ্যালয়ত গুণোৎসৱৰ প্রস্তুতি চলাই থকা পৰিলক্ষিত হৈছে। গুণোৎসৱৰ এনে প্রস্তুতি চলি থকাৰ সময়তে বিদ্যালয়ৰ আন্তঃগাঁথনিৰ পুতৌলগা ছবি পোহৰলৈ অহাত শিক্ষা সচেতন মহলৰ চকু কপালত উঠিছে। বিদ্যালয় গৃহটোৰ বেৰৰ জৰাজীর্ণ অৱস্থাৰ বাবে সামান্য বৰষুণ পৰিলেই ছাত্র-ছাত্রীসকলে পাঠদান গ্রহণৰ ক্ষেত্রত চৰম অসুবিধাৰ সৃষ্টি হয়। উল্লেখ্য যে বিদ্যালয়খনত কে'বামাহ পূৰ্বে দুর্বৃত্তই ডেস্ক-বেঞ্চ জ্বলাই দিয়াত ছাত্র-ছাত্রীৰ আলৈ আথানিৰ সৃষ্টি হৈছে। বিদ্যালয়খনত পর্যাপ্ত ডেস্ক-বেঞ্চ নথকাৰ বাবে একাংশ ছাত্র-ছাত্রীয়ে উপায়ান্তৰ হৈ মাটিত বহিয়েই শিক্ষা গ্রহণ কৰিব লগা হৈছে। মাটিত বস্তা পাৰি একাংশ ছাত্র-ছাত্রীয়ে মানুহ হোৱাৰ সপোন দেখিছে মন্দিৰা নিচলামাৰী মধ্য ইংৰাজী বিদ্যালয়ত। তথাপি শিক্ষা বিভাগৰ নাই কোনো গুৰুত্ব। শীঘ্ৰে বিদ্যালয়খনত পকী গৃহ আবণ্টন দিয়াৰ লগতে পর্যাপ্ত ডেস্ক-বেঞ্চৰ যাৱতীয় ব্যৱস্থা গ্রহণ কৰিবলৈ স্থানীয় ৰাইজে জিলা উপায়ুক্তৰ লগতে বিভাগীয় কর্তৃপক্ষক দাবী জনাইছে।



# দুবছৰে তাঁত বাটি কাঢ়ি স্নাতক ডিগ্ৰীধাৰী কৃষকে নাপালে ঋণ

## কৃষি ঋণৰ বিনিময়ত পাঁচ হেজাৰ দাবী চিএছপিৰ



গহপুৰত বানপীড়িত কণ কণ ছাত্ৰ-ছাত্ৰীক সাহায্য প্ৰদান আছুৰ, বুধবাৰে।

**অগ্ৰদূত বাৰ্তা**

**দুমুনিচকী, ২৫ মে' ঃ** স্নাতক ডিগ্ৰীধাৰী এজন কৃষকে ঘোচ দিব নোৱাৰাৰ বাবে দুবছৰে তাঁতবাটি কাঢ়িও কৃষিঋণ (কেচিচি) ঋণ নোপোৱাৰ অভিযোগ উত্থাপন কৰিছে দুমুনিচকীস্থ চেন্ট্ৰেল বেংকৰ বুঢ়া শাখাৰ বিৰুদ্ধে। অভিযোগ অনুসৰি, ছিপাঝাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত দুমুনিচকীস্থ চেন্ট্ৰেল বেংকত দৰং জিলাৰ বুঢ়াদৈ চপৰা গাঁৱৰ প্ৰয়াত খলিলুৰ ৰহমানৰ পুত্ৰ নুৰুল ইছলামে ২০২০ তে কৃষি ঋণৰ বাবে আবেদন কৰে। বিষ্ণুপুৰত চিএছপি চলাই থকা বিজয় ৰাজবংশী নামৰ লোকজনে কেচিচি ঋণ কৰি দিয়াৰ প্ৰতিশ্ৰুতিৰে শাখা প্ৰবন্ধকগৰাকীৰ চাহ-পানীৰ খৰচ বুলি নুৰুলৰ পৰা পাঁচ হেজাৰ টকা বিচাৰে। কৃষক নুৰুলে উক্ত ধনৰাশি দিবলৈ অপৰাগতা প্ৰকাশ কৰাত বিজয় ৰাজবংশীয়ে প্ৰতিটো মাহত ন ন তথ্য পাতি বিচাৰি কৃষক তথা শিক্ষকজনক ব্যতিব্যস্ত কৰাৰ লগতে ঋণটো কৰি দিয়াৰ প্ৰতিশ্ৰুতিৰে নিতৌ নতুন নতুন তাৰিখ দিবলৈ আৰম্ভ কৰে। এনেদৰে ২০২০ৰ পৰা বেংকটোত তাঁতবাটি কাঢ়ি ভাগৰিপৰা নুৰুলে অৱশেষত বেংকটোৰ পৰিচালিকাক তেওঁৰ ঋণটো আচলতে হ'ব নে নহয় স্পষ্টভাৱে জনাবলৈ অনুৰোধ কৰে। এই কথাতে ক্ষুব্ধ হৈ পৰিচালিকাগৰাকী আৰু চিএছপি বিজয়ে নুৰুলক ককৰ্থনা কৰি বেংকৰপৰা বাহিৰ হ'বলৈ আহ্বান জনায়। উপায়বিহীন কৃষকগৰাকীয়ে অৱশেষত সংবাদ মাধ্যমৰ ওচৰ চাপে আৰু সমস্ত ঘটনা বিবৰি কয়। এই কথাতে অধিক ক্ষুব্ধ হৈ পৰা বেংকটোৰ শাখা প্ৰবন্ধকজনে সংবাদ মাধ্যমৰ ওচৰ চপাৰ অজুহাতত তেওঁক ঋণটো দিয়া নহয় বুলি চিএছপি বিজয়ৰ জৰিয়তে অৱগত কৰে। উল্লেখ্য যে দুমুনিচকী চেন্ট্ৰেল বেংকৰ একাংশ চিএছপিয়ে ঋণ প্ৰদানৰ ক্ষেত্ৰত দালালৰ ভূমিকা গ্ৰহণ কৰি অহা বুলি পূৰ্বৰেপৰা সময়ে সময়ে অভিযোগ উত্থাপিত হৈ আহিছে। নুৰুলৰ এই ঘটনাটোৱে পূৰ্বৰ ১৩ পৃষ্ঠাত চাওক

# নেহৰু ক্লাবৰ ৰূপালী জয়ন্তী বৰ্ষৰ সাংস্কৃতিক শোভাযাত্ৰাই মুগ্ধ কৰিলে ৰাইজক




**ছয়গাঁও, ২৫ মে' ঃ** দক্ষিণ কামৰূপৰ ছয়গাঁও সমষ্টিৰ কুকুৰমাৰাত কালিৰ পৰা আৰম্ভ হৈছে নেহৰু ক্লাবৰ ৰূপালী জয়ন্তী বৰ্ষ। কুকুৰমাৰা অঞ্চলৰ সামাজিক-সাংস্কৃতিক অনুষ্ঠান নেহৰু ক্লাবৰ আজি প্ৰথম দিনাৰ কাৰ্যসূচী অনুসৰি, পুৱা বন্তি প্ৰজ্বলন কৰে একশৰণ ভাগৱতী সমাজৰ নামঘৰীয়া নৰেন চন্দ্ৰ দাসে। নেহৰু ক্লাবৰ পতাকা উত্তোলন কৰে সভাপতি মিলন দাসে। ইয়াৰ বিপৰীতে ১৩ পৃষ্ঠাত চাওক

# ভুৱা প্ৰমাণপত্ৰৰে চৰকাৰী শিক্ষকৰ নিযুক্তি লাভ

## নগাবাট জাতীয় বিদ্যালয়ৰ কৰ্তৃপক্ষৰ অজ্ঞাতেই ডাইচ ক'ড ব্যৱহাৰ কৰি উলিয়ালে ডি এল এডৰ প্ৰমাণপত্ৰ

**বিশেষ সংবাদদাতা**

**নগাবাট, ২৫ মে' ঃ** বিদ্যালয়ৰ কৰ্তৃপক্ষৰ অজ্ঞাতে কৌশলেৰে বিদ্যালয়খনৰ ডাইচ ক'ড ব্যৱহাৰ কৰি ভুৱাকৈ ডি এল এডৰ প্ৰমাণপত্ৰ উলিয়াই চৰকাৰী টে'ট শিক্ষক হিচাপে নিযুক্তি লাভ কৰাৰ জালিয়াতিৰ ঘটনা পোহৰলৈ আহিছে তিতাবৰ মহকুমাৰ নগাবাটত। ফলত শেহতীয়াকৈ শিক্ষা বিভাগৰ পুনৰীক্ষণত এই জালিয়াতিৰ তথ্য ধৰা পৰাৰ ভয়ত একাংশ নিযুক্তিপ্ৰাপ্ত শিক্ষক বৰ্তমান হাবাথুৰি খাই ফুৰাৰো গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। তথ্য মতে তিতাবৰ মহকুমাৰ নগাবাট ৰাইডাংজুৰিস্থিত নগাবাট জাতীয় বিদ্যালয়খনৰ কৰ্তৃপক্ষৰ সম্পূৰ্ণ অজ্ঞাতেই চুবুৰীয়া অঞ্চল বেকাজানৰ এজন লোকে বিদ্যালয়খনৰ ডাইচ ক'ড ব্যৱহাৰ কৰি ডি এলত ডি এল এড প্ৰমাণপত্ৰ উলিয়াবলৈ সক্ষম হৈছে। কালি দুটা বছৰৰ পাছত বিদ্যালয়খনৰ কৰ্তৃপক্ষৰ এই কথা জ্ঞাত হোৱাত স্তম্ভিত হৈ পৰাৰ লগতে বাতৰি কাকতত স্পষ্টীকৰণ দিবলগীয়া পৰিস্থিতিৰো সৃষ্টি হৈছে। ইফালে, কিছু বছৰ পূৰ্বে সেইজন লোক শিক্ষক হিচাপে এখন চৰকাৰী শিক্ষানুষ্ঠানত নিযুক্তি লাভ কৰিছে। উল্লেখ্য যে গোলাঘাট জিলাৰ মেৰাপানীৰ এখন শিক্ষানুষ্ঠানৰ পৰা লোকজনে এনেদৰে ডি এল এডৰ প্ৰমাণপত্ৰ উলিয়াবলৈ সক্ষম হৈছিল। বিদ্যালয়খনৰ নামত এনেদৰে জালিয়াতি সংঘটিত কৰা ঘটনাৰ আঁৰত শিক্ষা বিভাগৰ এটা বৃহৎ চক্ৰ জড়িত থকাৰ কথাও সচেতন মহলে সন্দেহ প্ৰকাশ কৰিছে। ইফালে, উল্লিখিত শিক্ষকজনে অলপতে নগাবাট জাতীয় বিদ্যালয়ৰ পৰা এখন ভুৱাকৈ কৰ্ম অভিজ্ঞতাৰ প্ৰমাণপত্ৰ উলিয়াবলৈ উঠি পৰি লাগিছিল। কিন্তু বিদ্যালয়খনে লোকজনক ভুৱাকৈ কৰ্ম অভিজ্ঞতাৰ প্ৰমাণপত্ৰ দিব নোখোজাত তেওঁ নিজৰ প্ৰমাণপত্ৰৰ পৰাই বিদ্যালয়খনৰ নামটো সলনি কৰাৰ প্ৰচেষ্টা চলাইছে বুলিও এক সূত্ৰই সদৰী কৰিছে। প্ৰণিধানযোগ্য যে শিক্ষক নিযুক্তিৰ লগতে ডি এল এড প্ৰমাণপত্ৰ দিয়াৰ ক্ষেত্ৰত সংঘটিত এনেধৰণৰ জালিয়াতিৰ ঘটনাই বৰ্তমান অঞ্চলটোৰ সচেতন মহলৰ চকু থৰ কৰিছে। এই ক্ষেত্ৰত এক উচিত তদন্ত বিচাৰি শিক্ষা বিভাগৰ লগতে যোৰহাট জিলা উপায়ুক্ত আৰু তিতাবৰৰ মহকুমাধিপতিৰ হস্তক্ষেপ দাবী কৰিছে নগাবাটৰ সচেতন ৰাইজে।

# দীঘেলী হাইস্কুলৰ অৱসৰপ্ৰাপ্ত দুই শিক্ষকক বিদায় সম্বৰ্ধনা

**অগ্ৰদূত বাৰ্তা**

**টিহু, ২৫ মে' ঃ** টিহুৰ দীঘেলীত অৱস্থিত উচ্চ শিক্ষাৰ অনুষ্ঠান দীঘেলী হাইস্কুলৰ সদ্য অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক কুশৰাম বড়ো আৰু বিজ্ঞান শিক্ষক পৰাগ কুমাৰ শৰ্মাক আজি বিদ্যালয়ৰ তৰফৰ বিদায় সম্বৰ্ধনা জ্ঞাপন কৰা হয়। উল্লেখ্য যে বড়োই ১৯৮৮ৰ ২৩ এপ্ৰিলত বিদ্যালয়খনত সহকাৰী শিক্ষক হিচাপে নিয়োজিত হৈ ২০১১ৰ ২৫ মে'ত প্ৰধান শিক্ষকৰ দায়িত্ব লৈ সুকলমে দায়িত্বভাৰ চলোৱাৰ পাছত ২০২২ৰ ৩১ মাৰ্চত অৱসৰ গ্ৰহণ কৰে। তদুপৰি পৰাগ কুমাৰ শৰ্মায়ো ৩১ মাৰ্চত অৱসৰ গ্ৰহণ কৰে। তেওঁৰ বিদায় উপলক্ষে বিদ্যালয়ৰ নৱনিযুক্ত প্ৰধান শিক্ষক যতীন চন্দ্ৰ বৰ্মনৰ সভাপতিত্বত অনুষ্ঠিত বিদায় সভাত বিদায়ী প্ৰধান শিক্ষক বড়ো আৰু বিজ্ঞান শিক্ষক শৰ্মাক ফুলাম গামোচা, জাপি, শৰাই, চেলেং চাদৰ, ধৰ্মগ্ৰন্থ ,ছাতি, কলম, মানপত্ৰ আদিৰে বিদায় সম্বৰ্ধনা জ্ঞাপন কৰা হয়। সহকাৰী শিক্ষক নৱ কুমাৰ বড়োৰ তত্বাৱধানত আৰু শিল্পী হেমন্ত তালুকদাৰৰ সহযোগত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে পৰিবেশন কৰা সমবেত সংগীতেৰে আৰম্ভ কৰাৰ লগতে সহকাৰী শিক্ষক সুভাষ মেধিয়ে উদ্দেশ্য ব্যাখ্যা কৰা আৰু সহকাৰী শিক্ষক আবেদ আলীয়ে আঁতধৰা সভাত বিদায়ী প্ৰধান শিক্ষক বড়োই দুটিগীত পৰিবেশন কৰি সকলোকে আপ্লুত কৰে। অৱসৰপ্ৰাপ্ত বিজ্ঞান শিক্ষক শৰ্মায়ো নিজৰ অনুভৱ ব্যক্ত কৰি শিক্ষাৰ্থীসকলক পৰামৰ্শ আগবঢ়ায়। সভাত বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ৰজনী ৰামছিয়াৰী আৰু ১৩ পৃষ্ঠাত চাওক

# হোজাইত বান কমিলেও দুৰ্গতি কমা নাই বানাক্ৰান্ত অঞ্চলৰ ঃ পথত পুখুৰী সদৃশ গাঁত

**অগ্ৰদূত বাৰ্তা**

**হোজাই, ২৫ মে' ঃ** হোজাইত বান কমিছে যদিও বানাক্ৰান্ত অঞ্চলৰ বাট-পথ বানে বিধ্বস্ত কৰাত পুখুৰী সদৃশ গাঁত হৈ পৰাত বানপীড়িত অঞ্চলৰ ৰাইজৰ দুখ-দুৰ্দশাই লগ নেৰা হৈছে। হোজাইৰ চহৰ সংযোগী হোজাই-ৰাইকাটা মুখ্য পথত বানে পুখুৰী সদৃশ গাঁত কৰাত হোজাই চহৰৰ লগত কোমৰাকাটা গাঁও পঞ্চায়তৰ বৃহত্তৰ ৰাইকাটা, ইছলামপুৰ, বিশ্বাসপাৰা, দাসপাৰা, নতুনবস্তি, চন্দনপুৰ আদি অঞ্চলৰ ৰাইজৰ যোগাযোগ সম্পূৰ্ণৰূপে ব্যাহত হৈ পৰিছে। বানৰ পাছত উদ্ভৱ হ'ব পৰা যিকোনো বেমাৰ উক্ত অঞ্চলসমূহত হ'লে হোজাইলৈ আহি উন্নত চিকিৎসা লাভৰ পৰা বঞ্চিত হোৱাৰ সম্ভাৱনাই দেখা দিয়াত অঞ্চলবাসী ৰাইজৰ মাজত শংকাই দেখা দিছে। কোমৰাকাটা গাঁও পঞ্চায়তৰ ৰাইকাটা, ইছলামপুৰসহ অন্যান্য বানাক্ৰান্ত অঞ্চলৰ ৰাইজে হোজাইৰ বিধায়ক ৰামকৃষ্ণ ঘোষক পথসমূহ পৰিদৰ্শন কৰি অনতিপলমে পথ বিধ্বস্ত হোৱা পথ বিশেষকৈ হোজাই চহৰৰ লগত সংযোগী হোজাই-ৰাইকাটা মুখ্য পথটো মেৰামতি কৰাৰ অনুৰোধ জনোৱাত বিধায়কজনে কালি মটৰ চাইকেল লৈ বানে বিধ্বস্ত কৰা পথসমূহ পৰিদৰ্শন কৰে। বিশেষকৈ ৰাইজৰ যাতায়াতৰ দুখ-দুৰ্দশা উপলব্ধি কৰি বিধায়কজনে হোজাই জিলা উপায়ুক্ত অনুপম চৌধুৰীক অৱগত কৰি প্ৰাকৃতিক দুৰ্যোগ পুঁজিৰ পৰা হোজাই-ৰাইকাটা মুখ্য পথটো মেৰামতি কৰি দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। উল্লেখ্য যে বানে বিধ্বস্ত কৰা কোমৰাকটা পঞ্চায়তৰ যাঠিওৰা গাঁৱৰ ১৫ টা পৰিয়ালৰ ভগ্ন গৃহ মেৰামতি কৰি দিব বুলিও বিধায়কজনে আশ্বাস দিয়ে।

# গুণগত শিক্ষাৰ ওপৰত গুৰুত্ব প্ৰদান উপায়ুক্তৰ

**অগ্ৰদূত বাৰ্তা**

**কাজলগাঁও, ২৫ মে' ঃ** গুণোৎসৱৰ প্ৰাক্মুহূৰ্তত কালি চিৰাং জিলা উপায়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহৰ বাসুগাঁও চহৰৰ নেহেৰু হিন্দী সমল কেন্দ্ৰৰ অধীনস্থ কে'বাখনো বিদ্যালয়ত আকস্মিকভাৱে পৰিদৰ্শন কৰে। উপায়ুক্তৰ পৰিদৰ্শন কালত তেওঁৰ লগত উপস্থিত থাকে চিৰাঙৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক তথা জিলা প্ৰাথমিক শিক্ষা বিভাগৰ বিষয়া বিজয় বৈষ্ণৱ, জিলা সমাজ কল্যাণ বিষয়া সমেশ্বৰ মুছাহাৰী আৰু জিলা সৰ্বশিক্ষা অভিযানৰ অন্যান্য বিষয়া-কৰ্মচাৰী। উপায়ুক্তজনে পোনপ্ৰথমে ৮২১ নম্বৰ ৰামকৃষ্ণ আশ্ৰম এল স্কুল পৰিদৰ্শন কৰে। সততে চৰকাৰী বিদ্যালয়সমূহৰ আন্তঃগাঁথনিৰ লগতে শৈক্ষিক পৰিৱেশ লৈ নেতিবাচক প্ৰশ্ন উত্থাপন হোৱাৰ সময়তে বাসুগাঁও চহৰৰ তিনি নম্বৰ ৱাৰ্ডত থকা ৮২১ নম্বৰ ৰামকৃষ্ণ আশ্ৰম এল পি স্কুলত প্ৰৱেশ কৰি উপায়ুক্তৰ লগতে অন্যান্য বিষয়াসকল অভিভূত হৈ পৰে। বিশেষকৈ বিদ্যালয়খনৰ শ্ৰেণীকোঠাৰ আন্তঃগাঁথনি আৰু ছাত্ৰ-ছাত্ৰীসকলৰ গুণগত শৈক্ষিক পৰিৱেশে সকলোকে আকৃষ্ট কৰিবলৈ সক্ষম হয়। উপায়ুক্ত শ্বাহে নিজে ছাত্ৰ-ছাত্ৰীৰ স'তে শিক্ষা সন্দৰ্ভত মত বিনিময় কৰে। ছাত্ৰ-ছাত্ৰীসকলে প্ৰবল উৎসাহৰ স'তে উপায়ুক্তৰ এটাৰ পাছত এটা প্ৰশ্নৰ নিৰ্ভুল উত্তৰ দিয়া পৰিলক্ষিত হয়। ছাত্ৰ-ছাত্ৰীসকলে সাধাৰণ শিক্ষাৰ উপৰি কবিতা আবৃত্তি, নৃত্য-গীত পৰিবেশন কৰি সকলোৰে মন জয় কৰিবলৈ সক্ষম হয়। চৰকাৰী বিদ্যালয় এখন গুণগত শিক্ষাদান কৰাৰ উপৰি বিদ্যালয়খন সকলো দিশ সুন্দৰভাৱে পৰিচালনা কৰাৰ ক্ষেত্ৰত প্ৰধান ১৩ পৃষ্ঠাত চাওক

# বৰষুণৰ মাজতে উচ্ছেদ অমানৱীয় কাৰ্য

## শিলসাঁকো-বৰবাৰীত উচ্ছেদ সন্দৰ্ভত মন্ত্ৰী ডাঃ পেগুৰে আলোচনা খিলঞ্জীয়া জনজাতীয় সাহিত্য সভাৰ

**অগ্ৰদূত বাৰ্তা**

**কোকৰাঝাৰ, ২৫ মে' ঃ** যোৱা ২৩ মে'ৰ দিনৰ ১১-৩০ বজাত দিছপুৰ জনতা ভৱন কাৰ্যালয় কক্ষত অসমৰ শিক্ষা, ভৈয়াম জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণী উন্নয়ন মন্ত্ৰী ডাঃ ৰণোজ পেগু আৰু খিলঞ্জীয়া জনজাতীয় সাহিত্য সভা, অসম (ইটছা)ৰ প্ৰতিনিধিৰ মাজত গুৱাহাটী মহানগৰীৰ বৰবাৰী-শিলসাঁকো অঞ্চলৰ খিলঞ্জীয়া জনজাতি বড়ো, মিচিং আৰু অসমৰ অন্যান্য খিলঞ্জীয়া অসমীয়া লোকক যোৱা ১৩ মে'ত অসম চৰকাৰৰ কামৰূপ মহানগৰ জিলা প্ৰশাসনে চলোৱা উচ্ছেদ কাম সন্দৰ্ভত আলোচনা কৰা হয়। সংগঠনটোৰ প্ৰধান সম্পাদক কমলাকান্ত মুছাহাৰীয়ে এক বিজ্ঞপ্তিযোগে কয় যে খিলঞ্জীয়া জনজাতীয় সাহিত্য সভাৰ তৰফৰ পৰা অসমৰ খিলঞ্জীয়া জনজাতীয় আৰু অন্যান্য খিলঞ্জীয়া অসমীয়া লোকসকলক ধাৰাষাৰ বৰষুণৰ মাজতেই কৰা উচ্ছেদ কাৰ্য এক অমানৱীয় কাৰ্য বুলি স্মাৰকপত্ৰযোগে প্ৰতিক্ৰিয়া প্ৰকাশ কৰা হয়। লগতে ভৈয়াম জনজাতি উন্নয়ন মন্ত্ৰীৰূপে বিশেষ উদ্যোগ গ্ৰহণ কৰি অতি জৰুৰীভাৱে মুখ্যমন্ত্ৰীৰ লগত আলোচনা কৰি খিলঞ্জীয়া জনজাতি আৰু খিলঞ্জীয়া অসমীয়া লোকৰ ওপৰত উচ্ছেদ কাৰ্য বন্ধ কৰিবলৈ দাবী জনোৱা হয়। মানৱীয় দৃষ্টিৰে ক্ষতিপূৰণ আৰু পুনৰ সংস্থাপনৰ ব্যৱস্থা ল'বলৈ মুখ্যমন্ত্ৰীৰ লগত অচিৰেই আলোচনা কৰি ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী কৰা হয়। আলোচনা কালত খিলঞ্জীয়া জনজাতীয় সাহিত্য সভাৰ তৰফৰ পৰা উক্ত অঞ্চলত বহু বছৰ ধৰি বসবাস কৰাৰ প্ৰমাণৰূপে ভোটাৰ কাৰ্ড, গুৱাহাটী পৌৰ নিগমৰ খাজনাৰ ৰচিদ আদি নথি-পত্ৰও দাখিল কৰা হয়। উল্লেখ্য যে যোৱা ২০০৮ তেই ১৩ পৃষ্ঠাত চাওক

# বিজনীত এছএছবিৰ বেটেলিয়নৰ দশম প্ৰতিষ্ঠা দিৱস ঃ ৰক্তদান



**অগ্ৰদূত ব্যুৰ'**

**বঙাইগাঁও, ২৫ মে' ঃ** সশস্ত্ৰ সীমা বল (এছএছবি)ৰ ৫৪ নম্বৰ বেটেলিয়নৰ দশম প্ৰতিষ্ঠা দিৱস উপলক্ষে বেটেলিয়নটোৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি বিজনী মহকুমাৰ আনন্দ বজাৰস্থিত মুখ্য কাৰ্যালয় চৌহদত এক ৰক্তদান শিবিৰৰ আয়োজন কৰা হয়। দেশৰ স্বাধীনতাৰ ৭৫ বছৰ পূৰ্ণ হোৱা উপলক্ষে কেন্দ্ৰীয় চৰকাৰে পালন কৰি অহা আজাদী কা অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি লগতে বেটেলিয়নটোৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপনৰ হেতু আনন্দ বজাৰস্থিত বেটেলিয়নটোৰ মুখ্য কাৰ্যালয়ত ৰক্তদান শিবিৰ আয়োজন কৰে। শিবিৰত মুখ্য অতিথিৰূপে উপস্থিত থাকে এছএছবিৰ ৫৪ নম্বৰ বেটেলিয়নৰ কমাণ্ডেণ্ট ৰাজেন্দ্ৰ ভৰদ্বাজ। তেওঁ এছএছবিৰ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন উপলক্ষে সমাজৰ হকে নতুন বাৰ্তা হিচাপে ৰক্তদান কাৰ্যসূচী গ্ৰহণ কৰাৰ কথা সদৰী কৰে। লগতে দেশে স্বাধীনতা লাভ কৰাৰ ৭৫ বছৰ পূৰ্ণ হোৱা উপলক্ষে পালন কৰি অহা 'আজাদী কা অমৃত মহোৎসৱ'ৰ কথা উল্লেখ কৰে। উল্লেখ্য যে ৫৪ নম্বৰ বেটেলিয়নৰ উদ্যোগত উদ্‌যাপন উপলক্ষে আয়োজন কৰা ৰক্তদান শিবিৰত এছএছবিৰ ৯০গৰাকী বিষয়া আৰু জোৱানে ৰক্তদান কৰে। শিবিৰত সংগ্ৰহ কৰা ৰক্তসমূহ বৰপেটা জিলা সদৰৰ বৰপেটা ফকৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয়ত ৰক্ত ভাণ্ডাৰত প্ৰদান কৰা হ'ব বুলি বেটেলিয়নটোৰ কমাণ্ডেণ্ট ৰাজেন্দ্ৰ ভৰদ্বাজে প্ৰকাশ কৰিছে। অনুষ্ঠানত বেটেলিয়নৰ দ্বিতীয় কমাণ্ডেণ্ট এছপি ভৰদ্বাজ, উপ-কমাণ্ডেণ্ট মনীষ কুমাৰসহ বৰপেটা ফকৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয়ৰ পাঁচজনীয়া চিকিৎসক, চিকিৎসা কৰ্মীৰ দল উপস্থিত থাকে।

# যোৰহাট কেন্দ্ৰীয় মহাবিদ্যালয়ত কৰ্মশালা-প্ৰদৰ্শনী

**অগ্ৰদূত বাৰ্তা**

**লাহদৈগড়, ২৫ মে' ঃ** যোৰহাট কেন্দ্ৰীয় মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগ আৰু ইনকুবেছন আৰু ইন'ভেছন কাউন্সিলৰ উদ্যোগত আজি উদ্যমিতা বিকাশ কুটীৰ আৰু কৃষিভিত্তিক উদ্যোগৰ বিশেষ উল্লেখনেৰে দিনজোৱা এক কৰ্মশালা অনুষ্ঠিত হয়। অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপক অৰূপ কুমাৰ মহন্তৰ সঞ্চালনাত অনুষ্ঠিত কৰ্মশালা উদ্বোধন কৰে অধ্যক্ষ ড° দুলেন শইকীয়া। ড° শইকীয়াই ছাত্ৰ-ছাত্ৰীসকলে পাঠ্যক্ৰমৰ অধ্যয়নৰ লগতে উদ্যমিতা বিকাশত কিদৰে মনোনিবেশ কৰিব লাগে সেই সম্পৰ্কত এক চমু ভাষণ প্ৰদান কৰে। ইয়াৰ পাছতে পাঞ্চজন্য কুটীৰ উদ্যোগৰ স্বত্বাধিকাৰী অবিনাশ হাজৰিকাই ১৩ পৃষ্ঠাত চাওক

# দিহা চাহ বাগিচাত প্ৰতিষ্ঠা দিৱসৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**কাকজান, ২৫ মে' ঃ** লাহদৈগড়স্থিত দিহা চাহ বাগিচাত ২০০৯ত স্থাপিত দিহা দেৱস্থানত ত্ৰয়োদশ প্ৰতিষ্ঠা দিৱস অহা ২৭, ২৮ মে'ত দুদিনীয়া কাৰ্যসূচীৰে উদ্‌যাপন কৰিবলৈ স্থিৰ কৰিছে। প্ৰতিষ্ঠা দিৱসটোৰ লগত সংগতি ৰাখি বিভিন্ন ধৰ্মীয় কাৰ্যসূচী অনুষ্ঠিত হ'ব।

# তেজপুৰৰ সমাজকৰ্মী, পৌৰ সদস্য শ্বেৰ আলমৰ বিয়োগ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ২৫ মে' ঃ** এগৰাকী নিভাঁজ সমাজকৰ্মী তথা তেজপুৰ পৌৰসভাৰ এক নম্বৰ পৌৰখণ্ডৰ নিৰ্বাচিত পৌৰ সদস্য শ্বেৰ আলম (৬৭)ৰ যোৱা নিশা বাংগালুৰুৰ এখন চিকিৎসালয়ত আকস্মিক বিয়োগ ঘটাত তেজপুৰত শোকৰ ছাঁ পৰিছে। ১৯৫৫ৰ ১৩ জানুৱাৰীত জন্মগ্ৰহণ কৰা আলম তেজপুৰৰ এজন জনপ্ৰিয় সমাজকৰ্মী আছিল। উল্লেখ্য যে কটন ৰ'ড নিবাসী আলমে দুবাৰকৈ তেজপুৰ পৌৰ সভাৰ সদস্য হিচাপে বিজয়ী হৈছিল। অঞ্চলটোৰ প্ৰতিটো পৰিয়ালৰ স'তে সহৃদয়তাপূৰ্ণ সম্পৰ্ক ৰক্ষা কৰা আলম এজন মানৱতাবাদী ব্যক্তি আছিল আৰু এগৰাকী হিন্দু কন্যাক শিশু অৱস্থাৰ পৰাই পিতৃ হিচাপে পালন কৰাৰ বিপৰীতে আলমে তেওঁৰ সেই কন্যাক সম্পূৰ্ণ হিন্দু ৰীতি-নীতি পালনৰ সুযোগ দিয়াৰ লগতে উপযুক্ত সময়ত হিন্দু নিয়ম অনুসৰিয়েই বিয়া দিয়ে। এই বিয়াখনৰ তথা আলমৰ এই মানৱতাবাদী কাৰ্যৰ বিষয়ে সেই সময়ত ৰাজ্যজুৰি চৰ্চিত হৈছিল। এসময়ত কংগ্ৰেছ দলৰ এজন একনিষ্ঠ কৰ্মী হিচাপে পৰিচিত আলমে প্ৰথমবাৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী হিচাপেই পৌৰসভালৈ নিৰ্বাচিত হয়। পৌৰ আইনৰ বিষয়ে প্ৰচুৰ অধ্যয়ন থকা আলমে পাছত কংগ্ৰেছ দল ত্যাগ কৰে। উল্লেখ্য যে তেওঁ তেজপুৰৰ এক নম্বৰ পৌৰ অঞ্চলত সৰ্বসাধাৰণৰ মাজত এনেদৰে জনপ্ৰিয় আছিল যে বিজেপিৰ প্ৰবল ঢৌ সত্ত্বেও নিৰ্দলীয় হিচাপে প্ৰতিদ্বন্দ্বিতা কৰা আলম পুনৰ নিৰ্বাচিত হয়। সকলো শ্ৰেণীৰ মানুহৰ স'তে সমব্যৱহাৰ কৰা মানৱদৰদী লোকজন যোৱা কিছুদিন ধৰি অসুস্থ হৈ আছিল। হৃদযন্ত্ৰৰ অস্ত্ৰোপচাৰৰ বাবে ১৩ পৃষ্ঠাত চাওক

# পশ্চিম গুৱাহাটীত কংগ্ৰেছৰ পৰা পদত্যাগ

**অগ্ৰদূত বাৰ্তা**

**আজাৰা, ২৫ মে' ঃ** পশ্চিম গুৱাহাটী বিধানসভা সমষ্টিৰ অন্তৰ্গত ৰাণী উন্নয়ন খণ্ডত অঞ্চলত পুনৰ কংগ্ৰেছৰ পৰা পদত্যাগ কৰিলে নেতা-কৰ্মীয়ে। গুৱাহাটী মহানগৰ জিলাৰ কংগ্ৰেছ কমিটীৰ প্ৰাক্তন উপ-সভাপতি, ৰাণী ব্লক কংগ্ৰেছ কমিটীৰ প্ৰাক্তন সভাপতি তথা আজাৰা গাঁও পঞ্চায়তৰ প্ৰাক্তন সভাপতি প্ৰবীণ মেধিৰ লগতে আজাৰা গাঁও পঞ্চায়তৰ প্ৰাক্তন সদস্য দ্বীজেন বড়াই দলটোৰ পৰা পদত্যাগ কৰিছে। কাকতলৈ প্ৰেৰণ কৰা এক বিবৃতিযোগে তেওঁলোকে সদৰী কৰে যে ভাৰতীয় জাতীয় কংগ্ৰেছৰ বৰ্তমানৰ কাম-কাজত অসন্তুষ্টি প্ৰকাশ কৰি দলটোৰ বিষয়বাব তথা প্ৰাথমিক সদস্যৰ পৰা পদত্যাগ কৰিছে।

# মাকৰীত চোৰাং শিলভৰ্তি ট্ৰাক-ডাম্পাৰ জব্দ

## কেম্পবজাৰৰ পৰা অবৈধ কাঠফলা কল উৎখাত

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ২৫ মে' ঃ** গোৱালপাৰা জিলাত অব্যাহত আছে বনজ সম্পদৰ চোৰাং কাৰবাৰ। ইয়াৰে সত্যতা প্ৰমাণিত কৰি যোৱা ২৩ মে'ৰ নিশা ১৭ নম্বৰ ৰাষ্ট্ৰীয় পথৰ মাকৰীৰ পৰা গোৱালপাৰা আঞ্চলিক বন বিভাগে ৰাজহ ফাকিৰে শিল কঢ়িওৱা ট্ৰাক এখনৰ লগতে এখন ডাম্পাৰ জব্দ কৰে। চালানতকৈ অধিক শিল কঢ়িয়াই নিয়াৰ বাবেই এ পি-৩৯ ইউ-৫৬৭৭ নম্বৰৰ এখন ট্ৰাক আৰু এ এছ-১৯ এ চি-৪৬২৭ নম্বৰৰ এখন ডাম্পাৰ জব্দ কৰি গোৱালপাৰা বন সংমণ্ডল প্ৰাধিকাৰী বিষয়াৰ কাৰ্যালয়লৈ আনে। ইপিনে, আজি দিনৰ ভাগতে বন বিভাগে অভিযান চলাই জিলাখনৰ ডুবাপাৰা বন খণ্ডৰ অন্তৰ্গত কেম্পবজাৰৰ পৰা এটা অবৈধ কাঠফলা কল উৎখাত কৰাৰ লগতে কলটোত ফালিবলৈ মজুত কৰি ৰখা বৃহৎ পৰিমাণৰ চোৰাং কাঠ জব্দ কৰিবলৈ সক্ষম হয়। জব্দকৃত চোৰাং কাঠখিনিৰ বজাৰ মূল্য প্ৰায় ৩০ হেজাৰ টকা হ'ব বুলি গোৱালপাৰাৰ বনাঞ্চলিক বিষয়া জগন্নাথ আগৰৱালাই জানিবলৈ দিয়ে। উল্লেখ্য যে গোৱালপাৰা জিলাৰ বিভিন্ন প্ৰান্তত অবৈধ কাঠফলা কলৰ লগতে শিল, বালি, মাটি, চেণ্ডগ্ৰেভেল, বল্ডাৰ আদিৰ ৰমৰমীয়া ব্যৱসায় চলি থকা বুলি দীৰ্ঘদিনৰ পৰাই ৰাজহুৱা অভিযোগ উত্থাপিত হৈ আহিছে। ফলত এফালে চৰকাৰে লাখ লাখ টকা ৰাজহ হেৰুৱাবলগীয়া হোৱাৰ বিপৰীতে আনফালে একাংশ বিভাগীয় বিষয়া-কৰ্মচাৰীয়ে নিজৰ পকেট গৰম কৰিবলৈ সক্ষম হোৱা বুলিও এক গুৰুতৰ অভিযোগ উত্থাপিত হৈছে।

# মহিলাৰ দিহানাম প্ৰতিযোগিতাৰ ফলাফল ঘোষণা

**অগ্ৰদূত বাৰ্তা**

**আজাৰা, ২৫ মে' ঃ** আজাৰাৰ কাঁহিকুছিস্থিত শ্ৰীমন্ত শংকৰদেৱ কৃষ্টি বিকাশ সমিতিৰ সোণালী জয়ন্তী উৎসৱৰ লগত সংগতি ৰাখি আয়োজন কৰা মহিলাৰ দিহা নাম প্ৰতিযোগিতাৰ ফলাফল ঘোষণা কৰা হৈছে। প্ৰতিযোগিতাত বোন্দাৰ মহাগৌৰী নামতী দলে প্ৰথম, গীতানগৰৰ নবোদয় শিল্পী সমাজ দলে দ্বিতীয় আৰু চাংসাৰিৰ মিলিজুলি দিহানাম দলে তৃতীয় স্থান লাভ কৰে। প্ৰতিযোগিতাত শ্ৰেষ্ঠ নামতী স্থান লাভ কৰে মহাগৌৰী নামতী দলৰ মিনতি দেৱীয়ে। প্ৰতিযোগিতাৰ বিজয়ীসকলক সোণালী জয়ন্তীৰ সামৰণি অনুষ্ঠানত বঁটাসমূহ প্ৰদান কৰা হ'ব বুলি উদ্যোক্তাসকলে জনাইছে।

# চাহ বাগিচাত শিক্ষাৰ সোণালী যুগৰ সূচনা

## ■ মঙলদৈ টাংনী চাহ বাগিচা আদৰ্শ হাইস্কুল উদ্বোধন



**বিশেষ সংবাদদাতা**

**মঙলদৈ, ২৫ মে' ঃ** অসমৰ চাহ বাগিচাসমূহত জ্ঞান অন্বেষণৰ এক নতুন অধ্যায় মুকলি কৰি ৰাজ্য চৰকাৰৰ অভিলাষী আঁচনিৰ অন্তৰ্গত ৰাজ্যৰ ৯৬খন চাহ বাগিচা অঞ্চলত নৱনিৰ্মিত উচ্চ মাধ্যমিক বিদ্যালয়ৰ কেন্দ্ৰীয়ভাৱে শোণিতপুৰৰ পৰা ড° হিমন্ত বিশ্ব শৰ্মাই আজি চাৰিদিনীয়া উদ্বোধনী অনুষ্ঠানৰ আৰম্ভ কৰে। ইয়াৰে অন্তৰ্গত দৰং জিলাৰ টাংনী চাহ বাগিচাত নৱনিৰ্মিত আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়খনৰ আজি উদ্বোধন কৰে মঙলদৈ লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়াই। উদ্বোধনী অনুষ্ঠানত নলবাৰীৰ বিধায়ক তথা মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব জয়ন্ত মল্ল বৰুৱা, মঙলদৈৰ বিধায়ক বসন্ত কুমাৰ দাস, ছিপাঝাৰৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশী, অসম মীন উন্নয়ন নিগমৰ অধ্যক্ষ গুৰুজ্যোতি দাস, দৰং জিলাৰ উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মা প্ৰমুখ্যে বহু ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত সাংসদ শইকীয়াই কয় যে অসম ১৩ পৃষ্ঠাত চাওক

# শিৱসাগৰত বিশ্ব জৈৱ বৈচিত্ৰ্য দিৱস উদ্‌যাপন

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ২৫ মে' ঃ** নেচাৰ্ছ বেকনৰ ৰংপুৰ আঞ্চলিকৰ উদ্যোগত ৪০২ নম্বৰ টেক্সি মঠাদাং সাধনা প্ৰাথমিক বিদ্যালয় আৰু সাধনা শাখা আৰ্ট স্কুলৰ সহযোগত বিদ্যালয়খনত বিশ্ব জৈৱ বৈচিত্ৰ্য দিৱস উদ্‌যাপন কৰা হয়। বিদ্যালয়ৰ প্ৰধান শিক্ষক আশ্ৰফ আলীয়ে সভাপতিত্ব কৰা আৰু নেচাৰ্ছ বেকনৰ সমন্বয়ক ব্ৰজেন ফুকনে উদ্দেশ্য ব্যাখ্যা কৰা সভাত নেচাৰ্ছ বেকনৰ মুখ্য সমন্বয়ৰক্ষী জেহিৰুদ্দিন খানে বন্যপ্ৰাণী, কীট-পতংগ, চৰাই-চিৰিকটি, গছ-লতিকাৰ সংৰক্ষণৰ বিষয়ে সহজ-সৰল ভাষাত ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলক বুজাই কয়। দিৱসৰ লগত সংগতি ৰাখি চিত্ৰাংকন প্ৰতিযোগিতাত স্থান লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলক পুৰস্কৃত কৰে। প্ৰকৃতি পৰিৱেশ সম্পৰ্কীয় তাৎক্ষণিক কুইজ প্ৰতিযোগিতাৰ আঁত ধৰে ১৩ পৃষ্ঠাত চাওক

# ঠেঙাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহীক ৰাজহুৱা সম্বৰ্ধনা

**অগ্ৰদূত বাৰ্তা**

**মেলামাটি, ২৫ মে' ঃ** মেলামাটি গাঁও পঞ্চায়ত বিজেপিৰ উদ্যোগত এলেংগী চাৰিআলিৰ সমীপৰ ৰাজহুৱা প্ৰেক্ষাগৃহত যোৱা ২২ মে'ত ঠেঙাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ নৱনিৰ্বাচিত মুখ্য কাৰ্যবাহী সদস্য প্ৰতাপ কছাৰীক ৰাজহুৱাভাৱে সম্বৰ্ধনা জ্ঞাপন কৰে। সেই উদ্দেশ্যেই ৰুণুমী কলিতাৰ পৌৰোহিত্যত অনুষ্ঠিত সভাৰ আঁত ধৰে হেমন্ত গগৈয়ে। সভাখনত তিতাবৰ সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা বিজেপি যোৰহাট জিলাৰ সভাপতি হেমন্ত কলিতাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি ৰাইজৰ বিভিন্ন সমস্যাৱলী সমাধানৰ ক্ষেত্ৰত চৰকাৰী আঁচনি সন্দৰ্ভত বক্তব্য ৰাখে। সভাত ঠেঙাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰতাপ কছাৰীক দল আৰু ৰাইজে সম্বৰ্ধনা জনায়। বিজেপিৰ বৰহোলা মণ্ডলৰ উপ-সভাপতি ৰবীন বৰা, চাহ জনগোষ্ঠী মৰ্চাৰ ৰাজ্যিক সমিতিৰ সদস্য ৰাজেন গঞ্জু, বিজেপিৰ জ্যেষ্ঠ কাৰ্যকৰ্তা মুনিন্দ্ৰ নাথ দত্ত, সমাজকৰ্মী ৰাজেন কটকী, অনন্ত বৰা প্ৰমুখ্যে ব্যক্তিসকলেও বক্তব্য প্ৰদান কৰে। ইফালে, একেখন সভাতে বিজেপিৰ যোৰহাট জিলাৰ নৱনিযুক্ত সভাপতি হেমন্ত কলিতাকো সম্বৰ্ধনাপত্ৰ-ফুলাম গামোচাৰে ৰাজহুৱা সম্বৰ্ধনা জনায়। বিজেপিৰ বৰহোলা মণ্ডলৰ সভানেত্ৰী প্ৰমীলা সোণোৱাল, ঠেঙাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ সদস্য শ্যামল কৃষ্ণ বৰা, মেলামাটি গাঁও পঞ্চায়ত বিজেপিৰ বুথ সমিতিৰ বিষয়ববীয়াসকলে সভাত অংশগ্ৰহণ কৰে।

# দুবছৰে তাঁত বাটি কাঢ়ি স্নাতক ডিগ্ৰীধাৰী

*১২ পৃষ্ঠাৰ পৰা* অভিযোগসমূহৰ সত্যতাকে প্ৰমাণ কৰিছে বুলি সচেতন সমাজে মন্তব্য কৰিছে। অকল এয়াই নহয় ’ভূতৰ ওপৰত দানব পৰা দি’ বেংকটোৰ লেন-দেন সম্পৰ্কীয় কামতো দুই-এজন লোকে দালালৰ ভূমিকাত অৱতীৰ্ণ হৈ সাধাৰণ গ্ৰাহকসকলক অতিষ্ঠ কৰি অহাৰো অভিযোগ উঠিছে বেংকটোৰ দুমুনিচকীস্থ শাখাটোৰ বিৰুদ্ধে। দালালসকলে লাইনত থকা গ্ৰাহকক ঠেলি-হেচি নিজৰ গুৰুত্বৰ গ্ৰাহকসকলক প্ৰথমে ধন মোকলাই দিয়ে যাৰবাবে প্ৰতিদিনে বেংকটোত খেলি-মেলিৰ সৃষ্টি হয়।

# দীঘেলী হাইস্কুলৰ অৱসৰপ্ৰাপ্ত দুই

*১২ পৃষ্ঠাৰ পৰা* উপ-সভাপতি বিজুকণ বড়ো, সাংবাদিক অজিত কুমাৰ শৰ্মা, শিক্ষক-শিক্ষয়িত্ৰী ক্ৰমে পদুমী বৰ্মন,আবেদ আলী, মনালী বৰ্মন, নৰ কুমাৰ বড়ো, সুভাষ মেধি, ছাত্ৰ-ছাত্ৰী ক্ৰমে সাধাৰণ সম্পাদক ঋত্বিক আলম, ছানিয়া য়াছমিন, মমী বেগম আদিয়ে বক্তব্য ৰাখে। উল্লেখ্য যে আন এগৰাকী সদ্য অৱসৰপ্ৰাপ্ত শিক্ষক ধীৰেন বড়োকো এই সভাতে বিদায় সম্বৰ্ধনা জ্ঞাপন কৰিবলগীয়া আছিল যদিও তেওঁ ৰাজ্যৰ বাহিৰলৈ যোৱা বাবে উপস্থিত থাকিব নোৱাৰিলে। সভাত শিক্ষক নৰ কুমাৰ বড়ো, শিল্পী জিতেন স্বৰ্গীয়াৰী আৰু কে’বাগৰাকী ছাত্ৰ-ছাত্ৰীয়ে নৃত্য-গীত পৰিবেশন কৰি সকলোকে আপ্লুত কৰে।

# শিৱসাগৰত বিশ্ব জৈৱ বৈচিত্ৰ্য দিৱস

*১২ পৃষ্ঠাৰ পৰা* নেচাৰ্ছ বেকনৰ মুখ্য সমন্বয়ৰক্ষী জেহিৰুদ্দিন খানে। সভাত বিশিষ্ট অতিথি আকাশ দুৱৰী, খগেন বকতিয়াল, আমন্ত্ৰিত অতিথি সাংবাদিক প্ৰাঞ্জল পূজাৰীয়ে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক তথা অভিভাৱকসকলক সাৱলীল বক্তব্যৰে আপ্লুত কৰে। সভাৰ সভাপতি সাধনা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক আলীয়ে। ‘বিশ্ব জৈৱ বৈচিত্ৰ্য দিৱস’ বিদ্যালয়ত আয়োজন কৰি ছাত্ৰ-ছাত্ৰীসকলক জৈৱ বৈচিত্ৰ্য তথা প্ৰকৃতি পৰিৱেশ সংৰক্ষণ সম্পৰ্কত বহু নজনা কথা জানিবলৈ দিয়াৰ বাবে নেচাৰ্ছ বেকনৰ শলাগ লয় আৰু ধন্যবাদ জ্ঞাপন কৰে। সাধনা শাখা আৰ্ট স্কুলৰ শিক্ষক বাবুল আলী, শিক্ষয়িত্ৰী চমিমা বেগম, নেচাৰ্ছ বেকনৰ সমন্বয়ক মুছফিক হাজৰিকাৰ লগতে বিদ্যালয় শিক্ষক-শিক্ষয়িত্ৰী, অভিভাৱকসকল উপস্থিত থাকি ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰে।

# চাহ বাগিচাত শিক্ষাৰ সোণালী যুগৰ

*১২ পৃষ্ঠাৰ পৰা* চৰকাৰৰ ৯৬খন চাহ বাগিচাত আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় স্থাপনৰ এই যুগান্তকাৰী পদক্ষেপৰ ফলত চাহ বাগিচাসমূহত শিক্ষাৰ সোণালী যুগৰ সূচনা হ’ল। এই অভিলাষী আঁচনিৰ দ্বাৰা চাহ জনগোষ্ঠীৰ অনগ্ৰসৰতাৰ পৰিৱেশৰ আমূল পৰিৱৰ্তন ঘটিব বুলি তেওঁ কয়। সাংসদ শইকীয়াই লগতে টাংনী চাহ বাগিচা আদৰ্শ হাইস্কুলক গুণগত শিক্ষাৰ এক উন্নত প্ৰতিষ্ঠান হিচাপে গঢ় দিবলৈ সকলোকে আহ্বান জনায়। নলবাৰীৰ বিধায়ক মল্ল বৰুৱাই অনুষ্ঠানত কয় যে অসমৰ ১১৯খন চাহ বাগিচাত হাইস্কুল স্থাপন কৰিবলৈ লোৱাটো মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন ৰাজ্য চৰকাৰৰ এক যুগান্তকাৰী পদক্ষেপ আৰু ইয়াৰ ফলত বাগিচাসমূহত শৈক্ষিক উত্তৰণৰ এক নতুন বাতাবৰণৰ সৃষ্টি হ’ব। চাহ জনগোষ্ঠীৰ শিক্ষা, স্বাস্থ্য আদি সকলো ক্ষেত্ৰতে উন্নয়ন সাধন কৰিবলৈ অসম চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিছে বুলি তেওঁ কয়। দৰং জিলাৰ উপায়ুক্ত শৰ্মাই আদৰণি ভাষণ প্ৰদান কৰা আৰু শিল্পী প্ৰাঞ্জল কুমাৰ শৰ্মাই আঁত ধৰা অনুষ্ঠানত মঙলদৈ সমষ্টিৰ বিধায়ক বসন্ত কুমাৰ দাসেও ভাষণ প্ৰদান কৰে আৰু শিক্ষা খণ্ডৰ উন্নয়নৰ লগত জড়িত বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰে।

# নেহৰু ক্লাবৰ ৰূপালী জয়ন্তী বৰ্ষৰ

*১২ পৃষ্ঠাৰ পৰা* ৰূপালী জয়ন্তীৰ পতাকা উত্তোলন কৰে উদ্‌যাপন সমিতিৰ সভাপতি যাদৱ দাসে। তাৰ পাছতে ২৫খন পতাকা উত্তোলন কৰা হয়। স্মৃতি তৰ্পণ কৰে কাৰ্যকৰী সভাপতি নয়ন কুমাৰ দাসে। বৃক্ষৰোপণ কৰে কুকুৰমাৰাৰ বন বিষয়া ধৰ্মেন্দ্ৰ বৰুৱা, গুৱাহাটী জিলা অনুসূচিত জাতি উন্নয়ন ব’ৰ্ডৰ উপাধ্যক্ষ অমৰেন্দ্ৰ দাসে। ৰূপালী জয়ন্তী উৎসৱৰ মূল তোৰণৰ উদ্বোধন কৰে কুকুৰমাৰা গাঁৱৰ জিতেন দাসে। বাৰেৰহণীয়া বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰে কণ্ঠশিল্পী অনুপম শইকীয়াই। কুকুৰমাৰা গাঁৱৰ পৰা ৰাষ্ট্ৰীয় পথেৰে উলিওৱা শোভাযাত্ৰাত বিজেপিৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সদস্য হিৰণ্য দাস, অসম কৃষি বিপণন পৰিষদৰ উপাধ্যক্ষ জয়ন্ত ডেকায়ো অংশগ্ৰহণ কৰে। খেল বিভাগ আৰু সাহিত্য বিভাগৰ প্ৰতিযোগিতাসমূহৰ উদ্বোধন কৰে লংকেশ্বৰ হাজৰিকা আৰু ডাকেশ্বৰ দাসে। প্ৰদৰ্শনীৰ ক্ষেত্ৰ মুকলি কৰে গিৰিন কৈৱৰ্তই। শ্ৰদ্ধাঞ্জলি তৰ্পণ কৰে গাঁৱৰ সভাপতি জগদীশ দাস, উপ-সভাপতি সত্য দাস, কামদেৱ দাস আৰু পঞ্চায়ত সদস্য বিভা দাসে। অস্থায়ী কাৰ্যালয় উদ্বোধন কৰে পঞ্চায়ত সদস্য দেৱেশ্বৰ দাসে। ৰভা উদ্বোধন কৰে গাঁৱৰ জ্যেষ্ঠ নাগৰিক অৰুণ চন্দ্ৰ দাসে। ৰূপালী জয়ন্তীৰ মঞ্চ আৰু সাংস্কৃতিক মঞ্চ মুকলি কৰে ক্ৰমে সাবিত্ৰী দাস আৰু গাঁও প্ৰধান জনক দাসে। কাইলৈ সন্ধিয়াৰ বিশেষ আকৰ্ষণ জুবিন গাৰ্গ।

# তেজপুৰৰ সমাজকৰ্মী, পৌৰ সদস্য শ্বেৰ

*১২ পৃষ্ঠাৰ পৰা* বাংগালুৰুৰ নাৰায়ণ হৃদয়ালয় চিকিৎসালয়ত চিকিৎসাধীন হৈ থকা আৰু ইয়াতে সফলতাৰে অস্ত্ৰোপচাৰ সম্পন্ন হোৱাৰ পাছত এক পৃথক সংক্ৰমণৰ ফলত হাঁহিমুখীয়া আৰু এজন অজাত শত্ৰু ব্যক্তি হিচাপে পৰিচিত আলমৰ যোৱা নিশা ১০-৪০ বজাত চিকিৎসাধীন অৱস্থাতে বিয়োগ ঘটে। উল্লেখ্য যে আলমে শেহতীয়াকৈ পৌৰ নিৰ্বাচনত বিজয়ী হোৱাৰ পাছত অগপ দলত যোগদান কৰিছিল। প্ৰতিটো ৰাজনৈতিক দলৰ নেতা-কৰ্মীৰ মাজত আদৰ তথা সমাদৰ লাভ কৰা এইজন জনপ্ৰিয় ব্যক্তিৰ আকস্মিক বিয়োগৰ বাতৰিয়ে তেজপুৰৰ বহুসংখ্যক লোকক মৰ্মাহত কৰিছে। তেওঁৰ বিয়োগত তেজপুৰৰ বিধায়ক পৃথ্বিৰাজ ৰাভা, তেজপুৰ পৌৰ সভাৰ পৌৰপতি প্ৰজ্ঞানু ভট্টাচাৰ্য, প্ৰাক্তন পৌৰপতি আলাউদ্দিন আহমেদ, নগৰ উন্নয়ন কৰ্তৃপক্ষৰ সভাপতি বিৰাজ নাথ, অসম প্ৰদেশ কংগ্ৰেছৰ উপসভাপতি মাধুৰ্য গোস্বামী, তেজপুৰ পৌৰসভাৰ প্ৰাক্তন উপপৌৰপতি সত্যজিৎ স্বৰ্গীয়াৰী, বিশিষ্ট প্ৰকৃতি আৰু বন্যপ্ৰাণী সুৰক্ষা কৰ্মী সৌৰভ বৰকটকী, শোণিতপুৰ জাৰ্ণেলিষ্ট ইউনিয়নৰ সাধাৰণ সম্পাদক মনোজ কুমাৰ শইকীয়া প্ৰমুখ্যে বহু সংখ্যক ব্যক্তিৰ লগতে বিভিন্ন অনুষ্ঠানে শোক প্ৰকাশ কৰিছে। বিয়োগৰ সময়ত আলমে আত্মীয় তথা বহু সংখ্যক গুণমুগ্ধক এৰি গৈছে।

# গুণগত শিক্ষাৰ ওপৰত গুৰুত্ব প্ৰদান

*১২ পৃষ্ঠাৰ পৰা* শিক্ষক প্ৰভাত কুমাৰৰ ভূমিকাক শলাগ লয়। সমান্তৰালভাৱে বিদ্যালয়ৰ সহ শিক্ষক-শিক্ষয়িত্ৰীৰ লগতে পৰিচালনা সমিতিৰ সভাপতি অখিল প্ৰধান আৰু মাতৃ গোটৰ সহযোগিতাৰ বাবে উপায়ুক্তই ভূয়সী প্ৰশংসা কৰে। পৰিদৰ্শনৰ অন্তত উপায়ুক্তজনে কয় যে চৰকাৰী বিদ্যালয়ৰ শৈক্ষিক পৰিৱেশ বেচৰকাৰী বিদ্যালয় এখনৰ তুলনাত নিম্নমানৰ হয় বুলি যি এটা ধাৰণা সমাজত প্ৰচলিত আছে, সেই ধাৰণা ভুল বুলি প্ৰমাণিত কৰে বাসুগাঁৱৰ এই ৮২১ নম্বৰ ৰামকৃষ্ণ আশ্ৰম এল পি স্কুলে। যদি আমাৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু অভিভাৱকসকলে ইচ্ছাশক্তি প্ৰয়োগ কৰে তেনেহ’লে জিলাখনৰ প্ৰতিখন বিদ্যালয়ৰ ৰামকৃষ্ণ আশ্ৰম এল পি স্কুলৰ দৰে কৰিব পাৰি বুলি গুৰুত্বপূৰ্ণ মন্তব্য কৰে। তেওঁ আগন্তুক সময়ত এইখন বিদ্যালয়ৰ বাবে বিশেষ সহায়-সহযোগ আগবঢ়াব বুলি আশ্বাস প্ৰদান কৰে। তাৰ পাছত বাসুগাঁও চহৰৰ চাৰি নম্বৰ ৱাৰ্ডৰ ভটিয়াপাৰা মাছুৱাবালাপাৰা এ মই স্কুল চৌহদত নতুনকৈ নিৰ্মাণ কৰি উলিওৱা অংগনৱাড়ী কেন্দ্ৰ এটাৰ আনুষ্ঠানিক উদ্বোধন কৰে। উক্ত বিদ্যালয়তো ছাত্ৰ-ছাত্ৰীসকলৰ স’তে উপায়ুক্তজনে মত বিনিময় কৰে আৰু ছাত্ৰ-ছাত্ৰীৰ স’তে মজিয়াত একেলগে বহি মধ্যাহ্ন ভোজন গ্ৰহণ কৰে। উল্লেখ্য যে আগন্তুক গুণোৎসৱৰ প্ৰাক্‌মুহূৰ্তত ক’ভিড পৰিস্থিতিৰ কাৰণে বিগত দুটা বছৰত শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলে যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছিল তাৰ প্ৰতি লক্ষ্য ৰাখিয়েই সমগ্ৰ চিৰাং জিলাৰ প্ৰতিখন বিদ্যালয়ত প্ৰথম শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক বিশেষ পাঠদানৰ ব্যৱস্থা কৰি উপায়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহৰ প্ৰচেষ্টাত মিছন কেচআপৰ আৰম্ভণি কৰিছে। যাৰ কাৰণে জিলাখনৰ প্ৰতিটো সমলকেন্দ্ৰ সামৰি বিভিন্ন ছাত্ৰ সংগঠন, স্বেচ্ছাসেৱী সংগঠনক সহযোগত জিলা প্ৰশাসনৰ বিষয়াসকলক লৈ অভিযান চলাই আছে। তাৰে অংশ হিচাপে কালি উপায়ুক্তজনে বিদ্যালয়সমূহৰ পৰিদৰ্শক, সমাজ কল্যাণ বিষয়াসহ এটা দলৰ স’তে বিদ্যালয়সমূহ পৰিদৰ্শন কৰি অৱস্থাৰ বুজ লৈছে।

# বৰষুণৰ মাজতে উচ্ছেদ অমানৱীয় কাৰ্য

*১২ পৃষ্ঠাৰ পৰা* তেতিয়াৰ কংগ্ৰেছ নেতৃত্বাধীন মুখ্যমন্ত্ৰী প্ৰয়াত তৰুণ গগৈয়ে এই বৃহত্তৰ চচল, বৰবাৰী, শিলসাঁকো আৰু হেঙেৰাবাৰী অঞ্চলৰ শ শ বিঘা জলাশয়ৰ ভূমি সংৰক্ষণৰ বাবে অসম বিধানসভাত এখন বিল পাছ কৰিছিল। ইয়াৰ পাছতো কিন্তু এই অঞ্চলৰ বাসিন্দাসকলক কোনো ধৰণৰ বেদখল নকৰিবলৈ অথবা কোনো ধৰণৰ সীমা নিৰ্ধাৰণ কৰি দিয়া হোৱা নাছিল। তাৰ বিপৰীতে তাত বসবাস কৰি থকা লোকসকলক যোৱা ২০২১লৈ গুৱাহাটী পৌৰ নিগমৰ তৰফৰ পৰা হ’ল্ডিং নম্বৰ অথবা গৃহ পঞ্জীয়ন, বিদ্যুৎ সংযোগ, ভোটাৰ কাৰ্ড, ৰেচন কাৰ্ড আদি দি থকা হৈছিল। এই অঞ্চলৰ চচলত অসম সাহিত্য সভাৰ দৰে শতবৰ্ষ গৰকা জাতীয় অনুষ্ঠানৰ ৫৫ বিঘা ভূমি আছে। শিলসাঁকো বিলৰ আশে-পাশে শ শ বিঘা ভূমিত ডাঙৰ ডাঙৰ অট্টালিকা, হোটেল, ৰাজপ্ৰসাদৰ দৰে বাসভৱন নিৰ্মাণ কৰা হৈছে। লগতে বৰ্তমান অসম চৰকাৰে জলাশয়ৰ বিভিন্ন প্ৰকল্পৰ বাবে এশ মিটাৰৰ ভিতৰত উচ্ছেদ কাৰ্য চলোৱাৰ কথা প্ৰকাশ কৰিছে যদিও তাত কোনো ধৰণৰ সীমা দিয়া হোৱা নাছিল। গতিকে বৰ্তমান এশ মিটাৰৰ সলনি ৭০ মিটাৰৰ ভিতৰত নিৰ্মাণ কাৰ্য কৰি ৩০ মিটাৰ উচ্ছেদিত লোকৰ পুনৰ সংস্থাপনৰ বাবে এৰি দিবলৈ দাবী জনোৱা হয়। ইয়াৰ বাবে ২০০৮ৰ তৰুণ গগৈ চৰকাৰৰ আমোলত গৃহীত আইনখন সামান্য সংশোধন কৰি বৰ্তমান উচ্ছেদিত খিলঞ্জীয়া বড়ো আৰু মিচিং ভূমি পুত্ৰ জনজাতি আৰু অন্যান্য খিলঞ্জীয়া অসমীয়া লোকসকলক ক্ষতিপূৰণসহ পুনৰ সংস্থাপনৰ ব্যৱস্থা ল’বলৈ অসম চৰকাৰৰ মুখ্যমন্ত্ৰীৰ ওচৰত দাবী জনোৱা হয়। এই বিষয়টো মুখ্যমন্ত্ৰীৰ লগত আলোচনা কৰিবলৈ মন্ত্ৰী ডাঃ পেগুই দায়িত্ব গ্ৰহণ কৰে আৰু মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰা স্মাৰকপত্ৰৰ প্ৰতিলিপিখন দাখিল কৰা হয়।

# যোৰহাট কেন্দ্ৰীয় মহাবিদ্যালয়ত

*১২ পৃষ্ঠাৰ পৰা* সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰি তেওঁ শূন্যৰ পৰা কিদৰে বৰ্তমান এক উদ্যোগী হিচাপে প্ৰতিষ্ঠা লাভ কৰিব পাৰিছে তাক উল্লেখ কৰি এক সফলতাৰ কাহিনী কৈ বিভিন্ন কুটীৰ উৎপাদনৰ বিষয়ে তাত্ত্বিক আৰু ব্যৱহাৰিক দুয়োটা দিশতে আলোকপাত কৰে। ইয়াৰ পাছতে ভাৰত চৰকাৰৰ পুৰস্কাৰপ্ৰাপ্ত যুৱ কৃষক মহান চন্দ্ৰ বৰাই আধুনিক চিন্তা-চৰ্চাৰে কৃষিভিত্তিক উদ্যোগ কেনেদৰে গঢ়িব পাৰি তাৰ ওপৰত ভাষণ প্ৰদান কৰি ছাত্ৰ-ছাত্ৰীসকলক চাকৰি কৰিলেও যে কৃষিকৰ্ম কৰিব পাৰি তাৰ বিভিন্ন দিশ আলোকপাত কৰি উৎসাহিত কৰে। ইয়াৰ পাছতে বেংক অৱ বৰোদাৰ যোৰহাট শাখাৰ সহকাৰী পৰিচালক দিগন্ত ভূঞাই সমল ব্যক্তি হিচাপে ভাগ লৈ ক্ষুদ্ৰ আৰু কুটীৰ উদ্যোগ প্ৰতিষ্ঠা কৰিবলৈ বেংক আৰু চৰকাৰৰ কেনেকুৱা আঁচনি আছে সেয়া উল্লেখ কৰাৰ লগতে উচ্চ শিক্ষা গ্ৰহণৰ ক্ষেত্ৰতো বেংকৰ কি কি ঋণ দিয়াৰ আঁচনি আছে তাক উল্লেখ কৰে। আন এজন সমল ব্যক্তি বেচৰকাৰী সংস্থা বালিপাৰ ফাউণ্ডেছনৰ বিষয়া হৰিকৃষ্ণ পালামপাত্ৰই উদ্যমিতা বিকাশৰ ক্ষেত্ৰত ভাৰত চৰকাৰৰ বিভিন্ন আঁচনিসমূহ উল্লেখ কৰি ইনকুবেছন ইনভেছন চেণ্টাৰৰ যোগেদি উচ্চ শিক্ষানুষ্ঠানসমূহত কিদৰে উদ্যমিতা বিকাশ আৰু সামগ্ৰী উৎপাদন, পেটেণ্ট গ্ৰহণ আৰু বজাৰ দখল কৰিব পাৰি তাৰ ওপৰত ব্যাখ্যা আগবঢ়ায়। চিকেবি কলেজ টীয়ক, কাকজান, আমগুৰি আদি কে’বাখন কলেজৰ ছাত্ৰ-ছাত্ৰীসকলৰ লগতে কেন্দ্ৰীয় মহাবিদ্যালয়ৰ উপাধ্যক্ষ ডঃ গণেশ চন্দ্ৰ বৰা প্ৰমুখ্যে শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰা কৰ্মশালাৰ লগত সংগতি ৰাখি এখন কুটীৰ শিল্প উৎপাদিত সামগ্ৰীৰ প্ৰদৰ্শনী আৰু বিক্ৰী কেন্দ্ৰও মুকলি কৰা হয়। সহকাৰী অধ্যাপক ডঃ অনন্ত তামুলীয়ে আঁত ধৰা অনুষ্ঠানত মহাবিদ্যালয়ৰ আইকিউচিৰ সমন্বয়ক প্ৰাঞ্জল দত্তই চমু ভাষণ প্ৰদান কৰে। কৰ্মশালাৰ শেষত ছাত্ৰ-ছাত্ৰীসকলক একোখনকৈ মানপত্ৰ প্ৰদান কৰা হয়।

# অনুজ্ঞাপত্ৰবিহীন ই-ৰিক্সাৰে ভৰি পৰিছে শিৱসাগৰ

**বিশেষ সংবাদদাতা**

**শিৱসাগৰ, ২৫ মে’ ঃ** শিৱসাগৰ নগৰত চলাচল কৰা অধিকাংশ ই-ৰিক্সাই অনুজ্ঞা পত্ৰবিহীন বুলি অভিযোগ উঠাৰ সময়তে একাংশ সন্দেহজনক যুৱকে তীব্ৰ বেগত ই-ৰিক্সা চলাই সঘনাই দুৰ্ঘটনা সংঘটিত কৰি অহাৰ অভিযোগ উত্থাপন হৈছে। কালি যমুনা পথত এজন অনুজ্ঞাপত্ৰবিহীন ই-ৰিক্সা চালকে বিপৰীত দিশৰ পৰা এখন মটৰ চাইকেল চলাই অহা যুৱকক তীব্ৰ বেগত খুন্দা মাৰি দিয়াত মটৰ চাইকেলখনৰ ক্ষতিসাধন হয় যদিও যুৱকজনৰ কথমপি প্ৰাণ ৰক্ষা পৰে। পাছত ই-ৰিক্সা আৰু মটৰ চাইকেল আৰোহীৰ মাজত বুজাবুজি হয়। উল্লেখ্য যে শিৱসাগৰ নগৰৰ কাষৰ ধাইআলি, জেঙনিকটীয়া, মৰনৈকিনাৰ, দৰিকাঘাট, ষ্টেছন চাৰিআলি, খাটপথাৰ, আমগুৰি আদি অঞ্চলৰ এচাম প্ৰভাৱশালী ব্যক্তিয়ে ছয়-সাতখনকৈ ই-ৰিক্সা ক্ৰয় কৰি এনে

## ■ সঘনাই সংঘটিত দুৰ্ঘটনা

অনুজ্ঞাপত্ৰবিহীন এচাম সন্দেহজনক নাগৰিকক চলাবলৈ দিয়াত নগৰখনত সঘনাই দুৰ্ঘটনা সংঘটিত হোৱাৰ অভিযোগ উঠিছে। এইচাম অনুজ্ঞাপত্ৰ নথকা চালকৰ বিৰুদ্ধে আৰক্ষী তথা পৰিবহণ বিভাগক বিহীত ব্যৱস্থা ল’বলৈ শিৱসাগৰৰ সচেতন মহলে আহ্বান জনাইছে। আনহাতে, জিলাখনত দুভাগকৈ অনুজ্ঞাপত্ৰ প্ৰদান কৰাৰ বাবে নগৰখনত ই-ৰিক্সাৰ সংখ্যা অত্যধিক হৈ পৰিছে। শিৱসাগৰ জিলা পৰিবহণ বিভাগৰ কাৰ্যালয়ৰ পৰা অনুজ্ঞাপত্ৰ প্ৰদান কৰাৰ লগতে শিৱসাগৰ পৌৰসভাও শ শ ই-ৰিক্সাৰ অনুজ্ঞাপত্ৰ প্ৰদান কৰে। এনে পৰিস্থিতিত জিলাৰ ব্যস্ততাপূৰ্ণ অঞ্চলসমূহত যান-জঁটৰ সৃষ্টি হৈছে। শিৱসাগৰ নগৰৰ অতি ব্যস্ততাপূৰ্ণ দ’লমুখ চাৰিআলিৰ বাবুপট্টি পথৰ দুয়োকাষে আৰক্ষীৰ সন্মুখতে ই-ৰিক্সা ৰখাই নগৰখনৰ মাজমজিয়াত যান-জঁটৰ সৃষ্টি কৰি আহিছে। স্কুল ছুটি দিয়াৰ সময়ত অথবা স্কুললৈ যোৱাৰ সময়ত চাৰিআলিটো অতিক্ৰম কৰাটো বৰ্তমান কষ্টকৰ হৈ পৰিছে। আনহাতে, ষ্টেছন চাৰিআলিতো ঠিক তেনে অনুৰূপ দৃশ্য প্ৰত্যক্ষ হয়। ষ্টেছন চাৰিআলিৰ বি জি ৰোডৰ দুয়োকাষে ই-ৰিক্সা ৰখাই থোৱাৰ বাবে অ’এনজিচিৰ গধুৰ যান-বাহন চাৰিআলিটো অতিক্ৰম কৰোতে বহু সময় লাগে। আনহাতে, অত্যধিক ই-ৰিক্সা হোৱাৰ বাবে অন্য ব্যক্তিগত গাড়ী চলাচলতো সাধাৰণ ৰাইজ যথেষ্ট অসুবিধাৰ সন্মুখীন হোৱাৰো অভিযোগ উঠিছে।



*দুনীত বানপীড়িতৰ মাজত সাহায্য বিতৰণ আম আদমী পাৰ্টিৰ, বুধবাৰে।*

# হোজাইৰ পদুমপুখুৰীত মন্দিৰৰ কামত দুৰ্নীতি

**অগ্ৰদূত বাৰ্তা**

**হোজাই, ২৫ মে’ ঃ** হোজাইৰ ধলপুখুৰী উন্নয়ন ব্লকৰ অন্তৰ্গত পদুমপুখুৰী গাঁও পঞ্চায়তৰ শ্যামবাৰীৰ পাঁচ নম্বৰ ৱাৰ্ডত থকা হৰি ঔম মন্দিৰৰ চৌহদত মাটি ভৰোৱাৰ নামত দুৰ্নীতিৰ অভিযোগ উঠিছে। এমজি এনৰেগা আঁচনিৰ অধীনত দুই লাখ ৮৫ হেজাৰ ২৮৩ টকা ব্যয়ৰে মন্দিৰৰ চৌহদত মাটি ভৰাবলৈ চৰকাৰৰ পৰা আহিছিল অনুদান। কিন্তু উক্ত মাটি ভৰোৱা কামত ব্যাপক দুৰ্নীতি হোৱাৰ অভিযোগ উঠিছে আৰু পাঁচ নম্বৰ ৱাৰ্ড দুটাৰ সদস্যৰ বিৰুদ্ধে মাত্ৰ ২৬ হেজাৰ টকাৰ কাম কৰি ৫৭ ট্ৰেক্টৰ মন্দিৰৰ চৌহদত মাটি পেলাই দুই ৱাৰ্ড সদস্যই বাকী টকা আত্মসাৎ কৰাৰ অভিযোগ কৰিছে স্থানীয় ৰাইজে। আনহাতে, পঞ্চায়তখনত মৃত ব্যক্তি সহদেৱ মণ্ডলৰ নামতো জৱকাৰ্ড বনাই ৱাৰ্ড সদস্যৰ ধন আত্মসাতৰ অভিযোগ কৰিছে স্থানীয় লোকৰ। লগতে পাঁচ নম্বৰ ৱাৰ্ডৰ ৱাৰ্ড মেম্বাৰজনে তেওঁৰ পত্নীৰ নামত জৱকাৰ্ড বনাই ধন আত্মসাতৰ অভিযোগ স্থানীয় লোকৰ। দৰাচলতে ঢলপুখুৰী উন্নয়ন খণ্ডৰ অন্তৰ্গত এই পঞ্চায়তটোত বিভিন্ন আঁচনিৰ নামত দৰিদ্ৰ লোকৰ পৰা ধনৰ বিনিময়ত চৰকাৰৰ আঁচনি দিয়াৰ অভিযোগ কৰিছে ৰাইজে।

# ড্ৰাগছ সেৱনৰ নিৰাপদ স্থলীলৈ পৰিণত হৈছে লহকৰ-আঠগাঁও সামাজিক বনানীকৰণ

**অগ্ৰদূত বাৰ্তা**

**বটদ্ৰৱা, ২৫ মে’ ঃ** ধিঙৰ আৰক্ষী প্ৰশাসনৰ চকুত ধূলি দি ধিং আৰু ইয়াৰ দাঁতিকাষৰীয়া অঞ্চলসমূহ সম্প্ৰতি অবাধে চলি আহিছে ড্ৰাগছৰ ৰমৰমীয়া বেহা। বিশেষকৈ লহকৰ বান্দৰ চাৰিআলি, মাৰ্কেটিং বজাৰ দুই নম্বৰ গায়ন গাঁও, লহকৰ লেটেৰীপাৰ, পেপাৰমিল চাৰিআলি, লহকৰ আঠগাঁও সামাজিক বনানীকৰণৰ লগতে ধিঙৰ শান্তিবন শ্মশানৰ চৌদিশে এতিয়া চলি আহিছে ড্ৰাগছৰ ৰমৰমীয়া ব্যৱসায়। ফলত এতিয়া বিঘ্নিত হৈছে সংশ্লিষ্ট অঞ্চলসমূহৰ সামাজিক পৰিৱেশ। নৱম-দশম শ্ৰেণীৰ ছাত্ৰও এতিয়া ড্ৰাগছৰ কবলত পৰিছে। এইসকল ড্ৰাগছ আসক্তই লহকৰ আঠগাঁও সামাজিক বনাণীকৰণৰ মাজত আৰু জৱহাৰ নৱোদয় বিদ্যালয়লৈ যোৱাৰ পথত ড্ৰাগছ সেৱন কৰি পৰিৱেশ বিনষ্ট কৰাৰ অভিযোগ উঠিছে। এই দুই ঠাইত প্ৰায়ে ৰখাই থোৱা হয় এখন ই-ৰিক্সা অথবা টেম্প’। আশ্চৰ্যকৰ কথা যে ড্ৰাগছ আসক্তসকলে ড্ৰাগছ সেৱনৰ পাছত পানী বিচাৰি ওচৰ-পাঁজৰৰ দোকানীক দুৰ্ব্যৱহাৰ কৰাৰো অভিযোগ উঠিছে। ধিং বজাৰ টেম্পু আৰু চালকে চালকৰ ৰূপত ড্ৰাগছ সৰবৰাহ কৰি বহু স্কুলীয়া ছাত্ৰকো ড্ৰাগছৰ প্ৰতি আসক্ত কৰি তুলিছে। এতিয়া চিন্তিত হৈ পৰিছে ধিঙৰ সচেতন মহলৰ লগতে অভিভাৱক। সেয়ে এই ক্ষেত্ৰত অতি শীঘ্ৰে ধিং আৰক্ষীয়ে এক টহলদাৰীৰ ব্যৱস্থা গ্ৰহণ কৰাৰ লগতে ড্ৰাগছ আসক্তৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ বাবে স্থানীয় ৰাইজে দাবী জনাইছে।

# ঢোলমাৰাত নাবালিকা ধৰ্ষণ কাণ্ডক তীব্ৰ গৰিহণা দল-সংগঠনৰ

**অগ্ৰদূত বাৰ্তা**

**গৰুভাষা, ২৫ মে’ ঃ** কোকৰাঝাৰ জিলাৰ সীমামূৰীয়া ঢোলমাৰাত এগৰাকী কিশোৰীক তিনি দুষ্ট চৰিত্ৰৰ যুৱকে সন্ধিয়াৰ আন্ধাৰৰ সুযোগ লৈ চাহ বাগিচাৰ মাজলৈ টানি নি ধৰ্ষণ কৰা কাৰ্যই সম্প্ৰতি সৰ্বত্ৰে ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। এই ঘটনাক তীব্ৰ ভাষাৰে গৰিহণা দি দোষীৰ বিৰুদ্ধে কঠোৰৰ পৰা কঠোৰতম শাস্তি বিহি নজিৰ সৃষ্টি কৰিবলৈ চৰকাৰ আৰু আৰক্ষী প্ৰশাসনক আহ্বান জনাইছে চিৰাং জিলা কোচ ৰাজবংশী সাহিত্য সভাই। জিলা কোচ ৰাজবংশী সাহিত্য সভাৰ সভাপতি তেজেন কুমাৰ বৰ্মন আৰু সম্পাদক স্বপন কুমাৰ বৰ্মনে দ্ৰুত বিচাৰপীঠৰ আদালতৰ জৰিয়তে বিচাৰ প্ৰক্ৰিয়া চলাই দোষীক ফাঁচি দিবলৈ আহ্বান জনায়। লগতে ধৰ্ষণৰ বলি হোৱা নাবালিকাগৰাকীক উচিত ক্ষতিপূৰণেৰে নিৰাপত্তা দিবলৈও আহ্বান জনায়। তদন্ত অনুসৰি দোষীৰ

## ■ দোষীক ফাঁচি দিবলৈ দাবী

বিৰুদ্ধে আইন অনুসৰি কঠোৰ শাস্তি বিহিবলৈ আহ্বান জনায় কোকৰাঝাৰ আৰু চিৰাং জিলা অগপৰ সম্পাদক যথাক্ৰমে জাকিৰ হুছেইন আৰু কৰেন্দ্ৰ চন্দ্ৰ দাসে। তেওঁলোকে ঘটনাটোক কেন্দ্ৰ কৰি গোষ্ঠীগত সংঘৰ্ষৰ বীজ নিসিঁচিবলৈ সকলোকে আহ্বান জনায়। অপৰাধীৰ কোনো জাত-বিচাৰ নাই। অপৰাধী অপৰাধীয়ে, এই বুলি মন্তব্য প্ৰকাশ কৰে। সদৌ বড়োলেণ্ড শিৱসেনা দলৰ প্ৰমুখ শিবু চন্দই লাভ জেহাদৰ নামত সহজ-সৰল, দুখীয়া-নিছলা ঘৰৰ জীয়ৰী-বোৱাৰীক ফুচলাই নি বিক্ৰী কৰাৰ দৰে অলেখ ঘটনা সংঘটিত কৰি অহাৰ দৰে কেতিয়াবা কেতিয়াবা মুক্তভাৱে জীয়ৰী-বোৱাৰী, শিশু-নাবালিকাক ধৰ্ষণ-অপহৰণ কৰি অহা এক বিশেষ গোষ্ঠীৰ লোকক চৰকাৰ-প্ৰশাসনে বিশেষ দৃষ্টি দিবলৈও আহ্বান জনাই নগাঁৱৰ বটদ্ৰৱা থানা জ্বলাই দিয়া অপৰাধীৰ বিৰুদ্ধে যেনে ব্যৱস্থা গ্ৰহণ কৰিছিল ঢোলমাৰা ঘটনাৰ স’তে জড়িত অপৰাধীৰ বিৰুদ্ধেও তেনে ব্যৱস্থা গ্ৰহণ কৰিবলৈও চৰকাৰ-প্ৰশাসনক আহ্বান জনায়।

# টীয়কত বেংকত ‘লিংক’ নোহোৱাত গ্ৰাহকৰ হাহাকাৰ

**অগ্ৰদূত বাৰ্তা**

**লাহদৈগড়, ২৫ মে’ ঃ** চৰকাৰে সকলো ক্ষেত্ৰতে ক্ৰমান্বয়ে ডিজিটেলাইজ কৰি আহিছে। বিশেষকৈ ধন লেনদেনৰ ক্ষেত্ৰত ডেজিটেলাইজেচন কৰিবলৈ বিশেষ তৎপৰ হোৱা পৰিলক্ষিত হৈছে। কিন্তু কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্যিক চৰকাৰে ডিজিটেল ইণ্ডিয়া গঢ়ি তুলিবলৈ যিমানেই ঢাক-ঢোল নবজাক কিয় প্ৰকৃততে কিদৰে এই ডিজিটেল সেৱাই সাধাৰণ ৰাইজক জ্বলা-কলাই কৰিছে। টীয়ক আৰু মৰিয়নি সমষ্টিৰ সীমামূৰীয়া বুধবৰীয়া তিনিআলিস্থিত অসম গ্ৰামীণ বিকাশ বেংকৰ এটা গ্ৰাহক সেৱা কেন্দ্ৰত শ শ পুৰুষ-মহিলাই পুৱাৰে পৰা বাহিৰত শাৰী পাতি থাকিবলগীয়া হয়। কোনোবাই বৃদ্ধ পেঞ্চন, কোনোবাই অৰুণোদয় আঁচনিৰ ধন, কোনোবাই জবকাৰ্ডৰ ধনকে ধৰি চৰকাৰে সাধাৰণ ৰাইজৰ বাবে মুকলি কৰা বিভিন্ন আঁচনিৰ ধন উলিয়াবলৈ কোঁচত কেঁচুৱা লৈ ৰ’দে-বিতাহে থিয় হৈ থাকিবলগীয়া হয়। কাৰণ বেংকত লিংক নাই। উল্লেখ্য যে বিগত বহুদিন ধৰি এইদৰে উক্ত কেন্দ্ৰটোত লিংকৰ অভাৱত গ্ৰাহকে হাৰাশাস্তি খাবলগীয়া হৈছে। এই ক্ষেত্ৰত কেন্দ্ৰটোৰ কৰ্মচাৰীয়ে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। ইপিনে, নিতৌ নিজৰ প্ৰাপ্য ধন বিচাৰি ঘৰুৱা সকলো কাম-কাজ এৰি পুৱাই আহি আহি ভোকে-লঘোনে এইসকল গ্ৰাহক অতিষ্ঠ হৈ পৰিছে। মাজে সময়ে বেংক কৰ্তৃপক্ষৰ স’তে মতানৈক্যও হৈছে। কিন্তু উপায়হীন দুয়োপক্ষ। লিংক আহিব আহিব বুলি এইদৰে পুৱাৰ পৰা গধূলিলৈকে সকলো আশাৰে বাট চাই আছে। লগতে এই ক্ষেত্ৰত ঊৰ্ধ্বতন কৰ্তৃপক্ষক অনতি পলমে ইয়াৰ এক উচিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে ভুক্তভোগী ৰাইজে।

# গাঁওবুঢ়াসকলক বিপথে পৰিচালিত নহ’বলৈ আহ্বান

## ■ সদৌ অসম গাঁওপ্ৰধান সংস্থাক স্বয়ম্ভূ আখ্যা সদৌ অসম গাঁওবুঢ়া সংস্থাৰ

**অগ্ৰদূত বাৰ্তা**

**পুৰণিগুদাম, ২৫ মে’ ঃ** সদৌ অসম গাঁও প্ৰধান সন্থাই অহা ২৮-২৯ মে’ত ডিব্ৰুগড় জিলাৰ মৰাণত গাঁওবুঢ়াসকলৰ এখন সাধাৰণ সভা আহ্বান কৰিছে। এই সাধাৰণ সভালৈ অসমৰ চুকে-কোণে থকা গাঁওবুঢ়াসকলক নিমন্ত্ৰণ দিছে যদিও সদৌ অসম গাঁও প্ৰধান সন্থাক স্বয়ম্ভূ আখ্যা দিছে সদৌ অসম গাঁওবুঢ়া সন্থাৰ বিষয়ববীয়াসকলে। কাকতলৈ প্ৰেৰণ কৰা বিজ্ঞপ্তিত সদৌ অসম গাঁওবুঢ়া সন্থাৰ সম্পাদক পদুম বৰাই কয় যে সদৌ অসম গাঁওবুঢ়া সন্থাৰ পঞ্জীয়ন নম্বৰ অকৰ্তৃত্বশীলভাৱে ব্যৱহাৰ কৰি সদৌ অসম গাঁওপ্ৰধান সন্থাই সাধাৰণ সভাৰ আহ্বান কৰিছে। গাঁওবুঢ়াসকলৰ বিভিন্ন সমস্যাৰাজি সমাধানৰ ক্ষেত্ৰত সদৌ অসম গাঁওবুঢ়া সন্থাই বিভিন্ন সময়ত মাত মাতি অহাৰ লগতে গাঁওবুঢ়াসকলে চৰকাৰৰ পৰা ন্যায়প্ৰাপ্তিৰ দাবীত গুৱাহাটী উচ্চ ন্যায়ালয়ত গোচৰ তৰিছে। এনে সময়ত সদৌ অসম গাঁওপ্ৰধান সন্থা নামৰ সংগঠনটোৱে অসমৰ গাঁওবুঢ়াসকলক বিপথে পৰিচালিত কৰিছে। ইফালে, একেটা বিবৃতিত সদৌ অসম গাঁওবুঢ়া সন্থাৰ সম্পাদকে উল্লেখ কৰা মতে, সদৌ অসম গাঁও প্ৰধান সন্থা নামৰ স্বয়ম্ভূ সংগঠনটোৱে গাঁওবুঢ়াসকলৰ মাজত বিভ্ৰান্তিৰ সৃষ্টি কৰিছে আৰু এই সংগঠনৰ আহ্বানৰ প্ৰতি কোনো গাঁওবুঢ়াকে গুৰুত্ব আৰোপ নকৰিবলৈ আহ্বান জনায় সদৌ অসম গাঁওবুঢ়া সন্থাই। মন কৰিবলগীয়া যে অসমৰ চুকে-কোণে থকা গাঁওবুঢ়াসকলে সমাজৰ বিভিন্ন সমস্যা দূৰ কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। গাঁওবুঢ়াসকলক গাঁৱৰ ৰাইজে অতি সন্মানৰ দৃষ্টিৰে চায়; কিন্তু এই গাঁওবুঢ়াসকলৰ মাজত চলা আঁৰিয়াআঁৰি বা গাঁওবুঢ়াসকল দুটা ভাগত বিভক্ত হোৱাটো এতিয়া সমগ্ৰ ৰাজ্যখনৰ জনসাধাৰণৰ কাৰণে এটা চৰ্চিত বিষয় হিচাপে বিবেচিত হৈছে।

# চিজোফ্ৰেনিয়া ৰোগীক পাগল বুলি অৱহেলা কৰা অনুচিত

## ■ দৰঙত দুদিনীয়াকৈ বিশ্ব চিজোফ্ৰেনিয়া দিৱস পালন

**অগ্ৰদূত বাৰ্তা**

**মঙলদৈ, ২৫ মে’ ঃ** দৰং জিলা মানসিক স্বাস্থ্য অভিযান জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত আৰু মঙলদৈ অসামৰিক চিকিৎসালয়ৰ মানসিক ৰোগ বিভাগৰ দ্বাৰা কালিৰে পৰা দুদিনীয়াকৈ বিশ্ব চিজোফ্ৰেনিয়া দিৱস পালন কৰা হয়। কালি মানসিক বিভাগ, মঙলদৈ অসামৰিক চিকিৎসালয়ৰ তৰফৰ পৰা দৰঙৰ হিৰাপাৰাস্থিত ‘ধুলা ৰিজিঅ’নেল ফিজিকেলী হেণ্ডিকেপ ডেভেলপমেণ্ট এছ’চিয়েছন’ত থকা মানসিক ৰোগী তথা অন্যান্য ব্যক্তিৰ মাজত খোজ কঢ়া প্ৰতিযোগিতা মনোযোগ আকৰ্ষণ প্ৰতিযোগিতা আদি অনুষ্ঠিত কৰাৰ লগতে তেওঁলোকৰ মানসিক স্বাস্থ্য পৰীক্ষা, পৰামৰ্শ প্ৰদান, ঔষধৰ যোগান ধৰা হয়। একে দিৱসৰ লগত সংগতি ৰাখি আজি এখন চিজোফ্ৰেনিয়া ৰোগৰ ওপৰত সজাগতা সভা অনুষ্ঠিত হয়। নৈদানিক মনোবিজ্ঞানী পুষ্প কলিতাই আঁত ধৰা সভাত হিৰাপাৰা অঞ্চলৰ গাঁওবুঢ়া অংগনৱাড়ী কৰ্মী, আশাকৰ্মী, শিক্ষক প্ৰমুখ্যে উক্ত বেচৰকাৰী প্ৰতিষ্ঠানটোৰ বিষয়ববীয়া আব্দুল হামিদকে ধৰি ১৫০ৰো অধিক লোকে অংশগ্ৰহণ কৰে। সভাত উদ্দেশ্য ব্যাখ্যা আগবঢ়োৱাৰ পাছতে দৰঙৰ মানসিক ৰোগৰ তত্ত্বাৱধায়ক তথা মনোৰোগ চিকিৎসক ডাঃ প্ৰশান্ত কলিতাই ভাষণ আগবঢ়ায়। ইয়াৰ পাছতে ৰাজ্যিক মানসিক কোষ, এন এইছ এম অসমৰ পৰা অহা মনোৰোগ বিশেষজ্ঞ ডাঃ মুনীন্দ্ৰ মেধিয়ে বিশিষ্ট অতিথিৰূপে ভাষণ প্ৰদান কৰে। ভাষণত তেওঁ কয় যে প্ৰতি বছৰে ২৪ মে’ত বিশ্ব চিজোফ্ৰেনিয়া দিৱস পালন কৰা হয়। জনসাধাৰণৰ মাজত চিজোফ্ৰেনিয়া নামৰ জটিল মানসিক ৰোগটোৰ বিষয়ে সচেতনতা সৃষ্টি কৰাটোৱেই এই দিৱস পালনৰ মূল উদ্দেশ্য। বহুতে ভাবে যে এই ৰোগত আক্ৰান্ত ৰোগীয়ে চিৰ জীৱনৰ বাবে কৰ্মক্ষমতা হেৰুৱাই পেলায়। কিন্তু চিকিৎসাধীন বহুতো ৰোগীয়ে আজি তেওঁলোকৰ নিজৰ নিজৰ কাম সুচাৰুৰূপে কৰি আছে। সেয়েহে চিজোফ্ৰেনিয়া ৰোগীসকলক পগলা বুলি অনাদৰ-অৱহেলা নকৰি পৰিয়াল আৰু সমাজৰ সকলো স্তৰৰ ব্যক্তিয়ে তেওঁলোকৰ চিকিৎসাৰ বাবে আগবাঢ়ি আহিব লাগিব। তেওঁলোকৰ প্ৰাপ্য চিকিৎসা পাবই লাগিব বুলি বৰ্তমান ভাৰত চৰকাৰেও মেণ্টেল হেলথ কেয়াৰ এক্ট ২০১৭ৰ যোগেদি অধিসূচনা জাৰি কৰিছে। জিলাসমূহত মানসিক স্বাস্থ্য আঁচনিৰ যোগেদি মানসিক ৰোগীৰ চিকিৎসা আগবঢ়াই থকা হৈছে। জিলা অসামৰিক চিকিৎসালয়সমূহত মনোচিকিৎসকৰ লগতে মনোবিদ, মনোসামাজিক কৰ্মী আদিৰ নিযুক্তি দিয়া হৈছে। ইয়াৰ পাছতে ক্ৰমে আৰ বি এছ কে জিলা কোষৰ মনোবিজ্ঞানী ৰিম্পি চুলতানা, মানসিক বিভাগ, মঙলদৈ অসামৰিক চিকিৎসালয়ৰ নৈদানিক মনোবিজ্ঞানী পুষ্প কলিতা, মনোসামাজিক কৰ্মী প্ৰাঞ্জল ঠাকুৰীয়াই চিজোফ্ৰেনিয়া ৰোগ সম্পৰ্কে আলোচনা আগবঢ়ায়। ইয়াৰ পাছতে পূৰ্বে অনুষ্ঠিত প্ৰতিযোগিতাৰ ফলাফল তথা পুৰস্কাৰ প্ৰদান কৰে শেষত শলাগৰ শৰাই আগবঢ়াই ‘ৰেকৰ্ড কিপাৰ’ চাহিদ আলীয়ে।

# চেলেংহাটত আইপিএল জুৱা ঃ নিৰ্লিপ্ত আৰক্ষী

**চেলেংহাট, ২৫ মে’ ঃ** সমগ্ৰ দেশৰ লগতে অসমতো এতিয়া আইপিএল জুৱত আক্ৰান্ত। ভদ্ৰলোকৰ খেল এই ক্ৰিকেটত শেহতীয়াকৈ জুৱাৰ পয়োভৰ ঘটিছে। বিগত কেইদিন মানৰ পৰা চেলেংহাট আৰক্ষীৰ নিৰ্লিপ্ততাৰ সুযোগ গ্ৰহণ কৰি এটি চক্ৰই চলাই গৈছে আইপিএল জুৱা। উল্লেখ্য যে কিছুদিনৰ পূৰ্বে মৰিয়নি আৰু তিতাবৰত কে’বাটাও জুৱাৰী আৰক্ষীৰ জালত পৰাৰ পাছত এতিয়া এই জুৱা চেলেংহাটলৈ স্থানান্তৰ ঘটিছে। স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি মূলতঃ চেলেংহাটত চলি থকা জুৱা চেলেংহাট ষ্টেচনৰ কাষৰ পৰাই পৰিচালিত হয়। ইতিমধ্যেই দুজন মান ব্যৱসায়ীয়ে এই খেল পৰিচালনা কৰিছে যদিও একাংশ স্থানীয় ৰাইজৰ অভিযোগ অনুসৰি চেলেংহাটৰ বাহিৰৰ এটা চক্ৰই এই খেলৰ মূল উদ্যোক্তা। এইবাৰ এই জুৱাত হাত দিছে শ্ৰমিক আৰু ক্ষুদ্ৰ দুই-এক ব্যৱসায়ীয়ে। উল্লেখ্য যে অসমৰ বিভিন্ন প্ৰান্তত আৰক্ষীয়ে আইপিএল জুৱাৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিছে যদিও চেলেংহাট আৰক্ষীৰ নিৰ্লিপ্ততাত ৰাইজে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে।

# মূল্যবৃদ্ধি ৰোধৰ দাবীৰে তেজপুৰত চিপিআই (এম)ৰ বিক্ষোভ কাৰ্যসূচী




**ষ্টাফ ৰিপ'ৰ্টাৰ**
**তেজপুৰ, ২৫ মে' ঃ** অত্যাৰশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধি ৰোধ কৰা আৰু বানত ক্ষতিগ্ৰস্ত হোৱা সকলক সাহায্য প্ৰদানৰ দাবীত আজি তেজপুৰ আদালত চাৰিআলিত ৰাজ্যৰ চাৰিটা বাওঁ দলৰ লগতে চিপিআই(এম)-এ বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰে। জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা অহা শতাধিক দলীয় নেতা-কৰ্মীয়ে মূল্যবৃদ্ধি ৰোধ কৰাৰ দাবীত উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। পেট্ৰ'লজাত সামগ্ৰীৰ ওপৰত থকা সকলো উপকৰ প্ৰত্যাহাৰ কৰা, ৰাজহুৱা বিতৰণ ব্যৱস্থা শক্তিশালী কৰি চাউলৰ উপৰি দাইল, আটা, মিঠাতেল, চেনি, নিমখ আদি যোগান ধৰা, আয়কৰৰ আওতাত নপৰা পৰিয়ালক প্ৰদান কৰি থকা ধনৰ পৰিমাণ ৭,৫০০ টকালৈ বৃদ্ধি কৰা, এমজিএনৰেগাৰ বাবে আৱণ্টিত ধনৰ পৰিমান বৃদ্ধি কৰা নিবনুৱা ভাট্টা সম্পৰ্কীয় এক কেন্দ্ৰীয় আঁচনি ৰূপায়ণৰ বাবে আইন প্ৰনয়ন কৰা, চহৰ অঞ্চলত কৰ্মসংস্থাপনৰ নিশ্চয়তাৰ বাবে প্ৰয়োজনীয় আইন প্ৰনয়ন কৰা, সকলো খালী পদ পূৰণ কৰা আৰু বানত ক্ষতিগ্ৰস্ত সকলোকে পৰ্যাপ্ত সাহায্য আৰু ক্ষতিপূৰণ প্ৰদানৰ দাবীত এই বিক্ষোভ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। দলৰ জ্যেষ্ঠ নেতা ৰবীন তামুলী প্ৰমুখ্যে কে'বাগৰাকী বিষয়ববীয়া আৰু সদস্যৰ অংশগ্ৰহণৰে ৰূপায়ণ হোৱা এই প্ৰতিবাদী কাৰ্যসূচীৰ পাছতেই চিপিআই (এম)ৰ শোণিতপুৰ জিলাৰ সম্পাদক মনেশ্বৰ বড়ো স্বাক্ষৰিত এখন স্মাৰকপত্ৰ জিলা উপায়ুক্তৰ জৰিয়তে দেশৰ প্ৰধানমন্ত্ৰীলৈ প্ৰেৰণ কৰা হয়।

## কলিয়াবৰত বনৰীয়া গাহৰিৰ আক্ৰমণত আহত দুজন

**অগ্ৰদূত বাৰ্তা**
**কলিয়াবৰ, ২৫ মে' ঃ** কলিয়াবৰৰ বৰঘুলীত আজি পুৱা বনৰীয়া গাহৰিৰ আক্ৰমণত আহত হয় দুজন লোক। আহত দুজন শ্বাহজাহান আলী, তাইজুল হক। নিজৰ ঘৰৰ চোতালতে কাম কৰি থকা অৱস্থাতে এই ঘটনা সংঘটিত হয়। লাওখোৱা অভয়াৰণ্যৰ পৰা ওলাই অহা বনৰীয়া গাহৰিয়ে ইতিমধ্যেই সমগ্ৰ অঞ্চলজুৰি সন্ত্ৰাসৰ সৃষ্টি কৰাৰ সময়তে আজিৰ আক্ৰমণৰ ঘটনাই জনসাধাৰণক শংকিত কৰি তুলিছে।

## বিশ্বনাথৰ শৈক্ষিক প্ৰতিষ্ঠানৰ কাৰ্যবাহী সঞ্চালকক বৰ্খাস্ত

**অগ্ৰদূত বাৰ্তা**
**বিশ্বনাথ চাৰিআলি, ২৫ মে' ঃ** বিশ্বনাথ চাৰিআলিৰ শৈক্ষিক প্ৰতিষ্ঠান নয়ানীলা আই এ এছ ফ'ৰামৰ কাৰ্যবাহী সঞ্চালকক পদবীৰ পৰা বৰ্খাস্ত কৰা হৈছে। শৈক্ষিক প্ৰতিষ্ঠানখনৰ পৰিচালনা ব'ৰ্ডৰ সিদ্ধান্ত মৰ্মে কালিৰে পৰা কাৰ্যকৰী হোৱাকৈ কাৰ্যবাহী সঞ্চালক হিৰণ্য হাজৰিকাক তেওঁৰ পদবীৰ পৰা বৰ্খাস্ত কৰা হয়। নিত্যানন্দ ফাউণ্ডেছনৰ অধীনস্থ শৈক্ষিক প্ৰতিষ্ঠানখনত বেদেতীৰ হাজৰিকাই ২০২১ৰ পহিলা আগষ্টত যোগদান কৰিছিল। শেহতীয়াকৈ হাজৰিকাই অসামাদিক কামত লিপ্ত থকাৰ অভিযোগত আৰক্ষীৰ হাতত গ্ৰেপ্তাৰ হোৱাৰ পাছতেই পদবীৰ পৰা বৰ্খাস্ত কৰা হয়।

## ভাটিপাৰাত বনৰৌ উদ্ধাৰ



**অগ্ৰদূত বাৰ্তা**
**মাটিয়া, ২৫ মে' ঃ** পূব গোৱালপাৰাৰ ডুবাপাৰা বন খণ্ডৰ অন্তৰ্গত ভাটিপাৰাত যোৱা নিশা ন বজাত এটা বনৰৌ উদ্ধাৰ হয়। স্থানীয় ৰাইজে বনৰৌটো উদ্ধাৰ কৰি বন বিভাগক গতাই দিয়ে। ইপিনে, নিশাই প্ৰায় চাৰি কিলোগ্ৰাম ওজনৰ বনৰৌটো ডুবাপাৰা বন খণ্ডৰ বন কৰ্মীয়ে সূৰ্য পাহাৰৰ নিৰাপদ স্থানত এৰি দিয়ে।

## মেলেং দলৈগাঁৱত আধাৰশিলা স্থাপন

**অগ্ৰদূত বাৰ্তা**
**লাহদৈগড়, ২৫ মে' ঃ** মধ্য যোৰহাট শিক্ষা খণ্ডৰ অন্তৰ্গত মেলেং দলৈ গাঁও প্ৰাথমিক বিদ্যালয়ত আজি টীয়ক সমষ্টিৰ বিধায়িকা ৰেণুপমা ৰাজখোৱাই আধাৰশিলা স্থাপন কৰে। অসম চৰকাৰৰ সমাজ কল্যাণ বিভাগৰ ২০২১-২২ত অনুমোদিত ২৫ লাখ টকা ব্যয়েৰে বিদ্যালয়খনত আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ নিৰ্মাণৰ বাবে এই আধাৰশিলা স্থাপন কৰে। আধাৰশিলা স্থাপন অনুষ্ঠানত অগপ, বিজেপিৰ বিষয়ববীয়া সকলে অংশগ্ৰহণ কৰে।

## বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰাৰে মুখৰিত বেলশৰ

# বেলশৰ ছহিদ স্মৃতি কলেজৰ ৩৫ সংখ্যক মহাবিদ্যালয় সপ্তাহ



**অগ্ৰদূত বাৰ্তা**
**নলবাৰী, ২৫ মে' ঃ** নলবাৰী জিলাৰ অন্যতম উচ্চ শিক্ষাৰ প্ৰানকেন্দ্ৰ তথা ১৯৮৭ তে বেলশৰত স্থাপিত বেলশৰ ছহিদ স্মৃতি মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ৩৫ তম বাৰ্ষিক মহাবিদ্যালয় সপ্তাহৰ আজিৰে আৰম্ভ হৈছে। এই উপলক্ষে পুৱা পতাকা উত্তোলনেৰে চাৰিদিনীয়া বিভিন্ন কাৰ্যক্ৰমণিকাৰে অনুষ্ঠিত মহাবিদ্যালয় সপ্তাহৰ কাৰ্যসূচী মুকলি কৰা হয়। মহাবিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ দুৰ্গা কলিতাই পতাকা উত্তোলন কৰাৰ পাছতেই ছহিদ বেদীত ছহিদ তৰ্পণ কৰে সহকাৰী অধ্যাপক ৰেনুধৰ কলিতাই। বৃক্ষৰোপণ কৰে বেলশৰ থানাৰ উপ-পৰিদৰ্শক দিবাকৰ কলিতাই। ইয়াৰ পাছতেই পশ্চিম নলবাৰী উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া শিখামণি বৰাই উদ্বোধন কৰা আৰু সহকাৰী অধ্যাপক বিপুল কুমাৰ দাস আৰু ওৱাহিদুৰ ৰহমানে পৰিচালনা কৰা বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰাত দুই শতাধিক ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন ভংগীমাত অংশগ্ৰহণ কৰি এই সাংস্কৃতিক অনুষ্ঠানটো মনোগ্ৰাহী কৰি তোলে। বিভিন্ন অসমীয়া কৃষ্টি-সংস্কৃতিৰ লগতে সমাজৰ পৰা হেৰাই যাবলৈ ধৰা আন কিছুমান কৃষ্টি-সংস্কৃতিৰ ছবিখন দাঙি ধৰাৰ চেষ্টা চলাইছে নান্দনিক সাংস্কৃতিক শোভাযাত্ৰাটোৱে মহাবিদ্যালয়ৰ পৰা আৰম্ভ হোৱা শোভাযাত্ৰাটোৱে বেলশৰৰ প্ৰায় প্ৰতিটো চুবুৰীৰ মাজেৰে গৈ পুনৰ মহাবিদ্যালয়খনত অন্ত পৰে। উল্লেখ্য যে অহা ২৮ মে'ৰ দিনা মহাবিদ্যালয়খনৰ মহাবিদ্যালয় সপ্তাহৰ সামৰণি পৰিব।

# অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধি ৰোধৰ দাবী

## মুখ্যমন্ত্ৰীলৈ কোচ ৰাজবংশী সংগ্ৰাম সমিতিৰ স্মাৰকপত্ৰ প্ৰেৰণ

**অগ্ৰদূত বাৰ্তা**
**লখিমপুৰ, ২৫ মে' ঃ** কোচ ৰাজবংশী সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় কাৰ্যকৰী সভাপতি ৰূপজ্যোতি দত্তৰ নেতৃত্বাধীন এটি সঁজাতী দলে ৰাজ্যত নিত্যব্যৱহাৰ্য অত্যাৰশকীয় সামগ্ৰীৰ লগতে ৰোগীৰ জীৱনদায়িনী ঔষধ, পেট্ৰ'ল-ডিজেল নিৰ্মাণ সামগ্ৰীৰ আকাশলংঘী মূল্যবৃদ্ধি ৰোধৰ দাবী সজোৰে উত্থাপন কৰি লখিমপুৰ জিলা উপায়ুক্তৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰীলৈ এক স্মাৰকপত্ৰ প্ৰেৰণ কৰে। কোচ ৰাজবংশী সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যকাৰী সভাপতি ৰূপজ্যোতি দত্ত, সদৌ লখিমপুৰ জিলা কোচ ৰাজবংশী সংগ্ৰাম সমিতিৰ বিকাশ দত্ত, সাধাৰণ সম্পাদক নিতুল শইকীয়া স্বাক্ষৰিত স্মাৰকপত্ৰত উল্লেখ কৰা হয় যে ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ লগতে লখিমপুৰ জিলাতো ক্ৰমাগত বৃদ্ধি পোৱাৰ সময়তে জিলাখনৰ সকলো নিত্য ব্যৱহাৰ্য অত্যাৰশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধিয়ে সাধাৰণ জনতাই সামগ্ৰীৰ বৰ্ধিত মূল্যৰ হেঁচাত জোলোকা জোলোকে পানী খাইছে। তদুপৰি পত্ৰত উল্লেখ কৰা অনুসৰি, চেম্বাৰ অব কমাৰ্চ আৰু যোগান বিভাগৰ লগত সমন্বয় ৰক্ষা কৰি শীঘ্ৰে মূল্যবৃদ্ধি ৰোধ কৰা লগতে মূল্যবৃদ্ধি ৰোধ কৰা নিৰ্মাণ সামগ্ৰীৰ পাইকাৰী আৰু খুচুৰা বিক্ৰেতাসমূহক সামগ্ৰীৰ নিৰ্ধাৰিত নিৰিখৰ লগতে ষ্টক পঞ্জিচন গ্ৰাহকৰ দৃষ্টিগোচৰ হোৱাকৈ ফলক আঁৰি থবলৈ নিৰ্দেশ দিয়ে, আইন অমান্যকাৰী বণিকৰ দোকান-গুদাম প্ৰশাসনে ছীল কৰা আইনগতভাৱে উপযুক্ত শাস্তি প্ৰদান কৰিবলৈ দাবী জনায়।

# এজাৰগুৰি মহিলা গাঁওৰক্ষী বাহিনীৰ বিত্তীয় অনিয়ম

## সভানেত্ৰী-সম্পাদিকাৰ বিৰুদ্ধে টীয়ক আৰক্ষী থানাত গোচৰ

**অগ্ৰদূত বাৰ্তা**
**জাঁজী, ২৫ মে' ঃ** যোৰহাট জিলাৰ টীয়ক আৰক্ষী থানাৰ অন্তৰ্গত এজাৰগুৰি মহিলা গাঁওৰক্ষী বাহিনীৰ সভানেত্ৰী-সম্পাদিকাই সমিতিৰ অন্যান্য সদস্যাসকলৰ অজ্ঞাতে প্ৰায় ডেৰ লক্ষাধিক টকা আত্মসাৎ কৰাৰ গুৰুতৰ অভিযোগত প্ৰায় দুটা মাহে প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰা বিষয়টোৰ সম্প্ৰতি আৰক্ষী থানা পাইছে। গাঁওৰক্ষী বাহিনীখনৰ সভানেত্ৰী-সম্পাদিকাৰ বিৰুদ্ধে সমিতিখনৰ সদস্য-সদস্যাই গোচৰ তৰিছে স্থানীয় টীয়ক আৰক্ষী থানাত। তাৎপৰ্যপূৰ্ণ বিষয় যে গাঁওৰক্ষী বাহিনীখনৰ বিত্তীয় কেলেংকাৰি সন্দৰ্ভত আজিৰ পৰা দুটা মাহৰ পূৰ্বে চৰকাৰী ধন আত্মসাৎ কৰাৰ একাধিক তথ্যসহ সমিতিখনৰ বিৰুদ্ধে উৰ্ধতন কৰ্তৃপক্ষক অৱগত কৰিছিল। কিন্তু কেঁচু খান্দোতে সাপ ওলোৱাৰ শংকাত ২০১৭ৰ পৰা বিত্তীয় কেলেংকাৰি সংঘটিত কৰি অহা সমিতিখনৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্ৰহণ নকৰা কাৰ্যত ৰহস্য জড়িত হৈ থকাৰ অভিযোগ উত্থাপিত হৈছে। লগতে গাঁওৰক্ষী বাহিনীৰ একাংশ বিষয়ববীয়াও জড়িত থকাৰ সন্দেহ প্ৰকাশ কৰিছে একাংশ সচেতন লোকে। কোনোধৰণৰ কামৰ খতিয়ান নথকা তথা আজি পৰ্যন্ত নিয়মীয়াকৈ সভা অনুষ্ঠিত নোহোৱা গাঁওৰক্ষী বাহিনীখনৰ সভানেত্ৰী-সম্পাদিকাৰ বিৰুদ্ধে যোৱা ২২ মে'ত টীয়ক আৰক্ষী থানাত ভাৰতীয় দণ্ড বিধিৰ ৪২০/৪৬০/৪০৯ ধাৰাত ১৪০/২২ নম্বৰত গোচৰ পঞ্জীয়ন হৈছে যদিও আজি পৰ্যন্ত কোনোধৰণৰ পদক্ষেপ গ্ৰহণ কৰা নাই আৰক্ষীয়ে।

## নগাঁৱৰ নেহৰুবালিত যুৱকৰ মৃতদেহ উদ্ধাৰ

**বিশেষ সংবাদদাতা**
**নগাঁও, ২৫ মে' ঃ** নগাঁও চহৰৰ কলঙৰ বাকৰি নেহৰুবালিত আজি পুৱা এজন যুৱকৰ মৃতদেহ উদ্ধাৰ হয়। প্ৰাতঃভ্ৰমণলৈ যোৱা একাংশ লোকে মৃতদেহটো প্ৰত্যক্ষ কৰি আৰক্ষীক খবৰ দিয়াত নগাঁৱৰ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও ছহিদ ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। ইতিমধ্যে মৃতদেহটো নগাঁও চহৰৰ তেলীয়াপট্টিৰ চেন্টু পাঠক নামৰ যুৱক এজনৰ বুলি চিনাক্ত কৰা হৈছে। যোৱা ২২ মে'ৰ সন্ধিয়াৰ পৰা যুৱকজন সন্ধানহীন হৈ আছিল। তেওঁৰ কোনো বন্ধুৱে ফোন কৰি মাতি নিয়াৰ পাছৰে পৰা যুৱকজন সন্ধানহীন হৈ আছিল বুলি তেওঁৰ আত্মীয়ই অভিযোগ কৰিছে। নিহত যুৱকজনৰ শৰীৰত আঘাতৰ চিন আছে। কি পৰিস্থিতিত যুৱকজনে মৃত্যুক সাৱটি ল'লে সেয়া জানিব পৰা হোৱা নাই। নগাঁও চহৰৰ তেলীয়াপট্টীৰ চেন্টু পাঠক নগাঁও চহৰৰ এটা ড্ৰাগছ ডিষ্টিবিউটৰত কাম কৰিছিল।

## কঠিয়াতলিত কপিলীৰ বানে ছিঙা পথত দলং নিৰ্মাণ



**অগ্ৰদূত বাৰ্তা**
**পুৰণিগুদাম, ২৫ মে' ঃ** নগাঁও জিলাৰ কঠিয়াতলি-কামপুৰ সংযোগী গড়কাপ্তানী পথৰ মনোহৰ গাঁৱৰ ৪০ মিটাৰ পথ বাঢ়নী পানীৰ প্ৰবল সোতে খহাই নিয়াত বিগত ১০ দিনে যোগাযোগ বিছিন্ন হৈ আছে। সেইবাবে এই ঠাইত এখন দলং নিৰ্মাণেৰে আজিৰে পৰা অস্থায়ীভাৱে যাতায়াত মুকলি কৰা হৈছে। ১০ দিন ধৰি দুয়োপাৰৰ ৰাইজৰ বাবে একমাত্ৰ নাৱেই যোগাযোগৰ মাধ্যম আছিল। অস্থায়ী দলঙেৰে দুচকীয়া আৰু চাৰিচকীয়া সৰু বাহনৰ লগতে দুয়োপাৰৰ ৰাইজে আজি যাতায়াত আৰম্ভ কৰিছে। অতি কম দিনৰ ভিতৰতে পথ যোগাযোগৰ সমস্যাটোৰ স্থায়ী সমাধান হ'ব বুলি বিধায়ক জিতু গোস্বামীয়ে আশ্বাস দিয়ে।

## আই চি এ যোৰহাট চেণ্টাৰৰ সাফল্য

**ষ্টাফ ৰিপ'ৰ্টাৰ**
**যোৰহাট, ২৫ মে' ঃ** নগৰৰ থানা ৰোডত অৱস্থিত আই চি এ যোৰহাট মেগা চেণ্টাৰে ২০২১-২২ বিত্তীয় বৰ্ষৰ বাবে সমগ্ৰ পূব সংমণ্ডলৰ মাজত থকা আই চি এ শাখাসমূহৰ ভিতৰত তৃতীয় স্থান দখল কৰিবলৈ সক্ষম হৈছে। যোৱা ২০ মে'ত কলকাতাৰ আম্বুজা নিয়টিয়া ইকো চেণ্টাৰৰ ১৪ সংখ্যক মহলাত থকা আই চি এৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত বাৰ্ষিক সভাত যোৰহাট আই চি এ মেগা চেণ্টাৰক এই বঁটা প্ৰদান কৰা হয়। আই চি এৰ চি ই অ' অংকিত শ্যামসুখাই যোৰহাট আই চি এৰ কেন্দ্ৰ সঞ্চালক অৰূপ ভট্টাচাৰ্যক এই বঁটা আৰু প্ৰতিযোগিতা প্ৰদান কৰে। ২০২১-২২ত ক'ভিড মহামাৰীৰ মাজতো যোৰহাট আই চি এৰ ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন কোম্পানীত চাকৰি দিবলৈ সক্ষম হোৱাৰ বাবে কেন্দ্ৰ সঞ্চালক অৰূপ ভট্টাচাৰ্যই আই চি এ যোৰহাটৰ সকলো ফেকাল্টী তথা ছাত্ৰ-ছাত্ৰী আৰু নিয়োগ কৰ্তাসকলক ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছে। এই বঁটা সৰ্বোচ্চ প্লেচমেণ্টৰ বাবে প্ৰদান কৰা হয়।

## বৰজান মাটিখোলা উচ্চতৰ মাধ্যমিকত গুণোৎসৱ সম্পন্ন



**অগ্ৰদূত বাৰ্তা**
**ফৰকাটিং, ২৫ মে' ঃ** ৰাজ্য চৰকাৰৰ শিক্ষা-নীতিৰ আধাৰত আজি গোলাঘাট জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শক কাৰ্যালয়ৰ অন্তৰ্গত বৰজান মাটিখোলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ত দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱ কাৰ্যসূচী সম্পন্ন হয়। উল্লেখ্য যে পুৱা ন বজাৰ প্ৰাতঃসভাত গুণোৎসৱৰ দায়িত্বশীল বিষয়া তথা গোলাঘাট দেৱৰাজ ৰয় মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপিকা ড° বেগম উম্মা জামান আৰু ফৰকাটিং মহাবিদ্যালয়ৰ প্ৰৱক্তা লতিকা শইকীয়াক বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতি, ছাত্ৰ সদন আৰু শিক্ষক গোটে সম্বৰ্ধনা জ্ঞাপন কৰে। উল্লেখ্য যে নৱম শ্ৰেণীলৈকে মুঠ ৩৮০জন ছাত্ৰ-ছাত্ৰী প্ৰশ্ন কাকত আৰু অন্যান্য পাৰদৰ্শিতা মূল্যায়ন কৰা হয়।

## মঙলদৈ টাংনী চাহ বাগিচা আদৰ্শ হাইস্কুল উদ্বোধন

# চাহ বাগিচাত শিক্ষাৰ সোণালী যুগৰ সূচনা হৈছে



**বিশেষ সংবাদদাতা**
**মঙলদৈ, ২৫ মে' ঃ** অসমৰ চাহ বাগিচাসমূহত জ্ঞান অন্বেষণৰ এক নতুন অধ্যায় মুকলি কৰি ৰাজ্য চৰকাৰৰ অভিলাষী আঁচনিৰ অন্তৰ্গত ৰাজ্যৰ ৯৬খন চাহ বাগিচা অঞ্চলত নৱনিৰ্মিত উচ্চ মাধ্যমিক বিদ্যালয়ৰ কেন্দ্ৰীয়ভাৱে শোণিতপুৰৰ পৰা ড° হিমন্ত বিশ্ব শৰ্মাই আজি চাৰিদিনীয়া উদ্বোধনী অনুষ্ঠানৰ আৰম্ভ কৰে। ইয়াৰে অন্তৰ্গত দৰং জিলাৰ টাংনী চাহ বাগিচাত নৱনিৰ্মিত আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয়খনৰ আজি উদ্বোধন কৰে মঙলদৈ লোকসভা সমষ্টিৰ সাংসদ দিলীপ শইকীয়াই। উদ্বোধনী অনুষ্ঠানত নলবাৰীৰ বিধায়ক তথা মুখ্যমন্ত্ৰীৰ ৰাজনৈতিক সচিব জয়ন্ত মল্ল বৰুৱা, মঙলদৈৰ বিধায়ক বসন্ত কুমাৰ দাস, ছিপাঝাৰৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশী, অসম মীন উন্নয়ন নিগমৰ অধ্যক্ষ গুৰুজ্যোতি দাস, দৰং জিলাৰ উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মা প্ৰমুখ্যে বহু ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানত সাংসদ শইকীয়াই কয় যে অসম চৰকাৰৰ ৯৬খন চাহ বাগিচাত আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় স্থাপনৰ এই যুগান্তকাৰী পদক্ষেপৰ ফলত চাহ বাগিচাসমূহত শিক্ষাৰ সোণালী যুগৰ সূচনা হ'ল। এই অভিলাষী আঁচনিৰ দ্বাৰা চাহ জনগোষ্ঠীৰ অনগ্ৰসৰতাৰ পৰিৱেশৰ আমূল পৰিৱৰ্তন ঘটিব বুলি তেওঁ কয়। সাংসদ শইকীয়াই লগতে টাংনী চাহ বাগিচা আদৰ্শ হাইস্কুলক গুণগত শিক্ষাৰ এক উন্নত প্ৰতিষ্ঠান হিচাপে গঢ় দিবলৈ সকলোকে আহ্বান জনায়। নলবাৰীৰ বিধায়ক বৰুৱাই অনুষ্ঠানত কয় যে অসমৰ ১১৯খন চাহ বাগিচাত হাইস্কুল স্থাপন কৰিবলৈ লোৱাটো মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন ৰাজ্য চৰকাৰৰ এক যুগান্তকাৰী পদক্ষেপ আৰু ইয়াৰ ফলত বাগিচাসমূহত শৈক্ষিক উত্তৰণৰ এক নতুন বাতাৱৰণৰ সৃষ্টি হ'ব। চাহ জনগোষ্ঠীৰ শিক্ষা, স্বাস্থ্য আদি সকলো ক্ষেত্ৰতে উন্নয়ন সাধন কৰিবলৈ অসম চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিছে বুলি তেওঁ কয়। দৰং জিলাৰ উপায়ুক্ত শৰ্মাই আদৰণি ভাষণ প্ৰদান কৰা আৰু শিল্পী প্ৰাঞ্জল কুমাৰ শৰ্মাই আঁত ধৰা অনুষ্ঠানত মঙলদৈ সমষ্টিৰ বিধায়ক বসন্ত কুমাৰ দাসেও ভাষণ প্ৰদান কৰে আৰু শিক্ষা খণ্ডৰ উন্নয়নৰ লগত জড়িত বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰে।

## শিক্ষক জীৱেশ্বৰ হাতীবৰুৱাৰ স্মৃতিচাৰণ সভা

**অগ্ৰদূত বাৰ্তা**
**নামতি, ২৫ মে' ঃ** শিৱসাগৰ জিলাৰ নামতি দিকচু মাউত গাঁৱৰ নিৱাসী বৰাহীবাৰী মজলীয়া বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰয়াত জীৱেশ্বৰ হাতীবৰুৱাৰ আদ্যশ্ৰাদ্ধৰ স'তে সংগতি ৰাখি কালি এক স্মৃতিচাৰণ সভা অনুষ্ঠিত হয়। বিশিষ্ট শিক্ষাবিদ বদন চন্দ্ৰ দত্তৰ পৌৰোহিত্যত অনুষ্ঠিত সভাখনত উদ্দেশ্য ব্যাখ্যা কৰে শিল্পী দুৰ্গেশ্বৰ দত্তই। বন্তি প্ৰজ্বলন কৰে হাতীবৰুৱাৰ সহধৰ্মিণী হেমলতা হাতীবৰুৱাই। শ্ৰদ্ধা তৰ্পণ কৰে সংস্কৃতিৰ সাধক মোহন কলিতাই। প্ৰয়াত জীৱেশ্বৰ হাতীবৰুৱাৰ জীৱন বীক্ষাৰ সম্পৰ্কত আলোকপাত কৰে শিক্ষাবিদ তৰুণ গগৈ, চফিউৰ ৰহমান, যোগেশ্বৰ হাতীবৰুৱা আৰু সংস্কৃতিৰ সাধক মোহন কলিতাই। অনুষ্ঠানৰ আঁত ধৰে নামতিৰ জ্যেষ্ঠ সাংবাদিক বিমল বিভূতি গগৈয়ে।

## চাবুৱা চাহ বাগিচাত আদৰ্শ হাস্পতাল উদ্বোধন মন্ত্ৰী বৰাৰ

**অগ্ৰদূত বাৰ্তা**
**চাবুৱা, ২৫ মে' ঃ** চাবুৱা বিধানসভা সমষ্টিৰ অন্তৰ্গত দুখনকৈ চাহ বাগিচাত দুখন আদৰ্শ স্কুল উদ্বোধন কৰে মন্ত্ৰী অতুল বৰাই। অসমৰ প্ৰথমখন চাহ বাগিচা চাবুৱা চাহ বাগিচাত অসম চৰকাৰৰ পুঁজিৰে নিৰ্মাণ কৰা চাবুৱা চাহ বাগিচা আদৰ্শ চাহ বাগিচা উদ্বোধন কৰাৰ পূৰ্বে বিদ্যালয়ৰ চৌহদত মন্ত্ৰী বৰা আৰু বিধায়ক পোনাকণ বৰুৱাই বৃক্ষৰোপণ কৰে। ইয়াৰ পাছতে বিদ্যালয় কৰ্তৃপক্ষ আৰু চাহ বাগিচাখনৰ ৰাইজৰ দ্বাৰা আয়োজিত ৰাজহুৱা উদ্বোধনী সভাত অংশগ্ৰহণ কৰি বিদ্যালয়খন উদ্বোধনৰ লগতে বিদ্যালয়খনৰ এটা স্মাৰ্ট ক্লাছ ৰূম আৰু ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা প্ৰস্তুত কৰা প্ৰাচীৰ পত্ৰিকা উন্মোচন কৰে। উল্লেখ্য যে চৰকাৰৰ দ্বাৰা ৰাজ্যৰ ১১৯খন চাহ বাগিচাত আদৰ্শ বিদ্যালয় নিৰ্মাণ কৰা হৈছে। এই বিদ্যালয়সমূহৰ জৰিয়তে চাহ বাগিচা অঞ্চলৰ শিক্ষাৰ্থীসকলক উন্নত পৰিৱেশৰ মাজত পাঠদান কৰিব বিচৰা হৈছে। সাধাৰণতে চাহ বাগিচাৰ ছাত্ৰ-ছাত্ৰীসকলে উন্নতমানৰ বিদ্যালয় এখনত পঢ়াৰ সুবিধা লাভ কৰিব নোৱাৰে; কিন্তু এই বিদ্যালয়ৰ জৰিয়তে আধুনিক শিক্ষাৰ স'তে নিজকে খাপ খুৱাই আগুৱাই যাব বুলি আশা ব্যক্ত কৰে কৃষিমন্ত্ৰী বৰাই। উক্ত উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে ডিব্ৰুগড় জিলা উপায়ুক্ত বিশ্বজিৎ পেগু, ৰাজহ চক্ৰ বিষয়া শিল্পী শিখা ঠাকুৰীয়া, সাংসদ প্ৰদান বৰুৱাৰ প্ৰতিনিধি মৃদুল ৰাজখোৱা, বিজেপিৰ পানীতোলা মণ্ডলৰ সভাপতি পুলক সোণোৱাল, বিজেপি ৰাজ্যিক চাহ মৰ্চাৰ সম্পাদক ৰোচিক দাস, বিদ্যালয়সমূহৰ পৰিদৰ্শকক ধৰি অন্যান্য লোকসকল। ইয়াৰ পাছতে গুইজান উন্নয়ন খণ্ডৰ অধীনৰ ধলাজান চাহ বাগিচাৰ আদৰ্শ হাস্পতালখন উদ্বোধন কৰে মন্ত্ৰীজনে।

# বৰলীয়া মথাউৰিৰ পৰা দক্ষিণ শিংৰা সংযোগী পথৰ বিধ্বস্ত ৰূপ



## ৰাইজৰ দুৰ্ভোগ

**অগ্ৰদূত বাৰ্তা**
**বাহাৰঘাট, ২৫ মে' ঃ** বৰলীয়া মথাউৰিৰ পৰা আঞ্চলিক মধ্য ইংৰাজী বিদ্যালয়ৰ সন্মুখৰে দক্ষিণ শিংৰা সংলগ্ন পথটোৰ অৱস্থাই ৰাইজক জীয়াতু ভোগাইছে। নলবাৰী জিলাৰ বৰক্ষেত্ৰী সমষ্টিৰ অন্তৰ্গত উক্ত পথটোৰে দৈনিক অসংখ্য যানবাহন আৰু পথচাৰীয়ে অহা-যোৱা কৰে। উল্লেখ্য যে পথছোৱা নলবাৰী জিলাৰ বৰক্ষেত্ৰী সমষ্টিৰ অন্তৰ্গত আঠঘৰীয়া বৰবুকীয়া গড়কাপ্টানী পথৰে এটা অংশ বুলি স্থানীয় ৰাইজে কয়। ইতিমধ্যে উক্ত পথৰ এটা অংশ আঠঘৰীয়াৰ পৰা বৰশিমলুৱা হৈ বৰলীয়া নৈৰ বাওঁফালৰ মথাউৰিলৈ নিৰ্মাণ চলি আছে। কিন্তু উক্ত বিধ্বস্ত অংশ মেৰামতি কৰাৰ কোনো লক্ষণ আজিলৈকে নেদেখি ৰাইজ হতাশ হৈছে। ভুক্তভোগী ৰাইজে ক্ষোভ প্ৰকাশ কৰি কয় যে লোকনিৰ্মাণ বিভাগৰ দ্বাৰা নিৰ্মাণ চলি থকা আঠঘৰীয়া বৰবুকীয়া পথটোৰ লগতে উক্ত পথৰ পকীকৰণ কৰিব বুলি একাংশ ৰাজনৈতিক নেতাই উল্লেখ কৰিছে। যদিও বাস্তৱত সেয়া নহয় বুলি জানি ৰাইজ হতাশ হৈছে। বৰক্ষেত্ৰী সমষ্টিৰ অন্তৰ্গত উক্ত পথছোৱা তদানীন্তন বিধায়ক নাৰায়ণ ডেকাই পকীকৰণ কৰাৰ আশ্বাসো দিছিল যদিও তেওঁৰ কাৰ্যকাল উকলি এতিয়া দিগন্ত বৰ্মন বিধায়ক হ'ল। বৰ্তমানৰ বিধায়কজনেও পথটো যাতায়াতৰ উপযোগী কৰাত কোনো গুৰুত্ব দিয়া নাই বুলি অভিযোগ উঠিছে। উল্লেখ্য যে উক্ত পথটো দক্ষিণ শিংৰাৰ পৰা কোঁৱৰপুৰ হৈ বুল্লুট বজাৰৰ ওচৰত সংলগ্ন হৈছে। উক্ত পথটোৰো অৱস্থা তথৈবচ। এইছোৱা পথৰ বাবেও হাজো সমষ্টিৰ বিধায়িকাগৰাকীক ৰাইজে অৱগত কৰিছে যদিও কোনো কাৰ্যকৰী ব্যৱস্থা হাতত লোৱা হোৱা নাই। সেয়েহে ভুক্তভোগী ৰাইজে সমগ্ৰ পথটো পকীকৰণৰ বাবে চৰকাৰক দাবী জনাইছে।

# উইল্টন-বাগ্ৰদিয়া সংযোগী কাছ গাঁৱৰ পথৰ কদৰ্য ৰূপ

**অগ্ৰদূত বাৰ্তা**
**টেঙাখাত, ২৫ মে' ঃ** দুলীয়াজান সমষ্টিৰ অন্তৰ্গত গন্ধিয়া ভাজনী গাঁও পঞ্চায়তৰ অধীনৰ উইল্টন আৰু বাগ্ৰদিয়া সংযোগী কাছ গাঁৱৰ পথৰ জৰাজীৰ্ণ আৰু কদৰ্য অৱস্থাই অঞ্চলটোৰ ৰাইজক দুৰ্ভোগ ভোগাইছে। গন্ধিয়া-ভাজনী গাঁও পঞ্চায়তৰ অধীনত জবকাৰ্ড শ্ৰমিকৰ দ্বাৰা পথটো মাটি উঠাই নিৰ্মাণ কৰা হৈছিল যদিও শিল পেলোৱাৰ ব্যৱস্থা নকৰাৰ ফলত বৰষুণ দিলেই পথটো বোকা-পানীৰে ভৰি পৰে। বোকাময় পথটোৰেদি যাতায়াত কৰাৰ কোনো সুবিধা নাথাকে। ভাজনী, গীতানগৰ আৰু ৰামেশ্বৰপুৰ চাহ বাগিচাৰ লগতে গাঁৱৰ বহু ক্ষুদ্ৰ চাহ বাগিচাৰ যাতায়াত ব্যৱস্থাত ব্যাঘাত জন্মাৰ অভিযোগ কৰিছে। ইয়াৰ উপৰি বৰদলনি, ভাজনী, উইল্টন, কাছ গাঁৱৰ ৰাইজেও যাতায়াতত জীয়াতু ভুগিছে। কাছ গাঁও উচ্চ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলেও দুৰ্ভোগ ভুগি আহিছে। অঞ্চলটোৰ সচেতন লোক, স্বেচ্ছাসেৱী সংগঠনসমূহে জনপ্ৰতিনিধি আৰু ডিব্ৰুগড় জিলাৰ উপায়ুক্তক পথটোৰে যাতায়াত ব্যৱস্থা সুচল কৰিবলৈ আবেদন-নিবেদন জনাই অহাৰ পাছতো কোনো গুৰুত্ব প্ৰদান নকৰাৰ অভিযোগ কৰিছে স্থানীয় ৰাইজে। প্ৰায় ছয় কিলোমিটাৰ দৈৰ্ঘ্যৰ পথটো অতি শীঘ্ৰে নিৰ্মাণৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছে অঞ্চলটোৰ ৰাইজে।

## দুৰ্ভোগ ভুগিছে ৰাইজে





## এথলেটিকছ প্ৰতিযোগিতা

**অগ্ৰদূত বাৰ্তা**
**মাটিয়া, ২৫ মে' ঃ** গোৱালপাৰা জিলা প্ৰশাসনৰ উদ্যোগত আৰু গোৱালপাৰা জিলা ক্ৰীড়া সন্থাৰ সহযোগত স্থানীয় ডি এন সিংহ ষ্টেডিয়ামত অহা ৩০ মে'ৰ দিনা জিলা ভিত্তিত এদিনীয়া এথলেটিকছ প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে । উল্লেখ্য যে ১৭ বছৰৰ অনূৰ্ধ্ব আৰু ১৭ বছৰ উৰ্ধ্বৰ ল'ৰা-ছোৱালীৰ বাবে আয়োজিত প্ৰতিযোগিতাখনত অংশ গ্ৰহণ কৰিব বিচৰা ইচ্ছুক খেলুৱৈ সকলক অহা ২৭ মে'ৰ ভিতৰত নাম পঞ্জীয়ন কৰিবলৈ কোৱা হৈছে । খেলুৱৈ সকলে বয়সৰ প্ৰমান পত্ৰ অনাৰ লগতে আঞ্চলিক ক্ৰীড়া সন্থাৰ দ্বাৰা লিখিত প্ৰমানপত্ৰ অনাটো বাধ্যতামূলক । ১৭ বছৰৰ অনূৰ্ধ্ব আৰু ১৭ বছৰ উৰ্ধ্বৰ ল'ৰা-ছোৱালীৰ মাজত এশ মিটাৰ, চাৰিশ মিটাৰ, আঠশ মিটাৰ আৰু পোন্ধৰশ মিটাৰ দৌৰ প্ৰতিযোগিতাৰ লগতে লংজাম্প, শ্বট-পুট আৰু ডিচকাচ থ্ৰ' প্ৰতিযোগিতা অনুষ্ঠিত কৰা হ'ব । ইপিনে চৰকাৰী বিষয়া-কৰ্মচাৰীৰ বাবেও শ্বট-পুট আৰু জেভলিন থ্ৰ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব । সবিশেষ জনাৰ বাবে গোৱালপাৰা জিলা ক্ৰীড়া সন্থাৰ সহকাৰী সম্পাদক দীপক কুমাৰ মল্লিকৰ ৯৪৭৬৬৪২৭৩২ আৰু এথলেটিকছ সম্পাদক জেহেৰুল ইছলামৰ ৯৯৫৪৬৯১৬৫০ নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে জিলা ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক ৰত্ন দাসে।



ক্ৰীড়াজগতত স্থান নাই কোনো বিতৰ্কৰ, প্ৰতিদ্বন্দ্বীও কেৱল মেচহে, বিশ্ব বক্সিঙত নিখাতে সোণ লাভ কৰাৰ পাছত সকলো পাহৰি এইদৰে ফটো উঠিলে ছবাৰৰ বিশ্ব চেম্পিয়ন এম চি মেৰীকমৰ লগত, নতুন দিল্লীত।

## ভাৰতীয় অলিম্পিক সন্থাৰ সভাপতি পদ ত্যাগ কৰাৰ আনুষ্ঠানিক ঘোষণা

# নিৰ্বাচনত অংশ নলয় নৰিন্দৰ বাত্ৰাই



**নতুন দিল্লী, ২৫ মে' ঃ** ভাৰতীয় অলিম্পিক সন্থাৰ সভাপতি নৰিন্দৰ বাত্ৰাই ৰাষ্ট্ৰীয় ক্ৰীড়াৰ শীৰ্ষ সংস্থাটোৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'লে সভাপতি পদত দ্বিতীয়বাৰলৈ প্ৰতিদ্বন্দ্বিতা নকৰে বুলি আজি আনুষ্ঠানিক ঘোষণা কৰিছে। আন্তঃৰাষ্ট্ৰীয় হকী ফেডাৰেচনৰ মুৰব্বী হিচাপে তেওঁ অধিক সময় দিব লগা হোৱাৰ বাবেই ভাৰতীয় অলিম্পিক সন্থাৰ সভাপতি ত্যাগ কৰিব বুলি কয় বাত্ৰাই। উল্লেখ্য যে তেওঁৰ এই সিদ্ধান্তৰ ফলত বাত্ৰাৰ আন্তঃৰাষ্ট্ৰীয় অলিম্পিক কমিটীৰ সদস্য পদৰো অন্ত পৰিব। কাৰণ এই লোভনীয় পদটোত তেওঁৰ আই অ' এৰ সভাপতি হৈ থকাৰ বাবেহে জড়িত হৈ আছিল। ২০১৭ ত প্ৰথমবাৰৰ বাবে আই অ' এৰ সভাপতি হিচাপে নিৰ্বাচিত হোৱা বাত্ৰাই ২০১৯ ত আই অ' চিৰ সদস্য হিচাপে নিৰ্বাচিত হৈছিল। উল্লেখ্য যে বিগত বৰ্ষৰ ডিচেম্বৰত গুৱাহাটীত অনুষ্ঠিত হ'বলগীয়া আই অ' এৰ নিৰ্বাচন এতিয়া বিচাৰধীন আদালতৰ গোচৰৰ বাবে স্থগিত ৰখা হৈছে। 'এই সময়ত বিশ্ব হকীয়ে এক বিকাশৰ পৰ্যায়ৰ মাজেৰে আগবাঢ়িছে। সেয়ে মোৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ হৈ পৰিছে। আন্তঃৰাষ্ট্ৰীয় হকী ফেডাৰেচনৰ সভাপতিৰূপে সকলোবোৰ কাম নিয়াৰিকৈ কৰিবলৈ মোক অধিক সময়ৰ প্ৰয়োজন। ফলস্বৰূপে মই ভাৰতীয় অলিম্পিক এছ'চিয়েশ্যনৰ সভাপতি হিচাপে আৰু এটা কাৰ্যকালৰ বাবে প্ৰতিদ্বন্দ্বিতা নকৰাৰ সিদ্ধান্ত লৈছো।' বাত্ৰাই এক বিবৃতিত কয়। উল্লেখ্য যে ২০১৭ ত প্ৰথমবাৰৰ বাবে আই অ' এৰ সভাপতি হিচাপে নিৰ্বাচিত হোৱা বাত্ৰাই পুনৰ নিৰ্বাচনৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰাৰ যোগ্যতা কিন্তু অৰ্জন কৰিছে। বাত্ৰাই লগতে কয় 'মই অনুভৱ কৰোঁ যে ভাৰতীয় ক্ৰীড়াক উত্তৰণলৈ নিয়াৰ বাবে এতিয়া সতেজ মন আৰু নতুন ধাৰণাৰে অহা এজন ব্যক্তিৰ প্ৰয়োজন। ২০৩৬ ৰ গ্ৰীষ্মকালীন অলিম্পিক ভাৰতত আয়োজন কৰাৰ বাবে আমি এক হৈ চেষ্টা কৰিব লাগিব।'

## ফ্ৰেন্স অপেনৰ পৰা বিদায় ল'লে ইউ এছ অপেনৰ চেম্পিয়নে

# দ্বিতীয় ৰাউণ্ডত পৰাস্ত এমা ৰাডুকানু

**পেৰিছ, ২৫ মে' ঃ** দ্বিতীয় ৰাউণ্ডৰ মেচত বেলাৰুছৰ আলিয়াক্সান্দ্ৰা ছাছনোভিচৰ হাতত ৩-৬, ৬-১, ৬-১ ৰ ব্যৱধানত পৰাস্ত হৈ চলিত ফ্ৰেন্স অ'পেনৰ পৰা আজি বিদায় লৈছে ইউ এছ অ'পেনৰ চেম্পিয়ন এমা ৰাডুকানুৱে। উল্লেখ্য যে এই বছৰে ফ্ৰেন্স অ'পেনৰ জড়িয়তে পেছাদাৰী টেনিছত অভিষেক ঘটোৱা ব্ৰিটিছ দ্বাদশ বাছনিৰ তাৰকাগৰাকীয়ে ইয়াৰপূৰ্বে ২০২১ ত ইণ্ডিয়ান ৱেলছত ৪৭ নম্বৰ ৰেংকিঙৰ ছাছন'ভিচৰ হাততো পৰাস্ত হৈছিল। ইউ এছ অ'পেনত ট্ৰফী জয়ৰ পিছতে প্ৰথমখন মেচত পৰাস্ত হৈছিল ৰাডুকানু। ইফালে, জয়ৰ পাছত ২৮ বছৰীয়া ছাছনভিচে কয় 'প্ৰথম ছেটৰ পিছতে মই ভাবিছিলো মেচত জয়ী হ'ব নোৱাৰো গতিকে প্ৰতিটো পইণ্টৰ বাবে মেচখন খেলিলোঁ।' উল্লেখ্য যে পেৰিছত প্ৰথমবাৰৰ বাবে তৃতীয় ৰাউণ্ডত খেলিব ছাছনভিচে। তেওঁ পৰৱৰ্তী মেচত তিনিবাৰৰ বিজয়ী জাৰ্মানীৰ এঞ্জেলিক কাৰ্বাৰ বা ফ্ৰান্সৰ ৱাইল্ডকাৰ্ড এলছা জেকমটৰ মুখামুখি হ'ব। উল্লেখ্য যে ইয়াৰপূৰ্বে গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা ফ্ৰেন্স অ'পেনৰ পৰা প্ৰথম ৰাউণ্ডতে বাহিৰ হৈছিল জাপানৰ নাওমি অ'চাকা। আমেৰিকাৰ আমাণ্ডা এনিছিমোভাৰ হাতত ৭-৫, ৬-৪ ৰ ব্যৱধানত পৰাস্ত হয় অ'চাকা। উল্লেখ্য যে যোৱাবছৰ বিতৰ্কিতভাৱে প্ৰতিযোগিতাখন এৰি দিয়াৰ ১২ মাহৰ পিছতকৰ্টত নমি প্ৰথম ৰাউণ্ডতে ফ্ৰেন্স অ'পেনৰ অভিযান সামৰে অ'চাকাই। বিশ্বৰ প্ৰাক্তন এক নম্বৰ স্থান আৰু চাৰিবাৰৰ গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা বিজয়ী অ'চাকাই ২০২১ ত সংবাদ মাধ্যমৰ প্ৰতিশ্ৰুতিসমূহ পালন কৰিবলৈ অস্বীকাৰ কৰিছিল আৰু ফ্ৰেন্স অ'পেনৰ পৰা আঁতৰি আহিছিল। সংবাদমেলৰ বিৰোধিতা কৰাৰ বাবে অ'ছাকাক জৰিমনাও বিহা হৈছিল আৰু গ্ৰেণ্ড শ্লেম নিষিদ্ধ কৰাৰ ভাবুকি দিয়া হৈছিল।





## মাউণ্ট এভাৰেষ্ট আৰোহণ ১০ বছৰীয়া ৰিদমৰ

**মুম্বাই, ২৫ মে' ঃ** পৃথিৱীৰ সৰ্বোচ্চ শীখৰ মাউণ্ট এভাৰেষ্ট আৰোহণ কৰিলে মুম্বাইৰ ১০ বছৰীয়া স্কেটাৰ ৰিদম মামানিয়াই। উল্লেখ্য যে এই সফলতা লাভ কৰি মামানিয়া আটাইতকৈ কম বয়সীয়া ভাৰতীয় পৰ্বতাৰোহীসকলৰ ভিতৰত এজন হৈ পৰিছে। তেওঁ ১১ দিনত সম্পূৰ্ণ কৰিছে এভাৰেষ্ট যাত্ৰা। মামানিয়াৰ পিতৃ-মাতৃ হ'ল হৰ্ষল আৰু উৰ্মী। ট্ৰেকৰ আৰম্ভণিৰ সময়ত পিতৃ-মাতৃ তেওঁৰ লগতে আছিল। উল্লেখ্য যে বান্দ্ৰাৰ এম ই টি ঋষিকুল বিদ্যালয়ৰ পঞ্চম শ্ৰেণীৰ ছাত্ৰী ৰিদমে ছয় মে'ৰ নিশা প্ৰায় এক বজাত এভাৰেষ্ট বেচ কেম্পত উপস্থিত হৈছিল। এই বেচ কেম্প ৫,৩৬৪ মিটাৰত অৱস্থিত আৰু অভিযান সম্পূৰ্ণ কৰিবলৈ ৰিদমক ১১ দিন সময় লাগিছিল। সাফল্যৰ পাছত ৰিদমে কয় যে স্কেটিঙৰ লগতে ট্ৰেকিং সদায়েই তেওঁৰ প্ৰিয় ক্ৰীড়া আছিল।

# ফুটবলত এন টি পি চি, বঙাইগাঁও দলৰ চেম্পিয়ন ট্ৰফী লাভ

**অগ্ৰদুত বাৰ্তা, কোকৰাঝাৰ, ২৫ মে' ঃ** কোকৰাঝাৰ জিলাৰ অন্তৰ্গত ছালেকাটিস্থিত এনটিপিচি, বঙাইগাঁৱে তালচেৰ কানিহাক ছ৪-০গ্ন গ'লত পৰাস্ত কৰি ইআৰ-দ্বিতীয়ৰ আঞ্চলিক ভিত্তিক ক্ৰীড়া সমাৰোহৰ ফুটবল প্ৰতিযোগিতাৰ ট্ৰফী জয় কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যৈ ছদিনীয়া ৰোমাঞ্চকৰ প্ৰতিযোগিতাত চাৰিটা দল যথাক্ৰমে এনটিপিচি-বঙাইগাওঁ, দৰলিপালি, তালচেৰ থাৰ্মেল আৰু তালচেৰ কানিহাই অংশগ্ৰহণ কৰে। আয়োজক টীম এনটিপিচি, বঙাইগাঁৱে লীগৰ আটাইকেইখন মেচতে জয়লাভ কৰে। উল্লেখ্য যে মুখ্য অতিথি অসীম কুমাৰ গোস্বামী আৰু ভাৰতীয় ফুটবলাৰ অসম সন্তান হলিচৰণ নাজাৰীয়ে চূড়ান্ত প্ৰতিযোগিতাখনি উদ্বোধন কৰে। উপস্থিত থাকে এনটিপিচি, বঙাইগাঁৱৰ কাৰ্যবাহী সঞ্চালক সুব্ৰত মণ্ডল, টি ৰবিন্দৰ, উমেশ সিং, ডি পি পাত্ৰ, ইন্দুৰী ৰেড্ডী আৰু অৰুণাশীষ দাস। উল্লেখ্য যে আজাদী কা অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি এই সমাৰোহ অনুষ্ঠিত কৰা হৈছিল। প্ৰতিযোগিতাত এনটিপিচি, বঙাইগাঁৱৰ এইচ বেঞ্জামিন মাৰিখানলাল চিমতেয়ে গ'ল্ডেন বুট , এনটিপিচি, তালচেৰ কানিহাৰ অনিল কুমাৰ প্ৰধানে গ'ল্ডেন গ্ল'ভ অৰ্জন কৰাৰ লগতে এনটিপিচি, দৰলিপালি টীমে ফেয়াৰ প্লে' বঁটা, এনটিপিচি, বঙাইগাঁৱৰ অৰ্জুন ৰয়ে শ্ৰেষ্ঠ খেলুৱৈ বঁটা লাভ কৰে।



# ৰাষ্ট্ৰীয় ৰাগবিলৈ ওদালগুৰিৰ তিনিজন খেলুৱৈ নিৰ্বাচিত

**অগ্ৰদুত বাৰ্তা**
**কলাইগাও, ২৫ মে' ঃ** ৰাষ্ট্ৰীয় ৰাগবীৰ বাবে ঘোষিত অসম দলত ওদালগুৰি জিলাৰ তিনি খেলুৱৈ নিৰ্বাচিত হৈছে। জিলাখনৰ কলাইগাঁৱৰ কছাৰীতলৰ বিজুত ৰাভা আৰু নিপম ৰাভাৰ লগতে ভেড়গাঁৱৰ বকপুৰিৰ পাৰ্থ প্ৰতিম ৰাভাই যোৱা ১৯ মেত নলবাৰীত হোৱা বাচনিত সফলতা লাভ কৰি ৰাজ্যিক দললৈ নিৰ্বাচিত হয় । উল্লেখ যে অহা ১৯ জুনত বিহাৰত হ'ব লগিয়া ৰাষ্ট্ৰীয় ৰাগবী প্ৰতিযোগিতাত উক্ত তিনি গৰাকী খেলুৱৈয়ে অসম দলৰ হৈ প্ৰতিনিধিত্ব কৰিব । ইফালে, তিনি গৰাকী খেলুৱৈয়ে অসম ৰাগবী দলত





স্থান লাভ কৰাৰ বাবে কলাইগাও আঞ্চলিক ৰাভা ছাত্ৰ সন্থাই তিনি গৰাকীকে অভিনন্দন জ্ঞাপন কৰিছে। লগতে কলাইগাও আৰছুৰ হৈ ৰনজিত ৰাভাই অনাগত দিনত আটাইকেই গৰাকী খেলুৱৈয়ে ৰাজ্যলৈ গৌৰৱ কঢ়িয়াই আনিব বুলি কয়।

# বিশ্বকাপ আৰ্চাৰীত সফলতা লাভ কৰা ভাৰতীয় দলক সম্বৰ্ধনা ক্ৰীড়া মন্ত্ৰী ঠাকুৰৰ

**নতুন দিল্লী, ২৫ মে' ঃ** দক্ষিণ কোৰিয়াত অনুষ্ঠিত বিশ্বকাপ আৰ্চাৰীৰ দ্বিতীয় পৰ্যায়ৰ খেলত ভাৰতীয় পুৰুষ কম্পাউণ্ড দলৰ স্বৰ্ণসহ পাঁচটা পদক লৈ ঘৰলৈ উভতি অহা ভাৰতীয় আৰ্চাৰী দলটোক কালি কেন্দ্ৰীয় ক্ৰীড়া মন্ত্ৰী অনুৰাগ ঠাকুৰে সম্বৰ্ধনা জনায়। উল্লেখ্য যে অভিষেক ভাৰ্মা, ৰজত চৌহান আৰু অমন ছাইনীৰ দ্বাৰা গঠিত ভাৰতীয় পুৰুষ দলটোৱে ফ্ৰান্সক পৰাস্ত কৰি সোণৰ পদক লাভ কৰাৰ বিপৰীতে এই সন্মানীয় প্ৰতিযোগিতাখনত ভাৰতে ৰূপ আৰু তিনিটা ব্ৰঞ্জৰ পদকো লাভ কৰে। উল্লেখ্য যে পুৰুষৰ একক শাখাত মোহন ভৰদ্বাজে ব্যক্তিগত ৰূপৰ পদক লাভ কৰে। ভাৰতীয় আৰ্চাৰী দলৰ সফলতাক প্ৰশংসা কৰি কেন্দ্ৰীয় ক্ৰীড়া মন্ত্ৰী ঠাকুৰে কয় যে, প্ৰতিযোগিতাত পদক লাভ কৰিবলৈ ভাৰতীয় দলে যি চেষ্টা আৰু কষ্ট কৰিছিল তাৰ ফলশ্ৰুতিতে প্ৰত্যাশিত সফলতা লাভ কৰিবলৈ সক্ষম হ'ল। দেশবাসীয়ে এক হৈ খেলুৱৈক সমৰ্থন কৰিলেহে ভাৰতীয় ক্ৰীড়াবিদে উৎসাহ আৰু প্ৰেৰণা লাভ কৰিব। ইফালে, প্ৰতিযোগিতাত দলীয় সোণ লাভ কৰা অভিষেক ভাৰ্মাই কয়, 'আমি এছিয়ান গেমছৰ বাবে প্ৰস্তুতি চলাই আছিলো গতিকে দলটো এতিয়া এক সুন্দৰ ফৰ্মত আছে। কাৰিকৰী দিশৰ ক্ষেত্ৰত ভাৰতৰ আৰ্চাৰ এতিয়া যথেষ্ট উন্নতি কৰিছে। আন্তঃগাঁথনি, প্ৰশিক্ষণ, এক্সপ'জাৰ, ফেডাৰেচন আৰু চৰকাৰৰ পৰা লাভ কৰা সহযোগৰ বাবেই আমি ইমানখিনি লাভ কৰিবলৈ সক্ষম হৈছো।' উল্লেখ্য যে এই প্ৰতিযোগিতাত ভাৰতীয় পুৰুষ ৰিকাৰ্ভ দলত আছিল অসমৰ জয়ন্ত তালুকদাৰো।



# সমগ্ৰ ৰাজ্যতে আছিহাৰা কাৰাটেৰ প্ৰশিক্ষণ শিবিৰ

**গুৱাহাটী, ২৫ মে' ঃ** যোৰহাটত অনুষ্ঠিত হোৱা আছিহাৰা কাৰাটেৰ প্ৰশিক্ষণ শিবিৰত এজাক উদীয়মান খেলুৱৈয়ে অংশ লৈ দুৰ্দান্ত ক্ৰীড়া প্ৰদৰ্শন কৰে। উল্লেখ্য যে অহা ২৩ আৰু ২৪ জুলাইত দেৰগাঁৱত অনুষ্ঠিত হ'ব ৰাজ্যিক পৰ্যায়ৰ আছিহাৰা কাৰাটে প্ৰতিযোগিতা। সেয়ে সম্প্ৰতি জিলাই জিলাই চলিছে প্ৰশিক্ষণৰ লগতে বাছনি শিবিৰ । শিৱসাগৰত বাছনি শিবিৰ সফলতাৰে অনুষ্ঠিত হোৱাৰ পাছত এইবাৰ এই শিবিৰ অনুষ্ঠিত হৈছে যোৰহাট জিলাত। শিবিৰত বহুসংখ্যক সমৰকলা খেলুৱৈৰ অংশগ্ৰহণ কৰিছে। আছিহাৰা কাৰাটে স্কুল অৱ যোৰহাট টেকেলা গাঁৱৰ ক্লাবে অনুষ্ঠিত কৰে এক প্ৰশিক্ষণ শিবিৰ । প্ৰায় ৮০ গৰাকীৰো অধিক প্ৰৱীক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰা এই শিবিৰত দুগৰাকীকৈ প্ৰশিক্ষণে আছিহাৰা কাৰাটেৰ প্ৰশিক্ষণ আগবঢ়ায় । প্ৰশিক্ষক দুগৰাকী হ'ল ঃ সুশান্ত দাস আৰু দিব্যজ্যোতি বৰা । উল্লেখ্য যে, আছিহাৰ কাৰাটে স্কুল অৱ অসমৰ জিলা আছে মুঠ ১৮ খন। পৰৱৰ্তী বাছনি তথা প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত হ'ব ডিব্ৰুগড়ত । জুনৰ ভিতৰতে ৰাজ্যৰ সকলো জিলাতে অনুষ্ঠিত হ'ব বাছনিসমূহ।



## অসম দলৰ হৈ ১০ টা পদক লাভ

# ৰাষ্ট্ৰীয় ৱাড'কাই কাৰাটেত বিশ্বনাথৰ খেলুৱৈৰ সাফল্য

**অগ্ৰদূত বাৰ্তা, বিশ্বনাথ চাৰিআলি , ২৫ মে' ঃ** ভূৱেনশ্বৰত অনুষ্ঠিত হোৱা সৰ্বভাৰতীয় ৱাড'কাই কাৰাটে চেম্পিয়নশ্বিপত বিশ্বনাথৰ সাতগৰাকী খেলুৱৈয়ে আজুৰি আনিলে ১০ টাকৈ পদক । ইয়াৰে ভিতৰত প্ৰিন্স ডেকাই এটা স্বৰ্ণ পদক, ভাগ্যশ্ৰী ভূএগ্ৰাই এটা স্বৰ্ণ, এটা ব্ৰঞ্জ, য়াছ ছেত্ৰীয়ে দুটা ৰূপ ,প্ৰণৱ বৰাই দুটা ব্ৰঞ্জ, দিপাঙ্কৰ ভূএগ্ৰাই দুটা ব্ৰঞ্জ, মুনমী দাসে এটা ব্ৰঞ্জ আৰু বিৰিণা ভূএগ্ৰাই এটা ব্ৰঞ্জৰ পদক লাভ কৰি জিলাৰ লগতে ৰাজ্যখনলৈও গৌৰৱ কঢ়িয়াই আনিছে।ইয়াৰপূৰ্বেও চাৰিগৰাকী খেলুৱৈ ক্ৰমে প্ৰণৱ বৰা,ভাগ্যশ্ৰী ভূএগ্ৰা,মুনমী দাস আৰু য়াছ ছেত্ৰীয়ে গুজৰাটৰ সোমনাথত অনুষ্ঠিত ৰাষ্ট্ৰীয় চেম্পিয়নশ্বিপত সাতটাকৈ স্বৰ্ণ, ৰূপ আৰু ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হৈছিল।

## গুৱাহাটীত সফলতাৰে সমাপ্ত ফুল কণ্টেক্ট কাৰাটে

# অসমৰ শ্ৰেষ্ঠ দলৰ সন্মান অৰ্জন

**গুৱাহাটী, ২৫ মে' ঃ** গুৱাহাটীত অনুষ্ঠিত সৰ্বভাৰতীয় কে ডব্লিউ এফ অপেন ফুল কন্টেক্ট কাৰাটে চেম্পিয়নশ্বিপৰ সামৰনি পৰিছে। অসম কাইকুচিন কাই-কান কাৰাটে সন্থাৰ উদ্যোগত তথা বি কে মাৰ্চিয়েল আৰ্টছ একাডেমীৰ সহযোগিতাত গুৱাহাটীৰ কটন বিশ্ববিদ্যালয় ইনড'ৰ হলত অনুষ্ঠিত হয় ৰাষ্ট্ৰীয় অ'পেন ফুল কন্টেক্ট কাৰাটে চেম্পিয়নশ্বিপ । তৃতীয় সৰ্বভাৰতীয় কে ডব্লিউ এফ অপেন এই ফুল কন্টেক্ট কাৰাটেত অসমকে ধৰি দেশৰ আঠখন ৰাজ্যৰ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে । লক্ষ্যণীয় যে দীৰ্ঘদিনৰ বিৰতিত অসমত ফুল কন্টেক্ট কাৰাটে প্ৰতিযোগিতা অনুষ্ঠিত হৈছে । প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকে কামৰূপ মহানগৰ জিলাৰ পৰিবহন বিষয়া হিমাংশু দাস আৰু বিশিষ্ট চিকিৎসক ডাক্তৰ ঐশ্বৰ্যা জে কৌৰ । এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰা দেশৰ আঠখন ৰাজ্য হ'ল মেঘালয় , ত্ৰিপুৰা , অৰুণাচল প্ৰদেশ , মণিপুৰ , অন্ধ্ৰপ্ৰদেশ , কেৰালা , পশ্চিমবংগ আৰু আয়োজক অসম । প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি আনন্দিত দেশৰ বিভিন্ন ৰাজ্যৰ কাৰাটেকা। বিয়লি সামৰণি অনুষ্ঠানত উপস্থিত থাকি বঁটাসমূহ বিতৰণ কৰে অসমীয়া চলচিচত্ৰৰ সুদৰ্শন অভিনেতা ৰবি শৰ্মা আৰু মোহময়ী অভিনেত্ৰী মৈত্ৰেয়ী শৰ্মাই । টুৰ্ণামেণ্টখন আয়োজন কৰি সন্তোষ প্ৰকাশ কৰিলে কায়কচিন কাই কান কাৰাটেৰ মুখ্য প্ৰশিক্ষক ভাগ্যেশ্বৰ কুলিয়ে । টুৰ্ণামেণ্টত অসমে সৰ্বাধিক পদক লাভ কৰি শ্ৰেষ্ঠ দলৰ খিতাপ দখল কৰে । দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰে ক্ৰমে পশ্চিমবংগ আৰু মেঘালয়ে।



# জি টি চি দবাত ৰজত-নলিনাক্ষ্য-নিহাদ চেম্পিয়ন

**গুৱাহাটী, ২৫ মে' ঃ** গুৱাহাটী টাউন ক্লাবত অনুষ্ঠিত জি টি চি দবা গ্ৰাঁ প্ৰি ৰ দ্বিতীয় সংস্কৰণ সফলতাৰে সামৰণি পৰিছে । উল্লেখ্য যে সমগ্ৰ ৰাজ্যৰ মুঠ ৯২ গৰাকী খেলুৱৈয়ে অংশগ্ৰহণ কৰা এই দিনজোৱা টুৰ্ণামেণ্টখন আয়োজন কৰে জি টি চি দবা ফাউণ্ডেচনে। মেচ অনুষ্ঠিত হয় ৯ বছৰ অনূৰ্ধ্ব , ১৫ বছৰ অনূৰ্ধ্ব আৰু মুকলি শাখাত । ৯ বছৰ আৰু ১৫ বছৰ অনূৰ্ধ্ব শাখাত পাঁচ ৰাউণ্ডৰ ভিতৰত পাঁচ পইণ্টকৈ অৰ্জন কৰি চেম্পিয়নৰ খিতাপ দখল কৰে ক্ৰমে ৰজত বাফনা আৰু নলিনাক্ষ্য কাশ্যপে । ইফালে মুকলি শাখাত চাৰি ৰাউণ্ডৰ পৰা ৩.৫ পইণ্ট লাভ কৰি চূড়ান্ত বিজয়ী হয় নিহাদ ইছলাম হাজৰিকা । ৬ ,৯, ১১, ১৩,১৫,১৯ বছৰৰ অনূৰ্ধ্ব আৰু অপেন শাখাৰ শীৰ্ষ তিনি গৰাকীকৈ খেলুৱৈক বঁটা আৰু প্ৰমানপ্ৰত্ৰ প্ৰদান কৰা হয় । প্ৰতিযোগিতাখন তদাৰক কৰে আন্তঃৰাষ্ট্ৰীয় আৰ্বিটাৰ তথা জি টি চি দবা ফাউণ্ডেচনৰ সঞ্চালক বিশ্বজিৎ ভাৰদ্বাজে । তেওঁক উপ আৰ্বিটাৰৰূপে সহায় কৰে নন্দন বুঢ়াগোহাঁই , পল্লৱ ভট্টাচাৰ্য্য আৰু দেবাংগ কলিতাই । বিভিন্ন বয়স গোটত বঁটা অৰ্জন কৰা প্ৰথম তিনিগৰাকী দবাৰু হ'ল ক্ৰমে ঃ ছয় বছৰ অনূৰ্ধ্বত নৈকিত দেউৰা , প্ৰাগণি মিট্ৰাল , জাহ্নৱ দাস। ৯ বছৰ অনূৰ্ধ্বত ৰজত বাফনা , অমিয়া গুপ্তা , হৰ্ষদ্বীপ ডেকা। ১১ বছৰ অনূৰ্ধ্বত সহজ গুপ্তা , অভিৰূপ শইকীয়া , আৰহান ৰহমান বৰা। ১৩ বছৰ অনূৰ্ধ্বত জিত কাশ্যপ , অংকিত বসুমতাৰী , প্ৰিয়ানুজ দাস। ১৫ বছৰ অনূৰ্ধ্বত নলিনাক্ষ্য কাশ্যপ , জয়দ্বীপ কাশ্যপ , কৰ্ণভ পি ডেকা। ১৯ বছৰ অনূৰ্ধ্বত মৃদু মলয় দাস , মায়ংক আগৰৱাল , কৃষাণু দেৱমিশ্ৰ। মুকলি শাখাত নিহাদ ইছলাম হাজৰিকা , নাব্যাংশ বাজাজ আৰু কানজিত ৰামচিয়াৰী । কণিষ্ঠ খেলুৱৈ আৰ্য্যা জৈনক বিশেষ বঁটা প্ৰদান কৰা হয় । ছোৱালীৰ শ্ৰেষ্ঠ দুগৰাকী খেলুৱৈ হ'ল ক্ৰমে নিষ্ঠা শইকীয়া আৰু আয়ুস্মিতা পাল।



